# পাঠ ১
# আমাৰ পৃথিৱী

D7U3I7



উৎসঃ flickr.com

**চিত্ৰ ১.১ ঃ** কৃত্ৰিম উপগ্ৰহৰপৰা তোলা পৃথিৱীৰ ছবি

## ১.১ সৌৰজগতত আমাৰ পৃথিৱী ঃ

কৃত্ৰিম উপগ্ৰহৰপৰা তোলা আমাৰ পৃথিৱীখনৰ নীলা-সেউজীয়া ছবিখন কেতিয়াবা দেখিছানে? এয়া আমাৰ পৃথিৱী (Earth)। আমাৰ প্ৰায় প্ৰত্যেকৰে পৰিয়াল থকাৰ নিচিনাকৈ পৃথিৱীখনৰো এটা পৰিয়াল আছে। সেই পৰিয়ালটোৰ নাম সৌৰজগত (Solar System) । সূৰ্য (Sun) হৈছে এই সৌৰজগতৰ মুৰব্বী। সিপিঠিৰ চিত্ৰ ১.২ ত সৌৰজগতৰ আঠোটা গ্ৰহ দেখুওৱা হৈছে। সূৰ্যৰপৰা দূৰত্ব অনুসৰি গ্ৰহবোৰৰ নাম হ'ল- (১) বুধ (Mercury), (২) শুক্ৰ (Venus), (৩) পৃথিৱী (Earth), (৪) মংগল (Mars), (৫) বৃহস্পতি (Jupiter), (৬) শনি (Saturn), (৭) ইউৰেনাচ (Uranus) আৰু (৮) নেপচুন (Neptune) । এই গ্ৰহবোৰে সূৰ্যক কেন্দ্ৰ কৰি ইয়াৰ চাৰিওফালে পৰিভ্ৰমণ কৰি থাকে। সৌৰজগতৰ উৎপত্তিৰ সময়ৰেপৰা গ্ৰহবোৰে একোটা উপবৃত্তাকাৰ পথেৰে গতি কৰি আছে।




চিত্ৰ ১.২ ঃ সৌৰজগত

**জানো আহা ঃ**



চিত্ৰ ১.৩ ঃ সূৰ্য

- সূৰ্যৰ বহিঃপৃষ্ঠৰ উষ্ণতা প্ৰায় ৫৬০০ ডিগ্ৰী চেলচিয়াছ আৰু অন্তঃভাগৰ উষ্ণতা প্ৰায় ১.৫ কোটি ডিগ্ৰী চেলচিয়াছ
- সূৰ্যৰ ৰশ্মিৰ ২০০ কোটি ভাগৰ মাত্ৰ এক ভাগহে পৃথিৱী আহি পায়
- পৃথিৱীতকৈ সূৰ্য ৩.৩ লাখ গুণে ডাঙৰ
- সূৰ্যৰ নিচিনা আকাৰত মধ্যমীয়া নক্ষত্ৰৰ আয়ুস সাধাৰণতে ১০০০ কোটি বছৰ

উৎস ঃ https://nssdc.gsfc.nasa.gov/planetary/factsheet/sunfact.html

গ্ৰহবোৰে সূৰ্যক আৰু উপগ্ৰবোৰে নিজ-নিজ গ্ৰহক প্ৰদক্ষিণ কৰা পথবোৰক কক্ষপথ (Orbit) বোলে। সৌৰজগতত গ্ৰহ আৰু নক্ষত্ৰৰ উপৰি আৰু বহুতো সৰু-বৰ সদস্য আছে (Celestial Bodies)। উপগ্ৰহ (Satellite), ধুমকেতু বা নেজাল তৰা (Comet), উল্কা বা পপীয়া তৰা (Meteors), গ্ৰহাণুপুঞ্জ (Asteroid) আদি সেইবোৰৰ ভিতৰত পৰে। আমি নিশাৰ আকাশত দেখা চন্দ্ৰ বা জোনটো হৈছে উপগ্ৰহৰ উদাহৰণ। চন্দ্ৰ হৈছে পৃথিৱীৰ একমাত্ৰ উপগ্ৰহ। চন্দ্ৰটো সূৰ্যৰ তুলনাত বহুগুণে সৰু যদিও পৃথিৱীৰ যথেষ্ট ওচৰত থকা বাবে পৃথিৱীৰপৰা চন্দ্ৰ আৰু সূৰ্য দুয়োটাকে আকাৰত প্ৰায় সমান যেন দেখি। বুধ আৰু শুক্ৰ গ্ৰহক বাদ দি আন গ্ৰহসমূহৰো দুই বা ততোধিক উপগ্ৰহ আছে।

**তালিকা ১.১**

| গ্ৰহ | উপগ্ৰহৰ সংখ্যা |
|---|---|
| পৃথিৱী | ১ |
| মংগল | ২ |
| বৃহস্পতি | ৬৭ |
| শনি | ৫৩ |
| ইউৰেনাচ | ২৭ |
| নেপচুন | ১৩ |

## অনুশীলনী - ১

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) সূৰ্যৰ পৰিয়ালটোৰ নাম কি?

(খ) পৃথিৱীৰ উপগ্ৰহটোৰ নাম লিখা।

২. সৌৰজগতৰ গ্ৰহকেইটাৰ নাম সূৰ্যৰপৰা দূৰত্ব অনুসৰি একাদিক্ৰমে লিখা।

৩. চন্দ্ৰটো সূৰ্যৰ তুলনাত বহুগুণে সৰু হ'লেও পৃথিৱীৰপৰা দুয়োটাকে কিয় সমান দেখি?

### ১.২ পৃথিৱীৰ আকাৰ আৰু আকৃতি ঃ

তোমালোকে নিশ্চয় গোলক দেখিছা। পৃথিৱীৰ আকৃতিৰ ধাৰণা পাবলৈ গোলক ব্যৱহাৰ কৰা হয়। গোলক হ'ল বৃহৎ পৃথিৱীখনৰ এটা ক্ষুদ্ৰ আৰ্হি বা নমুনা। গোলক আকৃতিত ঘূৰণীয়া। আমি সাধাৰণতে পৃথিৱীখনক ঘূৰণীয়া বুলি কওঁ। ই পিছে সম্পূৰ্ণ ঘূৰণীয়া নহয়, উপবৃত্তাকাৰহে (Geoid)। ইয়াৰ দুয়ো মূৰ সামান্য চাপ খোৱা আৰু মাজৰ অংশ অলপ ওফন্দি উঠাৰ দৰে। আমাৰ সুবিধাৰ বাবে গোলকত পৃথিৱীখনক ঘূৰণীয়া কৰি দেখুওৱা হয়। চিত্ৰ ১.৪ ত পৃথিৱীৰ উপবৃত্তাকাৰ আকৃতিটো দেখুওৱা হৈছে।

পৃথিৱীখন আকাৰত বাৰু কিমান ডাঙৰ, অনুমান কৰাচোন। তোমালোকে গণিত বিষয়ত বৃত্তৰ পৰিধি আৰু ব্যাসৰ বিষয়ে নিশ্চয় পঢ়িছা। পৃথিৱীৰ পৰিধি প্ৰায় ৪০,০০০ কিলোমিটাৰ।




চিত্ৰ ১.৪ ঃ পৃথিৱীৰ উপবৃত্তাকাৰ আকৃতি




চিত্ৰ ১.৫ ঃ পৃথিৱীৰ আকাৰ সূচক ছবি

চিত্ৰ ১.৫ ত দেখুওৱাৰ দৰে পৃথিৱীৰ উত্তৰা-দক্ষিণা ব্যাস ১২,৭১৪ কিলোমিটাৰ আৰু পূবা-পশ্চিমা ব্যাস ১২,৭৫৬ কিলোমিটাৰ দীঘল। পৃথিৱীৰ পূবা-পশ্চিমা ব্যাস উত্তৰা-দক্ষিণা ব্যাসতকৈ ৪২ কিলোমিটাৰ বেছি দীঘল। অৰ্থাৎ, পৃথিৱীৰ মাজ অংশটো কিছু ওফন্দি উঠা ধৰণৰ।

চিত্ৰ ১.৬ ৰ গোলকটোলৈ মন কৰা। ওপৰৰপৰা তললৈ হেলনীয়া শলা এডাল দেখিছানে? গোলকত থকা সেই শলাডালৰ দৰে পৃথিৱীৰ দুয়ো মেৰু সংযোগ কৰি এডাল ৰেখা কল্পনা কৰা হৈছে। পৃথিৱীৰ কেন্দ্ৰৰে পাৰ হৈ যোৱা এই ৰেখাডালকে পৃথিৱীৰ মেৰুদণ্ড (Axis) বোলে। এই মেৰুদণ্ডডালৰ ওপৰৰ পিনে থকা শীৰ্ষ বিন্দুটোক উত্তৰ মেৰু বা সুমেৰু (North Pole) আৰু তলৰ পিনে থকা শীৰ্ষ বিন্দুটোক দক্ষিণ মেৰু বা কুমেৰু (South Pole) বোলা হয়।

শলাডালৰ ওপৰত নিৰ্ভৰ কৰি গোলকটো ঘূৰাৰ দৰে পৃথিৱীখনেও নিজ মেৰুদণ্ডৰ ওপৰত পশ্চিমৰপৰা পূবলৈ অনবৰতে ঘূৰি আছে। গোলকত মেৰুদণ্ড বুজাবলৈ ব্যৱহাৰ কৰা শলাডালৰ দৰে আমাৰ পৃথিৱীৰ মাজেৰে বাস্তৱত কোনো শলা নাই। পৃথিৱীৰ দুয়ো মেৰু সংযোগী মেৰুদণ্ডডাল এডাল কাল্পনিক ৰেখাহে মাথোন।




**চিত্ৰ ১.৬ ঃ** পৃথিৱীৰ মেৰুদণ্ড




**চিত্ৰ ১.৭ ঃ** বিষুৱৰেখা

এইবাৰ চিত্ৰ ১.৭ ৰ গোলকটোলৈ মন কৰা। গোলকত পথালিকৈ সোঁমাজেৰে এডাল ৰেখা অংকন কৰা হৈছে। ঠিক একেদৰে আমাৰ পৃথিৱীৰ উপৰিভাগত দুয়ো মেৰুৰপৰা সমদূৰত পূবা-পশ্চিমাকৈ এডাল ৰেখা কল্পনা কৰি লোৱা হৈছে। এই ৰেখাডালকে বিষুৱৰেখা (Equator) বুলি কোৱা হয়। এই ৰেখাডালে পৃথিৱীখনক সমানে দুভাগত ভাগ কৰিছে। ইয়াৰ উত্তৰ অংশক উত্তৰ গোলাৰ্ধ (Northern Hemisphere) আৰু দক্ষিণ অংশক দক্ষিণ গোলাৰ্ধ (Southern Hemisphere) বোলা হয়। ইয়াৰপৰা আমি জানিব পাৰিলো যে বিষুৱ হ'ল পৃথিৱীক সমানে দুভাগ কৰা এডাল কাল্পনিক বৃত্তাকাৰ ৰেখা।

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) বৃহৎ পৃথিৱীৰ ক্ষুদ্ৰ আৰ্হিটো কি?

(খ) পৃথিৱীৰ পৰিধি কিমান?

(গ) পৃথিৱীয়ে কোন দিশৰপৰা কোন দিশলৈ ঘূৰে?

(ঘ) পৃথিৱীৰ মেৰুদণ্ড কাক বোলে?

২. পৃথিৱীৰ দুই মেৰু আৰু বিষুৱৰেখা দেখুৱাই এটা গোলকৰ ছবি আঁকা।

## ১.৩ অক্ষৰেখা ঃ

বিষুৱৰেখাৰ সমান্তৰালকৈ ক্ৰমে উত্তৰলৈ আৰু দক্ষিণলৈ কিছুমান বৃত্তাকাৰ ৰেখা অংকন কৰা হৈছে। এই ৰেখাবোৰকে অক্ষৰেখা (Parallels) বোলে।

প্ৰতিডাল অক্ষৰেখাৰ মান বা জোখক অক্ষাংশ (Latitude) বোলে। বিষুৱৰেখাৰ উত্তৰলৈ থকা অক্ষৰেখাসমূহৰ মানক উত্তৰ অক্ষাংশ (Northern Latitude) আৰু দক্ষিণলৈ থকা অক্ষৰেখাসমূহৰ মানক দক্ষিণ অক্ষাংশ (Southern Latitude) বোলে। সাধাৰণতে আমি দূৰত্ব মিটাৰ, কিলোমিটাৰ আদিৰে জোখো। গোলাকাৰ পৃথিৱীৰ উপৰিভাগত অক্ষৰেখাসমূহৰ মাজৰ দূৰত্ব ডিগ্ৰী (°) হিচাপে জুখি উলিওৱা হয়। ঠাই এখনৰ অৱস্থান নিৰ্ণয় কৰিবলৈ জোখ-মাখৰ একক হিচাপে ডিগ্ৰীৰ লগতে মিনিট (´) আৰু ছেকেণ্ড (˝) ব্যৱহাৰ কৰা হয়। বিষুৱৰেখাৰ কৌণিক মান হ'ল ০°, অৰ্থাৎ, ০° অক্ষাংশ (০° Latitude)। বিষুৱৰেখাৰ অন্য এক নাম হ'ল নিৰক্ষৰেখা। ইয়েই হৈছে আটাইতকৈ দীঘল অক্ষৰেখা। বাকী অক্ষৰেখাবোৰ মেৰুৰ দিশলৈ ক্ৰমাৎ সৰু হৈ যায়। এটা কথা মনত ৰাখিবা যে প্ৰতিডাল অক্ষৰেখাই হৈছে এটা পূৰ্ণ বৃত্ত। কিন্তু, দুই মেৰুত বৃত্তাকাৰ অক্ষৰেখা একোটা বিন্দু হৈ পৰেগৈ। পৃথিৱীৰ উত্তৰ মেৰুৰ কৌণিক মান ৯০° উত্তৰ ($90^0$N) আৰু দক্ষিণ মেৰুৰ কৌণিক মান ৯০° দক্ষিণ ($90^0$S)।



চিত্ৰ ১.৮ ঃ অক্ষৰেখা

গোলক এটাত প্ৰতিডাল অক্ষৰেখা অংকন কৰা বা দেখুৱাটো সহজ নহয়। সেয়েহে বিষুৱৰেখাৰ উত্তৰে আৰু দক্ষিণে কেইডালমান প্ৰধান অক্ষৰেখাৰ কথা প্ৰায়ে উল্লেখ কৰা হয়। সেই অক্ষৰেখাকেইডাল হ'ল--

(ক) কৰ্কট-ক্ৰান্তি (Tropic of Cancer) -- অক্ষাংশ ২৩°৩০´ উত্তৰ (23°30´ N. Lat)

(খ) মকৰ-ক্ৰান্তি (Tropic of Capricorn)-- অক্ষাংশ ২৩°৩০´ দক্ষিণ (23°30´ S. Lat)

(গ) সুমেৰু বৃত্ত (Arctic Circle) -- অক্ষাংশ ৬৬°৩০´ উত্তৰ (66°30´ N. Lat)

(ঘ) কুমেৰু বৃত্ত (Antarctic Circle) -- অক্ষাংশ ৬৬°৩০´ দক্ষিণ (66°30´ S. Lat)

### অনুশীলনী - ৩

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) অক্ষৰেখা কাক বোলে?

(খ) বিষুৱৰেখাৰ কৌণিক মান কিমান?

(গ) সুমেৰু আৰু কুমেৰুৰ কৌণিক মান কিমান?

২. বিষুৱৰেখাৰ বিষয়ে বৰ্ণনা কৰা।

৩. এটা গোলকৰ ছবি আঁকি তাত প্ৰধান অক্ষৰেখা কেইডাল দেখুওৱা।

## ১.৪ দ্ৰাঘিমাৰেখা ঃ



**চিত্ৰ ১.৯ ঃ** দ্ৰাঘিমাৰেখাৰ ছবি

অক্ষৰেখাৰ সহায়ত পৃথিৱীৰ কোনো এখন ঠাই বিষুৱৰপৰা কিমান উত্তৰত বা দক্ষিণত আছে সেই বিষয়ে আমি জানিব পাৰিলোঁ। কিন্তু ঠাইখন পৃথিৱীৰ পূব বা পশ্চিম দিশে ক'ত আছে সেইটো কেনেকৈ জানিম? এই সমস্যাৰ সমাধান কৰিবলৈ উত্তৰ মেৰু আৰু দক্ষিণ মেৰু সংযোগ কৰি কিছুমান অৰ্ধবৃত্তাকাৰ ৰেখা কল্পনা কৰা হৈছে। এই ৰেখাবোৰে বিষুৱৰেখা বা অক্ষৰেখাবোৰক ৯০° কোণত ছেদ কৰে। উত্তৰ-মেৰুৰপৰা দক্ষিণ-মেৰুলৈকে অংকন কৰা এই কাল্পনিক অৰ্ধবৃত্ত ৰেখাবোৰেই হৈছে দ্ৰাঘিমাৰেখা। দ্ৰাঘিমাৰেখাৰ কৌণিক মান বা জোখক ডিগ্ৰী (°) হিচাপে প্ৰকাশ কৰা হয়। এই কৌণিক মানকে দ্ৰাঘিমাংশ (Longitude) বুলি কোৱা হয়। দ্ৰাঘিমাৰেখাসমূহৰ মাজৰ দূৰত্ব বিষুৱৰ ওচৰত সৰ্বাধিক আৰু এই দূৰত্ব বিষুৱৰপৰা ক্ৰমান্বয়ে কমি গৈ মেৰুবিন্দুত দ্ৰাঘিমাৰেখাবোৰ লগ হৈ যায়।

০° দ্ৰাঘিমাৰেখাৰ পূব দিশে ১৮০ ডাল আৰু পশ্চিম দিশেও ১৮০ ডাল, অৰ্থাৎ মুঠতে ৩৬০ ডাল দ্ৰাঘিমাৰেখা কল্পনা কৰা হৈছে। ইয়াৰ ০° আৰু ১৮০° পূব বা ১৮০° পশ্চিম দ্ৰাঘিমাৰেখা লগ হৈ এটা পূৰ্ণ বৃত্তৰ সৃষ্টি কৰে। এই পূৰ্ণ বৃত্তাকাৰ দ্ৰাঘিমাৰেখাডালকেই মুখ্য দ্ৰাঘিমাৰেখা (Prime Meridian) বুলি কোৱা হয়। মুখ্য দ্ৰাঘিমাৰেখাডালে পৃথিৱীখনক পূবা-পশ্চিমাকৈ দুটা সমান অংশত ভাগ কৰে। পূব দিশৰ ভাগটোক পূব গোলাৰ্ধ (Eastern Hemisphere) আৰু পশ্চিম দিশৰ ভাগটোক পশ্চিম গোলাৰ্ধ (Western Hemisphere) বোলা হয়। সেয়ে মুখ্য দ্ৰাঘিমাৰেখাৰ পূবৰ এখন ঠাইৰ দ্ৰাঘিমাংশৰ লগত পূব (E) আৰু পশ্চিমৰ এখন ঠাইৰ দ্ৰাঘিমাংশৰ লগত পশ্চিম (W) বুলি লিখি ঠাইখনৰ অৱস্থিতি বুজোৱা হয়। মন কৰিবলগীয়া কথাটো এই যে ১৮০° পূব আৰু ১৮০° পশ্চিম দ্ৰাঘিমাৰেখা প্ৰকৃততে একেডাল ৰেখাহে।

প্ৰতিডাল দ্ৰাঘিমাৰেখাই সমান দৈৰ্ঘ্যৰ আৰু প্ৰত্যেকেই একোটা অৰ্ধবৃত্ত। সেইকাৰণে দ্ৰাঘিমাৰেখাবোৰৰ মান গণনা কৰিবলৈ লণ্ডণৰ গ্ৰীনউইচ মানমন্দিৰৰ ওপৰেদি যোৱা দ্ৰাঘিমাডালক ০° বুলি ধৰি লৈ বাকী দ্ৰাঘিমাবোৰৰ মান গণনা কৰা হয়।

অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ সহায়ত গোলকত কোনো এখন ঠাইৰ অৱস্থান সহজে উলিয়াব পাৰি। অৰ্থাৎ অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাই পৰস্পৰে কটাকটি কৰা বিন্দুটোৰদ্বাৰাই ভূ-পৃষ্ঠৰ যিকোনো এখন ঠাইৰ অৱস্থান নিৰ্ণয় কৰা হয়। উদাহৰণস্বৰূপে, অসমৰ গুৱাহাটী মহানগৰৰ অক্ষাংশ ২৬°১১′ উত্তৰ আৰু দ্ৰাঘিমাংশ ৯১°৭′ পূব। এই ৰেখাদুডালে গোলকটোৰ যিটো বিন্দুত কটাকটি কৰিছে সেই বিন্দুটোৱে হ'ব আমাৰ পৃথিৱীখনত গুৱাহাটীৰ অৱস্থান (গুৱাহাটীৰ অৱস্থান- ২৬°১১′ উত্তৰ আৰু ৯১°৭′ পূব)।

### জানো আহা ঃ

- অক্ষৰেখাবোৰ পৰস্পৰ সমান্তৰাল আৰু পূৰ্ণবৃত্ত।
- অক্ষৰেখাবোৰৰ পৰিধি মেৰুলৈকে ক্ৰমে কমি যায়, কিন্তু মান বাঢ়ি যায়।
- উত্তৰ-মেৰু আৰু দক্ষিণ-মেৰুত অক্ষৰেখাৰ মান ৯০°।
- দ্ৰাঘিমাৰেখাবোৰ পৰস্পৰ সমান্তৰাল নহয় আৰু এইবোৰ অৰ্ধবৃত্তহে।
- দুডাল দ্ৰাঘিমাৰেখাৰ মাজৰ ব্যৱধান বিষুৱৰেখাৰ ওচৰত বেছি আৰু মেৰুৰ পিনে ক্ৰমে কমি যায়।

## অনুশীলনী - ৪

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) দ্ৰাঘিমাৰেখা কাক বোলে?

(খ) দ্ৰাঘিমাংশ কি?

(গ) পৃথিৱীৰ পূব আৰু পশ্চিম- এই দুয়ো দিশে মুঠ কিমানডাল দ্ৰাঘিমাৰেখা কল্পনা কৰা হৈছে?

(ঘ) মুখ্য দ্ৰাঘিমাৰেখা কাক বোলে ?

২. দ্ৰাঘিমাৰেখাৰ বিষয়ে বৰ্ণনা কৰা।

৩. অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ মাজৰ পাৰ্থক্য লিখা।

### ১.৫ পৃথিৱীৰ গতি আৰু ইয়াৰ প্ৰভাৱ ঃ

তোমালোকে বাৰু জানানে যে আমি বাসকৰা পৃথিৱীখনে লাটুম এটাৰ নিচিনাকৈ নিজ মেৰুদণ্ডৰ ওপৰত নিৰ্ভৰ কৰি অবিৰাম ঘূৰি আছে আৰু তাৰ লগতে আমিও যে মহাশূণ্যত ঘূৰি আছোঁ? তোমালোকে সদায় ৰাতিপুৱা সূৰ্যটো পূব দিশত উদয় হোৱা আৰু গধূলি পশ্চিম দিশত অস্ত হোৱা দেখিছা। কিন্তু প্ৰকৃত কথাটো অলপ বেলেগ ধৰণৰ। আচলতে পৃথিৱীখনেহে নিজৰ মেৰুদণ্ডক কেন্দ্ৰ কৰি পশ্চিমৰপৰা পূবলৈ ঘূৰি থাকে। সেইকাৰণে সূৰ্যটোক বিপৰীত ফালে আঁতৰি যোৱা যেন লাগে।



**চিত্ৰ ১.১০ ঃ** সূৰ্য উদয় আৰু অস্ত হোৱা দৃশ্য

সূৰ্যই নিজ কক্ষপথেৰে হাতীপটি তাৰকাৰাজ্য (Milky Way Galaxy) ৰ কেন্দ্ৰৰ চাৰিওফালে পৰিভ্ৰমণ কৰে। আনহাতে, গ্ৰহবোৰেও নিজ মেৰুদণ্ডক কেন্দ্ৰ কৰি ঘূৰি থাকে। এয়াই হৈছে গতি। পৃথিৱীয়ে নিজৰ মেৰুদণ্ডক কেন্দ্ৰ কৰি নিজে ঘূৰাৰ লগতে সূৰ্যকো প্ৰদক্ষিণ কৰে। এনেকৈ ঘূৰা কাৰ্যকে পৃথিৱীৰ গতি বুলি কোৱা হয়।

পৃথিৱীৰ এই গতিক দুটা ভাগত ভাগ কৰা হৈছে-- আহ্নিক গতি বা আৱৰ্তন গতি (Diurnal Motion/ Rotation) আৰু বাৰ্ষিক গতি বা পৰিভ্ৰমণ গতি (Annual Motion/Revolution)।

### ১.৫.১ আহ্নিক গতি বা আৱৰ্তন গতি ঃ

পৃথিৱীয়ে নিজ কক্ষতলৰ লগত ৬৬°৩০′ কোণ কৰি হেলনীয়াকৈ নিজ মেৰুদণ্ডক কেন্দ্ৰ কৰি পশ্চিমৰপৰা

পূবলৈ অবিৰামভাৱে ঘূৰি আছে। ইয়েই হৈছে পৃথিৱীৰ আহ্নিক গতি বা আৱৰ্তন গতি। এইদৰে এপাক ঘূৰোঁতে পৃথিৱীক ২৩ ঘন্টা ৫৬ মিনিট ৪ ছেকেণ্ড সময় লাগে। দিন-ৰাতি মিলি ২৪ ঘন্টাত পৃথিৱীয়ে এপাক ঘূৰে বাবে এই গতিক আহ্নিক গতি বোলে। অৱশ্যে সকলো গ্ৰহৰে আহ্নিক গতিৰ বাবে প্ৰয়োজনীয় সময় একে নহয়। প্ৰতিটো গ্ৰহৰ ক্ষেত্ৰত এই সময় বেলেগ বেলেগ। মনত ৰাখিবলগীয়া কথা যে শুক্ৰ গ্ৰহৰ গতি অতি ধীৰ আৰু ই পৃথিৱীৰ গতিৰ বিপৰীত দিশত ঘূৰে।

আহ্নিক গতিৰ ফলত দিন আৰু ৰাতি হয়। পৃথিৱীয়ে পশ্চিমৰপৰা পূবলৈ অবিৰামভাৱে ঘূৰি থকা বাবে পৃথিৱীৰ যিটো ফাল সূৰ্যৰ পিনে থাকে তাত দিন আৰু বিপৰীত ফালটোত ৰাতি হয়। উদাহৰণস্বৰূপে, ভাৰতত যেতিয়া দিন হয়, সেইসময়ত আমেৰিকাত ৰাতি হয়। অৰ্থাৎ ভাৰত সেইসময়ত সূৰ্যৰ দিশত থাকে আৰু আমেৰিকা সেইসময়ত সূৰ্যৰ বিপৰীত ফালে থাকে।

**জানো আহা ঃ**

**জোৱাৰ-ভাটা (Tide) ঃ** মহাসাগৰৰ বুকুত সাধাৰণ ঢৌ আৰু সোঁতৰ বাহিৰেও আন এবিধ গতি দেখা যায়। সমুদ্ৰৰ পানী দৈনিক দুবাৰকৈ নিয়মিত ব্যৱধানত ওফন্দি ওপৰলৈ উঠে আৰু তাৰ পাছত তললৈ নামি যায়। এইদৰে সমুদ্ৰৰ জলৰাশি ওফন্দি উঠাকে জোৱাৰ আৰু নামি যোৱাক ভাটা বোলা হয়। প্ৰধানকৈ চন্দ্ৰ আৰু সূৰ্যৰ আকৰ্ষণৰ ফলতেই সাগৰ-মহাসাগৰত জোৱাৰ-ভাটাৰ সৃষ্টি হয়। আহ্নিক গতিৰ ফলতো আমি সাগৰত জোৱাৰ-ভাটা দেখিবলৈ পাওঁ।

পৃথিৱীয়ে নিজৰ মেৰুদণ্ডৰ ওপৰত নিৰ্ভৰ কৰি কৰা আৱৰ্তন গতিৰ ফলত ভূ-পৃষ্ঠৰ ভিন্-ভিন্ ঠাইত শক্তিশালী বতাহৰ সৃষ্টি হয়। যিহেতু পৃথিৱীৰ আৱৰ্তনৰ গতিবেগ বিষুৱৰেখাৰপৰা মেৰুলৈকে ভিন্ন, সেয়েহে বতাহৰ গতিবেগৰ লগতে দিশো বেলেগ হয়।

**স্ব-শিকন ঃ**

আন্ধাৰ কোঠা এটাত টৰ্চ লাইট এটা বা মমবাতি এডাল জ্বলাই তাৰ সন্মুখত গোলক এটা ঘূৰাই চোৱাচোন। এনে কৰিলে আহ্নিক গতিৰ লগতে দিন-ৰাতিৰ ধাৰণাটোও অধিক স্পষ্ট হ'ব। প্ৰয়োজনত শিক্ষকৰ সহায় ল'বা।

### ১.৫.২ বাৰ্ষিক গতি বা পৰিভ্ৰমণ গতি ঃ

তোমালোকে ইতিমধ্যে জানিলা যে নিজ মেৰুদণ্ডত এপাক ঘূৰোঁতে পৃথিৱীক ২৪ ঘন্টা সময় লাগে। এইদৰে পৃথিৱীয়ে নিজে ঘূৰি ঘূৰি সূৰ্যৰ চাৰিওফালে এপাক ঘূৰোঁতে এবছৰ সময় লাগে। ইয়াকেই পৃথিৱীৰ বাৰ্ষিক গতি বা পৰিভ্ৰমণ গতি বোলে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ গৱেষণা সংস্থা 'নাছা' (NASA- National Aeronautics and Space Administration) ৰ মতে পৃথিৱীক এটা বাৰ্ষিক গতি সম্পূৰ্ণ কৰিবলৈ এবছৰ, মানে **১২** মাহ, অৰ্থাৎ **৩৬৫** দিন **৫** ঘন্টা **৫৬** মিনিট **১৬** ছেকেণ্ড সময় লাগে। পৃথিৱীয়ে যিটো পথেৰে সূৰ্যৰ চাৰিওফালে ঘূৰে সেই পথটোক কক্ষপথ বোলে। পৃথিৱীৰ দৰে বাকী **৭** টা গ্ৰহইও সূৰ্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰে যদিও প্ৰতিটো গ্ৰহৰে পৰিভ্ৰমণৰ সময় বেলেগ বেলেগ।

পৃথিৱীৰ কক্ষপথ উপবৃত্তাকাৰ হোৱা বাবে সূৰ্যৰপৰা পৃথিৱীৰ দূৰত্ব সকলো সময়তে একে নাথাকে। এটা সময়ত পৃথিৱী সূৰ্যৰ নিচেই কাষ চাপি আহে আৰু অন্য এটা সময়ত একেবাৰে দূৰলৈ গুচি যায় (তলৰ চিত্ৰ ১.১১ ত চোৱা)। পৃথিৱীয়ে সূৰ্যক প্ৰদক্ষিণ কৰি থাকোঁতে ৪ জুলাইৰ দিনাখন সূৰ্যৰপৰা আটাইতকৈ দূৰত অৱস্থান কৰে। ইয়াকে পৃথিৱীৰ অপসূৰ (Aphelion) অৱস্থান বোলে। আনহাতে ৩ জানুৱাৰীৰ দিনাখন পৃথিৱীয়ে সূৰ্যৰ আটাইতকৈ ওচৰত অৱস্থান কৰে। পৃথিৱীৰ এই অৱস্থানক অনুসূৰ (Perihelion) বোলে।




**চিত্ৰ ১.১১ঃ** অনুসূৰ আৰু অপসূৰ

বাৰ্ষিক গতিৰ ফলত মাহ, ঋতু আৰু বছৰৰ পৰিৱৰ্তন হয়। যিহেতু পৃথিৱীৰ কক্ষপথ ঘূৰণীয়া নহৈ উপবৃত্তাকাৰ, সেয়েহে কক্ষপথত ঘূৰি থকাৰ সময়ত সূৰ্যৰপৰা পৃথিৱীলৈ দূৰত্ব সমানে নাথাকে। গতিকে বছৰৰ সকলো সময়তে পৃথিৱীত সূৰ্যৰ পোহৰ আৰু তাপ সমানে নপৰে। বছৰৰ সকলো দিনতে দিন আৰু ৰাতিৰ দৈৰ্ঘ্য সমান নোহোৱাৰ মূলতে বাৰ্ষিক গতি। ইয়াৰ একমাত্ৰ কাৰণ হৈছে উপবৃত্তাকাৰ কক্ষপথ (চিত্ৰ ১.১১ লৈ ভালকৈ চোৱা)। সাগৰীয় সোঁত, বতাহৰ গতি, তাপ আৰু বায়ুৰ চাপৰ পৰিৱৰ্তনৰ মূল কাৰণ হ'ল বাৰ্ষিক গতি। উদ্ভিদৰ বৃদ্ধি, ফল-মূল আদি বছৰৰ সকলো সময়তে একেধৰণে নোহোৱাটোও বাৰ্ষিক গতিৰে ফল।

## অনুশীলনী - ৫

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) 'NASA'ৰ সম্পূৰ্ণ ৰূপটো কি?

(খ) সূৰ্যই কাৰ চাৰিওফালে পৰিভ্ৰমণ কৰে?

(গ) পৃথিৱীক নিজ মেৰুদণ্ডত এপাক ঘূৰিবলৈ কিমান সময় লাগে?

(ঘ) অপসূৰ আৰু অনুসূৰ কাক বোলে?

(ঙ) পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে এপাক ঘূৰিবলৈ কিমান সময় লাগে?

২. আহ্নিক গতি কাক বোলে? ইয়াৰ দুটা ফলাফল লিখা।

৩. বাৰ্ষিক গতি কাক বোলে? ইয়াৰ দুটা ফলাফল লিখা।

৪. পৃথিৱীৰ দুটা ভিন্ন অঞ্চলত কিয় একে সময়তে দিন-ৰাতি নহয়?

**ধাৰণা চিত্র (Concept Map) ঃ**




**শব্দাৰ্থ ঃ**

**হাতীপটি** ঃ হাতীপটি হৈছে এখন তাৰকাৰাজ্য, য'ত বিশ্বব্ৰহ্মাণ্ডৰ অলেখ তৰা বা নক্ষত্ৰ থূপ খাই আছে ।

**ধুমকেতু** ঃ সৌৰজগতত অস্থায়ীভাৱে সূৰ্যক পৰিভ্ৰমণ কৰা বাষ্পীয় শীতল পিণ্ডসমূহেই হৈছে ধুমকেতু।

**উল্কা** ঃ আকাশত তীব্ৰ বেগেৰে গৈ থকা অৱস্থাত হঠাতে জ্বলি উঠা পিণ্ডবোৰেই উল্কা বা পপীয়া তৰা।

**গ্ৰহাণুপুঞ্জ** ঃ মহাকাশত গ্ৰহৰ মাজত থকা কিছুমান সৰু সৰু পদাৰ্থৰ সমষ্টি।



**দলগত কাৰ্য ঃ**

শিক্ষকে ছাত্ৰ-ছাত্ৰীক দলত ভাগ কৰি বল, প্লেট বা কাগজৰ ওপৰত পৃথিৱীৰ আৰ্হি প্ৰস্তুত কৰি পাঠটোৰ বেলেগ বেলেগ ধাৰণাবোৰ বুজাই দিবলৈ চেষ্টা কৰিব।

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

(ক) আমি দিনৰ আকাশত তৰা কিয় দেখিবলৈ নাপাওঁ ?

(খ) ৰাতিৰ আকাশত চন্দ্ৰ সদায় কিয় দেখা নাযায় ?



# পাঠ ২
# সময় মণ্ডল আৰু মানচিত্ৰ

T3L5E2

তোমালোকে বাৰু বিশ্বকাপ ফুটবল, অলিম্পিক বা তেনেধৰণৰ আন কিবা আন্তঃৰাষ্ট্ৰীয় খেল উপভোগ কৰি পাইছানে?




উৎসঃ worldcup2022football.co.uk

চিত্ৰ-২.১ ঃ ফিফা বিশ্বকাপ, কাটাৰ ২০২২ ৰ খেলৰ সময়সূচী

ওপৰৰ ছবিখনত ২০২২ চনত অনুষ্ঠিত বিশ্বকাপ ফুটবল খেলৰ সময়সূচী দিয়া হৈছে। মন কৰিলে দেখিবা যে একেখন খেলৰ পোনপটীয়া সম্প্ৰচাৰ বিশ্বৰ ভিন্-ভিন্ প্ৰান্তৰ লোকে বেলেগ বেলেগ সময়ত চাবলৈ পাব। এনেকুৱা কিয় হয় ভাবিছানে বাৰু?

## ২.১ সময় মণ্ডল

পৃথিৱীখন অতি বিশাল। এই বিশাল পৃথিৱীখনত যদি এফালে দিন হয়, তেন্তে তাৰ ঠিক বিপৰীতফালে ৰাতি হয়। ফলস্বৰূপে আমি সকলোৱে সকলো কাম একে সময়তে কৰিব নোৱাৰো। সেয়েহে পৃথিৱীখনক কেইবাটাও সময় মণ্ডলত ভাগ কৰি লোৱা হৈছে। সময় মণ্ডল (Time Zone) হৈছে পৃথিৱীৰ উপৰিভাগৰ একো একোটা নিৰ্দিষ্ট অঞ্চল, য'ত সামাজিক, আইনগত আৰু ব্যৱসায়জনিত কাম-কাজত একেই মান সময় মানি চলা হয়। অৰ্থাৎ সেই নিৰ্দিষ্ট অঞ্চলটোৰ অন্তৰ্ভুক্ত দেশবোৰৰ স্থানীয় সময় একেই। ওচৰা-ওচৰি দুটা সময় মণ্ডলৰ মাজৰ সময়ৰ ব্যৱধান সাধাৰণতে ১ ঘণ্টা হয়।

### ২.১.১ সময় মণ্ডল কেনেকৈ গণনা কৰা হয়?

সময় মণ্ডল গণনাৰ লগত পৃথিৱীৰ আহ্নিক গতি বা আৱৰ্তন গতিৰ এক বিশেষ সম্বন্ধ আছে। তোমালোকে ইতিমধ্যে পাই আহিছা যে পৃথিৱীয়ে নিজ মেৰুদণ্ডৰ ওপৰত নিৰ্ভৰ কৰি পশ্চিমৰপৰা পূবলৈ গতি কৰি ২৪ ঘণ্টাত সম্পূৰ্ণ এপাক ঘূৰে। এপাক ঘূৰোঁতে, অৰ্থাৎ ২৪ ঘণ্টাত পৃথিৱীয়ে ৩৬০° কোণ সম্পূৰ্ণ কৰে (বৃত্ত এটাৰ মুঠ কোণৰ পৰিমাণ ৩৬০°)। গতিকে দ্ৰাঘিমাংশ হিচাপে এক ঘণ্টাত পৃথিৱীয়ে অতিক্ৰম কৰে ১৫°

(৩৬০°/২৪ ঘণ্টা = ১৫°) । সেইদৰে ১° ঘূৰোঁতে সময় লাগে ৪ মিনিট। সেইকাৰণে গোটেই পৃথিৱীখনকে ২৪ টা সময় মণ্ডলত ভাগ কৰা হৈছে।

সময় মণ্ডলৰ গণনা দ্ৰাঘিমাৰেখাৰ ওপৰত ভিত্তি কৰি কৰা হয়। লণ্ডনৰ ওচৰৰ গ্ৰীনউইচৰ ওপৰেৰে যোৱা দ্ৰাঘিমাৰেখাডালক মুখ্য দ্ৰাঘিমাৰেখা (Prime Meridian) বুলি কোৱা হয়, যাৰ মান হৈছে ০°। মুখ্য দ্ৰাঘিমাৰেখাৰ ঠিক বিপৰীতে থকা দ্ৰাঘিমাৰেখাডালক আন্তৰ্জাতিক তাৰিখ ৰেখা বুলি কোৱা হয়। ইয়াৰ মান হৈছে ১৮০°। এই দুডাল ৰেখাৰ মাজত সময়ৰ ব্যৱধান হৈছে এক দিন। মুখ্য দ্ৰাঘিমাৰেখাৰ (০°) সময়ৰ লগত প্ৰতি ১৫° দ্ৰাঘিমাংশৰ মূৰে মূৰে এক ঘণ্টা যোগ বা বিয়োগ কৰি সময় মণ্ডল গণনা কৰা হয়। মুখ্য দ্ৰাঘিমাৰেখাৰ পৰা পূৱলৈ গ'লে সময় আগুৱাই যাব, কাৰণ সূৰ্য পূব পিনে আগতে উদয় হয়। কিয়নো পৃথিৱীখনে পশ্চিমৰপৰা পূৱলৈ ঘূৰি থাকে। মুখ্য দ্ৰাঘিমাৰেখাৰপৰা পশ্চিমলৈ গ'লে সময় পিছুৱাই যায়, যিহেতু সূৰ্যোদয় পশ্চিম দিশত পিছত হয়। তলৰ তালিকাখনৰ জৰিয়তে সময় মণ্ডল কেনেকৈ গণনা কৰা হয় তাৰ ধাৰণা দিবলৈ চেষ্টা কৰা হ'ল--

**তালিকা ২.১** সময় মণ্ডল গণনা

| ৰাতিপুৱা ৯ | ৰাতিপুৱা ১০ | ৰাতিপুৱা ১১ | দুপৰীয়া ১২ | দুপৰীয়া ১ | দুপৰীয়া ২ | আবেলি ৩ |
|---|---|---|---|---|---|---|
| ৪৫° পশ্চিম | ৩০° পশ্চিম | ১৫° পশ্চিম | ০° | ১৫° পূব | ৩০° পূব | ৪৫° পূব |

মুখ্য দ্ৰাঘিমাৰেখাৰপৰা (০°ৰ পৰা) ক্ৰমান্বয়ে পূৱলৈ গ'লে ১৫° পূব, ৩০° পূব, ৪৫° পূব আদি কৰি ১৮০° পূব পোৱা যায়। এই প্ৰতিডাল দ্ৰাঘিমাৰেখাতেই ১ ঘণ্টা স্থানীয় সময় যোগ দিব লাগিব। অৰ্থাৎ, গ্ৰীনউইচত যদি দুপৰীয়া ১২ বাজে, তেন্তে ১৫° পূব দ্ৰাঘিমাংশত দুপৰীয়া ১ বাজিব আৰু ৩০° পূৱত দুপৰীয়া ২ বাজিব। সেইদৰে মুখ্য দ্ৰাঘিমাৰেখাৰ (০°) পৰা পশ্চিমৰ ফালে গ'লে ১৫° পশ্চিম দ্ৰাঘিমাংশত ৰাতিপুৱা ১১ বাজিব আৰু ৩০° পশ্চিমত ৰাতিপুৱা ১০ বাজিব। অৰ্থাৎ, মুখ্য দ্ৰাঘিমাৰেখাৰ পশ্চিমৰ ফালে গ'লে এক ঘণ্টাকৈ স্থানীয় সময় বিয়োগ কৰিব লাগিব। ওপৰৰ চিত্ৰখনলৈ চালে কথাখিনি বুজি পোৱাত সুবিধা হ'ব।

মুখ্য দ্ৰাঘিমাৰেখাৰ (০°) ঠিক ওপৰত যেতিয়া সূৰ্যই অৱস্থান কৰে, তেতিয়া তাত দুপৰীয়া ১২ বাজে। মুখ্য দ্ৰাঘিমাৰেখাৰপৰা ১৫° পূব দ্ৰাঘিমাত সেই সময়ত দুপৰীয়া ১ বাজে আৰু ১৫° পশ্চিম দ্ৰাঘিমাত সেই সময়ত ৰাতিপুৱা ১১ বাজে। দ্ৰাঘিমাংশ অনুসৰি কোনো এখন ঠাইৰ সময়কেই সেই ঠাইখনৰ স্থানীয় সময় বোলে। মনত ৰাখিবা যে যিকোনো দ্ৰাঘিমাৰেখাত যেতিয়াই সূৰ্যই ঠিক ওপৰত অৱস্থান কৰে, তেতিয়া তাত দুপৰীয়া ১২ বাজে।

কিন্তু দেশ এখনৰ ক্ষেত্ৰত এই গোটেই কথাখিনি অলপ বেলেগ ধৰণেৰে চোৱা হয়। উদাহৰণস্বৰূপে, আমাৰ ভাৰতৰ পূব সীমাৰপৰা পশ্চিম সীমালৈ সময়ৰ ব্যৱধান প্ৰায় ১ ঘণ্টা ৪৫ মিনিট। এখন দেশৰ সময় যদি এটাই নহয়, তেতিয়া বিভিন্ন ধৰণৰ অসুবিধাৰ সৃষ্টি হয়। সেয়েহে ভাৰতৰ ক্ষেত্ৰত, ভাৰতৰ প্ৰায় সোঁমাজেদি যোৱা ৮২°৩০′ পূব দ্ৰাঘিমাৰেখাৰ সময়কেই মান সময় (Standard Time) হিচাপে ধৰা হৈছে। ৮২°৩০′ পূব দ্ৰাঘিমাৰ সময়কেই গোটেই ভাৰতৰ মান সময় (Indian Standard Time ) হিচাপে বিবেচনা কৰা হয়।

গ্ৰীনউইচ আৰু ভাৰতৰ মান সময়ৰ পাৰ্থক্য হৈছে ৫ ঘণ্টা ৩০ মিনিট। যিহেতু ভাৰত গ্ৰীনউইচৰ পূব দিশত অৱস্থিত, সেয়েহে লণ্ডনত যেতিয়া আবেলি ৬ বাজে, তেতিয়া ভাৰতত ৰাতি ১১ বাজি ৩০ মিনিট হয়।




চিত্ৰ-২.২ ঃ ভাৰতৰ মান সময় ৰেখা

## অনুশীলনী - ১

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) দুটা সময় মণ্ডলৰ মাজৰ সময়ৰ ব্যৱধান কিমান?

(খ) পৃথিৱীখনক কেইটা সময় মণ্ডলত ভাগ কৰা হৈছে?

(গ) ভাৰতৰ মাজেৰে যোৱা কোনডাল দ্ৰাঘিমাৰেখাৰ সময়ক দেশখনৰ মান সময় হিচাপে গণ্য কৰা হৈছে?

২. সময় মণ্ডল কেনেকৈ গণনা কৰা হয়?

### ২.২ মানচিত্ৰ ঃ

তোমালোকে কেতিয়াবা গছ-গছনি, চৰাই-চিৰিকতি, মানুহ, জীৱ-জন্তু ইত্যাদিৰ ছবি নিশ্চয় আঁকিছা। জ্যামিতিৰ চিত্ৰ, যেনে, কোণ, ত্ৰিভুজ, বৰ্গ, আয়তক্ষেত্ৰ, আদিও আঁকিছা। কেতিয়াবা তোমাৰ গাঁওখনৰ, বিদ্যালয়খনৰ আৰু জিলা, ৰাজ্য বা দেশখনৰ চিত্ৰ আঁকিছানে? যদি আঁকিছা, সেইবোৰক কি বুলি কোৱা বাৰু? মানচিত্ৰ বা মেপ (Map) বুলি কোৱা, নহয় জানো? দৰাচলতে, এখন ঠাইৰ যিকোনো ছবি এখনকে মানচিত্ৰ বা মেপ (Map) বুলি ক'লে ভুল হ'ব। মাপনী বা নিৰ্দিষ্ট জোখ-মাখ নোহোৱাকৈ অঁকা ছবি এখন সাধাৰণ চিত্ৰ বা

আৰ্হিহে মাথোন। কাগজ বা তেনে কোনো সমতলত দিশ আৰু দূৰত্বৰ অনুপাত সঠিক ৰূপত ৰাখি পৃথিৱী বা ইয়াৰ কোনো এটা অংশক সৰু আকাৰলৈ পৰিৱৰ্তন কৰি অংকন কৰা চিত্ৰই হ'ল মানচিত্ৰ।

মানচিত্ৰত কোনো একধৰণৰ বা বহুধৰণৰ তথ্যৰ বিতৰণ একেলগে দেখুৱাব পাৰি। মানচিত্ৰ বিভিন্ন প্ৰকাৰৰ আছে, যেনে, প্ৰাকৃতিক মানচিত্ৰ, ৰাজনৈতিক মানচিত্ৰ, বতৰ মানচিত্ৰ, জনসংখ্যা মানচিত্ৰ, যাতায়াত আৰু পৰিবহণ মানচিত্ৰ, কৃষি মানচিত্ৰ, উদ্যোগ মানচিত্ৰ, ইত্যাদি। প্ৰাকৃতিক মানচিত্ৰত নদী, পৰ্বত, উদ্ভিদ আদি ভৌগোলিক তথ্যবোৰ দেখুওৱা হয়। ৰাজনৈতিক মানচিত্ৰত দেশ-মহাদেশ, ৰাজ্য, জিলা আদিৰ অৱস্থান, চাৰিসীমা, ৰাজধানী, নগৰ, চহৰ আদি দেখুওৱা হয়। তেনেদৰে জনসংখ্যা মানচিত্ৰত জনসংখ্যাৰ বিতৰণ, ঘনত্ব আদি দেখুওৱা হয়। অংকন পদ্ধতি, বিষয়বস্তু, উদ্দেশ্য আদিৰ ওপৰত নিৰ্ভৰ কৰি মানচিত্ৰক সাধাৰণ মানচিত্ৰ (General Map) আৰু বিষয়ভিত্তিক মানচিত্ৰ (Thematic Map) হিচাপে ভগাব পাৰি। ইতিমধ্যে উল্লেখ কৰা প্ৰাকৃতিক আৰু ৰাজনৈতিক মানচিত্ৰবোৰক সাধাৰণ মানচিত্ৰ আৰু জনসংখ্যাৰ বিতৰণ, যাতায়াত ব্যৱস্থা, জলবায়ু, বৃষ্টিপাত, অৰণ্য আদি বিশেষ বিষয় দেখুৱাবলৈ আঁকা মানচিত্ৰবোৰক বিষয়ভিত্তিক মানচিত্ৰ বোলে।

মানচিত্ৰ এখন প্ৰস্তুত আৰু অধ্যয়ন কৰাৰ ক্ষেত্ৰত কেইটামান উপাদানৰ প্ৰয়োজন হয়। সেই উপাদানকেইটা হ'ল- দিশ, দূৰত্ব, অৱস্থান আৰু সাংকেতিক চিহ্ন।

### দিশ ঃ

বেছিভাগ মানচিত্ৰতে সোঁহাতে ওপৰফালে লম্বভাৱে আঁকা এডাল কাঁড়ৰ ওপৰত **N** বা 'উঃ' আখৰটো লিখা থাকে। কাঁড় চিনেৰে দেখুওৱা এই 'উঃ' আখৰটোৱে উত্তৰ দিশক বুজায়। তোমালোকে মানচিত্ৰ এখনৰ উত্তৰ দিশটো জানিব পাৰিলে দক্ষিণ, পূব আৰু পশ্চিম-- এইকেইটা দিশ সহজে চিনি উলিয়াব পাৰিবা। তোমালোকে জানা যে প্ৰধান দিশ চাৰিটা-- উত্তৰ (North), দক্ষিণ (South), পূব (East) আৰু পশ্চিম (West) । ইয়াৰ মাজৰ দিশবোৰ হ'ল-- উত্তৰ-পূব (North-East), দক্ষিণ-পূব (South-East), দক্ষিণ-পশ্চিম (South-West) আৰু উত্তৰ-পশ্চিম (North-West)। এই দিশবোৰৰ সহায়ত আমি ধৰাপৃষ্ঠত কোনো এখন ঠাইৰ অৱস্থান শুদ্ধকৈ জানিব পাৰো। দিশ নিৰ্ণয় যন্ত্ৰ বা কম্পাছৰ সহায়ত আমি কোনো এখন ঠাইৰ দিশ শুদ্ধকৈ জানিব পাৰো। জানি থোৱা যে কম্পাছৰ চুম্বকীয় কাঁটা সদায় উত্তৰ-দক্ষিণ মুৱা হৈ থাকে।




**চিত্ৰ ২.৩ ঃ** দিশ নিৰ্ণয় যন্ত্ৰ বা কম্পাছ




চিত্ৰ ২.৪ ঃ দিশ

### দূৰত্ব ঃ

দুখন ঠাইৰ মাজৰ প্ৰকৃত দূৰত্বক সেই একে জোখতে মানচিত্ৰত দেখুৱাবলৈ হ'লে মানচিত্ৰখন আকাৰত প্ৰকৃত ঠাইখনৰ সমান হ'ব লাগিব। কিন্তু মানচিত্ৰ সিমান ডাঙৰ কৰা সম্ভৱ নহয়। সেয়েহে মানচিত্ৰখনৰ আকাৰ সুবিধাজনকভাৱে সৰু কৰি লোৱা হয়। তেতিয়া ভূ-পৃষ্ঠৰ প্ৰকৃত দূৰত্বক মানচিত্ৰত এটা নিৰ্দিষ্ট অনুপাতত হ্ৰাস কৰি দেখুওৱা হয়। ভূ-পৃষ্ঠৰ ওপৰৰ প্ৰকৃত দূৰত্বক মানচিত্ৰত যি অনুপাতত হ্ৰাস কৰি দেখুওৱা হয় তাকেই স্কেল বা মাপনী (Scale) বোলে।

যেতিয়া দেশ বা মহাদেশৰ দৰে ডাঙৰ অঞ্চল একোটা এখন কাগজত দেখুৱাবলগীয়া হয়, তেতিয়া আমি সৰু মাপনীৰ সহায় লওঁ। উদাহৰণস্বৰূপে, মানচিত্ৰৰ ১ চেণ্টিমিটাৰ দূৰত্বই ধৰাপৃষ্ঠৰ ১০০ কিলোমিটাৰ বুজাব। এনেবোৰ মানচিত্ৰক আমি সৰু মাপনীৰ মানচিত্ৰ (Small Scale Map) বুলি কওঁ। তেনেদৰে যেতিয়া আমাৰ গাঁওখন বা চহৰখন কাগজত আঁকি দেখুৱাব লাগে, তেতিয়া ডাঙৰ মাপনী ব্যৱহাৰ কৰিব লাগিব। উদাহৰণস্বৰূপে, মানচিত্ৰৰ ১ চেণ্টিমিটাৰে যেতিয়া ধৰাপৃষ্ঠৰ ১ কিলোমিটাৰ বুজায় তেতিয়া এনে মানচিত্ৰক ডাঙৰ মাপনীৰ মানচিত্ৰ (Large Scale Map) বুলি কোৱা হয়। সৰু মাপনীৰ মানচিত্ৰতকৈ ডাঙৰ মাপনীৰ মানচিত্ৰই আমাক ঠাই এখনৰ বিতং তথ্য জনাত সহায় কৰে।

### অৱস্থান ঃ

মানচিত্ৰবোৰত সাধাৰণতে উত্তৰা-দক্ষিণাকৈ আৰু পূবা-পশ্চিমাকৈ কিছুমান অতি ক্ষীণ ৰেখা অঁকা থাকে। ইয়াৰে পূবা-পশ্চিমাকৈ থকা ৰেখাবোৰক অক্ষৰেখা (Lines of Latitude) আৰু উত্তৰা-দক্ষিণাকৈ থকা ৰেখাবোৰক দ্ৰাঘিমাৰেখা (Lines of Longitude) বুলি কোৱা হয়। অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ এই জালিকাখন নোহোৱাকৈ মানচিত্ৰ অংকন কৰিব নোৱাৰি। কোনো ঠাইৰ অৱস্থান এই দুবিধ ৰেখাৰ ভিত্তিতে নিৰূপন কৰা হয়।

### সাংকেতিক চিহ্ন ঃ

মানচিত্ৰ এখনৰ বাবে প্ৰয়োজনীয় আন এবিধ উপাদান হ'ল সাংকেতিক চিহ্ন (Symbol) । মানচিত্ৰত কোনো এখন ঠাইৰ ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট, দলং, গছ-গছনি, ৰে'লপথ, পুখুৰী, কুঁৱা, খেতি-পথাৰ আদি উপাদানবোৰ প্ৰকৃত ৰূপত আঁকি দেখুৱাব নোৱাৰি। গতিকে এই তথ্যবোৰ বিভিন্ন আখৰ, ৰং, ৰেখা, চিহ্ন আদিৰে দেখুওৱা হয়। এই চিহ্নবোৰে এখন নিৰ্দিষ্ট ঠাইৰ বিভিন্ন ধৰণৰ তথ্য সম্পৰ্কে আমাক জনাব পাৰে। সাধাৰণতে মানচিত্ৰত ব্যৱহাৰ হোৱা চিহ্নবোৰ গোটেই পৃথিৱীতে একে। পৃথিৱীৰ যিকোনো ঠাইৰ মানচিত্ৰৰ এই চিহ্নবোৰ অধ্যয়ন কৰি আমি সেই ঠাইখনৰ বিভিন্ন কথা জানিব পাৰোঁ। কোনো এখন নতুন ঠাইলৈ গ'লে সেই ঠাইখনৰ ভাষা নজনাৰ বাবে ঠাইখনৰ বিভিন্ন তথ্য জনাৰ ক্ষেত্ৰত অসুবিধা হ'ব পাৰে। তেতিয়া সেই ঠাইৰ মানচিত্ৰ এখন উলিয়াই লৈ তাত থকা চিহ্নবোৰৰ সহায়ত প্ৰয়োজনীয় তথ্য জানিব পাৰি। উদাহৰণস্বৰূপে, গুৱাহাটী মহানগৰীৰ মানচিত্ৰ এখন অধ্যয়ন কৰি তুমি গুৱাহাটীৰ বিভিন্ন ৰাস্তা-ঘাট, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ভ্ৰমণ কৰিবলগীয়া স্থানসমূহৰ অৱস্থান সহজতে জানি লৈ ভ্ৰমণ কৰিব পাৰা। মানচিত্ৰত ব্যৱহাৰ হোৱা সাংকেতিক চিহ্নবোৰক স্বীকৃত বা প্ৰচলিত চিহ্ন (Conventional Symbols) বোলা হয়। তলত এনে প্ৰচলিত চিহ্নৰ এখন তালিকা দিয়া হ'ল-




চিত্ৰ ২.৫ ঃ মানচিত্ৰত ব্যৱহাৰ কৰা কেতবোৰ সাংকেতিক চিহ্ন

মানচিত্ৰত বিভিন্ন তথ্য উপস্থাপনৰ বাবে চিহ্নৰ উপৰি বিভিন্ন ৰঙো ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, পানী দেখুৱাবলৈ মানচিত্ৰত নীলা ৰং, পৰ্বত-পাহাৰ দেখুৱাবলৈ ডাঠ মুগা ৰং, মালভূমি দেখুৱাবলৈ হালধীয়া ৰং আৰু নিম্ন সমভূমি দেখুৱাবলৈ সেউজীয়া ৰং ব্যৱহাৰ কৰা হয়।

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) মানচিত্ৰৰ উপাদান কেইবিধ আৰু কি কি?

(খ) প্ৰধান দিশ চাৰিটা কি কি?

(গ) মানচিত্ৰৰ মাপনী বুলিলে কি বুজা?

২. কিছু ক্ষেত্ৰত গোলকতকৈ মানচিত্ৰ কিয় বেছি সুবিধাজনক?

৩. মানচিত্ৰ আৰু নক্সাৰ মাজত পাৰ্থক্য কি?

৪. মানচিত্ৰ অধ্যয়নৰ ক্ষেত্ৰত সাংকেতিক চিহ্নবোৰে কিদৰে সহয় কৰে?

**ধাৰণা চিত্ৰ (Concept Map) ঃ**






**দলগত কাৰ্য ঃ**

গ্ৰীনউইচত ৰাতিপুৱা ৮ বাজিলে ৬০° পূব দ্ৰাঘিমাত অৱস্থিত ঠাই এখনত তেতিয়া সময় কিমান হ'ব?

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

গুৱাহাটী (৯১°৭১′ পূব দ্ৰাঘিমাংশ) ত আবেলি স্থানীয় সময় ৫ বজা হ'লে চেন্নাইৰ (৮০°২৭′ পূব দ্ৰাঘিমা) স্থানীয় সময় সেই সময়ত কিমান হ'ব?



# পাঠ ৩
# ভূ-অৱয়ব আৰু মানুহ

H1S4Q6

তোমালোকে নিশ্চয় নদ-নদী, বিল, হ্ৰদ, সাগৰ-মহাসাগৰ, দ্বীপ, সমভূমি, মালভূমি, পৰ্বত-পাহাৰ, উপত্যকা আদি নানা প্ৰকাৰৰ ভূ-অৱয়ব (Landform) দেখিবলৈ পাইছা। ভূ-মানে পৃথিৱী বা মাটি আৰু অৱয়ব মানে গঠন। পৃথিৱীৰ উপৰিভাগ সকলোতে একে নহয়। ইয়াৰে কোনো ঠাই ওখোৰা-মোখোৰা আৰু কোনো ঠাই সমান। অতীজৰেপৰা বাহ্যিক আৰু আভ্যন্তৰীণ কাৰকৰ ক্ৰিয়াৰ ফলত এনে ভূ-অৱয়ববোৰে পৰিৱৰ্তনৰ সন্মুখীন হৈ আহিছে।




উৎসঃ freepik.com)

**চিত্ৰ ৩.১ ঃ** ভূ-অৱয়বৰোৰৰ ছবি

চিত্ৰ ৩.১ ত দেখুওৱা কি কি ভূ-অৱয়ব তোমাৰ নিজৰ অঞ্চলটোত আছে, তাক তলৰ খালী বাকচটোত লিখি উলিওৱা।

| |
|---|
| |

আমি দেখিবলৈ পোৱা ভূ-অৱয়ববোৰ মূলতঃ জলভাগ আৰু স্থলভাগত পোৱা যায়। স্থলভাগত থকা কেইটামান ভূ-অৱয়ব হ'ল- পৰ্বত-পাহাৰ, মালভূমি, সমভূমি আৰু উপত্যকা। তেনেদৰে জলভাগৰ অৱয়ববোৰ হ'ল- সাগৰ-মহাসাগৰ, নদ-নদী, বিল, জলাহ আদি।

## ৩.১ স্থলভাগৰ ভূ-অৱয়ব ঃ

স্থলভাগ পৃথিৱীৰ উপৰিভাগৰ এটা গুৰুত্বপূৰ্ণ অংশ। এই ভাগটো এছিয়া, ইউৰোপ, আফ্ৰিকা, উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা, ওচেনিয়া, এণ্টাৰ্কটিকা- এই মহাদেশকেইখনক লৈ গঠিত। স্থলভাগৰ ভূ-অৱয়ববোৰো এই অঞ্চলবোৰতেই সিঁচৰতি হৈ আছে।

পৃথিৱীৰ স্থলভাগত থকা ভূ-অৱয়ববোৰৰ ওপৰত ৰ'দ, বতাহ, বৰষুণ আদিয়ে অহৰহ ক্ৰিয়া কৰি থাকে।

এনেবোৰ কাৰকৰ ক্ৰিয়াৰ ফলত পৰ্বত-পাহাৰ, মালভূমি আদিত সঘনে পৰিৱৰ্তন ঘটে। এই ভূ-অৱয়ববোৰক সাধাৰণতে উচ্চতা আৰু ঢালৰ ওপৰত ভিত্তি কৰি ভাগ কৰা হয়।

**জানো আহা ঃ**

- আমি দেখি থকা ভূ-অৱয়ববোৰ পৃথিৱীৰ আৰম্ভণিৰেপৰা নাছিল। এইবোৰৰ আকাৰ আৰু আকৃতি পৰিস্থিতি সাপেক্ষে সাল-সলনি হ'ব পাৰে।
- কিছুমান ভূ-অৱয়ব মাত্ৰ কেইবছৰমান পুৰণি আৰু অন্য কিছুমান হাজাৰ-হাজাৰ বছৰ পুৰণি হ'ব পাৰে।
- ভূ-অৱয়ববোৰৰ উৎপত্তিৰ কাৰণ ভিন্-ভিন্ হ'ব পাৰে। উৎপত্তিৰ ভিত্তিত এইবোৰক আকৌ বেলেগ বেলেগ ভাগত ভাগ কৰা হয়।

### ৩.১.১ পৰ্বত-পাহাৰ ঃ

পৰ্বত-পাহাৰ (Mountain and Hill) বুলিলে সাধাৰণতে ওখ, শিলাময় আৰু কিছু পৰিমাণে উদ্ভিদ থকা ঠাইকে বুজা যায়। আমি বসবাস কৰা সমভূমিতকৈ পৰ্বত-পাহাৰৰ প্ৰাকৃতিক বৈশিষ্ট্য কিছু বেলেগ। চাৰিওফালৰ ভূ-ভাগতকৈ পৰ্বত-পাহাৰ যথেষ্ট ওখ আৰু ইয়াৰ উপৰিভাগ ওখোৰা-মোখোৰা । তাত উচ্চ শিখৰ বা শৃংগও (Peak) থাকিব পাৰে। পৰ্বতৰ উচ্চ অংশৰ জলবায়ু শীতল। বছৰৰ প্ৰায় সকলো সময়তে পৰ্বতৰ শিখৰ বৰফেৰে ঢাক খাই থাকে। পৰ্বতৰ ঢালেৰে বৰফৰ খণ্ড নামি আহিলে হিমবাহৰ (Glacier) সৃষ্টি হয়। তুলনামূলকভাবে কম উচ্চতাৰ শিখৰযুক্ত উচ্চভূমিক পাহাৰ (Hill) বোলা হয়।




চিত্ৰ ৩.২ ঃ পৰ্বত




চিত্ৰ ৩.৩ ঃ পৰ্বতমালা



চিত্ৰ ৩.৪ ঃ পাহাৰ




চিত্ৰ ৩.৫ ঃ হিমবাহ

পৃথিৱীৰ স্থলভাগতে যে কেৱল পৰ্বত-পাহাৰ আছে এনে নহয়, সাগৰ-মহাসাগৰৰ তলিতো এনে উচ্চ ভূমি থাকিব পাৰে। সেইবোৰ পানীত ডুব গৈ থাকে বাবে আমি দেখা নাপাওঁ। আকৌ একেলগে শাৰী-শাৰীকৈ থকা দীঘলীয়া পৰ্বতৰ সমষ্টিক পৰ্বতমালা (Mountain Range) বোলা হয়। হিমালয় তেনে এক পৰ্বতমালা।

পৰ্বত-পাহাৰ আদি উচ্চভূমিসমূহ সাধাৰণতে শিলাময় আৰু থিয় ঢালযুক্ত হয়। এইবোৰত কৃষিকাৰ্য আৰু গৃহ নিৰ্মাণৰ বাবে সমান ঠাইৰ অভাৱ। সেয়েহে এনে অঞ্চলবোৰত জনবসতি সেৰেঙা। এনে উচ্চভূমিত নানা প্ৰজাতিৰ গছ-বন, জীৱ-জন্তু আদি থাকে। মন কৰিবলগীয়া কথা যে উচ্চতাৰ ভিত্তিত এইবোৰৰ বিতৰণৰ ক্ষেত্ৰত পাৰ্থক্য দেখা যায়।

মানুহৰ জীৱন-যাপনত পৰ্বতৰ বৰঙণি অলেখ। পৃথিৱীৰ বেছিভাগ প্ৰধান নদীৰেই উৎপত্তিস্থল হৈছে পৰ্বতৰ হিমবাহ আৰু নিজৰা (Stream)। গতিকে পৰ্বত-পাহাৰক মানুহৰ ব্যৱহাৰৰ উপযোগী পানীৰ ভঁৰাল বুলিও ক'ব পাৰি। আনহাতে দুশাৰী পৰ্বতৰ মাজেৰে বৈ অহা নৈত বান্ধ দিও কৃত্ৰিম জলাশয়ৰ সৃষ্টি কৰা হয়।

পাহাৰৰ এঢলীয়া ঢালত হাবি-বন মোকলাই মানুহে ধান, গম, আলু , কচু, ফল-মূল আদিৰ খেতি কৰে। এনেদৰে পাহাৰ অঞ্চলত কৰা অস্থায়ী খেতিকে ঝুম খেতি বোলে। এই পৰ্বত-পাহাৰবোৰ বিভিন্ন প্ৰকাৰৰ উদ্ভিদ আৰু প্ৰাণীৰে অতি চহকী। পৰ্বত-পাহাৰত থকা অৰণ্যসমূহে ইয়াৰ ওচৰৰ বাসিন্দাসকলক খৰি, খাদ্য, গৃহ নিৰ্মাণ সামগ্ৰী, পশুখাদ্য আৰু অনেক ঔষধি উদ্ভিদৰ যোগান ধৰে। একোখন পৰ্বত আৰু তাত থকা উদ্ভিদে ওচৰ-পাজৰৰ বায়ুমণ্ডলৰ উত্তাপ, বতাহ, বৰষুণ আদি নিয়ন্ত্ৰণত বিশেষ ভূমিকা পালন কৰে। পৰ্বতৰ কিছুমান ঠাই স্বাস্থ্যকৰ। এনেবোৰ ঠাই পৰ্যটন স্থল হিচাপে জনপ্ৰিয়। হিমালয়ৰ মুছৌৰী, কুলু, মনালী, ছিমলা, ছিকিম, ডেৰাডুন, দাৰ্জিলিং, খাছি পাহাৰৰ ছিলং আদি উল্লেখযোগ্য পৰ্যটন স্থল।

আজিকালি মানুহে পৰ্বতত দুঃসাহসিক খেলো খেলিবলৈ লৈছে। পৰ্বতাৰোহণ, স্কিয়িং আদি খেলৰ বিষয়ে তোমালোকে নিশ্চয় জানা। এতিয়া ভাবি চোৱাচোন, এই পৰ্বত-পাহাৰবোৰে আমাক কেনেধৰণে সহায় কৰে। পিছে বিচাৰ-বিবেচনা নকৰাকৈ পৰ্বত-পাহাৰৰ গছ-গছনি আৰু শিল-মাটি আদি কটা কাৰ্যই ঠায়ে ঠায়ে বিপদৰো সৃষ্টি কৰিছে।

### ৩.১.২ মালভূমি ঃ

ভূ-পৃষ্ঠত পৰ্বত-পাহাৰতকৈ কম উচ্চ প্ৰায় সমতলৰ দৰে উচ্চভূমি কিছুমান দেখিবলৈ পোৱা যায়। এনে ধৰণৰ বহল আৰু অসমান উচ্চভূমিক মালভূমি (Plateau) বোলে। পৰ্বত-পাহাৰত থিয় শিখৰ থাকে, আনহাতে মালভূমিৰ ওপৰভাগ বহল আৰু প্ৰায় সমতল। মালভূমিৰ এক বা একাধিক অংশ কিছু পৰিমাণে থিয় ঢালযুক্ত হ'ব পাৰে। ইয়াৰ উচ্চতা কেইমিটাৰ মানৰপৰা কেইহাজাৰ মিটাৰ হ'ব পাৰে। ভাৰতৰ উত্তৰে থকা তিব্বত মালভূমি পৃথিৱীৰ আটাইতকৈ উচ্চ মালভূমি। ই ৪,০০০ ৰ পৰা ৬,০০০ মিটাৰ উচ্চ।




**চিত্ৰ ৩.৬** ঃ মালভূমিৰ ছবি

মালভূমিসমূহ খনিজ পদাৰ্থৰ ভঁৰাল। মালভূমি অঞ্চলত লোৰ আকৰ, কয়লা, মেংগানিজ, সোণ আদি খনিজ সম্পদ পোৱা যায়। আগ্নেয়গিৰিৰপৰা নিৰ্গত লাভাৰে গঠিত মালভূমি অঞ্চলত উৎকৃষ্ট কপাহ খেতি হয়। কিছুমান মালভূমিৰ থিয় ঢালত নৈৰ পানী তললৈ পৰি জলপ্ৰপাতৰ সৃষ্টি কৰে। আমাৰ চুবুৰীয়া ৰাজ্য মেঘালয়ত বিদন আৰু বিচপৰ উপৰি আৰু বহুত জলপ্ৰপাত আছে।

**অসমৰ পাহাৰীয়া অঞ্চল**

অসমৰ কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাক সামৰি পাহাৰীয়া অঞ্চল গঠিত। এই অঞ্চল প্ৰধানতঃ কাৰ্বি মালভূমিৰ অংশ। কাৰ্বি মালভূমি দাক্ষিণাত্য মালভূমিৰ এক বিস্তাৰিত অংশ। ৰাজ্যখনৰ সবাতোকৈ ওখ পাহাৰ বৰাইল ইয়াতেই অৱস্থিত।

অসমৰ পাহাৰীয়া অঞ্চলত প্ৰধানকৈ কাৰ্বি, ডিমাচা, কুকি, মাৰ আদি জনগোষ্ঠীৰ লোকসকলে বাস কৰে। এই অঞ্চলটোত ধান, তিল, আদা, হালধি, জালুক, জলকীয়া আদি শস্যৰ খেতি কৰা হয়। অঞ্চল বিশেষে কফি, ৰবৰ, কুঁহিয়াৰ, চাহ আৰু ফল-মূলৰ খেতিও কৰে। বিশেষকৈ কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ কিছু কিছু অংশত চাহ খেতি কৰা হয়।

পাহাৰীয়া অঞ্চলত সংৰক্ষিত বনাঞ্চল বেছিকৈ থকাৰ লগতে বেছিভাগ ঠাই ঢালযুক্ত হোৱাৰ কাৰণে যাতায়াত-পৰিবহণৰ ক্ষেত্ৰত তুলনামূলকভাৱে পিছপৰা। অঞ্চলটোৰ সকলো ঠাই সুচল পথেৰে সংযুক্ত নহয়। লামডিং আৰু শিলচৰ সংযোগী ৰেলপথটোৱে পাহাৰীয়া অঞ্চলটোৰ যাতায়াত-পৰিবহণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

আন মালভূমি অঞ্চলৰ দৰে কাৰ্বি মালভূমিৰ অন্তৰ্গত এই অঞ্চলো খনিজ সম্পদত চহকী। ইয়াত চুণশিল, চীনামাটি, ফেল্ডস্পাৰ আৰু কয়লা পোৱা যায়। পানীমূৰ, ভেলুঘাট আদি ইয়াৰ উল্লেখনীয় জলপ্ৰপাত। আনহাতে হাফলং আৰু জাতিংগা অসমৰ উল্লেখযোগ্য পৰ্যটনস্থল স্বৰূপে গঢ় লৈ উঠিছে।



উৎসঃ wikimedia.org

পানীমূৰ জলপ্ৰপাত

### ৩.১.৩ সমভূমি ঃ

সাধাৰণতে ভূ-পৃষ্ঠৰ সমতল ঠাইবোৰকে সমভূমি (Plain) বুলি কোৱা হয়। সমভূমিয়ে অৱশ্যে ঠাই এখন সম্পূৰ্ণৰূপে সমান হোৱাটোকে নুবুজায়। ইয়াৰ মাজতো নদ-নদী, পাহাৰ, হ্ৰদ-বিল আৰু অন্য কিছু ওখ ঠাই থাকিব পাৰে। সমভূমিয়ে পৃথিৱীৰ এক-তৃতীয়াংশতকৈ বেছি ঠাই আগুৰি আছে। নৈ, জান-জুৰিৰ বোৱতী পানীয়ে উচ্চভূমিৰপৰা শিল, বালি, মাটি আদি উটুৱাই নি নিম্নভূমি অঞ্চলত জমা কৰে। যুগ যুগ ধৰি চলি থকা এনে কাৰ্যৰ ফলত উচ্চ ভূমিসমূহ ক্ষয়প্ৰাপ্ত হৈ সমভূমিৰ সৃষ্টি হ'ব পাৰে।

সাধাৰণতে সমভূমিসমূহ সাৰুৱা আৰু কৃষিকাৰ্যৰ বাবে অতি উপযোগী। সমভূমিবোৰ বাট-পথ নিৰ্মাণৰ




চিত্ৰ ৩.৭ ঃ সমভূমিৰ ছবি




চিত্ৰ ৩.৮ ঃ আকাশীযানৰপৰা লোৱা সমভূমিৰ ছবি

বাবেও সুবিধাজনক। নিৰ্মাণ কাৰ্য আৰু পৰিবহণৰ সুবিধাৰ বাবে সমভূমিত কল-কাৰখানাও গঢ়ি উঠে। এনেবোৰ সুবিধা থকাৰ বাবে সমভূমি অঞ্চলত জনবসতি অধিক হোৱা দেখা যায়। সেয়ে পৃথিৱীৰ প্ৰধান নৈসমূহে সৃষ্টিকৰা সমভূমিত জনবসতি আটাইতকৈ ঘন। অৱশ্যে মৰুভূমিৰ দৰে কিছুমান সমভূমিত পানীৰ নাটনিৰ বাবে জনবসতি সেৰেঙা হোৱা দেখা যায়। পোহনীয়া গৰু-ছাগলীৰ উপৰি সমভূমিৰ বনাঞ্চলত নানান বন্যপ্ৰাণী দেখা যায়।

### ৩.১.৪ মৰুভূমি ঃ

মৰুভূমি (Desert) অঞ্চলত বছৰত ২৫০ মিলিমিটাৰতকৈ কম বৰষুণ হোৱা বাবে অতি শুকান পৰিৱেশ বিৰাজ কৰে। মৰু-অঞ্চলত দিনৰ ভাগত তাপমাত্ৰা অত্যধিক হয় আৰু ৰাতিৰ ভাগত অতি কম হয়। আফ্ৰিকাৰ চাহাৰা মৰুভূমিত দিনৰ ভাগত তাপমাত্ৰা ৫০° চেলচিয়াছতকৈ অধিক হয়। মৰুভূমি অঞ্চলত বালিৰ পাহাৰ, শিলাময় ওখ ঠাই, শুকান হ্ৰদ আদি দেখা যায়। ইয়াৰ ভূ-ভাগ বালিয়া আৰু শিলাময়। সেয়েহে জৈৱিক উপাদান তুলনামূলভাবে কম। মৰুভূমিত বেছিকৈ কাঁইটীয়া উদ্ভিদহে পোৱা যায়।




চিত্ৰ ৩.৯ মৰুভূমিৰ ছবি

### ৩.১.৫ উপত্যকা ঃ

ভূ-তাত্ত্বিক ক্ৰিয়াৰ লগতে নদ-নদী, হিমবাহ আদি বাহ্যিক কাৰকে পৰ্বত-পাহাৰ, মালভূমি আদিত বিভিন্ন আকাৰ-আকৃতিৰ নিম্ন-ভূমিৰ সৃষ্টি কৰে। সাধাৰণতে দুলানি উচ্চ-ভূমিৰ মাজত




চিত্ৰ ৩.১০ ঃ উপত্যকা

নদী বা হিমবাহে সৃষ্টি কৰা দীঘলীয়া নিম্নভূমিকে উপত্যকা (Valley) বোলে।

পাৰ্বত্য অঞ্চলবোৰৰ সাধাৰণতে উপত্যকা অঞ্চলতে মানুহে বসবাস কৰে। এই উপত্যকাৰ পৰিসৰ ভিন্ ভিন্ হ'ব পাৰে। উপত্যকা অঞ্চলবোৰ সাধাৰণতে পলসুৱা আৰু বসবাসৰ উপযোগী । কোনো কোনো উপত্যকা সমভূমিৰ লেখীয়া; কোনোবাটো আকৌ কিছু ওখোৰা-মোখোৰাও হ'ব পাৰে। হিমালয়ৰ কাশ্মীৰ উপত্যকা আৰু অসমৰ বৰাক উপত্যকা ইয়াৰ উত্তম উদাহৰণ। এনে উপত্যকাৰ বনাঞ্চলত নানা ধৰণৰ বনৰীয়া জীৱ-জন্তু থাকিব পাৰে।

**বৰাক উপত্যকা**

অসমৰ বৰাক নদী আৰু ইয়াৰ উপনৈসমূহক কেন্দ্ৰ কৰি বৰাক উপত্যকা গঠিত। এই উপত্যকাৰ অন্তৰ্গত জিলা তিনিখন হ'ল- কাছাৰ, শ্ৰীভূমি (আগৰ কৰিমগঞ্জ) আৰু হাইলাকান্দি।

বৰাক উপত্যকা আৰু ইয়াৰ উপনৈসমূহ




বৰাক শব্দটো ডিমাচা ভাষাৰ 'বুৰা' আৰু 'ক্ৰ' শব্দ দুটাৰপৰা আহিছে। 'বুৰা' মানে হ'ল ভাগ হোৱা আৰু 'ক্ৰ' মানে হ'ল বৈ যোৱা। শ্ৰীভূমি (আগৰ কৰিমগঞ্জ) জিলাৰ হালিটিকাল নামৰ ঠাইৰ ওচৰত বৰাক নদী, কুশিয়াৰা আৰু সুৰমা এই দুই ভাগত বিভক্ত হয়। ডিমাচাসকলে এই নৈৰ উচ্চ অংশক 'বুৰাক্ৰ' বুলি কৈছিল। শ্ৰীভূমি (আগৰ কৰিমগঞ্জ)ৰ বাহিৰে এই উপত্যকাৰ বাকী অংশক এসময়ত কাছাৰ উপত্যকা বুলি কোৱা হৈছিল। বৰাক উপত্যকাত প্ৰধানকৈ বঙালী, ডিমাছা-কছাৰী, মাৰ, মণিপুৰী, নগা আদি লোকসকলে বসবাস কৰে। বৰাক উপত্যকাৰ লোকসকলৰ প্ৰধান জীৱিকা হৈছে কৃষি। এই অঞ্চলৰ মাটি সাৰুৱা হোৱাৰ বাবে ইয়াত প্ৰধানকৈ ধানখেতি কৰা হয়। শ্ৰীভূমি (আগৰ কৰিমগঞ্জ), হাইলাকান্দি আৰু কাছাৰ জিলাত বাগিচা কৃষি (Plantation Agriculture) হিচাপে চাহ খেতিও কৰা হয়। বৰাক উপত্যকা বনজ আৰু খনিজ সম্পদতো (Forest and Mineral Resource) চহকী। বানৰ লগতে ভূমিস্খলনৰ সমস্যাই বাৰিষাকালত উপত্যকাটোত যাতায়াত-পৰিবহণৰ ক্ষেত্ৰত কিছু সমস্যাৰ সৃষ্টি কৰে।

## অনুশীলনী - ১

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) পৃথিৱীৰ কোন অংশত প্ৰধান ভূ-অৱয়ববোৰ দেখা যায়?

(খ) স্থলভাগত পোৱা প্ৰধান ভূ-অৱয়ববোৰৰ নাম লিখা।

(গ) পৰ্বত আৰু মালভূমিৰ মাজৰ পাৰ্থক্য উল্লেখ কৰা।

(ঘ) সমভূমি কেনেকৈ গঠিত হয়?

(ঙ) মালভূমি অঞ্চলৰ বৈশিষ্ট্য কি?

(চ) পাৰ্বত্য অঞ্চলত জনবসতি কিয় সেৰেঙা?

৩. পৰ্বত-পাহাৰে মানুহক কিদৰে সহায় কৰে, বহলাই লিখা।

৪. নদী, পাহাৰ আদি ভূ-অৱয়ব দেখুৱাই এখন ছবি আঁকা।

### ৩.২ জলভাগৰ ভূ-অৱয়ব ঃ

পৃথিৱীৰ উপৰিভাগৰ শতকৰা ৭১ ভাগৰো অধিক অংশ পানীয়ে আগুৰি আছে। সাগৰ-মহাসাগৰ, উপসাগৰ, নদ-নদী, হ্ৰদ আদি সকলোকে একেলগে আমি জলভাগ বা জলমণ্ডল বুলি কওঁ। পৃথিৱীৰ মুঠ জলভাগৰ ৯৭ শতাংশ সাগৰ-মহাসাগৰে আগুৰি আছে। প্ৰশান্ত মহাসাগৰ, আটলাণ্টিক মহাসাগৰ, ভাৰত মহাসাগৰ, উত্তৰ মহাসাগৰ আৰু দক্ষিণ মহাসাগৰ- এই পাঁচখন মহাসাগৰে প্ৰধানকৈ পৃথিৱীৰ জলভাগ নিৰূপণ কৰিছে।




চিত্ৰ ৩.১১ ঃ পৃথিৱীৰ জলভাগ (মহাসাগৰ) আৰু স্থলভাগ (মহাদেশ)

### ৩.২.১ সাগৰ-মহাসাগৰ ঃ

প্ৰশান্ত মহাসাগৰ পৃথিৱীৰ বৃহত্তম আৰু গভীৰতম মহাসাগৰ (Ocean)। ইয়াৰ কালি ১৬৫.২ নিযুত বৰ্গ কিলোমিটাৰ। ইয়াৰ গভীৰতম অংশৰ নাম হ'ল মেৰিয়ানা খাত (Trench)। ইয়াৰ গভীৰতা ১০,৯৮৪ মিটাৰ।

মহাসাগৰবোৰৰ কিছুমান বিশেষ অংশক আকৌ সাগৰ (Sea) বা উপসাগৰ বুলি কোৱা হয়। এই

অংশবোৰ সাধাৰণতে মহাদেশৰ গাতে লাগি থাকে, উদাহৰণস্বৰূপে, আৰৱ সাগৰ, বংগোপসাগৰ। কিছুমান সাগৰ আকৌ সম্পূৰ্ণ মহাদেশৰ ভিতৰভাগত অৱস্থিত, যেনে, কাস্পিয়ান সাগৰ, আৰল সাগৰ। সাগৰ-মহাসাগৰবোৰ নানা প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণীৰ ভঁৰাল। সাগৰ-মহাসাগৰত থকা প্ৰাণীবোৰৰ ভিতৰত তিমি মাছেই সৰ্ববৃহৎ।




**চিত্ৰ ২.১২ ঃ** কৃত্ৰিম উপগ্ৰহৰপৰা লোৱা কাস্পিয়ান সাগৰৰ ছবি

### ৩.২.২ নদ-নদী ঃ

ভূ-পৃষ্ঠত উচ্চভূমিৰপৰা নিম্নভূমিলৈ বিশেষ পথেৰে প্ৰবাহিত হৈ থকা জলধাৰাক নদী (River) বুলি কোৱা হয়। সাধাৰণতে বৰষুণ, বৰফগলা পানী আৰু ভূ-গৰ্ভৰপৰা নিগৰি অহা পানীয়ে নৈৰ সৃষ্টি কৰে। নদীৰ উৎস পৰ্বত-পাহাৰ, মালভূমিৰ দৰে উচ্চভূমি হ'ব পাৰে। ব্ৰহ্মপুত্ৰ নদী চীন দেশৰ তিব্বত মালভূমিৰ তামচুক খামবাব হিমবাহৰপৰা ওলাই আহিছে।

যি ঠাইৰপৰা নদীৰ জলধাৰা আৰম্ভ হয় তাকে নদীৰ উৎস (Source) বোলে। কোনো এখন নদীলৈ যিমান ঠাইৰপৰা পানী আহে সেই গোটেইখিনি ঠাইকে নদীখনৰ অৱবাহিকা (Basin) বোলে। আনহাতে এখন সৰু নৈ বৈ আহি এখন ডাঙৰ নদীত মিলিলে সৰু নৈখনক উপনৈ (Tributary) বোলা হয়। তোমালোকে নিশ্চয় সোৱণশিৰি, কপিলী, পাগলাদিয়া, বেঁকী আদি ব্ৰহ্মপুত্ৰৰ উপনৈৰ নাম শুনিছা। আকৌ এখন নদীৰপৰা এভাগ জলধাৰা ওলাই গৈ সেই একেখন




**চিত্ৰ ৩.১৩ ঃ** নদী

নদীতে পৰিলে তাক শাখা নৈ (Branch of a river) বোলে। উৎসৰপৰা নানা ঠাইৰ মাজেৰে বৈ গৈ নদী কোনো হ্ৰদ বা সাগৰত পৰে। এনেদৰে নদী গৈ সাগৰ বা হ্ৰদত মিলিত হোৱা অংশক মোহনা (Estuary) বোলে।

### ৩.২.৩ সিক্তভূমি বা আৰ্দ্ৰভূমি ঃ

নদী উপত্যকা, পৰ্বত-পাহাৰ, মালভূমি আদিত সৰু-ডাঙৰ জলাশয় দেখা যায়। এইবোৰক আৰ্দ্ৰভূমি বা সিক্তভূমি (Wetland) বুলি কোৱা হয়। সাধাৰণতে যিকোনো নদী উপত্যকাৰ সমতলভূমিবোৰত থকা জলাশয়, যেনে, বিল, জলাহ, ডোৱা, হোলা পুখুৰী, দলনি, পিটনি আদি একো একোটা আৰ্দ্ৰভূমি। সাগৰৰ পাৰতো এনে



উৎসঃ flickr.com

**চিত্ৰ ৩.১৪ ঃ** দীপৰ বিল

আৰ্দ্ৰভূমি দেখা যায়।

প্ৰাকৃতিকভাৱে সৃষ্টি হোৱাৰ উপৰি মানুহে খান্দি বা নৈ আদিত বান্ধ দিও আৰ্দ্ৰভূমিৰ সৃষ্টি কৰিব পাৰে। আৰ্দ্ৰভূমিবোৰ বছৰটোৰ বেছিভাগ সময় সিক্ত বা জলমগ্ন হৈ থাকে। এইবোৰত জলজ উদ্ভিদ আৰু মাছ-কাছ প্ৰচুৰ পৰিমাণে দেখা যায়। আৰ্দ্ৰভূমিবোৰলৈ পৰিভ্ৰমি চৰাই আহে। সেয়েহে এইবোৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰে।

### ৩.২.৪ হ্ৰদ ঃ

স্বাভাৱিকতে চাৰিওফালে স্থলভাগে আগুৰা জলভাগকে হ্ৰদ (Lake) বোলা হয়। পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন আকৃতিৰ হ্ৰদ দেখা যায়। ৰাছিয়াৰ বৈকাল হ্ৰদ হ'ল পৃথিৱীৰ আটাইতকৈ গভীৰ হ্ৰদ। আকাৰত বিশাল হ্ৰদক সাগৰ বুলিও অভিহিত কৰা হয়। উদাহৰণস্বৰূপে, কাস্পিয়ান হ্ৰদ, যাক সাগৰ বুলিও কোৱা হয়। বৰষুণ, হিমবাহ, নৈ, ভূ-গৰ্ভৰ পানী আদি বিভিন্ন উৎসৰপৰা হ্ৰদলৈ পানীভাগ আহে। কিছুমান হ্ৰদৰ পানী সুস্বাদু বা নিৰ্মল আৰু আন কিছুমানৰ পানী লুণীয়া। ভাৰতত থকা উল্লেখযোগ্য হ্ৰদ হ'ল সম্বৰ, পুস্কৰ, ল'কটক আদি। মণিপুৰৰ ল'কটক হ্ৰদ জৈব-বৈচিত্ৰ্যৰ ক্ষেত্ৰত বৰ চহকী।




চিত্ৰ ৩.১৫ ঃ উমিয়াম হ্ৰদ

### ৩.২.৫ নদী-দ্বীপ ঃ

নদীয়ে কঢ়িয়াই অনা শিল, বালি, বোকাৰ লগতে অন্যান্য জৈৱিক পদাৰ্থ ইয়াৰ গতিপথত জমা হয়। তেনে ঠাইত কিছু সংখ্যক তৰু-তৃণও গজি উঠে। ইয়াৰ ফলত নদীৰ বুকুত এক বিশেষ ধৰণৰ ভূ-অৱয়বৰ সৃষ্টি হয়। ইয়াকে নদী-দ্বীপ (River Island) বুলি কোৱা হয়। অসমৰ মাজুলী পৃথিৱীৰ অন্যতম বৃহৎ নদী-দ্বীপ।

## ৩.৩ ভূ-অৱয়ব আৰু মানুহ ঃ

ভূ-অৱয়বে মানুহৰ বসতি, আৰ্থিক কাম-কাজ, বিচৰণ আদি বহু পৰিমাণে নিয়ন্ত্ৰণ কৰে। ইতিমধ্যে তোমালোকে বুজিব পাৰিছা যে কোনো এটা অঞ্চলৰ জনবসতি ঘন বা সেৰেঙা হোৱাটো মূলতঃ ভূ-প্ৰকৃতি আৰু ভূ-অৱয়বৰ ওপৰত নিৰ্ভৰ কৰে। তদুপৰি খনিজাত দ্ৰব্যৰ অৱস্থিতি, যাতায়াতৰ প্ৰসাৰ, ব্যৱসায়-বাণিজ্যৰ বিস্তাৰ আদিও বহু পৰিমাণে ভূ-অৱয়বৰ ওপৰতে নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপে, বন্দৰবোৰ থকাৰ কাৰণে উপকূলীয় অঞ্চলবোৰক অতীজৰেপৰা যাতায়াত ব্যৱস্থাৰ ধমনী হিচাপে বিবেচনা কৰা হয়। এই প্ৰাকৃতিক অৱয়বসমূহৰ লগতে খাপ খুৱাই মানুহে জীৱন-নিৰ্বাহ কৰি আহিছে। মানুহে প্ৰাকৃতিক পৰিৱেশৰ অনুকূলে নিজকে পৰিচালিত কৰিলে পৃথিৱীৰ পৰিৱেশ সুন্দৰ হৈ থাকিব।

## ভূ-অৱয়বৰ ওপৰত জলবায়ুৰ প্ৰভাৱ

তোমালোকে বাৰু জলবায়ুৰ পৰিৱৰ্তন শব্দটো শুনিছানে? কোনো এক অঞ্চলত সচৰাচৰ পৰিলক্ষিত হোৱা উষ্ণতা আৰু বতৰৰ দীৰ্ঘম্যাদী পৰিৱৰ্তনক জলবায়ুৰ পৰিৱৰ্তন বোলা হয়। এই পৰিৱৰ্তনবোৰ স্বাভাৱিকো হ'ব পাৰে। কিন্তু বিগত কেইদশক মানৰ ভিতৰত মানুহৰ কাৰ্যকলাপ, যেনে, অত্যাধিক জীৱাশ্ম ইন্ধন (তেল, কয়লা আৰু গেছ) জ্বলোৱা, কল-কাৰখানাৰপৰা নিৰ্গত হোৱা ধোঁৱা আদিয়ে এই প্ৰক্ৰিয়া অধিক ক্ষীপ্ৰ কৰি তুলিছে। জলবায়ুৰ পৰিৱৰ্তনৰ ফলত ভূ-অৱয়বসমূহৰো পৰিৱৰ্তন ঘটে। তদুপৰি অদূৰ ভবিষ্যতে জলবায়ুৰ পৰিৱৰ্তনে বহুতো বিপদৰ সৃষ্টি কৰিব পাৰে বুলি ইতিমধ্যে বিজ্ঞানীসকলে সঁকিয়াই দিছে।

জলবায়ু পৰিৱৰ্তনৰ ফলত নতুন নতুন ঠাই খৰাঙৰ কবলত পৰি মৰুভূমিত পৰিণত হোৱা দেখা গৈছে। জলবায়ু পৰিৱৰ্তনৰ ফলত বনজুইৰ ঘটনাও সঘনে সংঘটিত হ'বলৈ ধৰিছে। ২০১৯ চনত পৃথিৱীৰ হাঁওফাঁও স্বৰূপ আমাজন বৰ্ষাৰণ্য বনজুইৰ কবলত পৰিছিল।


উৎসঃ Flickr.com

মৰুকৰণ


উৎসঃ wikipedia.org

বনজুই


উৎসঃ wikimedia.org

বানপানী

বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ বাবে মেৰু অঞ্চলত বছৰ বছৰ ধৰি জমা হৈ থকা বৰফ গলি সাগৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধি কৰিছে। ইয়াৰ ফলত ঠাই বিশেষে বানপানীৰ পৰিমাণ বৃদ্ধি পাইছে। উষ্ণতা বৃদ্ধিৰ ফলত সামুদ্ৰিক ধুমুহাৰ প্ৰকোপো বৃদ্ধি পাইছে। বহু দেশত এনে ধুমুহাই প্ৰতি বছৰে দুৰ্যোগৰ সৃষ্টি কৰে।


উৎসঃ Freeimageslive.co.uk

সামুদ্ৰিক ধুমুহা

জলবায়ুৰ পৰিৱৰ্তনৰ উপৰি অন্য কাৰণতো সময়ে-সময়ে কিছুমান দুৰ্যোগৰ সৃষ্টি হয়। ইয়াৰে কিছুমান বাবে মানুহৰ কাৰ্যকলাপ দায়ী আৰু আন কিছুমানৰ ক্ষেত্ৰত পৃথিৱীৰ আভ্যন্তৰীণ কাৰকসমূহে ক্ৰিয়া কৰে। তেনে কিছুমান দুৰ্যোগৰ উদাহৰণ তলত দাঙি ধৰা হ'ল-



ভূমিস্খলন উৎসঃ Flickr.com



চুনামী উৎসঃ wikimedia.org



ডাৱৰ বিস্ফোৰণ উৎসঃ Flickr.com



সামুদ্ৰিক দুৰ্যোগ উৎসঃ Crisisresponse.com

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া-

(ক) জলমণ্ডল কাক বোলে?

(খ) পৃথিৱীৰ গভীৰতম অংশৰ নাম কি?

(গ) সম্পূৰ্ণকৈ মহাদেশৰ মাজত অৱস্থিত এখন সাগৰৰ নাম লিখা।

(ঘ) নদীৰ উৎস বুলিলে কি বুজা?

(ঙ) শাখা নৈ কি?

২) চমু টোকা লিখা-

(ক) সাগৰ-মহাসাগৰ (খ) নদ-নদী

(গ) সিক্তভূমি বা আৰ্দ্ৰভূমি (ঘ) হ্ৰদ

৩) মানুহৰ ওপৰত ভূ-অৱয়বৰ প্ৰভাৱ বৰ্ণনা কৰা।

**ধাৰণা চিত্ৰ (Concept Map) ঃ**




**শব্দাৰ্থ ঃ**

| | |
|---|---|
| শিলাময় ঃ | শিলেৰে ভৰি থকা |
| জলাশয় ঃ | দ, কোমল আৰু জেকা ঠাই |
| স্কিয়িং ঃ | বৰফৰ ওপৰত খেলা এবিধ খেল |
| ক্ষয়প্ৰাপ্ত ঃ | ক্ষয় হোৱা কোনো বস্তু বা অৱয়ৱ |



**দলগত কাৰ্য ঃ**

যিকোনো এটা ভূ-অৱয়ৱৰ আৰ্হি প্ৰস্তুত কৰা। পেলনীয়া বা ঘৰত সহজতে পোৱা সামগ্ৰী ব্যৱহাৰ কৰিবা। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক দলত ভাগ কৰি আৰ্হি প্ৰস্তুত কৰিবলৈ অৱয়ৱ বাছি দিব।

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

পাৰ্বত্য অঞ্চলত বস-বাস কৰা লোকসকলে জীৱন-নিৰ্বাহৰ ক্ষেত্ৰত কোনবোৰ সমস্যাৰ সন্মুখীন হয়?



# পাঠ ৪
# দেশ-মহাদেশৰ কথা ঃ জাপান

Y1W2R2

## ৪.১ বিশ্বৰ মহাদেশসমূহ ঃ

পৃথিৱীৰ প্ৰধান মহাদেশ সাতখন- এছিয়া, ইউৰোপ, আফ্ৰিকা, উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা, ওচেনিয়া আৰু এন্টাৰ্কটিকা বা কুমেৰু মহাদেশ। বিশাল জলভাগে এই মহাদেশবোৰৰ কেইখনমানক ইখনৰপৰা সিখনক পৃথক কৰিছে। পৃথিৱীৰ মুঠ স্থলভাগৰ অধিক অংশই উত্তৰ গোলাৰ্ধত পৰে।




চিত্ৰ ৪.১ ঃ বিশ্বৰ মহাদেশসমূহ

এছিয়া হ'ল পৃথিৱীৰ বৃহত্তম মহাদেশ। পৃথিৱীৰ মুঠ মাটিভাগৰ ১/৩ অংশ এই মহাদেশখনে সামৰি আছে। এই মহাদেশখনৰ অধিক অংশই উত্তৰ গোলাৰ্ধত পৰে। মহাদেশখনৰ দক্ষিণ অংশৰ মাজেৰে পূবা-পশ্চিমাকৈ কৰ্কট-ক্ৰান্তি ৰেখা গৈছে। এছিয়া মহদেশখনতে থকা আমাৰ দেশ ভাৰতৰ উত্তৰে হিমালয় পৰ্বতমালা অৱস্থিত। ইয়াৰ উত্তৰ-পশ্চিম অংশত উত্তৰা-দক্ষিণাকৈ আছে উৰাল পৰ্বতমালা। এই পৰ্বতমালাৰ পশ্চিমে যিখিনি স্থলভাগ আছে তাকে ইউৰোপ মহাদেশ বোলে। এই পৰ্বতমালাই মহাদেশ দুখনক পৃথক কৰিছে।

ইউৰোপ মহাদেশখন এছিয়া মহাদেশতকৈ ভালেখিনি সৰু। এই মহাদেশখন এছিয়া মহাদেশৰ পশ্চিমে অৱস্থিত। মহাদেশখনৰ উত্তৰ অংশৰ মাজেৰে পূবা-পশ্চিমাকৈ গৈছে সুমেৰু বৃত্ত। মহাদেশখনৰ তিনিওফাল পানীৰে আগুৰা। আল্‌প্‌স (Alps) হ'ল ইউৰোপ মহাদেশৰ সৰ্বোচ্চ পৰ্বতমালা।

এছিয়াৰ পাছতেই দ্বিতীয় সৰ্ববৃহৎ মহাদেশ হ'ল আফ্ৰিকা। বিষুৱৰেখা মহাদেশখনৰ প্ৰায় সোঁমাজেদি গৈছে। গতিকে এই মহাদেশখনৰ উত্তৰ আৰু দক্ষিণ অংশ দুয়োটা গোলাৰ্ধতে প্ৰায় সমানভাৱে বিস্তৃত হৈ আছে। এইখনেই একমাত্ৰ মহাদেশ যাৰ মাজেৰে কৰ্কট-ক্ৰান্তি, মকৰ-ক্ৰান্তি আৰু বিষুৱৰেখা পাৰ হৈ গৈছে। বিষুৱীয় অঞ্চলত অৱস্থিত হোৱা বাবে আফ্ৰিকা মহাদেশৰ জলবায়ু তুলনামূলকভাৱে অধিক উষ্ণ। পৃথিৱীৰ সৰ্ববৃহৎ উষ্ণ মৰুভূমি ছাহাৰা এই মহাদেশতেই অৱস্থিত। আফ্ৰিকা মহাদেশক চাৰিওফালে কেইবাখনো সাগৰ-মহাসাগৰে আগুৰি আছে। চুয়েজ খালে ইয়াক এছিয়া মহাদেশৰপৰা আৰু জিব্ৰাল্টৰ প্ৰণালীয়ে ইউৰোপ মহাদেশৰপৰা পৃথক

কৰিছে। পৃথিৱীৰ আটাইতকৈ দীঘল নীলনদী এই মহাদেশতে আছে।

পৃথিৱীৰ তৃতীয় বৃহত্তম মহাদেশ হ'ল উত্তৰ আমেৰিকা। এক ঠেক ভূ-খণ্ডৰে মহাদেশখন দক্ষিণ আমেৰিকাৰ লগত লগ-লাগি আছে। এই ঠেক ভূ-খণ্ডক পানামা যোজক বুলি কোৱা হয়। এই মহাদেশখন সম্পূৰ্ণৰূপে উত্তৰ গোলাৰ্ধত অৱস্থিত। ৰকি উত্তৰ আমেৰিকাৰ উল্লেখযোগ্য পৰ্বতমালা। মহাদেশখনক তিনিখন মহাসাগৰে আগুৰি আছে। কানাডা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ দেশ দুখনে উত্তৰ আমেৰিকাৰ প্ৰায় ৭৫% আগুৰি আছে। ইয়াত অৱস্থিত কেৰিবিয়ান দ্বীপপুঞ্জক ৱেষ্ট-ইণ্ডিজ বুলিও কোৱা হয়। এই মহাদেশখনৰ ভিতৰত মৰুভূমি, নাতিশীতোষ্ণ অৰণ্য, টাইগা হাবি আৰু ওখ ঘাঁহনি অঞ্চল আছে।

**জানো আহা ঃ**

- দুই বহল জলভাগক লগ কৰা ঠেক জলভাগক প্ৰণালী (Strait) বোলে, যেনে, পক্ প্ৰণালী।
- দুই বহল স্থলভাগক লগ কৰা ঠেক স্থলভাগক যোজক (Isthmus) বোলে, যেনে, পানামা যোজক।




প্ৰণালী দেখুওৱা চিত্ৰ




যোজক দেখুওৱা চিত্ৰ

আকাৰৰ ফালৰপৰা দক্ষিণ আমেৰিকা চতুৰ্থ বৃহত্তম মহাদেশ। মহাদেশখনৰ অধিকাংশ দক্ষিণ গোলাৰ্ধত পৰিছে। এই মহাদেশৰ একেবাৰে উত্তৰ অংশৰ মাজেৰে বিষুৱৰেখা পাৰ হৈ গৈছে। ইয়াৰ পূবে আটলান্টিক মহাসাগৰ আৰু পশ্চিমে প্ৰশান্ত মহাসাগৰ। বিশ্বৰ আটাইতকৈ দীঘল এণ্ডিজ পৰ্বতমালা আৰু আটাইতকৈ বহল নদী আমাজন এই মহাদেশতে অৱস্থিত।

পৃথিৱীৰ মহাদেশবোৰৰ ভিতৰত ওচেনিয়া আটাইতকৈ সৰু। এই মহাদেশখন সম্পূৰ্ণৰূপে দক্ষিণ গোলাৰ্ধত পৰে। ইয়াৰ চাৰিওফাল সাগৰ-মহাসাগৰে আগুৰি আছে। অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড হ'ল ওচেনিয়া মহাদেশৰ দুটা প্ৰধান ভূ-খণ্ড। চাৰিওফালে পানীয়ে আৱৰি থকা বাবে ওচেনিয়াৰ ঘাই দ্বীপ অষ্ট্ৰেলিয়াক দ্বীপ-মহাদেশ বুলিও কোৱা হয়।

এন্টাৰ্কটিকা বা কুমেৰু মহাদেশ সম্পূৰ্ণৰূপে দক্ষিণ গোলাৰ্ধত অৱস্থিত। এই মহাদেশখনৰ প্ৰায় সোঁমাজতে কুমেৰু বিন্দু পৰিছে। যিহেতু মহাদেশখন দক্ষিণ মেৰু অঞ্চলত অৱস্থিত গতিকে ই সদায় বৰফেৰে ঢাক খাই থাকে। ইয়াত মানুহৰ কোনো স্থায়ী বসতি নাই। পৃথিৱীৰ বহু দেশে বৰফেৰে ঢকা এই মহাদেশত গৱেষণা কেন্দ্ৰ স্থাপন কৰিছে। এন্টাৰ্কটিকা বা কুমেৰু মহাদেশত আমাৰ দেশৰো দক্ষিণ গংগোত্ৰী, মৈত্ৰী আৰু ভাৰতী নামেৰে তিনিটা গৱেষণা কেন্দ্ৰ আছে। ইয়াৰে মৈত্ৰী আৰু গংগোত্ৰীহে বৰ্তমান কাৰ্যক্ষম হৈ আছে।


উৎসঃ wikimedia.org

চিত্ৰ ৪.২ ঃ এন্টাৰ্কটিকাত থকা ভাৰতৰ মৈত্ৰী গৱেষণা কেন্দ্ৰ

**অনুশীলনী - ১**

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া-

(ক) পৃথিৱীৰ মহাদেশবোৰৰ নাম কি কি?

(খ) সম্পূৰ্ণৰূপে দক্ষিণ গোলাৰ্ধত পৰা মহাদেশখনৰ নাম কি?

(গ) পৃথিৱীৰ দীৰ্ঘতম পৰ্বতমালাৰ নাম কি?

(ঘ) পৃথিৱীৰ আটাইতকৈ ডাঙৰ মৰুভূমি কোনখন?

(ঙ) পৃথিৱীৰ আটাইতকৈ দীঘল নদীখনৰ নাম কি?

(চ) পৃথিৱীৰ আটাইতকৈ বহল নদীখনৰ নাম কি?

(ছ) পৃথিৱীৰ আটাইতকৈ ডাঙৰ মহাদেশখনৰ নাম কি?

২. চমুটোকা লিখা-

(ক) এছিয়া মহাদেশ (খ) ইউৰোপ মহাদেশ

(গ) আফ্ৰিকা মহাদেশ (ঘ) উত্তৰ আমেৰিকা

## ৪.২ এছিয়া মহাদেশত জাপান ঃ

এছিয়া মহাদেশৰ পূব সীমাত অৱস্থিত জাপান এখন বিশেষ দেশ। এই দেশখন সৰু-বৰ বহুতো দ্বীপৰ সমষ্টি। তাৰ ভিতৰত হ'কাইডো (Hokkaido), হন্‌ছু (Honshu), ছিক'কু (Shikoku) আৰু কিউছু (Kyushu) -এই চাৰিটা দ্বীপ প্ৰধান। দেশখনৰ দ্বীপসমূহৰ ভিতৰত হন্‌ছুৱেই হৈছে সবাতোকৈ ডাঙৰ (মাটি



চিত্ৰ ৪.৩ ঃ এছিয়া মহাদেশত জাপান

কালি- ২,৭৭,৯৬০ বৰ্গ কিলোমিটাৰ)। জাপানৰ ৰাজধানী ট'কিঅ'।

জাপান দ্বীপপুঞ্জ প্ৰশান্ত মহাসাগৰত অৱস্থিত। ইয়াৰ উত্তৰে আছে ছাখালিন দ্বীপ, কুৰিল দ্বীপ আৰু ওখ'টস্ক সাগৰ, দক্ষিণে টাইৱান আৰু পূব চীন সাগৰ, পূবে প্ৰশান্ত মহাসাগৰ আৰু পশ্চিমে জাপান সাগৰ আৰু কোৰিয়া প্ৰণালী। দেশখনৰ মুঠ মাটিকালি ৩,৭৭,৯৭৪ বৰ্গ কিলোমিটাৰ।

### ৪.২.১ দেশ হিচাপে জাপানৰ বিশেষত্বঃ

এখন দেশ হিচাপে জাপানৰ বহুতো বিশেষত্ব বা বিশেষ ধৰণৰ বৈশিষ্ট্য আছে। তাৰ ভিতৰত তলত উল্লেখ কৰা কেইটা প্ৰধান--

১. ই এখন সম্পূৰ্ণভাৱে দ্বীপ-দেশ (Island Country)। প্ৰায় ১৪,০০০ দ্বীপৰ সমষ্টি জাপান। ইয়াৰে প্ৰায় ২৫০ টা দ্বীপত জনবসতি আছে।

২. বহুতো দ্বীপৰ সমষ্টি হোৱাৰ কাৰণে দেশখনৰ উপকূলৰ দৈৰ্ঘ্য প্ৰায় ২৯,৭৫১ কিলোমিটাৰ। কেউদিশে সাগৰ-মহাসাগৰ থকাৰ কাৰণে জাপান সামুদ্ৰিক সম্পদত চহকী।

৩. জাপান এখন পৰ্বত-পাহাৰে আগুৰা দেশ। দেশখনত সমতলৰ পৰিমাণ মুঠ মাটিকালিৰ মাত্ৰ ১৫ শতাংশ। সেয়েহে কৃষিভূমি তেনেই কম।




চিত্ৰ ৪.৪ ঃ জাপান

৪. দেশখনৰ মুঠ মাটিকালিৰ প্ৰায় ৬৫ শতাংশ অৰণ্যই আৱৰি আছে।

৫. জাপান এখন ভূমিকম্প-প্ৰবণ দেশ। দেশখনত ১০০ ৰো অধিক জাগ্ৰত আগ্নেয়গিৰি আছে। মাজে সময়ে ছুনামি অৰ্থাৎ অতি উচ্চ সাগৰৰ ঢৌ আৰু প্ৰবল ঘূৰ্ণীবতাহেও দেশখনক আক্ৰান্ত কৰে।

৬. জাপান এখন জনবহুল ৰাষ্ট্ৰ। প্ৰায় ১২৬ নিযুত জনসংখ্যাৰ (২০১৯ চন) এই দেশ মানৱ সম্পদত অতি চহকী। মানুহৰ দক্ষতা আৰু উদ্ভাৱনী সামৰ্থই ইয়াক উন্নত ৰাষ্ট্ৰৰ শাৰীলৈ আগুৱাই নিছে। দেশৰ প্ৰায় ৯০ শতাংশ মানুহে নগৰত বাস কৰে।

### ৪.২.২ জাপানৰ প্ৰাকৃতিক অৱস্থাঃ

এছিয়া মহাদেশৰ মূল ভূ-খণ্ডৰপৰা কিছু আঁতৰত মহাসাগৰত অৱস্থিত কাৰণে জাপানৰ প্ৰাকৃতিক পৰিৱেশ কিছু সুকীয়া। ইয়াৰ ভূ-অৱয়ব, জলবায়ু, মাটি আৰু প্ৰাকৃতিক উদ্ভিদৰ সুকীয়া বৈশিষ্ট্য আছে।

**(ক) ভূ-অৱয়বঃ-** জাপানৰ ভূমিভাগ পাহাৰীয়া আৰু ওখোৰা-মোখোৰা। দেশখনৰ প্ৰধান দ্বীপ চাৰিটা উচ্চভূমিয়ে আগুৰি আছে যদিও পাহাৰৰ মাজে মাজে কিছুমান ঠেক সমভূমিও আছে। উত্তৰৰ হ'কাইডো দ্বীপটো প্ৰধানকৈ পাহাৰীয়া । সমান্তৰাল পাহাৰশ্ৰেণীৰ মাজত ইচিকাৰী নদীয়ে সৃষ্টি কৰা ইচিকাৰী ইউফুট্ছু সমতল বিশেভাৱে উল্লেখযোগ্য।

জাপানৰ মাজভাগৰ হন্‌ছু দ্বীপটোও উচ্চভূমিৰে ভৰা। হন্‌ছু দ্বীপৰ উত্তৰ অংশত আও আৰু উট্‌ছু নামেৰে দুখন সমান্তৰাল পাহাৰশ্ৰেণী আছে। দ্বীপটোৰ মাজভাগত হন্‌ছু উচ্চভূমি বা পাৰ্বত্য অঞ্চল অৱস্থিত। কান্টো মধ্য জাপানৰ এটা বিখ্যাত সমতল অঞ্চল।

দেশখনৰ দক্ষিণভাগো (ছিক'কু আৰু কিউছু দ্বীপ) উচ্চভূমিৰে গঠিত। ইয়াৰে কিউছু অঞ্চলটোত সঘনে আগ্নেয়গিৰি উদ্‌গীৰণ ঘটে। চিত্ৰ ৪.৫ ত জাপানৰ বিখ্যাত আগ্নেয়গিৰি মাউন্ট ফুজিক দেখুওৱা হৈছে।


উৎসঃ flickr.com

চিত্ৰ ৪.৫ ঃ মাউন্ট ফুজি

**(খ) জলবায়ুঃ-** উত্তৰা-দক্ষিণাকৈ জাপান এখন আকৃতিত দীঘলীয়া দেশ। ই দীঘলে প্ৰায় ৩,০০০ কিলোমিটাৰ। সেয়েহে ইয়াৰ উত্তৰ অংশৰ (হ'কাইডো দ্বীপ) জলবায়ু মধ্য আৰু দক্ষিণ অংশতকৈ স্বাভাৱিকতে বেলেগ।

জাপান দেশখন বিষুৱৰেখাৰ উত্তৰে অৱস্থিত। ইয়াৰ জলবায়ু নাতিশীতোষ্ণ। দেশখনত চাৰিটা ঋতু অনুভূত হয়-- শীত, বসন্ত, গ্ৰীষ্ম আৰু শৰৎ। শীতকালত (ডিচেম্বৰ-জানুৱাৰী) দেশখনৰ উত্তৰ অংশত বৰফ পৰে। বাকী অংশৰ সকলোতে ঠাণ্ডা বিৰাজ কৰে। কেতিয়াবা সামান্য বৰষুণো হয়। বসন্ত কালত (মাৰ্চ-এপ্ৰিল) বৰফ গলে আৰু ঠাণ্ডা কমি আহে। সকলোতে ফুল ফুলিবলৈ ধৰে। ইয়াৰ পিছত মে' মাহৰপৰা আগষ্ট মাহলৈ গ্ৰীষ্মকাল। গ্ৰীষ্ম ঋতুত বৰষুণ হয় আৰু মানুহে খেতি কৰিবলৈ আৰম্ভ কৰে। শৰৎ কালত (ছেপ্তেম্বৰ-নৱেম্বৰ)

গৰম কমি আহে আৰু খেতি চপোৱাৰ সময় হয়। গছৰ পাত লাহে লাহে সৰিবলৈ আৰম্ভ কৰে। সেই কাৰণে বছৰৰ এই সময়ছোৱাক ‘ফল’ (Fall) বুলি কোৱা হয়।


উৎসঃ wikimedia.org

চিত্ৰ ৪.৬ ঃ ‘ফল’ ৰ সময়ত জাপানৰ নাৰা পাৰ্ক

মন কৰিবলগীয়া কথা যে, বছৰটোৰ সকলো সময়তে জাপানত বৰষুণ নহয়। কেউদিশে সাগৰ-মহাসাগৰেৰে আগুৰা কাৰণে জাপানৰ জলবায়ু প্ৰায়ে সেমেকা হৈ থাকে।

**(গ) অৰণ্যঃ-** ইতিমধ্যে উল্লেখ কৰা হৈছে যে জাপানৰ প্ৰায় ৬৫ শতাংশ ঠাই অৰণ্যই আৱৰি আছে। দেশখনৰ বেছিভাগ ঠাই পাহাৰীয়া হোৱাৰ কাৰণে অৰণ্য সংৰক্ষণ কৰাটো সহজ হৈছে। পাহাৰীয়া শীতল ঠাইবোৰত সাধাৰণতে সৰলবৰ্গীয় গছ (Coniferous) দেখা যায়। দেশখনৰ উত্তৰৰ হ’কাইডো অঞ্চলত এনে উদ্ভিদৰ প্ৰাধান্য বেছি। হনছু দ্বীপৰ উচ্চ এলেকাবোৰতো সৰলবৰ্গীয় গছৰ অৰণ্য আছে।

দেশখনৰ দক্ষিণলৈ ক্ৰমে উত্তাপ বাঢ়ি অহাৰ লগে লগে বহল পাতৰ পৰ্ণপাতী উদ্ভিদ (Deciduous Tree) বেছিকৈ দেখা যায়। বাৰ্চ (Birch), মেপল (Maple) আদি এই অঞ্চলৰ প্ৰধান প্ৰাকৃতিক উদ্ভিদ। শৰৎ কালত সাধাৰণতে এইবোৰ গছৰ পাত সৰে।


উৎসঃ wikimedia.org

চিত্ৰ ৪.৭ ঃ কিয়ট’-ছাংগিও বিশ্ববিদ্যালয় প্ৰাঙ্গনৰ মেপল গছ


উৎসঃ picryl.com

চিত্ৰ ৪.৮ ঃ মেইজী যুগৰ সম্ৰাট

### ৪.২.৩ মেইজী যুগ আৰু তাৰ পৰৱৰ্তী সময়ৰ জাপান- চমু ইতিহাস ঃ

সোতৰ শতিকাৰ পৰা জাপানত (১৬০৩-১৮৬৭) মিলিটাৰী শাসন চলিছিল। এই শাসনক টকোগাৱা ছোগুনেট (Tokugawa Shogunate) শাসন বুলি জনা যায়। এই কালছোৱাত দেশখনক বাহিৰৰ জগতৰপৰা আঁতৰাই ৰখা হৈছিল। একধৰণৰ ৰক্ষণশীল সমাজে দেশখনত গা-কৰি উঠিছিল। উল্লেখ্য যে ১৮৬৮ চনত সমগ্ৰ জাপান দ্বীপপুঞ্জক মেইজী সম্ৰাটে নিজৰ অধীনলৈ আনি টকোগাৱা শাসনৰ ওৰ পেলায়।

**জানো আহা ঃ**

**টকোগাৱা ছোগুনেট ঃ**

মেইজী পুনৰুত্থানৰ আগত জাপানত শ্বগানসকলে প্ৰশাসনিক ক্ষমতা দখল কৰিছিল। শ্বগানসকল আছিল সামৰিক প্ৰধান। তেওঁলোকে ৰজাৰ হৈ শাসন ব্যৱস্থাটো চলাই গৈছিল। শ্বগানসকলে শাসন কৰাৰ বাবে এই ব্যৱস্থাটোক ছোগুনেট বুলি কোৱা হয়। ছোগুনেটৰ বাঘজৰী সময়ে সময়ে সলনি হৈছিল। টকোগাৱা আছিল তেনেকুৱা এটা শক্তিশালী বংশ যিয়ে ছোগুনেট বহু বছৰ ধৰি নিজৰ অধীনত ৰাখিছিল। তেওঁলোকৰ শাসনৰ কালছোৱাক টকোগাৱা ছোগুনেট বুলি কোৱা হয়।

মেইজী শাসনকালত (১৮৬৮-১৯১২ চন) জাপানৰ ৰাজনীতি আৰু আৰ্থ-সামাজিক ব্যৱস্থাত লক্ষ্যনীয় পৰিৱৰ্তন ঘটে। এই কালছোৱাত দেশখনৰ মানুহৰ মাজত পশ্চিমীয়া ধ্যান-ধাৰণাৰ প্ৰৱেশ ঘটে আৰু দেশখন উদ্যোগীকৰণত আগবাঢ়িবলৈ ধৰে। 'মেইজী' শব্দই আলোকপ্ৰাপ্ত বা জ্ঞানী শাসন (Enlightened Rule) ক বুজায়। পৰম্পৰাগত প্ৰাচ্য প্ৰমূল্যসমূহৰ লগত আধুনিক চিন্তাৰ সমন্বয় ঘটোৱাই আছিল এই শাসনৰ উদ্দেশ্য।

### ৪.২.৪ মেইজী পুনৰুত্থানৰ পাছত জাপানৰ কেতবোৰ পৰিৱৰ্তন ঃ

আধুনিক শাসন ব্যৱস্থাৰ উদ্দেশ্যে মেইজী যুগত ইউৰোপৰ কেইবাখনো দেশৰ সংবিধান অধ্যয়ন কৰি জাৰ্মানীৰ সংবিধানৰ আধাৰত ১৮৮৯ চনত 'মেইজী সংবিধান' প্ৰৱৰ্তন কৰা হৈছিল। এই সংবিধানৰ মতে আইনৰ চকুত সকলো নাগৰিক যদিও সমান আছিল, ভোটাধিকাৰ কিন্তু সীমিত আছিল।



উৎসঃ picryl.com

**চিত্ৰ ৪.৯ ঃ** মেইজী সংবিধান প্ৰণয়ণৰ অংকিত ছবি

জাপানত পশ্চিমীয়া দেশবোৰৰ দৰে প্ৰশাসন ব্যৱস্থাৰ আৰম্ভণি কৰা হৈছিল। শিক্ষা, সামৰিক, নৌ-বাহিনী, বিত্ত আদি দিশবোৰ চোৱা-চিতা কৰিবলৈ বেলেগ বেলেগ বিভাগ প্ৰতিষ্ঠা কৰা হৈছিল। আগতে জাপানত ছামুৰাইসকলেহে সৈনিক হিচাপে কাম কৰিছিল। কিন্তু আধুনিক মেইজী শাসনে সকলো পুৰুষকে সামৰিক বাহিনীত যোগ দিব পৰাৰ ব্যৱস্থা কৰি দিছিল।

মেইজী সম্ৰাটৰ পৃষ্ঠপোষকতাত জাপানৰ আধুনিকীকৰণ সম্ভৱ হৈ উঠিছিল। উদ্যোগীকৰণৰ ক্ষেত্ৰত উন্নতিৰ বাবে আধুনিক বেংক ব্যৱস্থা, ৰে'লপথ স্থাপন, বন্দৰ নিৰ্মাণ, টেলিগ্ৰাফ আৰু ডাক-সেৱাৰ প্ৰচলন আদি কামবোৰ হাতত লৈছিল। উদ্যোগৰ বিকাশৰ কাৰণে চৰকাৰে নিজে উদ্যোগ স্থাপন কৰি ধনী ব্যৱসায়ীসকলৰ হাতত বিক্ৰী কৰি দিছিল। মেইজী যুগত এনেদৰে কেইবাটাও উদ্যোগৰ গৰাকী হৈ পৰিছিল কাৱাছাকি (Kawa-saki) পৰিয়াল। অতি কম সময়ৰ ভিতৰতে জাপান ৰেচম, জাহাজ নিৰ্মাণ, তাম আৰু কয়লা অন্বেষণ আৰু তীখা

উদ্যোগত আগবাঢ়ি গৈছিল।

মেইজী সংবিধান প্ৰৱৰ্তন কৰাৰ লগে লগে সামাজিক ভেদা-ভেদো কিছু আঁতৰ হৈছিল। চৰকাৰৰ উদ্যোগত স্থাপন কৰা বিদ্যালয় আৰু বিশ্ববিদ্যালয়বোৰত পশ্চিমীয়া দেশৰ শিক্ষকৰ হতুৱাই সাহিত্য, বিজ্ঞান আৰু প্ৰযুক্তি-বিদ্যা শিকোৱাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হৈছিল। কিছু পৰিমাণে স্ত্ৰী-শিক্ষাৰো প্ৰচলন ঘটিছিল।



উৎসঃ picryl.com

**চিত্ৰ ৪.১০ ঃ জাপানত প্ৰথম ৰে'ল চলাৰ ছবি**

**জানো আহা ঃ**

মেইজী যুগৰ পাছত জাপানত সংঘটিত হোৱা উল্লেখযোগ্য ঘটনাৱলী--

| | |
|---|---|
| ১৮৯৪ - | চীনৰ লগত যুদ্ধ |
| ১৯০৪-০৫ - | ৰাছিয়াৰ লগত যুদ্ধ |
| ১৯১৪ - | প্ৰথম বিশ্বযুদ্ধত জাপানৰ অংশগ্ৰহণ |
| ১৯৩৯ - | দ্বিতীয় বিশ্বযুদ্ধত জাপানৰ অংশগ্ৰহণ |
| ১৯৪৫ - | দেশৰ হিৰোশ্বিমা আৰু নাগাচাকিত আমেৰিকাৰদ্বাৰা পৰমাণু বোমা নিক্ষেপ |
| ১৯৪৬ - | নতুন সংবিধানৰ প্ৰৱৰ্তন |
| ১৯৫১ - | কেইবাখনো দেশৰ লগত শান্তি-চুক্তি স্বাক্ষৰ |

### ৪.২.৫ জনসংখ্যা আৰু সমাজ ঃ

জাপান এখন জনবহুল দেশ। ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহৰ হিচাপ অনুযায়ী জাপানৰ জনসংখ্যা প্ৰায় ১২৫ নিযুত। এতিয়াৰপৰা প্ৰায় ১০০ বছৰ পূৰ্বে দেশখনৰ জনসংখ্যা আছিল প্ৰায় ৫৬ নিযুত।

জাপানত বয়সীয়াল লোকৰ সংখ্যা তুলনামূলকভাৱে বেছি। ৬৫ বছৰ বা তাৰ ঊৰ্দ্ধৰ মানুহে মুঠ জনসংখ্যাৰ প্ৰায় ২৯ শতাংশ নিৰূপণ কৰে। আনহাতে ১৪ বছৰ বা তাৰ তলৰ বয়সৰ ল'ৰা-ছোৱালী



উৎসঃ Wikimedia Commons

**চিত্ৰ ৪.১১ ঃ ছিন্ত' উপাসনা গৃহৰ ছবি**

মুঠ জনসংখ্যাৰ প্ৰায় ১২ শতাংশ। বাকী ৫৯ শতাংশ মানুহৰ বয়স ১৫ ৰ পৰা ৬৪ বছৰৰ ভিতৰত। দেশখনৰ ৯০ শতাংশ লোকে নগৰত বাস কৰে। জাপানত শিক্ষিতৰ হাৰ ৯৯ শতাংশ।

ছিন্ত' (Shinto) হৈছে জাপানৰ পৰম্পৰাগত ধৰ্ম। দেশৰ বেছি সংখ্যক লোকে (প্ৰায় ৮০ শতাংশ) এই ধৰ্ম মানি চলে। দ্বিতীয় প্ৰধান ধৰ্ম হৈছে বৌদ্ধ ধৰ্ম। সামান্য সংখ্যক মানুহে খ্ৰীষ্টধৰ্ম পালন কৰে।

জাপানৰ গ্ৰাম্যাঞ্চল বা গাঁওক 'ইনাকা' (Inaka) বোলে। এনে গাঁওবিলাকতে পৰম্পৰাগত জীৱন-প্ৰণালীৰ চানেকি পোৱা যায়। খেতি-বাতি আৰু ঘৰ-দুৱাৰৰ ক্ষেত্ৰত গাঁওবোৰৰ কিছু সুকীয়া বৈশিষ্ট্য আছে। জাপানৰ মানুহ পৰিশ্ৰমী আৰু কৰ্মপটু।

### ৪.২.৬ উদ্যোগ ঃ

জাপান এখন উদ্যোগৰ ক্ষেত্ৰত আগবঢ়া ৰাষ্ট্ৰ। দেশখনৰ অৰ্থনীতি উদ্যোগৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ এক বৃহৎ অংশ উদ্যোগে আগুৰি আছে। জাপানৰ প্ৰধান উদ্যোগ অঞ্চল ৰাজধানী ট'কিঅ' মহানগৰৰপৰা কিউছুৰ উত্তৰ অংশ পৰ্যন্ত প্ৰায় ১,০০০ কিলোমিটাৰ জুৰি আছে। ইয়াৰ ভিতৰত (ক) ট'কিঅ'- ইয়োক'হামা, (খ) ওছাকা-কোবে- কিয়ট', (গ) নগ'য়া আৰু (ঘ) উত্তৰ- কিউছু-- এই চাৰিটা ঔদ্যোগিক অঞ্চল পৰে।

জাপানৰ উদ্যোগবোৰৰ ভিতৰত লো-তীখাৰ উদ্যোগ, জাহাজ, উৰাজাহাজ আৰু মটৰ নিৰ্মাণ উদ্যোগ, ৰাসায়নিক উদ্যোগ, যন্ত্ৰ-পাতি নিৰ্মাণ উদ্যোগ আৰু বয়ন উদ্যোগেই প্ৰধান।

মন কৰিবলগীয়া কথা যে জাপান দেশখন যদিও উদ্যোগৰ ক্ষেত্ৰত আগবঢ়া, কেঁচামালৰ ক্ষেত্ৰত কিন্তু দেশখন সিমান চহকী নহয়। প্ৰয়োজনীয় বেছিভাগ কেঁচামালেই জাপানে অন্য দেশৰপৰা আমদানি কৰে।



উৎসঃ Wikimedia Commons

**চিত্ৰ ৪.১২** ঃ জাপানৰ পেনোৰালীঅ'ৰ উদ্যোগৰ ছবি

**অনুশীলনী - ২**

১. তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) জাপান দেশখনৰ দুটা প্ৰধান বিশেষত্ব উল্লেখ কৰা।

(খ) জাপান দেশখন গঠিত হোৱা দ্বীপবোৰৰ ভিতৰত কোনটো আটাইতকৈ ডাঙৰ?

(গ) জাপানৰ এখন সমতলভূমিৰ নাম লিখা।

(ঘ) জাপানত অনুভূত ঋতুকেইটা কি কি?

(ঙ) কোনটো ঋতুক 'ফল' বুলি কোৱা হয়?

(চ) জাপানৰ ক'ত ক'ত সৰলবৰ্গীয় গছ পোৱা যায়?

(ছ) জাপানৰ বেছিভাগ মানুহে কি ধৰ্ম পালন কৰে?

(জ ) জাপানত শিক্ষিতৰ হাৰ কিমান?

২. জাপানক কিয় ‘দ্বীপ-দেশ’ বুলি কোৱা হয়?

৩. জাপানৰ উদ্যোগৰ বিষয়ে চমুকৈ লিখা।

**ধাৰণা চিত্ৰ (Mind Map) ঃ**




**শব্দাৰ্থ (Keywords)ঃ**

**সৰলবৰ্গীয় গছ ঃ** নগ্নবীজী উদ্ভিদৰ এটা ডাঙৰ শ্ৰেণী

**পৰ্ণপাতী উদ্ভিদ ঃ** শীতকালত পাতসৰা উদ্ভিদ



**দলগত কাৰ্য ঃ**

ভূচিত্ৰাৱলী চাই দলত আলোচনা কৰি লিখা--

(ক) পৃথিৱীৰ প্ৰধান মহাদেশ কেইখন আৰু কি কি?

(খ) বিষুৱৰেখা, কৰ্কট-ক্ৰান্তি আৰু মকৰ-ক্ৰান্তি ৰেখা তিনিডাল কোনখন মহাদেশৰ মাজেৰে পাৰ হৈ গৈছে?

(গ) পানামা যোজকে কোন কোন মহাদেশক লগ লগাইছে?

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

আমি ৰে'লগাড়ী বা বাছেৰে অসমৰপৰা জাপানলৈ যাব পাৰিমনে? জাপান পাবলৈ কোনকেইখন দেশ পাৰ হৈ যাব লাগিব?



J4K7K9

# পাঠ ৫
# ভাৰত ঃ পৰিচয় আৰু ভৌগোলিক বৈশিষ্ট্য




**চিত্ৰ ৫.১ ঃ** ভাৰত (ৰাজনৈতিক)

চিত্ৰ ৫.১ লৈ লক্ষ্য কৰাচোন। এইখন আমাৰ দেশ ভাৰতৰ মানচিত্ৰ। আমাৰ দেশখনৰ লগত কোনকেইখন দেশ, সাগৰ, মহাসাগৰ লাগি থকা দেখিছা বাৰু? তাৰ ভিত্তিত তলৰ তালিকাখন প্ৰস্তুত কৰা।

| দেশ | সাগৰ-মহাসাগৰ |
|---|---|
| | |

ভৌগোলিক দিশৰপৰা ভাৰত এখন বিশাল দেশ। ইয়াৰ মাটিকালি ৩২,৮৭,৭৮২ বৰ্গ কিলোমিটাৰ। উত্তৰে কাশ্মীৰৰপৰা চিত্ৰখনৰ একেবাৰে দক্ষিণ অংশত থকা কন্যাকুমাৰীলৈকে ই দীঘলে প্ৰায় ৩২০০ কিলোমিটাৰ। আনহাতে পূবে অৰুণাচল প্ৰদেশৰপৰা পশ্চিমে গুজৰাটৰ পশ্চিম সীমালৈ দেশখন বহলে প্ৰায় ২৯০০ কিলোমিটাৰ। পৃথিৱীপৃষ্ঠত ভাৰত সম্পূৰ্ণৰূপে উত্তৰ গোলাৰ্ধত অৱস্থিত। মানচিত্ৰত ইয়াৰ বিস্তৃতি হ'ল ৮° উত্তৰ অক্ষাংশৰপৰা ৩৭° উত্তৰ অক্ষাংশলৈ আৰু ৬৮° পূব দ্ৰাঘিমাংশৰপৰা ৯৭° পূব দ্ৰাঘিমাংশলৈ। কৰ্কট-ক্ৰান্তি ৰেখাই দেশখনক প্ৰায় দুভাগত বিভক্ত কৰিছে।

পৃথিৱীৰ প্ৰতিখন দেশৰে নিজৰ সীমা থাকে। দেশৰ সীমাত অন্য দেশ, সাগৰ-মহাসাগৰ বা পৰ্বত-পাহাৰ আদি থাকিব পাৰে। দেশ এখনৰ চাৰিওদিশে, অৰ্থাৎ দেশখনৰ ৰাজনৈতিক সীমাত থকা দেশ বা ভূ-প্ৰকৃতিবোৰৰ নাম উল্লেখ কৰিয়েই দেশখনৰ চাৰিসীমা প্ৰকাশ কৰা হয়। তোমালোকে চিত্ৰত দেখাৰ দৰে ভাৰতৰ উত্তৰ সীমাত আছে চীন, নেপাল আৰু ভূটান। উত্তৰ-পশ্চিমে আছে আফগানিস্তান আৰু পাকিস্তান। পূব সীমাত আছে বাংলাদেশ আৰু ম্যানমাৰ আৰু লগতে বংগোপসাগৰ। দক্ষিণে আছে দ্বীপৰাষ্ট্ৰ শ্ৰীলংকা আৰু ভাৰত মহাসাগৰ। শ্ৰীলংকাক মান্নাৰ উপসাগৰ আৰু পক্ প্ৰণালীয়ে ভাৰতৰপৰা পৃথক কৰিছে। ভাৰতৰ পশ্চিমফালে আছে আৰব সাগৰ।

বিশাল দেশ ভাৰতক ভৌগোলিক দিশৰপৰা কেইটামান ডাঙৰ অঞ্চলত বিভক্ত কৰিব পাৰি, যেনে, উত্তৰ ভাৰত, দক্ষিণ ভাৰত, পূব ভাৰত, পশ্চিম ভাৰত, মধ্য ভাৰত , উত্তৰ-পূব ভাৰত আদি। সাধাৰণতে দেশখনৰ প্ৰায় মাজভাগত অৱস্থিত বিন্ধ্য পৰ্বতকে উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ সীমা বুলি ধৰা হয়। এই ডাঙৰ অঞ্চলকেইটাৰ ভিতৰতে আকৌ বহুতো মধ্যম আৰু সৰু আকাৰৰ ভৌগোলিক অঞ্চল চিনাক্ত কৰিব পাৰি। ভৌগোলিক অঞ্চলবোৰক সামৰি দেশখনক আকৌ কেইবাটাও ভূ-প্ৰাকৃতিক (Physiographic) বিভাগত বিভক্ত কৰিব পাৰি। প্ৰশাসনিক সুবিধাৰ বাবে দেশখনক ২৮ খন ৰাজ্য আৰু ৮ খন কেন্দ্ৰীয় শাসিত অঞ্চলত ভাগ কৰা হৈছে। ইয়াৰ আটাইকেইখনৰে নিজা চাৰিসীমা আৰু ৰাজধানী আছে।

**জানো আহা ঃ**

প্ৰাচীন ভাৰতৰ কাব্যসমূহত ভাৰতৰ চাৰিসীমাৰ বিষয়ে এইদৰে লিখা আছে--

"হিমালয়ং সমাৰভ্য যাবত্ ইন্দু সৰোবৰম্।
তং দেৱনিৰ্মিতং দেশং হিন্দুস্থানং প্ৰচক্ষতে।।"

-- বাৰ্হস্পত্য সূত্ৰ

হিমালয়ৰপৰা ইন্দু বা ভাৰত মহাসাগৰলৈ বিস্তৃত দেৱতাই নিৰ্মাণ কৰা এই ঠাইখিনিকে হিন্দুস্থান বুলি কোৱা হয়।

"উত্তৰং যত্ সমুদ্ৰস্য হিমাদ্ৰেশ্চৈৱ দক্ষিণম্।
বৰ্ষং তদ্ ভাৰতং নাম ভাৰতী যত্ৰ সন্ততিঃ।।"

-- বিষ্ণু পুৰাণ

সমুদ্ৰৰ উত্তৰে আৰু হিমালয়ৰ দক্ষিণে যি দেশ তাকে ভাৰত বুলি কয় আৰু তাৰ সন্তানসকলক ভাৰতীয় বুলি কোৱা হয়।

## অনুশীলনী - ১

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) ভাৰতৰ মুঠ মাটিকালি কিমান?

(খ) ভাৰত আৰু শ্ৰীলংকাক পৃথক কৰা প্ৰণালীটোৰ নাম কি?

(গ) ভাৰতবৰ্ষৰ মাজভাগত অৱস্থিত পৰ্বতখনৰ নাম কি?

(ঘ) উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ সীমা কি?

(ঙ) এখন দেশৰ চাৰিসীমা বুলিলে কি বুজা?

২. ভাৰতৰ চাৰিসীমাত কি কি আছে লিখা।

## ৫.১ ভূ-প্ৰাকৃতিক বিভাগ ঃ

পৰ্বত-পাহাৰ, মালভূমি, সমভূমি, উপত্যকা, উপকূল আদি প্ৰাকৃতিক অৱয়বৰ ফালৰপৰা ভাৰত এখন অতি বৈচিত্ৰ্যপূৰ্ণ দেশ। দেশখনত থকা এনে অৱয়বসমূহৰ আধাৰত ভাৰতক তলত দিয়া প্ৰধান ভূ-প্ৰাকৃতিক অঞ্চলত বিভক্ত কৰিব পাৰি। ৫.২ চিত্ৰত থকা ভাগকেইটালৈ মন কৰা।

(ক) উত্তৰৰ পাৰ্বত্য অঞ্চল
(The Northern Mountains)

(খ) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল
(The Northern Plains)

(গ) দাক্ষিণাত্য মালভূমি অঞ্চল
(The Deccan Plateau)

(ঘ) উপকূলীয় নিম্নভূমি অঞ্চল
(The Coastal Plains)

(ঙ) মৰুভূমি অঞ্চল (The Great Indian Desert), আৰু

(চ) দ্বীপ অঞ্চল (The Islands)




চিত্ৰ ৫.২ ঃ ভাৰতৰ ভূ-প্ৰাকৃতিক বিভাগ

### ৫.১.১ উত্তৰৰ পাৰ্বত্য অঞ্চল ঃ

হিমালয় পৰ্বতমালা আৰু ইয়াৰ লগত লাগি থকা সৰু-বৰ পৰ্বত-পাহাৰেৰে উত্তৰৰ পাৰ্বত্য অঞ্চল গঠিত। হিমালয় পৰ্বতক ভাৰতৰ সীমাৰ প্ৰাচীৰ বুলিও কোৱা হয়। পূবা- পশ্চিমাকৈ বা দীঘলীয়াকৈ উচ্চতাৰ ভিত্তিত হিমালয় পৰ্বতক তিনি শ্ৰেণীত ভাগ কৰা হয়-- উচ্চ হিমালয় (Greater Himalayas), নিম্ন হিমালয় (Lower Himalayas) আৰু বহিঃ হিমালয় (Outer Himalayas)। পৃথিৱীৰ উচ্চতম শৃংগ মাউন্ট এভাৰেষ্ট উচ্চ হিমালয়ৰ অন্তৰ্গত। এই অঞ্চলৰ গড় উচ্চতা প্ৰায় ৬০০০ মিটাৰ আৰু ই বছৰৰ বাৰ মাহ বৰফেৰে ঢাক খাই থাকে। আনহাতে, বেছিভাগ জনাজাত পৰ্যটনক্ষেত্ৰ নিম্ন হিমালয়ৰ অন্তৰ্গত। এই অঞ্চলৰ গড় উচ্চতা প্ৰায় ৪৫০ মিটাৰ। বহিঃহিমালয়ৰ গড় উচ্চতা প্ৰায় ১২০০ মিটাৰ। এই অংশৰ মাজে-মাজে অৱস্থিত উপত্যকাবোৰক 'ডুন' বুলি কোৱা হয় যেনে, ডেৰাডুন, কোঠ্ৰি ডুন ইত্যাদি।




চিত্ৰ ৫.৩ ঃ উত্তৰৰ পাৰ্বত্য অঞ্চল

চিত্ৰ ৫.৩ ত দেখুওৱাৰ দৰে উত্তৰৰ পাৰ্বত্য অঞ্চলে কাশ্মীৰৰপৰা আৰম্ভ কৰি অৰুণাচল প্ৰদেশলৈকে এক দীঘলীয়া অংশ আগুৰি আছে।

ইয়াৰ পূব অংশত আছে উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰসমূহ । তাৰ ভিতৰত মিচিমি, নাগা, খাচী, জয়ন্তীয়া আদি প্ৰধান পাহাৰ। উত্তৰৰ পাৰ্বত্য অঞ্চলে ভাৰতৰ জলবায়ুৰ ওপৰত বিশেষ প্ৰভাৱ পেলায়। গ্ৰীষ্মকালত ভাৰত মহাসাগৰৰ পৰা অহা জলীয় ভাপযুক্ত দক্ষিণ-পশ্চিম মৌচুমী বতাহক বাধা দি ইয়াৰ নামনি অঞ্চলত প্ৰচুৰ বৰষুণ হোৱাত সহায় কৰে। আনহাতে, শীতকালত উত্তৰৰ চাইবেৰিয়া অঞ্চলৰপৰা অহা চেঁচা বতাহক হিমালয়ে বাধা দি ভাৰতক প্ৰচণ্ড শীতৰপৰা ৰক্ষা কৰে। তদুপৰি ভাৰতৰ কেইবাখনো ঘাই নদীৰ উৎস এই অঞ্চলতে আছে। ইয়াত থকা গংগোত্ৰী আৰু যমুনোত্ৰী নামৰ হিমবাহৰপৰা ক্ৰমে গংগা আৰু যমুনা নৈ বৈ আহিছে। সিন্ধু নৈ আৰু ব্ৰহ্মপুত্ৰ নৈৰ উৎপত্তিস্থলো ইয়াতেই। সেয়েহে, এই অঞ্চল জলবিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰতো আগবঢ়া।



উৎসঃ **flickr.com**

**চিত্ৰ ৫.৪ ঃ** হিমাচল প্ৰদেশত অৱস্থিত এটা জলবিদ্যুৎ প্ৰকল্পৰ ছবি

বনজ সম্পদতো এই অঞ্চল চহকী। তদুপৰি পৰ্যটন উদ্যোগ আৰু খনিজ সম্পদৰ ক্ষেত্ৰতো এই অঞ্চল বিশেষভাৱে আগবঢ়া। এই অঞ্চলতে কাশ্মীৰ উপত্যকা, কুলু, মনালী, নাইনিতাল, মুছৌৰি, দাৰ্জিলিং আদি স্বাস্থ্যকৰ ঠাই অৱস্থিত। পাৰ্বত্য অঞ্চলটোত কেইবাখনো বিখ্যাত তীৰ্থস্থান আছে।

### ৫.১.২ উত্তৰ ভাৰতৰ সমভূমি অঞ্চল ঃ

হিমালয়ৰ পাদদেশ আৰু দাক্ষিণাত্য মালভূমিৰ মাজত অৱস্থিত প্ৰায় ২৪০০ কিলোমিটাৰ দীঘল আৰু ৯৫০ ৰ পৰা ৩০০ কিলোমিটাৰ বহল সমতল অঞ্চলটোক উত্তৰ ভাৰতৰ সমভূমি অঞ্চল বোলা হয়। উত্তৰ ভাৰতৰ এই সমভূমি অংশক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি-- (ক) পশ্চিমৰ পঞ্জাৱ, হাৰিয়ানা সমতল, (খ) মধ্যভাগৰ গংগা-যমুনা সমভূমি আৰু (গ) পূবৰ ব্ৰহ্মপুত্ৰ উপত্যকা।

ভাৰতৰ সমভূমি অঞ্চল সিন্ধু নদীৰ উপনৈ চেনাব (চন্দ্ৰভাগা), ঝিলাম (বিতস্তা), ৰবি (ইৰাৱতী), বিয়াছ (বিপাশা) আৰু চাটলেজ (শতদ্ৰু)ৰ লগতে গংগা, যমুনা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ পলসুৱা মাটিৰে গঠিত। চিত্ৰ ৫.৫ ত দেখুওৱাৰ দৰে এই অঞ্চল ক্ৰমে পঞ্জাৱ, হাৰিয়ানা, উত্তৰ-প্ৰদেশ, দিল্লী, বিহাৰ, ঝাৰখণ্ড, পশ্চিমবংগ আৰু অসমলৈ বিস্তৃত।




**চিত্ৰ ৫.৫ ঃ** উত্তৰৰ সমভূমি অঞ্চল

এই সমভূমি পলসুৱা মাটিৰে গঠিত বাবে অতিকৈ সাৰুৱা আৰু কৃষিৰ বাবে উপযোগী। পলসুৱা ভূমিৰ এই সমতল অঞ্চলবোৰত ঘেহুঁ, ধান, কুঁহিয়াৰ, মৰাপাট আৰু নানাবিধ তেলজাতীয় শস্যৰ খেতি কৰা হয়।

মাটি সাৰুৱা হোৱাৰ বাবে উত্তৰৰ সমভূমি অঞ্চলটো দেশৰ ভিতৰতে বিশেষ গুৰুত্বপূৰ্ণ অঞ্চল হিচাপে চিহ্নিত হৈ আহিছে। এই অঞ্চলত অৱস্থিত দিল্লী, কলকাতা আৰু পাটনা ইতিহাসৰ বেলেগ বেলেগ পৰ্যায়ত দেশৰ ৰাজনৈতিক ৰাজধানী আছিল। এই অঞ্চলত থকা গংগা নদীৰ পাৰে পাৰে বহুতো তীৰ্থস্থান আছে। ভাৰতৰ মানুহে অতীজৰেপৰা গংগা নদীক পবিত্ৰ জ্ঞান কৰি আহিছে।

**ব্ৰহ্মপুত্ৰ উপত্যকা**

উত্তৰ ভাৰতৰ সমভূমি অঞ্চলৰ অন্তৰ্গত পূবৰ ব্ৰহ্মপুত্ৰ উপত্যকা অসমৰ ২৯ খন জিলাত বিস্তৃত হৈ আছে। ব্ৰহ্মপুত্ৰ নদীখন ইয়াৰ উৎপত্তি স্থলৰপৰা তিব্বত আৰু অৰুণাচল প্ৰদেশৰ মাজেৰে বৈ আহি তিনিচুকীয়া আৰু ধেমাজি জিলাৰ মাজেৰে অসমত প্ৰৱেশ কৰি ৰাজ্যখনৰ প্ৰায় সোঁমাজেৰে বৈ গৈ বংগোপ সাগৰত পৰিছে। ই উত্তৰ আৰু দক্ষিণ দিশৰপৰা বৈ অহা বহুতো সৰু-বৰ উপনৈৰ সৈতে পূবে শদিয়াৰ পৰা পশ্চিমে দক্ষিণ শালমাৰা পৰ্যন্ত যি এক বিশাল সমভূমিৰ সৃষ্টি কৰিছে তাকেই ব্ৰহ্মপুত্ৰ উপত্যকা বুলি কোৱা হয়। ইয়াৰ দৈৰ্ঘ্য প্ৰায় ৭০০ কিলোমিটাৰ। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ উপনৈসমূহক উত্তৰ বাহিনী আৰু দক্ষিণ পাৰৰ উপনৈসমূহক দক্ষিণ বাহিনী উপনৈ বুলি কোৱা হয়। এই অঞ্চলটো খনিজতেল, প্ৰাকৃতিক গেছ, কয়লা আদি খনিজ সম্পদত চহকী।




'মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ
কতযুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ ............'

-- ড° ভূপেন হাজৰিকা

ড° ভূপেন হাজৰিকাই তেখেতৰ গীতত উল্লেখ কৰাৰ দৰে ব্ৰহ্মপুত্ৰ নদীৰ পাৰতেই যুগ যুগ ধৰি ভিন্-ভিন্ জাতি, ধৰ্ম আৰু ভাষা-ভাষী লোকে একেলগে বসবাস কৰি সমন্বয়ৰ অৰ্থ প্ৰকাশ কৰিছে। এই অঞ্চলটোত অজনজাতীয় লোকসকলৰ লগত প্ৰধানকৈ বড়ো, ৰাভা, মিচিং দেউৰী, তিৱা, সোণোৱাল,

কছাৰী, চুতীয়া, কোচ, হাজং আদি জাতি-জনজাতিৰ লোকসকলে বসতি কৰা দেখা যায়।

এই অঞ্চলত বসবাস কৰা লোকসকলে সঘনাই সন্মুখীন হোৱা সমস্যা দুটা হ'ল বানপানী আৰু গৰাখহনীয়া। ১৯৫০ চনত অসমত সংঘটিত হোৱা বৰ-ভূঁইকপৰ ফলত ব্ৰহ্মপুত্ৰৰ তলিখন উঠি অহা বাবেই এই সমভূমি অঞ্চলটোত সঘনাই বানপানী হোৱা দেখা যায়। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে সৃষ্টি কৰা দুৰ্যোগৰপৰা হাত সাৰিবলৈ প্ৰশাসনে জাৰি কৰা নিৰ্দেশনাবোৰ আমি মানি চলা উচিত যাতে ইয়াৰ ফলত হোৱা ক্ষয়-ক্ষতিসমূহ ৰোধ কৰিব পাৰি।

### ৫.১.৩ দাক্ষিণাত্য মালভূমি অঞ্চল ঃ

গংগা সমভূমিৰ দক্ষিণে অৱস্থিত আৰব সাগৰ আৰু বংগোপসাগৰৰ মাজৰ তিনিকোণীয়া ভূ-ভাগকেই দাক্ষিণাত্য মালভূমি অঞ্চল বোলা হয়। এই মালভূমিৰ তিনিও দিশে সাগৰ-মহাসাগৰ থকাৰ বাবে ইয়াক দ্বীপ মালভূমি বুলিও জনা যায়। নৰ্মদা নদীয়ে এই মালভূমি অঞ্চলক দুভাগত ভাগ কৰিছে। এফালে দাক্ষিণাত্য মালভূমি আৰু আনটো ফালক মধ্যভাৰতৰ উচ্চভূমি অঞ্চল বুলিও কোৱা হয়।

দাক্ষিণাত্য মালভূমিৰ উত্তৰ অংশত পশ্চিমৰপৰা পূবলৈ যথাক্ৰমে আৰাৱলী, বিন্ধ্য, সাতপুৰা, মহাদেৱ, মহাকাল আৰু ৰাজমহল পাহাৰ অৱস্থিত। এই অঞ্চলৰ উল্লেখযোগ্য নদী কেইখনমান হ'ল-- গোদাবৰী, কাবেৰী, তুংগভদ্ৰা আৰু কৃষ্ণা।

চিত্ৰ ৫.৬ ত দাক্ষিণাত্য মালভূমিয়ে আগুৰি থকা অঞ্চলক দেখুওৱা হৈছে। এই অঞ্চল তেলেংগানা, অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, কেৰেলা, তামিলনাডুৰ লগতে মধ্যপ্ৰদেশ আৰু ছত্তিছগড় ৰাজ্যৰ কিছু অংশলৈ বিস্তৃত।




**চিত্ৰ ৫.৬ ঃ** দাক্ষিণাত্য মালভূমি অঞ্চল

ভাৰতৰ মালভূমি অঞ্চলৰ অন্তৰ্গত ছোটনাগপুৰ মালভূমিত প্ৰচুৰ পৰিমাণে লোৰ আকৰ আৰু কয়লা পোৱা যায়। আগ্নেয়গিৰিৰ পৰা নিৰ্গত লাভাৰে গঠিত মালভূমি অঞ্চলত উৎকৃষ্ট কপাহ খেতি হয়। দাক্ষিণাত্য মালভূমিৰ ক'লা মাটি অঞ্চল কপাহ খেতিৰ বাবে বিখ্যাত। তদুপৰি এই অঞ্চলৰ থিয় ঢালত জান-জুৰিৰ পানী থিয়ৈ থিয়ৈ তললৈ পৰি হুন্দ্ৰু, জগ আদিৰ দৰে কেইবাটাও বিখ্যাত জলপ্ৰপাতৰ সৃষ্টি কৰিছে। এনে জলপ্ৰপাতবোৰ পৰ্যটনৰ কেন্দ্ৰ হৈ পৰিছে।



উৎসঃ wikimedia.org

**চিত্ৰ ৫.৭ ঃ** জগ জলপ্ৰপাতৰ ছবি

### ৫.১.৪ উপকূলীয় নিম্নভূমি অঞ্চল ঃ

ভাৰতৰ এক বৃহৎ অঞ্চল সাগৰ-মহাসাগৰে আগুৰি আছে। দেশখনৰ উপকূলীয় নিম্নভূমি অঞ্চলটোৰ পূবদিশত আছে বংগোপসাগৰ। পশ্চিমে পশ্চিমঘাট পৰ্বতৰ গাতে লাগি আছে আৰব সাগৰ। দেশখনৰ দক্ষিণ দিশে আছে ভাৰত মহাসাগৰ। সাগৰ-মহাসাগৰে চুই থকা দেশৰ এই উপকূল অঞ্চলটো যথেষ্ট দীঘল। ভাৰতৰ উপকূলীয় অঞ্চলক অংশ বিশেষে বেলেগ-বেলেগ নামেৰে জনা যায়। যেনে, ওড়িশাৰ অন্তৰ্গত অঞ্চলক উৎকল উপকূল, কেৰেলাৰ অন্তৰ্গত অঞ্চলক মালাবাৰ উপকূল বৰ্তমান কোৰমণ্ডল আদি।

মন কৰিবলগীয়া কথা যে দেশৰ পূব উপকূলটো তুলনামূলকভাৱে বহল আৰু পশ্চিম উপকূলটো ঠেক। ইয়াতে মুম্বাই, গোৱা, চেন্নাই আদি বন্দৰ-নগৰ (Port-City) অৱস্থিত। এই সাগৰীয় বন্দৰসমূহৰ যোগেদি ভাৰতৰ অধিকাংশ বহিৰ্বাণিজ্য সম্পাদন কৰা হয়। উপকূলীয় অঞ্চলৰ কিছু কিছু ঠাইত ধান খেতি কৰা হয় যদিও সাগৰীয় মাছ ধৰাটোহে ইয়াৰ বাসিন্দাসকলৰ প্ৰধান বৃত্তি।



**চিত্ৰ ৫.৮ ঃ** ভাৰতৰ উপকূল অঞ্চল

### ৫.১.৫ মৰুভূমি অঞ্চল ঃ

ভাৰতৰ মৰুভূমি অঞ্চলটো থৰ মৰুভূমি নামেৰে জনাজাত। দেশখনৰ উত্তৰ-পশ্চিম দিশত অৱস্থিত ই প্ৰধানকৈ ৰাজস্থান ৰাজ্যৰ অন্তৰ্গত। থৰ মৰুভূমি নামেৰে এই অঞ্চল বৰ্তমানৰ পাকিস্তানলৈ বিয়পি আছে। এই মৰুভূমিয়ে প্ৰায় ২,০০,০০০ বৰ্গ কিলোমিটাৰ এলেকা আগুৰি আছে। থৰ মৰুভূমি গুজৰাট, হাৰিয়ানা আৰু পঞ্জাৱ ৰাজ্যৰ কিছু অংশলৈ বিস্তৃত হৈ আছে। এই মৰুভূমিৰ পূবে আৰাৱলী পৰ্বত আৰু পশ্চিমে চুলেইমান পৰ্বত। থৰ মৰু অঞ্চলৰ গড় বাৰ্ষিক বৃষ্টিপাতৰ পৰিমাণ ১০-৫০ ছেন্টিমিটাৰ। লুণী হ'ল ইয়াৰ একমাত্ৰ নদী।

এই অঞ্চলৰ এক সুকীয়া প্ৰাকৃতিক আৰু সাংস্কৃতিক বৈশিষ্ট্য আছে। থৰ মৰু অঞ্চলৰ নগৰ-জইশলমীৰ, যোধপুৰ আৰু বিকানীৰক কেন্দ্ৰ কৰি পৰ্যটন (Tourism) উদ্যোগে বিশেষ গুৰুত্ব লাভ কৰিছে।



**চিত্ৰ ৫.৯ ঃ** ভাৰতৰ মৰুভূমি অঞ্চল

চিত্ৰ ৫.৯ ত ভাৰতৰ থৰ মৰুভূমি অঞ্চলক দেখুওৱা হৈছে। এই মৰুভূমি অঞ্চলত যথেষ্ট পৰিমানে উণসূতা উৎপাদন কৰা হয়। ইয়াত জিপচাম, ফছফৰাছ আদি খনিজ পদাৰ্থও যথেষ্ট পৰিমাণে পোৱা যায়।

### ৫.১.৬ দ্বীপ অঞ্চল ঃ

ভাৰতবৰ্ষৰ অন্তৰ্গত সাগৰীয় দ্বীপসমূহক মূলতঃ দুই ভাগত ভগাব পাৰি-- আৰৱ সাগৰত অৱস্থিত লাক্ষাদ্বীপপুঞ্জ, আমিনদিবি, মিনিকয় আৰু বংগোপসাগৰত থকা আন্দামান-নিকোবৰ দ্বীপপুঞ্জ। আন্দামান-নিকোবৰ দ্বীপপুঞ্জৰ ৰাজধানী হ'ল প'ৰ্টব্লেয়াৰ। তোমালোকে ভাৰতৰ মানচিত্ৰৰ দুয়োকাষে দেখা সৰু-সৰু দ্বীপপুঞ্জই (Archipelago) হ'ল ভাৰতৰ দ্বীপ অঞ্চল। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ প্ৰায় ৩০০ টা সৰু-বৰ দ্বীপৰ সমষ্টি। আনহাতে লাক্ষাদ্বীপপুঞ্জ ৩৬টা প্ৰৱাল দ্বীপেৰে গঠিত। এই দ্বীপপুঞ্জ পৰ্যটনৰ বাবে বিখ্যাত। ইয়াৰ স্বচ্ছ নীলা পানী, বৈচিত্ৰ্যপূৰ্ণ সাগৰীয় জীৱ, প্ৰাকৃতিক সৌন্দৰ্য আৰু থলুৱা লোকসকলৰ সংস্কৃতি পৰ্যটকৰ বাবে বিশেষ আকৰ্ষণীয়। পৰ্যটকৰ বাবে আনন্দদায়ক প্ৰধান ঠাইবোৰ হ'ল দিগলীপুৰ, স্বৰাজ দ্বীপ, শ্বহীদ দ্বীপ, ৰণগট, কাৰ নিকোবৰ, গ্ৰেট নিকোবৰ ইত্যাদি। পৰ্যটনৰ সুবিধা থকাৰ বাবেই পৰ্যটন উদ্যোগে ইয়াত বিশেষ গুৰুত্ব লাভ কৰিছে। আন্দামান-নিকোবৰ দ্বীপপুঞ্জত আন্দামানিজ, ওংগে, জাৰোৱা আৰু চেন্টিনেলিচ আদি জনগোষ্ঠীয়ে বসবাস কৰে।



উৎসঃ lookandlearn.com

**চিত্ৰ ৫.১০ ঃ** জাৰোৱা জনগোষ্ঠীৰ পুৰুষৰ ছবি

এইদৰে মালভূমি, সমভূমি, মৰুভূমি, উপকূল, দ্বীপ, পৰ্বত-পাহাৰ, নদ-নদী আদি অৱয়বে ভাৰতক প্ৰাকৃতিক দিশত বৈচিত্ৰ্যময় কৰি তুলিছে। এনে বৈচিত্ৰ্যৰ মাজৰ সমন্বয়েৰে ভাৰতৰ অৰ্থনীতি, সমাজ-সংস্কৃতি আৰু জীৱন-প্ৰণালী গঢ়ি উঠিছে।

### ৫.২ পৰিৱেশ, প্ৰকৃতি আৰু মানুহ ঃ

পৰ্বত, পাহাৰ, সমভূমি, মালভূমি, মৰুভূমি আদি ভৌগোলিক অৱয়বসমূহৰ বৈশিষ্ট্য ভিন্ন হোৱা বাবে ভূ-প্ৰাকৃতিক অঞ্চলবোৰৰ পৰিৱেশো বেলেগ বেলেগ হয়। হিমালয়ৰ হিমশীতল অৱস্থাৰ পৰা ৰাজস্থানৰ থৰ মৰুভূমিলৈ দেশখনৰ ভিতৰত উষ্ণতাৰ এক বিপৰীত পৰিৱেশ বিৰাজ কৰে। প্ৰাকৃতিক অৱস্থাৰ এনে ভিন্নতাৰ বাবে সমাজ-সংস্কৃতি, খাদ্যাভ্যাস, পিন্ধন-উৰণ আৰু জীৱন-প্ৰণালীও বেলেগ বেলেগ হোৱা দেখা যায়। এই বাবেই ভাৰতবৰ্ষ এখন বৈচিত্ৰ্যপূৰ্ণ দেশ।

একোটা প্ৰাকৃতিক অৱস্থাৰ লগত মিলি থাকি সুচল জীৱন-যাপন কৰিবলৈ মানুহে নিজকে প্ৰস্তুত কৰি লয়। ইয়াক আমি পৰিৱেশৰ লগত মিলি যোৱা বুলি কওঁ। পৰিৱেশ সুৰক্ষাৰ বাবে মানুহ আৰু প্ৰকৃতিৰ মাজত অনুকূল সম্পৰ্ক গঢ়ি উঠা প্ৰয়োজন। পৰিৱেশ ৰক্ষাৰ প্ৰতি সজাগতাৰ সৃষ্টি কৰি আমি বাস কৰা পৃথিৱীখনক সুন্দৰকৈ ৰাখিব পাৰো। ভাৰতবৰ্ষৰ দৰে ঘন জনবসতিৰ দেশত প্ৰাকৃতিক সম্পদৰ উচিত ব্যৱহাৰ কৰিলেহে আমি প্ৰকৃতিৰ সৈতে সফল ৰূপত জীৱন-নিৰ্বাহ কৰিব পাৰিম।

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) ভাৰতৰ সীমাৰ প্ৰাচীৰ কি ?

(খ) ভাৰতৰ দুখন বন্দৰ-নগৰৰ নাম লিখা।

(গ) ভাৰতৰ উপকূলীয় অঞ্চলত বাস কৰা লোকসকলৰ প্ৰধান বৃত্তি কি?

(ঘ) জাৰোৱাসকলে ক'ত বাস কৰে?

২. চমু টোকা লিখা--

(ক) উত্তৰৰ পাৰ্বত্য অঞ্চল (খ) উত্তৰৰ সমভূমি অঞ্চল

(গ) দাক্ষিণাত্য মালভূমি অঞ্চল (ঘ) উপকূলীয় নিম্নভূমি অঞ্চল

**ধাৰণা চিত্ৰ (Concept Map) ঃ**




**শব্দাৰ্থঃ**

**পৰ্বতমালা** ঃ কেইবাখনো পৰ্বত-পাহাৰ যেতিয়া একেলগে সংযুক্ত হৈ থাকে তাকেই পৰ্বতমালা বুলি কোৱা হয়।

**হিমবাহ** ঃ পৰ্বতৰ ঢালেৰে বৰফৰ খণ্ড নামি অহাকে হিমবাহ বোলা হয়।

**জলবিদ্যুৎ** ঃ জলশক্তিৰপৰা উৎপাদন হোৱা বিদ্যুৎ।

**দ্বীপপুঞ্জ** ঃ ওচৰা-ওচৰিকৈ থকা কেইবাটাও দ্বীপৰ সমষ্টিকে দ্বীপপুঞ্জ বুলি কোৱা হয়।



**দলগত কাৰ্য ঃ**

শিক্ষকে শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক ছটা ভাগত ভাগ কৰিব। প্ৰতিটো ভাগে একোটা ভৌগোলিক অঞ্চলক প্ৰতিনিধিত্ব কৰিব। প্ৰতিটো ভাগে সেই অঞ্চলৰ অন্তৰ্গত যিকোনো এখন ৰাজ্যৰ বিষয়ে তথ্য যুগুত কৰি দলগতভাৱে আলোচনা (Group Discussion) কৰিব।

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

ভাৰতৰ দ্বীপ অঞ্চল বা মৰুভূমি অঞ্চলত বাস কৰা লোকসকলে বাৰু কেনেধৰণৰ সমস্যাৰ সন্মুখীন হ'ব পাৰে?



# পাঠ ৬
# ইতিহাস লিখনত সময় গণনা, উৎস আৰু ভাৰতবৰ্ষ

A5T5T4

সমাজ বিজ্ঞান বিষয়টোৰ এটা অবিচ্ছেদ্য অংগ হ'ল ইতিহাস। প্ৰাচীন কালৰেপৰা বৰ্তমানলৈকে পৃথিৱীৰ বিভিন্ন ঠাইত ঘটি থকা ঘটনাৱলীয়েই হ'ল ইতিহাসৰ মূল বিষয়বস্তু। কিন্তু মন কৰিবলগীয়া কথা যে ইতিহাস আখ্যান বা সাধুকথা নহয়। ইতিহাস হ'ল অতীতত ঘটা প্ৰকৃত ঘটনাৰ ধাৰাবাহিক বিৱৰণী। সেয়েহে, ইতিহাসবিদসকলে সত্যতা নিৰূপণৰ কাৰণে উৎস আৰু ধাৰাবাহিকতাৰ ওপৰত সবাতোকৈ বেছি গুৰুত্ব আৰোপ কৰে। সময়ৰ সোঁতত আমাৰ ভাৰতবৰ্ষই কিদৰে আজিৰ ৰূপ পাইছেহি তাক আমি বিভিন্ন উৎসৰ সহায়ত জানিব পাৰো। এই পাঠটিত ইতিহাসত কিদৰে সময় গণনা কৰা হয়, ইতিহাস প্ৰণয়নৰ বিভিন্ন উৎস আৰু ভাৰতবৰ্ষ নামটোৰ উৎপত্তিৰ বিষয়ে আলোচনা কৰিম।

### ৬.১ ইতিহাস অধ্যয়নত সময়ৰ গুৰুত্ব ঃ

আমাৰ ইতিহাস বুজিবলৈ হ'লে কেৱল মানুহৰ বিষয়ে জানিলেই যথেষ্ট নহ'ব, কোন সময়ত কি ঘটনা সংঘটিত হৈছিল তাৰ ধাৰণাও থাকিব লাগিব। অতীতক বুজাৰ ক্ষেত্ৰত ঐতিহাসিক ঘটনাসমূহৰ ক্ৰম বুজাটো অতি গুৰুত্বপূৰ্ণ। বিশ্বৰ বিভিন্ন সমাজ আৰু সংস্কৃতিৰ সময় জোখাৰ নিজা নিজা পদ্ধতি আছে। সময়ৰ জোখ সাধাৰণতে কোনো উল্লেখযোগ্য ঘটনা, যেনে, কোনো প্ৰতাপী শাসকৰ শাসনকালৰ আৰম্ভণি, প্ৰখ্যাত ব্যক্তিৰ জন্ম তাৰিখ আদিক ভিত্তি কৰি কৰা হয়। তোমালোকে নিশ্চয় নিজৰ ঘৰৰ বেৰত বা মোবাইল ফ'নত কেলেণ্ডাৰ বা বৰ্ষপঞ্জি দেখিছা। আমাৰ দৈনন্দিন জীৱনৰ ই এক অপৰিহাৰ্য অংগ। আমি সকলোৱে ব্যৱহাৰ কৰা জানুৱাৰীৰ পৰা ডিচেম্বৰ মাহলৈ গণনা কৰা বৰ্ষপঞ্জিক গ্ৰেগ'ৰিয়ান বৰ্ষপঞ্জি বোলা হয়। বিশ্বজুৰি এই দিনপঞ্জি ব্যৱহাৰ কৰা হয় যদিও, উৎসৱ-পাৰ্বণ আৰু পৰম্পৰাগত কাম-কাজৰ বাবে অঞ্চলভেদে পৰম্পৰাগত বৰ্ষপঞ্জি ব্যৱহাৰ কৰা হয়। ভাৰতত দৈনন্দিন জীৱন আৰু সাংস্কৃতিক ক্ষেত্ৰৰ বিভিন্ন কাম-কাজৰ বাবে ঠাই অনুসৰি বেলেগ বেলেগ বৰ্ষপঞ্জি ব্যৱহাৰ কৰা হয়। দেশখনৰ অঞ্চলভেদে স্থানীয় বৰ্ষপঞ্জিৰ প্ৰয়োগো দেখা যায়। তলৰ তালিকাৰদ্বাৰা এই বিষয়ে বুজিবলৈ যত্ন কৰা।

তালিকা ঃ ৬.১

| বৰ্ষপঞ্জি | গ্ৰেগ'ৰিয়ান বৰ্ষপঞ্জিৰ মতে আৰম্ভণিৰ চন/ ভিত্তি বৰ্ষ | আৰম্ভণিৰ ভিত্তি | প্ৰয়োগ |
|---|---|---|---|
| বিক্ৰম সংবৎ (বিক্ৰমী) | খ্ৰীষ্টপূৰ্ব ৫৭ | ৰজা বিক্ৰমাদিত্যই শক ৰজাক পৰাস্ত কৰা বছৰ | হিন্দু ধৰ্মীয় অনুষ্ঠানৰ দিন নিৰ্ণয় |
| শকাব্দ বা শালিবাহনাব্দ | খ্ৰীষ্টাব্দ ৭৮ | কুশান ৰজা কণিষ্কৰ ৰাজ অভিষেক (আনুমানিক) | বীজ সিঁচা বা আন কৃষি কৰ্মৰ দিন নিৰ্ধাৰণ |
| হিজৰী | খ্ৰীষ্টাব্দ ৬২২ | হজৰৎ মহম্মদে মক্কাৰ পৰা মদিনালৈ যাত্ৰা কৰাৰ দিন | মুছলমানসকলৰ সকলো ধৰ্মীয় উৎসৱৰ দিন নিৰ্ধাৰণ |
| ভাস্কৰাব্দ | খ্ৰীষ্টাব্দ ৫৯৩ | ৰজা ভাস্কৰবৰ্মন সিংহাসনত আৰোহণ কৰা বছৰ | বিহু তথা আন অসমীয়া উৎসৱ-পাৰ্বণৰ দিন নিৰ্ধাৰণ |
| শংকৰাব্দ | খ্ৰীষ্টাব্দ ১৪৪৯ | শ্ৰীমন্ত শংকৰদেৱৰ জন্ম তাৰিখ | শংকৰদেৱৰ তিথি |

**জানো আহা ঃ**

অসমত পৰম্পৰাগতভাবে সময় গণনাৰ ক্ষেত্ৰত 'পঞ্জিকা' ব্যৱহাৰ কৰা হয়। পঞ্জিকাত সূৰ্য আৰু চন্দ্ৰৰ অৱস্থানৰ ওপৰত ভিত্তি কৰি বছৰৰ মাহ নিৰ্ধাৰণ কৰা হয়। গ্ৰেগ'ৰিয়ান বৰ্ষপঞ্জি অনুসৰি ৰাতি ১২ বজাৰ পিছত নতুন দিন আৰম্ভ হয়। আনহাতে পঞ্জিকাত সূৰ্য উদয়ৰ লগে-লগে দিন আৰম্ভ হয় আৰু সূৰ্যাস্তৰ লগে-লগে দিন শেষ হয়। পঞ্জিকাত প্ৰতিমাহৰ দিনবোৰৰ সূৰ্যোদয়-সূৰ্যাস্তৰ সময়, সূৰ্যগ্ৰহণ, চন্দ্ৰগ্ৰহণ আদিৰ সময় উল্লেখ থাকে। ভাৰতৰ বাকীবোৰ ৰাজ্যতো এনে ধৰণৰ 'পঞ্চাংগ' (Panchang) মাহ, উৎসৱৰ তাৰিখ, বতৰৰ আগজাননী, বিয়া-বাৰু, কৃষিকাৰ্য আদিৰ সময় নিৰ্ধাৰণৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হয়।

বিশ্বৰ সকলো ঠাইতে উমৈহতীয়া বৰ্ষপঞ্জি বা একেধৰণৰ সময় গণনাৰ ব্যৱস্থা নাথাকিলে নানা ধৰণৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে। সেয়েহে বিশ্বৰ সকলো ঠাইৰ মানুহে সততে গ্ৰেগ'ৰিয়ান বৰ্ষপঞ্জি ব্যৱহাৰ কৰে। ই যীশুখ্ৰীষ্টৰ জন্ম বছৰৰপৰা আৰম্ভ হয়। তেওঁৰ জন্মৰ পিছৰ বছৰবোৰক খ্ৰীষ্টাব্দ (AD) আৰু তাৰ আগৰ বছৰবোৰক খ্ৰীষ্টপূৰ্ব (BC) বুলি কোৱা হয়। বৰ্তমান যীশুখ্ৰীষ্টৰ জন্মৰ পিছৰ বছৰবোৰক ইংৰাজীত Common Era (CE) আৰু খ্ৰীষ্টপূৰ্বক Before Common Era (BCE) বুলিও জনা যায়। মন কৰিবলগীয়া কথা যে গ্ৰেগ'ৰিয়ান বৰ্ষপঞ্জিত 'শূণ্য বছৰ' অন্তৰ্ভুক্ত কৰা হোৱা নাই। খ্ৰীষ্টপূৰ্ব ১ ৰ বিপৰীতে খ্ৰীষ্টাব্দ ১ আৰম্ভ হয়। তলত দিয়া সময় ৰেখাৰ সহায়ত ইয়াক ভালদৰে বুজি পোৱা যাব।




**চিত্ৰ ৬.১** ঃ সময়ৰেখা

ইতিহাস বুজিবলৈ সময়ৰেখা এক অপৰিহাৰ্য আহিলা। ঐতিহাসিক ঘটনাৰ ক্ৰম আৰু তাৰিখ মনত ৰখাত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰয়োজনীয় তাৰিখ আৰু ঘটনাসমূহ চিহ্নিত কৰাত সময়ৰেখাই যথেষ্ট সহায় কৰে।

ইতিহাসবিদসকলে দীঘলীয়া সময় বুজাবলৈ প্ৰায়ে নিৰ্দিষ্ট শব্দ কিছুমান ব্যৱহাৰ কৰে। ইতিহাসক সঠিকভাৱে বুজিবলৈ আৰু ব্যাখ্যা কৰিবলৈ এই শব্দবোৰ অতি প্ৰয়োজন। তেনে কিছু শব্দ তলত উল্লেখ কৰা হ'ল।

**দশক** ঃ দশক বুলিলে ১০ বছৰীয়া এছোৱা সময়ক বুজোৱা হয়।

**শতিকা বা শতাব্দী** ঃ ১০০ বছৰ জোৰা সময় এছোৱাক এটা শতিকা বুলি কোৱা হয়। উল্লেখযোগ্য যে খ্ৰীষ্টাব্দ প্ৰথম শতিকাই ১ ৰ পৰা ১০০ বছৰৰ ভিতৰছোৱাক বুজায়। তাৰ ভিত্তিত বিংশ শতিকাটো ১৯০১-২০০০ লৈকে প্ৰসাৰিত।

**সহস্ৰাব্দ** ঃ সহস্ৰাব্দই ১০০০ বছৰক বুজায়। উদাহৰণস্বৰূপে, ২০০১ চনৰ ১ জানুৱাৰীৰ পৰা নতুন সহস্ৰাব্দৰ আৰম্ভণি হৈছিল। এই সহস্ৰাব্দ ৩০০০ চনলৈ চলিব।

**যুগ** ঃ কিছুমান বৈশিষ্ট্যৰ মিল থকা এক দীঘলীয়া সময়ক যুগ বুলি কোৱা হয়। ইতিহাসত সাধাৰণতে যুগৰ কোনো

নিৰ্দিষ্ট আৰম্ভণি আৰু শেষ বিন্দু নাথাকে। উদাহৰণস্বৰূপে, প্ৰস্তৰ বা শৈল যুগ। ই প্ৰায় ২০ লাখ বছৰ আগত আৰম্ভ হৈছিল আৰু প্ৰায় ৩০০০ খ্ৰীষ্টপূৰ্বলৈ চলিছিল। এই সময়ছোৱাত মানুহে ধাতুৰ ব্যৱহাৰ নাজানিছিল আৰু সকলো কামতে শিলৰ সঁজুলি ব্যৱহাৰ কৰিছিল। সেই কাৰণে এই সময়ছোৱাক প্ৰস্তৰ বা শৈল যুগ বোলা হয়।

## অনুশীলনী - ১

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) শংকৰদেৱৰ জন্মৰ চনৰপৰা আৰম্ভ হোৱা বৰ্ষপঞ্জিখনক কি বুলি জনা যায়?

(খ) ভাস্কৰাব্দৰ আৰম্ভণি কোনজন ৰজাৰ ৰাজ অভিষেকৰ বছৰৰপৰা হৈছে?

(গ) মুছলমানসকলৰ পৰম্পৰাগত বৰ্ষপঞ্জিখনৰ নাম কি?

(ঘ) গ্ৰেগ'ৰিয়ান বৰ্ষপঞ্জিৰ আৰম্ভণিৰ বছৰটো কোনজন বিশেষ ব্যক্তিৰ জন্মৰপৰা গণনা কৰা হয়?

(ঙ) এক দশক বুলিলে কি বুজা?

(চ) ১০০০ বছৰক একেলগে বুজাবলৈ কোনটো শব্দ ব্যৱহাৰ কৰা হয়?

২) ইতিহাস আৰু কাহিনীৰ মাজত কি পাৰ্থক্য আছে?

৩) ইতিহাস লিখনৰ ক্ষেত্ৰত সবাতোকৈ গুৰুত্বপূৰ্ণ উপাদান কি?

### ৬.২ ইতিহাস অধ্যয়নৰ উৎস ঃ

তোমালোকে বাৰু নিজৰ নিজৰ পৰিয়ালৰ বিষয়ে কিমান জানা? তোমালোকৰ ককা, আজোককা কোন আছিল, তেওঁলোকৰ জন্ম কেতিয়া হৈছিল, তেওঁলোকৰ ঘৰ ক'ত আছিল, তেওঁলোকে কি কাম কৰিছিল, তেওঁলোকৰ ঘৰবোৰ কেনেকুৱা আছিল, তেওঁলোকে কিমান পঢ়া-শুনা কৰিছিল-- এনেবোৰ কথা জানিবলৈ হ'লে তোমালোকে বাৰু কি কৰিবা?

এই বিষয়ে প্ৰথমতে নিশ্চয় মা-দেউতা বা ঘৰৰ আন কোনো জ্যেষ্ঠজনক সুধিবা। লগতে বিভিন্ন নথি-পত্ৰ, যেনে, পুৰণি পুথি, ফটো, ভোটাৰ তালিকা আদি চাই বিভিন্ন তথ্য সংগ্ৰহ কৰিবা। এনে নথি-পত্ৰ, পুথি আদিক তোমালোকৰ পৰিয়ালটোৰ ইতিহাস জনাৰ উৎস বুলি ক'ব পৰা যায়।



চিত্ৰ ৬.২ ঃ প্ৰত্নতাত্ত্বিকসকলে চলোৱা খনন কাৰ্য

ইতিহাস লিখন বা প্ৰণয়ন হৈছে এক বৈজ্ঞানিক প্ৰক্ৰিয়া। নানা উৎসই ইতিহাসবিদসকলক তথ্যৰ যোগান ধৰি অতীতক পুনৰ উদ্ধাৰ কৰাত সহায় কৰে। হাজাৰ-হাজাৰ বছৰ ধৰি মানুহে নিজৰ বিশ্বাস, কাৰ্যকলাপ আৰু উল্লেখযোগ্য ঘটনাৰ বিষয়ে লিখিত ৰূপত সংৰক্ষণ কৰি আহিছে। কিন্তু লিখিত তথ্য পোৱাৰ আগৰ সময়ৰ ইতিহাস লিখিবলৈ গ'লে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়।

আদিম যুগৰ লোকসকলৰ বিষয়ে তথ্য উদ্‌ঘাটন কৰাত আগভাগ লয় প্ৰত্নতাত্ত্বিকসকলে। তেওঁলোকে প্ৰাচীন স্থানৰ অৱশিষ্ট খনন আৰু অধ্যয়ন কৰি আদিম লোকৰ বসতিৰ অনুসন্ধান কৰে। তেওঁলোকে এনে স্থানত পোৱা অৱশিষ্টসমূহ বিশ্লেষণ কৰি আদিম কালৰ বাসিন্দাসকলৰ শাৰীৰিক বৈশিষ্ট্য, খাদ্যাভ্যাস, স্বাস্থ্য আৰু সাংস্কৃতিক আচৰণ আৱিষ্কাৰ কৰে। আনহাতে, নৃতত্ত্ববিদসকলে প্ৰত্নতাত্ত্বিক স্থানত থকা শিল্পকৰ্মসমূহ পৰীক্ষা কৰি অতীতৰ মানুহৰ সাংস্কৃতিক আচৰণ পুনৰ অধ্যয়ন কৰে।

পুৰাজীৱবিজ্ঞানীসকলে জীৱাশ্মৰ অধ্যয়ন কৰে। এনে অধ্যয়নে যুগ যুগ ধৰি শিলত সংৰক্ষিত প্ৰাথমিক

জীৱনৰ প্ৰমাণ দিয়ে। লিপিবিদসকলে প্ৰাচীন শিলালিপিৰপৰা তথ্য উদ্‌ঘাটন কৰে। সাহিত্য আৰু ভাষাৰ বিশেষজ্ঞসকলেও ইতিহাস লিখনত অৰিহণা যোগায়। ইয়াৰ উপৰি যোৱা কেইবাদশক ধৰি চলি অহা বৈজ্ঞানিক অধ্যয়নেও অতীতৰ পুনৰ গঠনত অৰিহণা যোগাইছে। প্ৰাচীন জলবায়ুৰ অধ্যয়ন, খনন কৰি পোৱা সামগ্ৰীৰ ৰাসায়নিক অধ্যয়ন, প্ৰাচীন মানুহৰ জিনীয় বৈজ্ঞানিক অধ্যয়ন আদিয়ে অতীতৰ বহুতো নতুন কথা জনাত সহায় কৰিছে। যেতিয়া ইতিহাসবিদসকলে শেহতীয়া ইতিহাস (সাধৰণতে যোৱা দুই-তিনি শতিকাৰ) অধ্যয়ন কৰে, তেতিয়া বাতৰি কাকত, ফটো, ভিডিঅ', ডায়েৰী, চৰকাৰী নথি-পত্ৰ আদি গুৰুত্বপূৰ্ণ উৎস হৈ পৰে।



**চিত্ৰ ৬.৩ ঃ** শিলৰ ফলক

ইতিহাসবিদসকলে অতীতৰ কোনো ব্যক্তি, যুদ্ধ, বিদ্ৰোহ আদিৰ বিষয়ে অধ্যয়ন কৰোঁতে বিভিন্ন উৎসৰপৰা তথ্য সংগ্ৰহ কৰি প্ৰথমে সেইবোৰ তুলনা কৰি চায়। কেতিয়াবা এটা উৎসই আনটোৰ তথ্যক সমৰ্থন কৰে আৰু কেতিয়াবা সম্পূৰ্ণ বিপৰীত তথ্যও পোৱা যাব পাৰে। গতিকে কোনটো তথ্য অধিক নিৰ্ভৰযোগ্য তাক থিৰাং কৰিবলৈ ইতিহাসবিদসকলে সেই সময়ৰ অন্য উৎস বিচাৰিবলগীয়া হয়।

আহৰণ প্ৰক্ৰিয়া আৰু বৈশিষ্ট্যৰ ভিত্তিত ইতিহাস লিখনৰ উৎসসমূহক পাঁচটা প্ৰধান ভাগত ভগাব পাৰি। তলৰ তালিকাখনত সেইবোৰ উদাহৰণসহ দেখুওৱা হ'ল।

**ইতিহাস অধ্যয়নৰ উৎসৰ প্ৰকাৰ**

- **এপিগ্ৰাফিক**
  - শিলালিপি
  - তাম্ৰলিপি
  - মুদ্ৰা
- **প্ৰত্নতাত্ত্বিক**
  - স্থাপত্য
  - স্তুপ
  - মানুহ, জীৱজন্তু আৰু উদ্ভিদৰ অৱশিষ্ট
  - সঁজুলি আৰু অস্ত্ৰ-শস্ত্ৰ
  - মূৰ্তি আৰু আ-অলংকাৰ
  - সমাধিক্ষেত্ৰ
  - বাচন-বৰ্তন
  - পোৱা মাটিৰ সামগ্ৰী
- **কলাত্মক**
  - ছবি
  - ভাস্কৰ্য
  - ফলক
- **সাহিত্যিক**
  - বেদ, পুৰাণ, মহাকাব্য
  - কবিতা, নাটক
  - ঐতিহাসিক লেখা
  - অতীতত লিখা বিষয়বস্তুভিত্তিক পুথি
  - ভ্ৰমণকাৰীৰ টোকা
- **মৌখিক**
  - বংশ বৃত্তান্ত
  - লোক কথা
  - লোকগীত

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) ইতিহাস অধ্যয়নৰ উৎস বুলিলে কি বুজা?

(খ) ইতিহাস অধ্যয়নৰ দুবিধ উৎসৰ নাম লিখা।

(গ) এপিগ্ৰাফিষ্টসকলে কিহৰ বিষয়ে অধ্যয়ন কৰে?

(ঘ) জীৱাশ্মৰ বিষয়ে অধ্যয়ন কৰা লোকসকলক কি বুলি জনা যায়?

(ঙ) নৃতত্ত্ববিদসকলে কোনবোৰ বিষয় অধ্যয়ন কৰে?

২) ইতিহাসবিদসকলে উৎসসমূহৰ সত্যতা কিদৰে নিৰূপণ কৰে?

৩) ইতিহাস লিখনত আন আন বিষয়ৰ ভূমিকা বৰ্ণনা কৰা।

### ৬.৩ ভাৰতবৰ্ষ নামৰ আৰম্ভণি ঃ

ভাৰতৰ সংবিধানৰ প্ৰথম অধ্যায়ত দেশখনক বুজাবলৈ 'ইণ্ডিয়া' আৰু 'ভাৰত' দুয়োটা শব্দই ব্যৱহাৰ কৰা হৈছে। আমাৰ সকলোৰে পৰিচিত কেইবাখনো ৰাজ্য আৰু বিশাল জনসংখ্যাৰ দেশ আধুনিক ভাৰত অতীতত বহুত বেলেগ আছিল। সততে 'ভাৰত উপমহাদেশ' বুলি কোৱা এই অঞ্চলটোৰ আন বহু নাম আৰু পৰিৱৰ্তিত সীমা আছে। ভাৰতৰ অতীত আৰু বিৱৰ্তনৰ বিষয়ে আমি বিভিন্ন উৎসৰপৰা জানিব পাৰো। প্ৰাচীন গ্ৰন্থ, ভ্ৰমণকাৰী আৰু তীৰ্থযাত্ৰীৰ বিৱৰণি, শিলালিপি আদিৰপৰা বিভিন্ন সময়ত ঘটা দেশখনৰ সীমা আৰু নামৰ পৰিৱৰ্তনৰ বিষয়ে জানিব পাৰো । ভাৰতৰ আটাইতকৈ প্ৰাচীন গ্ৰন্থ ঋগ্‌বেদত এই উপমহাদেশৰ উত্তৰ-পশ্চিম অঞ্চলটোক সপ্তসিন্ধু নাম দিয়া হৈছিল, যাৰ অৰ্থ হৈছে 'সাতখন নদীৰে গঠিত ভূমি'।




চিত্ৰ ৬.৪ ঃ মহাভাৰতৰ সময়ৰ ঠাইসমূহৰ মানচিত্ৰ

পৰৱৰ্তী কালৰ লেখাবোৰত আমি ভাৰতৰ বিভিন্ন ঠাইৰ নামবো উল্লেখ পাওঁ। ভাৰতৰ অন্যতম প্ৰাচীন মহাকাব্য মহাভাৰতত আমি তেনে বহু ঠাইৰ কথা উল্লেখ পাওঁ। তলৰ তালিকাত মহাভাৰতত উল্লেখ থকা ঠাই আৰু সেইবোৰৰ বৰ্তমানৰ অৱস্থিতি দিয়া হৈছে।

তালিকা ৬.২

| মহাভাৰতত উল্লেখিত স্থান | বৰ্তমানৰ স্থান |
|---|---|
| কাশ্মীৰ | কাশ্মীৰ |
| কুৰুক্ষেত্ৰ | হাৰিয়ানাৰ কিছু অংশ |
| ভাংগা | বংগৰ কিছু অংশ |
| প্ৰাগ্‌জ্যোতিষ | অসমৰ বৃহৎ অংশ |
| কচ্ছ | গুজৰাটৰ কচ্ছ অঞ্চল |
| কেৰেলা | কেৰেলা |

প্ৰাচীন ভাৰতীয় গ্ৰন্থসমূহত সমগ্ৰ ভাৰত উপমহাদেশখনক বুজাবলৈ 'ভাৰতবৰ্ষ' আৰু 'জম্বুদ্বীপ' শব্দ ব্যৱহাৰ কৰা হৈছিল। ভাৰতবৰ্ষৰ অৰ্থ 'ভৰতৰ দেশ' আৰু 'জম্বুদ্বীপ' মানে 'জামু গছৰ দ্বীপ', যিয়ে এসময়ত ভাৰত উপমহাদেশক প্ৰতিনিধিত্ব কৰিছিল। সম্ৰাট অশোকেও তেওঁৰ শিলালিপিত সমগ্ৰ ভাৰতক বুজাবলৈ 'জম্বুদ্বীপ' নাম ব্যৱহাৰ কৰিছিল।

আমি ব্যৱহাৰ কৰি অহা আমাৰ দেশৰ 'ভাৰত' নামটো হঠাতে সৃষ্টি হোৱা নাছিল। কোনো ব্যক্তি বিশেষে এই নাম দিয়াৰ তথ্যও পোৱা নাযায়। মহাভাৰতত সমগ্ৰ উপমহাদেশখনক বুজাবলৈ 'ভাৰতবৰ্ষ' শব্দটো ব্যৱহাৰ কৰা হৈছিল। মহাভাৰতৰ সমগ্ৰ উপমহাদেশখনক বুজাবলৈ পৌৰাণিক ৰজা ভৰতৰ নামেৰে 'ভাৰতবৰ্ষ' শব্দটো ব্যৱহাৰ কৰা হৈছিল। এই ভাৰতবৰ্ষৰ ভাৰত শব্দটো উত্তৰ ভাৰতত বহুলভাৱে প্ৰচলিত আছিল। ঠিক তেনেদৰে দক্ষিণ ভাৰতত প্ৰচলিত আছিল 'ভাৰতম্' নামটো। প্ৰাচীন তামিল সাহিত্যত দক্ষিণৰ কন্যাকুমাৰীৰপৰা উত্তৰে হিমালয়লৈ বিস্তৃত অঞ্চলটোক এই নামেৰে জনা গৈছিল। অতীজৰেপৰা বহুলভাৱে প্ৰচলিত ভাৰত নামটো এতিয়া দেশে-বিদেশে সমাদৃত।



উৎসঃ wikimedia.org

চিত্ৰ ৬.৫ ঃ পাৰস্যৰ সম্ৰাট ডাৰিয়াছ

বিদেশীসকলে ভাৰতৰ বিষয়ে প্ৰথমতে জানিছিল পাৰস্যবাসীসকলৰপৰা। খ্ৰীষ্টপূৰ্ব ছয় শতিকাত পাৰস্যৰ এজন সম্ৰাটে সিন্ধু নদীৰ তীৰৱৰ্তী অঞ্চলটোৰ ওপৰত নিয়ন্ত্ৰণ লাভ কৰে। পূৰ্বতে এই অঞ্চলটো 'সিন্ধু' নামেৰে জনাজাত আছিল। পাৰস্যৰ লোকসকলে ভাৰতক 'হিদু' বা 'হিন্দ' বুলি উল্লেখ কৰিছিল। ই 'সিন্ধু' ৰ ৰূপান্তৰিত ৰূপ। প্ৰাচীন গ্ৰীকসকলে এই অঞ্চলটোৰ নাম 'ইণ্ডই' বা 'ইণ্ডাইক' ৰাখিছিল। 'হিন্দ' ৰ প্ৰাৰম্ভিক 'হ' আখৰটো তেওঁলোকৰ ভাষাত নথকাৰ বাবে বাদ দিছিল। এনেদৰেই 'ইণ্ডিয়া' নামৰ উৎপত্তি হৈছিল বুলি ধাৰণা কৰা হয়।

প্ৰাচীন চীনাসকলে ভাৰতক 'য়িন্তু' বা সিন্ধুৰ পাৰ 'য়িন্দু' বুলি উল্লেখ কৰিছিল। 'সিন্ধু' ৰ পৰা উদ্ভৱ হোৱা আন এটা চীনা শব্দ 'তিয়ানঝু'। প্ৰাচীন চীনাসকলে ভাৰতক বুদ্ধৰ ভূমি হিচাপে যি সন্মান কৰিছিল, সেই সন্মান এই শব্দই প্ৰতিফলিত কৰে। 'হিন্দুস্থান' শব্দটো ১৮০০ বছৰ পূৰ্বে প্ৰথমে পাৰ্চী শিলালিপিত ব্যৱহাৰ কৰা হৈছিল। পিছলৈ অধিকাংশ বিদেশী আক্ৰমণকাৰী আৰু পৰিব্ৰাজকে ভাৰতীয় উপমহাদেশক বুজাবলৈ এইটো শব্দকেই ব্যৱহাৰ কৰিছিল।

## অনুশীলনী - ৩

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া–-

(ক) সপ্তসিন্ধু বুলিলে ভাৰত উপমহাদেশৰ কোনটো অঞ্চলক বুজোৱা হৈছিল?

(খ) ভাৰত উপমহাদেশ বুলিলে বৰ্তমান কোনটো অঞ্চলক বুজায়?

(গ) অশোকে ভাৰতক বুজাবলৈ শিলালিপিত কোনটো শব্দ ব্যৱহাৰ কৰিছিল?

(ঘ) প্ৰাচীন গ্ৰীকসকলে ভাৰতক বুজাবলৈ কি শব্দ ব্যৱহাৰ কৰিছিল?

(ঙ) প্ৰাচীন চীনাসকলে ভাৰতক কি বুলি কৈছিল?

(চ) ভাৰতৰ কোনটো অঞ্চলক 'ভাৰতম' বুলি কোৱা হৈছিল?

২)'ভাৰত' শব্দটো কিদৰে আহিল বৰ্ণনা কৰা।

৩) ইণ্ডিয়া নামটোৰ উৎপত্তি বৰ্ণনা কৰা।

**ধাৰণা চিত্ৰ (Concept Map) ঃ**




**শব্দাৰ্থ ঃ**

পৰিব্ৰাজক ঃ নানা ঠাই ভ্ৰমি ফুৰা মানুহ

ভাৰত উপমহাদেশ ঃ ভাৰতকে ধৰি পাকিস্তান, বাংলাদেশ, আফগানিস্তান, ভূটান আৰু নেপালক একেলগে বুজাবলৈ ভাৰত উপমহাদেশ শব্দৰ ব্যৱহাৰ কৰা হয়।



**দলগত কাৰ্য ঃ**

তোমালোকৰ গাঁৱখনৰ নামৰ উৎপত্তি কেনেদৰে হ'ল তাক বিভিন্ন উৎসৰ সহায়ত জানিবলৈ চেষ্টা কৰা । এই বিষয়ে তথ্য সংগ্ৰহ কৰি টোকা প্ৰস্তুত কৰা।

**ভাবি উলিওৱা ঃ**

তোমাৰ অঞ্চলৰ ইতিহাস জানিবলৈ তুমি কি কি উৎসৰ সহায় ল'বা?



# পাঠ ৭
# মানুহৰ জীৱন-প্ৰণালীৰ বিকাশ

C6I6A1



চিত্ৰ ৭.১ ঃ আদিম মানুহৰ জীৱন-প্ৰণালী



চিত্ৰ ৭.২ ঃ আধুনিক যুগৰ জীৱন-প্ৰণালী

চিত্ৰ ৭.১ আৰু চিত্ৰ ৭.২ লৈ মন কৰা। কোনখন ছবি বেছি চিনাকি যেন লাগিছে বাৰু? ছবি দুখনত মানৱ জাতিৰ ক্ৰমবিকাশৰ দুটা স্তৰ দেখুওৱা হৈছে। প্ৰথম ছবিখনত দেখুওৱাৰ দৰে অতি প্ৰাচীন কালত মানুহে কোনো বিশেষ সা-সুবিধা নোহোৱাকৈ কোনোমতে নিজৰ মৌলিক প্ৰয়োজনসমূহ পূৰ কৰি প্ৰকৃতিৰ বুকুত জীৱন-নিৰ্বাহ কৰিছিল। এয়া আজিৰপৰা বহু হাজাৰ বছৰৰ আগৰ কথা। আজিৰপৰা প্ৰায় ৫.৬ নিযুত বছৰ পূৰ্বে পৃথিৱীত মানুহ থকাৰ উমান পোৱা গৈছে। এয়া বহুত দীঘলীয়া সময় যেন লাগিলেও পৃথিৱীৰ ইতিহাসৰ ই এক ক্ষুদ্ৰ অংশহে। অৱশ্যে মানৱ ইতিহাস বুলিলে আমি যেতিয়াৰপৰা লিখিত তথ্য পাওঁ, তাৰ পৰাহে গণনা কৰোঁ। তাৰ আগৰ সময়ছোৱাক আদিম যুগ বা প্ৰাগ-ঐতিহাসিক যুগ বুলি অভিহিত কৰা হয়।

এই অধ্যায়ত আমি আদিম যুগৰ মানুহৰ অস্থায়ী, চিকাৰী আৰু খাদ্য সংগ্ৰহকাৰী অৱস্থাৰপৰা কিদৰে এক বিকশিত জীৱন-প্ৰণালী গঢ়ি উঠিছিল সেই বিষয়ে আলোচনা কৰিম।

## ৭.১ আদিম জীৱন ঃ

পৃথিৱীৰ উৎপত্তিৰ সময়ত ই যথেষ্ট উত্তপ্ত অৱস্থাত আছিল। ভূ-প্ৰাকৃতিক কাৰণত লাহে লাহে ইয়াৰ উত্তাপ কমি এসময়ত ভূ-পৃষ্ঠৰ বেছিভাগ অংশ বৰফেৰে ঢাক খাই পৰিছিল। এই সময়ছোৱাক হিমযুগ বুলি কোৱা হয়। প্ৰায় ৯২০০০ বছৰ পূৰ্বে আমাৰ পৃথিৱীয়ে হিমযুগৰ শেষ অৱস্থাত উপনীত হৈছিল। এই যুগৰ সমাপ্তিৰ লগে লগে জলবায়ুৰ উষ্ণতা বৃদ্ধি, হিমবাহৰ গলন আৰু নতুন আৱাসভূমিৰ সৃষ্টিয়ে পৃথিৱীখনক উদ্ভিদ আৰু প্ৰাণীৰ বসবাসৰ কাৰণে উপযোগী কৰি তুলিছিল। জলবায়ুৰ এই পৰিৱৰ্তন অবিহনে পৃথিৱীত জীৱৰ উপস্থিতি সম্ভৱ নাছিল।

আফ্ৰিকা মহাদেশৰ ইথিওপিয়া নামৰ দেশখনত মানুহৰ প্ৰথম বসতি থকাৰ প্ৰমাণ পোৱা যায়। মানৱ প্ৰজাতিয়েও আজিৰ ৰূপ পাবলৈ বহু বছৰ লাগিছিল। বান্দৰসদৃশ অৱস্থাৰ পৰা ক্ৰমাৎ বিকশিত হৈ আধুনিক মানৱৰ ৰূপ পোৱা গৈছিল। এই আধুনিক মানৱৰ প্ৰজাতিক হ'ম' চেপিয়েঞ্চ বোলা হয়। আদিম লোকসকলে নিজৰ যাৱতীয় কাম-কাজ শিলৰ ব্যৱহাৰেৰে সমাধান কৰিছিল কাৰণে এই সময়ছোৱাক 'প্ৰস্তৰ যুগ' বুলি কোৱা হয়।

### ৭.১.১ খাদ্যাভ্যাস আৰু সা-সঁজুলি ঃ

আদিম যুগত মানুহ বহুতো প্ৰাকৃতিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। নিজৰ সুৰক্ষা আৰু মৌলিক প্ৰয়োজন পূৰ কৰিবলৈ তেতিয়া লোকসকলে গোট বা দল বান্ধি যাযাবৰী জীৱন-যাপন কৰিছিল। জীয়াই থকাৰ বাবে তেওঁলোকে জীৱ-জন্তু চিকাৰ কৰাৰ লগতে উদ্ভিদৰপৰা খাদ্য সংগ্ৰহ কৰিছিল। প্ৰথম অৱস্থাত তেওঁলোকে জুইৰ ব্যৱহাৰেই জনা নাছিল। গছৰ সৰি থকা ফল, বীজ, পাত, পোক-পতংগ আদি সংগ্ৰহ কৰি কেচাই খাইছিল। এতিয়াও পৃথিৱীৰ কিছুমান অঞ্চলত বাস কৰা বহুতো জনগোষ্ঠীয়ে এইদৰে সংগ্ৰহ কৰি খাদ্য খায়।



চিত্ৰ ৭.৩ ঃ আদিম মানৱৰ চিকাৰৰ সঁজুলি

**জানো আহা ঃ**

আন্দামান-নিকোবৰ দ্বীপপুঞ্জত 'জাৰোৱা' নামৰ জনগোষ্ঠী এটা আছে, যিসকলে এতিয়াও খাদ্য সংগ্ৰহ আৰু চিকাৰ কৰি জীৱন-নিৰ্বাহ কৰি আছে।

সময়ৰ লগে লগে তেওঁলোকে জীৱ-জন্তুৰ আচৰণ দেখি শুনি কোনবোৰ জন্তু হিংস্ৰ আৰু কোনবোৰ সহজতে চিকাৰ কৰিবপৰা বিধৰ সেই কথা বুজি উঠিছিল। প্ৰথমতে খালী হাতেৰে ধৰিবপৰা জন্তু, যেনে, ছাগলী, হৰিণ আদিৰ চিকাৰ আৰম্ভ কৰিছিল। পিছলৈ শিল দলিয়াই বা দল বান্ধি আকাৰত ডাঙৰ জন্তু চিকাৰ কৰিবলৈ লৈছিল।

যি সময়ত তেওঁলোকে এনেধৰণৰ কষ্টকৰ জীৱন-যাপন কৰিছিল, সেই সময়ত ৰ'দ, বতাহ, বৰষুণ আদিৰপৰা হাত সাৰি থকাৰ লগতে বনৰীয়া জীৱ-জন্তুৰ আক্ৰমণৰপৰা ৰক্ষা পাবলৈ একধৰণৰ আশ্ৰয়ৰ ব্যৱস্থা কৰি লৈছিল। শিলৰ গুহা আৰু গছৰ খোৰোং আছিল তেনে আশ্ৰয়স্থল।

নিজৰ কামৰ সুবিধাৰ বাবে তেওঁলোকে বিভিন্ন সজুঁলিও সাঁজি লৈছিল, যেনে, মাছ ধৰা আৰু চিকাৰৰ বাবে শিল, গছৰ ডাল, ডাঙৰ জন্তুৰ হাড়ৰপৰা তৈয়াৰ কৰা সঁজুলি আদি। তেওঁলোকৰ বহু কেইজনে একগোট হৈ চিকাৰলৈ গৈছিল। চিত্ৰ ৭.৩ ত আদিম মানৱে ব্যৱহাৰ কৰা কেইবিধমান সঁজুলিৰ চিত্ৰ দিয়া হৈছে। চিকাৰ কাৰ্যত ব্যৱহাৰ কৰাৰ উপৰি এই সঁজুলিবোৰেৰে তেওঁলোকে মাছ-মাংস কাটিছিল, জীৱ-জন্তুৰ ছাল এৰুৱাইছিল, গছৰ বাকলি গুচাইছিল আৰু গছৰ শিপা খান্দিছিল। ইয়াৰ উপৰি তেওঁলোকে শামুকৰ খোলা, সিংহৰ দাঁত, ভালুকৰ নখ আৰু অন্য জন্তুৰ নখ আদিৰপৰা বিভিন্ন উপযোগী সামগ্ৰী তৈয়াৰ কৰিছিল।

### ৭.১.২ জুইৰ আৱিস্কাৰ ঃ

জুইৰ আৱিষ্কাৰ মানৱ সভ্যতাৰ এটা উল্লেখযোগ্য ঘটনা। জুই জ্বলাবলৈ আমি আজিৰ দিনত দিয়াশলাই ব্যৱহাৰ কৰাৰ দৰে সেই সময়ত জুই জ্বলোৱাটো সিমান সহজ নাছিল। তোমালোকে জানানে যে শিলে শিলে জোৰকৈ ঘহঁনি খালেও জুইৰ ফিৰিঙতি ওলায়। এনেদৰে সৃষ্টি হোৱা জুই দেখি আদিম মানুহে প্ৰথমতে ভয় খাইছিল। তেতিয়াও কিন্তু তেওঁলোকে জুইৰ ব্যৱহাৰ জনা নাছিল। তেওঁলোকে দেখিছিল যে বেছি বেগেৰে বাগৰি অহা শিল এটাই আন শিলৰ গাত ঘহঁনি খালে জুইৰ শিখা ওলায় আৰু সেই শিখা শুকান ঘাঁহ, গছৰ পাত আদিত লাগিলে জুই জ্বলি উঠে। তাৰ পিছৰপৰা তেওঁলোকে শিল ঘঁহি জুই জ্বলাবলৈ শিকিছিল। এবাৰ জুই জ্বলোৱাৰ পিছত যাতে জুইকুৰা নুমাই নাযায় তাৰ



চিত্ৰ ৭.৪ ঃ শিল ঘঁহি জুই সৃষ্টি কৰা দৃশ্য

বাবে তেওঁলোকে গছৰ ডাল মাজে মাজে জুইকুৰাত জাপি দিয়াৰ ব্যৱস্থা কৰিছিল। পাছলৈ বিশেষকৈ শীতকালত তেওঁলোকে নিজৰ শৰীৰ গৰম কৰি ৰাখিবলৈ জুইৰ তাপ লৈছিল। লগতে বনৰীয়া জীৱ-জন্তুৰপৰা ৰক্ষা পাবলৈ তেওঁলোকে জুই ব্যৱহাৰ কৰিছিল আৰু খাদ্যও জুইত পুৰি খাবলৈ লৈছিল।

## অনুশীলনী - ১

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) আদিম মানুহে কি কি বস্তু খাদ্য হিচাপে গ্ৰহণ কৰিছিল?

(খ) আদিম মানুহৰ আশ্ৰয়স্থলবোৰ কেনে আছিল?

(গ) আদিম যুগৰ সজুঁলিবোৰ কি আছিল? সেইবোৰ কেনেকৈ প্ৰস্তুত কৰি লৈছিল?

(ঘ) জুইৰ আৱিষ্কাৰ কিদৰে হৈছিল?

২. চমুটোকা লিখা--

(ক) আদিম মানুহৰ খাদ্যাভ্যাস

(খ) আদিম মানুহৰ আশ্ৰয়স্থল

৩. জুইৰ আৱিষ্কাৰে আদিম মানুহৰ জীৱনলৈ কিদৰে পৰিৱৰ্তন আনিছিল বহলাই লিখা।

### ৭.২ খেতিৰ আৰম্ভণি ঃ

মানুহে যাযাবৰী জীৱন কটাই থকা কালত পুৰুষসকলে চিকাৰ কৰিছিল আৰু মহিলাসকলে ফল-মূল, শিপা, ঘাঁহ আদি গোটাইছিল। তেওঁলোকে বহুদিন ধৰি লক্ষ্য কৰিছিল যে ফল-মূলৰ গুটিবোৰ য'ত পেলাই দিয়া হয় তাতেই পুনৰ একেই গছ গজে আৰু ফলো ধৰে। খাদ্য বিচাৰি এঠাইৰপৰা আন এঠাইলৈ যাওঁতে তেওঁলোকে এই কথাবোৰলৈ লক্ষ্য কৰিছিল। গুটিৰপৰা গছ গজা কথাটো জনাৰ পিছত তেওঁলোকে নিজৰ প্ৰয়োজন পূৰ কৰিবলৈ গছৰ গুটি সিঁচিবলৈ লৈছিল।

মানুহে যেনেকৈ বহু বছৰ নিৰীক্ষণ কৰি খেতি কৰা কামটো শিকিছিল, ঠিক তেনেকৈ জীৱ-জন্তুৰ পোহপাল কৰাটোও বহু বছৰ ধৰি নিৰীক্ষণ কৰিয়েই শিকিছিল। বহুতো পণ্ডিতৰ মতে মানুহে পোহ মনোৱা প্ৰথম জন্তুবিধ আছিল কুকুৰ। সময় আগবঢ়াৰ লগে লগে তেওঁলোকে গৰু, ছাগলী, ঘোঁৰা আদি জীৱ-জন্তুকো পোহপাল দিবলৈ শিকিছিল। এনেদৰেই পশুপালন যুগৰ আৰম্ভ হৈছিল।



চিত্ৰ ৭.৫ ঃ আদিম মানুহৰ কৃষিচক্ৰ



চিত্ৰ ৭.৬ ঃ জীৱ-জন্তুৰ পোহপাল




চিত্ৰ ৭.৭ ঃ স্পেইনৰ আল্টামিৰা গুহাচিত্ৰ

**জানো আহা ঃ**

- আদিম মানুহৰ বিষয়ে আমি গুহাত অংকন কৰা চিত্ৰৰপৰা জানিব পাৰোঁ। ফ্ৰান্স আৰু স্পেইন দেশত ২০০ ৰো অধিক গুহাচিত্ৰ আৱিষ্কাৰ হৈছে। এই চিত্ৰসমূহত বিভিন্ন জীৱ-জন্তু, চিকাৰ কাৰ্য আদি অংকন কৰা আছে। চিত্ৰ ৭.৭ লৈ চালে বুজিব পাৰিবা।

**অনুশীলনী - ২**

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) মানুহে পোহা প্ৰথম জন্তুবিধ কি আছিল?

(খ) পশুপালনৰ যুগ কেনেদৰে আৰম্ভ হৈছিল?

২. কৃষিৰ আৰম্ভণি আৰু বিকাশ কিদৰে হৈছিল?

### ৭.৩ স্থায়ী বসতিৰ ব্যৱস্থা– গাঁৱৰ আৰম্ভণি ঃ

আদিম লোকসকলে জীৱ-জন্তুৰপৰা খেতি ৰক্ষা কৰিবলৈ ওচৰতে স্থায়ীভাৱে বাস কৰিবলৈ লৈছিল। পোহনীয়া জীৱ-জন্তুবোৰকো এঠাইৰপৰা আন ঠাইলৈ লগত লৈ ফুৰাটো তেওঁলোকৰ কাৰণে যথেষ্ট কঠিন কাম আছিল। স্থায়ীভাৱে থাকিবলৈ লোৱাৰ পাছত খেতি-বাতি কৰাৰ লগতে জীৱ-জন্তুক পোহপাল দিয়াও তেওঁলোকৰ বাবে সহজ হৈ পৰিছিল। খেতিৰ সমানে সমানে খাদ্য সংগ্ৰহ আৰু জীৱ-জন্তুৰ চিকাৰ কাৰ্যও তেওঁলোকে কৰি গৈছিল।

জীৱ-জন্তুৰ লগতে শস্য আদিৰ কাৰণে পানী অপৰিহাৰ্য। তেতিয়া আজিৰ দৰে পানী কঢ়িওৱাৰ সুবিধাও নাছিল। সেয়েহে, সকলোৱে পানীৰ উৎসৰ ওচৰতে বসতি স্থাপন কৰিছিল। এইদৰে নৈ-নিজৰা আদিৰ সমীপতে গাঁওবোৰ গঢ়ি উঠিছিল।

গাঁও পাতি থাকিবলৈ লোৱাৰ পাছত তেওঁলোকে গছৰ খোৰোং বা শিলৰ গুহাত থাকিবলৈ এৰি সৰু সৰু জুপুৰী ঘৰ সাজি থাকিবলৈ ল'লে। চিত্ৰ ৭.৮ ত দেখুওৱাৰ দৰে তেওঁলোকে তেনেধৰণৰ ঘৰ সাজিছিল বুলি আমি ধাৰণা কৰিব পাৰোঁ। ঘৰবোৰ তেওঁলোকে প্ৰকৃতিৰ পৰা সহজতে আহৰণ কৰা সামগ্ৰীৰে সাজিছিল। পিছে, সেইসময়ৰ ঘৰবোৰ এতিয়াৰ দৰে আটোমটোকাৰিকৈ সজা হোৱা নাছিল। শিলৰ সঁজুলিৰ সহায়ত কোনোমতে ৰ'দ, বতাহ, বৰষুণ, হিংস্ৰ জন্তু আদিৰপৰা নিজক ৰক্ষা কৰিবলৈ ঘৰবোৰ সজা হৈছিল। পৃথিৱীৰ সকলো অঞ্চলতে

একে সময়তে মানুহে খেতি কৰিবলৈ আৰু গাঁও পাতি থাকিবলৈ আৰম্ভ কৰা নাছিল। ঠাই আৰু সময় ভেদে মানুহৰ জীৱন-ধাৰণ প্ৰক্ৰিয়াৰ পৰিৱৰ্তন ঘটিছিল।

আদিম লোকসকলে খেতি কৰিবলৈ সমতল আৰু পাহাৰীয়া অঞ্চলৰ গছ-বন কাটি মুকলি কৰি লৈছিল। এতিয়াও বহু অঞ্চলত গছ-বন কাটি খেতি কৰাৰ ব্যৱস্থা চলি আছে। ঝুম খেতি তেনেধৰণৰ খেতিৰে উদাহৰণ। চিত্ৰ ৭.৯ ৰ পৰা তোমালোকে ঝুম খেতিৰ বিষয়ে বুজিব পাৰিবা।



**চিত্ৰ ৭.৮ ঃ** আদিম মানুহৰ বসতিস্থান



**চিত্ৰ ৭.৯ ঃ** আদিম মানুহৰ খেতি

খেতিৰ বিভিন্ন আদৰ-কায়দাবোৰ লাহে-লাহে বুজি উঠাৰ পিছত আদিম লোকসকলৰ শস্য উৎপাদনো বাঢ়িবলৈ ধৰে। প্ৰথম অৱস্থাত তেওঁলোকে নিজৰ প্ৰয়োজন পূৰণৰ পিছত ৰাহি হোৱা শস্যবোৰ সাঁচি ৰখাৰ ব্যৱস্থা কৰিছিল। ধান-মাহজাতীয় শস্যবোৰ কেইবামাহো যাতে সাঁচি ৰাখিব পাৰে তাৰ বাবে তেওঁলোকে গছৰ পাত, বাঁহ আদিৰে পাত্ৰ কিছুমান সাজি মাটিৰে লেপি লৈছিল। তেওঁলোকে খাদ্য প্ৰস্তুত কৰিবলৈও এনেধৰণে মাটিৰ পাত্ৰ তৈয়াৰ কৰি লৈছিল। পাছলৈ পাত্ৰ প্ৰস্তুত কাৰ্যত চকাৰ ব্যৱহাৰ কৰিবলৈ লোৱাত পাত্ৰবোৰ ক্ৰমে মসৃণ হ'বলৈ ধৰে।

চকা বুলিলে আমি কেৱল গাড়ীৰ চকাৰ কথাই নুবুজো। ঘূৰণীয়া আকৃতিৰ চলাই নিবপৰা অন্য বস্তুকো চকা বুলি ক'ব পাৰি। চকাৰ আৱিষ্কাৰৰ পাছৰেপৰা মানুহে বস্তুৰ আদান-প্ৰদান আৰু পাছলৈ যাতায়াতৰ বাবে চকাৰ ব্যৱহাৰ কৰিবলৈ শিকে। ফলত বস্তু-বাহানিৰ আদান-প্ৰদানৰ ক্ষেত্ৰত মানুহৰ কষ্ট লাঘৱ হোৱাৰ লগতে সময়ো ৰাহি হ'বলৈ ধৰে।



**চিত্ৰ ৭.১০ ঃ** মাটিৰ পাত্ৰৰ প্ৰস্তুতি

## অনুশীলনী - ৩

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) আদিম মানুহে কেতিয়াৰপৰা স্থায়ীভাৱে বসবাস কৰিবলৈ ল'লে?

(খ) বৰ্তমান সময়তো খাদ্য-সংগ্ৰহ আৰু চিকাৰ কৰি জীৱন-নিৰ্বাহ কৰা জনগোষ্ঠী এটাৰ নাম লিখা।

(গ) গাঁৱৰ আৰম্ভণি কিদৰে হৈছিল?

(ঘ) মানুহে প্ৰথমে কেনে ধৰণৰ পাত্ৰ ব্যৱহাৰ কৰিছিল?

(ঙ) চকাৰ ব্যৱহাৰে আদিম মানুহৰ জীৱনত কেনে প্ৰভাৱ পেলাইছিল?

### ৭.৪ ৰাহি শস্য আৰু ব্যৱসায়-বাণিজ্য ঃ

দিন যোৱাৰ লগে লগে মানুহে তেওঁলোকৰ প্ৰয়োজনতকৈ অধিক শস্য উৎপাদন কৰিবলৈ ধৰে। বহু লোক খেতিৰ উপৰি বিভিন্ন পাত্ৰ তৈয়াৰ কৰা, পশুপালন কৰা আদি কামতো নিয়োজিত হয়। লাহে লাহে গাঁওৰ মানুহৰ মাজতো বিভিন্ন সামগ্ৰীৰ আদান-প্ৰদান, অহা-যোৱা চলিবলৈ ধৰে। বেছিকৈ উৎপাদন কৰা শস্যবোৰ তেওঁলোকে আন সা-সামগ্ৰী প্ৰস্তুত কৰা লোকৰ লগত বিনিময় কৰাৰ সুযোগ ওলাল। বিনিময় ব্যৱস্থাটো আৰম্ভ হোৱাৰ পাছত বেপাৰ-বাণিজ্যৰো বিকাশ হ'বলৈ ধৰে।

তেওঁলোকে সামগ্ৰী বিনিময়ৰ কাৰণে লাহে লাহে কেতবোৰ সুচল ঠাই বাছি লয়। সেই ঠাইবোৰেই পাছলৈ ব্যৱসায়ৰ কেন্দ্ৰ হিচাপে গঢ়ি উঠে। খেতি-বাতি আৰু ব্যৱসায়-বাণিজ্যৰ বিকাশ ঘটাৰ ফলত মানুহৰ জীৱন-প্ৰণালীত ব্যাপক পৰিৱৰ্তন ঘটে। পৰৱৰ্তী পাঠত তোমালোকে তেনেকুৱা ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত উন্নত কেতবোৰ অঞ্চলৰ বিষয়ে জানিব পাৰিবা। এই ধৰণৰ উত্তৰণে ক্ৰমে কৃষিভিত্তিক সমাজৰ সৃষ্টি কৰিছিল আৰু ইয়ে গ্ৰাম্য বসতিৰ লগতে ব্যৱসায়-বাণিজ্যৰ বিকাশ ঘটাই প্ৰাচীন সভ্যতাৰ সূচনা কৰিছিল।

**জানো আহা ঃ**

মধ্যপ্ৰদেশৰ ৰাইসেন জিলাৰ ভীমবেটকা নামৰ ঠাইত প্ৰায় ১০ বৰ্গ কিলোমিটাৰ জুৰি বিস্তৃত এলেকাত প্ৰস্তৰ যুগৰ বহুতো অৱশিষ্ট পোৱা গৈছে। এই ঠাইখিনিক 'ইউনেস্ক'ই বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে ঘোষণা কৰিছে। আদিম যুগৰ অৱশিষ্ট উদ্ধাৰ হোৱা ভাৰতবৰ্ষৰ আন কেইখনমান উল্লেখযোগ্য স্থান হ'ল- বেলান উপত্যকা (উত্তৰ প্ৰদেশ), মিৰ্জাপুৰ (উত্তৰ প্ৰদেশ), বাগোৰ (ৰাজস্থান), বুৰ্জহোম (কাশ্মীৰ) আদি।




চিত্ৰ ৭.১১ ঃ ভীমবেটকা

## অনুশীলনী - ৪

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

১. আদিম লোকৰ মাজত বিনিময়ৰ আৰম্ভণি কেনেদৰে হৈছিল?

২. অতীতত প্ৰথম বাণিজ্যকেন্দ্ৰবোৰ কিদৰে গঢ়ি উঠিছিল?

৩. আদিম যুগৰ অৱশিষ্ট উদ্ধাৰ হোৱা ভাৰতৰ কেইখনমান ঠাইৰ নাম উল্লেখ কৰা।

## ধাৰণা চিত্ৰ (Concept Map) ঃ




### শব্দাৰ্থ ঃ

খাদ্যাভ্যাস ঃ সু-স্বাস্থ্য বজাই ৰাখিবলৈ মানুহে গ্ৰহণ কৰা ভিন্-ভিন্ খাদ্য।

স্থায়ী বসতি ঃ কোনো এটা অঞ্চলত নিগাজীকৈ বসবাস কৰা কাৰ্য।



### দলগত কাৰ্য ঃ

আদিম মানুহৰ জীৱনৰ ভিত্তিত পাঠটোত দিয়া একোটা বিষয়ৰ একোখন ছবি অংকন কৰা, যেনে, আদিম লোকৰ খাদ্য-সংগ্ৰহ অভিযান।

### ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)

(ক) জুই অবিহনে আদিম মানুহে কেনেদৰে জীৱন-নিৰ্বাহ কৰিছিল?

(খ) তেওঁলোকে নিজৰ মাজত কিদৰে কথা-বতৰা পাতিছিল?



D3EZP7

# পাঠ ৮
# ভাৰতীয় সভ্যতাৰ আৰম্ভণি

## ৮.১ সভ্যতা (Civilization) মানে কি ?

আদিম যুগত মানুহে গাঁও পাতি বসবাস কৰিবলৈ লোৱাৰেপৰা ক্ৰমে মানুহৰ জীৱন-ধাৰণ প্ৰণালীত পৰিৱৰ্তন ঘটিবলৈ ধৰে। সময়ৰ গতিত মানুহৰ প্ৰয়োজনো বাঢ়ি আহে ।ইয়াৰ লগে লগে মানুহে নিজৰ জ্ঞান-বুদ্ধিৰে নতুন নতুন কৌশল প্ৰয়োগ কৰি নিজৰ প্ৰয়োজনবোৰ পূৰাই যাবলৈ ধৰে।

**চিত্ৰ ৮.১ লৈ মন কৰা। ইয়াত হৰপ্পা সভ্যতাৰ নগৰ এখনৰ একাংশ দেখুওৱা হৈছে।**




**চিত্ৰ ৮.১** ঃ হৰপ্পা সভ্যতাৰ অন্তৰ্গত এখন নগৰৰ আনুমানিক চিত্ৰ

কৃষিৰ ক্ষেত্ৰত নিজৰ প্ৰয়োজনতকৈ অধিক উৎপাদন হ'লেই তাক ওপৰঞ্চি উৎপাদন বুলি কোৱা হয়। এনে ওপৰঞ্চি উৎপাদনে ব্যৱসায়-বাণিজ্যৰ বাট মুকলি কৰিছে। ইয়েই প্ৰথমে বজাৰ আৰু পাছলৈ নগৰৰ সৃষ্টিত সহায় কৰে। ফলস্বৰূপে কিছুমান সুবিধাজনক ঠাই আৰু তাৰ সমাজ আন ঠাই বা সমাজতকৈ বেছি আগবাঢ়ে। এনেধৰণে বেছিকৈ বিকাশ লাভ কৰা ঠাইক কেন্দ্ৰ কৰি মানুহৰ চিন্তা-চৰ্চা আৰু জীৱন-প্ৰণালীয়ে নতুন গতি লাভ কৰে। এই গতিয়েই তাৰ লগত জড়িত ঠাই আৰু সমাজখনক তুলনামূলকভাৱে উন্নত ৰূপত সজাই তোলে। এনে উন্নত ৰূপকে আমি সেই ঠাইত গঢ় লোৱা সভ্যতা বুলি ক'ব পাৰো। এইদৰেই প্ৰাচীন কালত পৃথিৱীৰ বিশেষভাৱে সুবিধাজনক কিছুমান ঠাইত একোখন সমাজে সভ্যতা গঢ়ি তুলিবলৈ সক্ষম হৈছিল।

প্ৰাচীন সভ্যতাবোৰৰ বিকাশৰ ক্ষেত্ৰত কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য থকা দেখা যায়। সেই বৈশিষ্ট্যসমূহ হ'ল--
(ক) শিল, ধাতু, কাঠ আদি কেঁচামাল সুলভ আছিল। এইবোৰৰ পৰা শিল্পজাত সামগ্ৰীৰ উৎপাদন আৰু পৰিচালনাৰ সুব্যৱস্থা আছিল।

(খ) দাঁতি-কাষৰীয়া অঞ্চলবোৰৰ মাজত থকা অৰ্থনৈতিক সম্পৰ্ক আছিল। ইয়াৰ ফলত আভ্যন্তৰীণ আৰু বহিঃবাণিজ্যৰ সুব্যৱস্থা গঢ়ি উঠিছিল।

(গ) সেই সভ্যতাৰ সাক্ষী বহন কৰা নিৰ্ভৰযোগ্য তথ্য এতিয়াও মজুত আছে।

(ঘ) সৃষ্টিশীল কাম-কাজ, যেনে, লিখিত সাহিত্য, ফলক, শিলালিপি আদিৰদ্বাৰা সেই সময়ৰ জীৱনৰ প্ৰতিফলন দেখা যায়।

(ঙ) উপযুক্ত কৃষি ব্যৱস্থাৰ যোগেদি গাঁৱৰ লগতে নগৰতো খাদ্য আৰু অন্যান্য দ্ৰব্য যোগান ধৰিব পৰাকৈ সমৃদ্ধি-শালী গাঁও আছিল।

## ৮.২ নৈ-পৰীয়া সভ্যতা ঃ

বজাৰ-নগৰক কেন্দ্ৰ কৰি গঢ়ি উঠা এই সভ্যতাসমূহৰ বেছিভাগেই বিকাশ লাভ কৰিছিল নদীৰ পাৰত। তেনেকুৱা কেইটামান সভ্যতা হ'ল-- সিন্ধু নদীৰ পাৰৰ হৰপ্পা সভ্যতা, নীল নদীৰ পাৰৰ মিছৰীয় সভ্যতা, টাইগ্ৰীছ আৰু ইউফ্ৰেটিছ নদীৰ পাৰৰ মেছ'পটেমিয়া সভ্যতা আৰু হোৱাংহো আৰু ইয়াংচি নদীৰ পাৰত গঢ়ি উঠা চীনা সভ্যতা। নৈৰ পাৰত গঢ় লৈ উঠা কাৰণে এই সভ্যতাবোৰক নৈ-পৰীয়া সভ্যতা বুলি কোৱা হয়। তলৰ চিত্ৰখনলৈ মন কৰা। তাত দেখুওৱা নৈ-পৰীয়া সভ্যতাৰ অৱস্থিতি বুজিবলৈ চেষ্টা কৰা।




**চিত্ৰ ৮.২ ঃ** প্ৰধান নৈ-পৰীয়া সভ্যতাসমূহ

সভ্যতাসমূহ নদীৰ পাৰত গঢ় লৈ উঠাৰ প্ৰধান কাৰণ হ'ল--

(ক) ডাঙৰ নৈ আৰু ইয়াৰ উপনৈবোৰৰ পানীয়ে খেতি-বাতিৰ বিকাশত অৰিহণা যোগায়।

(খ) জলপথে যোগাযোগৰ সুবিধা দি বেপাৰ-বাণিজ্যৰ প্ৰসাৰত সহায় কৰে।

(গ) নৈ-পৰীয়া জলবায়ু, সাৰুৱা ভূমি, বনজ সম্পদ আদিয়ে উন্নতিৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি কৰে।

ওপৰত উল্লেখ কৰা চাৰিটা প্ৰধান সভ্যতাৰ উপৰি আজিৰপৰা প্ৰায় ৫০০০ বছৰ পূৰ্বৰপৰা প্ৰায় ৫০০ বছৰ আগলৈকে পৃথিৱীৰ ভিন্-ভিন্ প্ৰান্তত মুঠতে ১০ টা প্ৰধান সভ্যতাৰ বিকাশ ঘটিছিল। এই সভ্যতাসমূহ আমাৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ এই বাবেই যে ইয়াৰ অৰদানসমূহে আজিৰ মানৱ সমাজকো প্ৰভাৱান্বিত কৰিছে। তালিকা ৮.১ ৰ পৰা চাৰিটা প্ৰধান নৈ পৰীয়া সভ্যতাসমূহৰ সময় আৰু অৱস্থিতিৰ আভাস পাব পাৰি।

**তালিকা ৮.১ঃ** চাৰিটা প্ৰাচীন নৈপৰীয়া সভ্যতাৰ কাল আৰু অৱস্থিতি

| সভ্যতা | সময় | সংশ্লিষ্ট দেশ |
|---|---|---|
| (১) মেছ'পটেমিয়া | খ্ৰী.পূ. ৩৫০০ ৰ পৰা খ্ৰী.পূ. ৫০০ লৈ | ইৰাণ, চিৰিয়া আৰু তুৰ্কী |
| (২) হৰপ্পা | খ্ৰী.পূ. ৩১৫০ ৰ পৰা খ্ৰী.পূ. ১৯০০ লৈ | আফগানিস্তান, পাকিস্তান আৰু ভাৰত |
| (৩) মিছৰীয় | খ্ৰী.পূ. ৩১৫০ ৰ পৰা খ্ৰী.পূ. ৩০ লৈ | ইজিপ্ত |
| (৪) চীনা | খ্ৰী.পূ. ১৬০০ ৰ পৰা খ্ৰী.পূ. ১০৪৬ লৈ | চীন |

**অনুশীলনী - ১**

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) সভ্যতা বুলিলে কি বুজা?

(খ) সভ্যতাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(গ) নীল নদীৰ পাৰত কোনটো সভ্যতা গঢ়ি উঠিছিল?

(ঘ) যিকোনো দুটা প্ৰাচীন সভ্যতাৰ নাম লিখা।

এই সভ্যতাবোৰৰ বিষয়ে আগলৈ অধিক কথা জানিব পাৰিবা। এতিয়া আমি আমাৰ ভাৰতৰ গৌৰৱোজ্জ্বল ইতিহাসৰ লগত জড়িত হৰপ্পা সভ্যতাৰ বিষয়ে চমুকৈ আলোচনা কৰো আহা।

### ৮.৩ হৰপ্পা সভ্যতা ঃ

সিন্ধু নদীৰ পাৰত আজিৰপৰা প্ৰায় ৪৭০০ বছৰ পূৰ্বে এক নগৰীয়া সভ্যতাৰ বিকাশ ঘটিছিল। ইয়াক সিন্ধু উপত্যকাৰ সভ্যতা (Indus Valley Civilization) বুলি কোৱা হয়। আমি অধ্যয়ন কৰা সভ্যতাক প্ৰত্নতাত্ত্বিকসকলে বিভিন্ন নামেৰে নামকৰণ কৰিছে, যেনে, 'সিন্ধু', 'হৰপ্পা' আৰু 'সিন্ধু-সৰস্বতী' সভ্যতা।

সিন্ধু নদী আৰু ইয়াৰ পাঁচখন মূল উপনৈৰ পাৰত মহেঞ্জোদাৰো আৰু হৰপ্পাকে ধৰি বহুতো উল্লেখযোগ্য চহৰ আছিল। ইয়াৰ উপৰি সৰস্বতী নদীৰ কাষত অসংখ্য ঠাই আছিল, যিবোৰক এতিয়া ভাৰতত 'ঘগ্গৰ' আৰু

পাকিস্তানত 'হকৰা' বুলি অভিহিত কৰা হৈছে। এই নদীখনত বাৰিষাৰ সময়তহে পানী থাকে। ঋগ্বেদত সৰস্বতী নদীৰ প্ৰথম উল্লেখ পোৱা যায়। এই গ্ৰন্থত 'সৰস্বতী'ক দেৱী আৰু পৰ্বতৰপৰা সাগৰলৈ বৈ যোৱা নদী হিচাপে উল্লেখ কৰা হৈছে। পৰৱৰ্তী গ্ৰন্থসমূহত নদীখন শুকাই যোৱা আৰু শেষত নোহোৱা হৈ যোৱা বুলি বৰ্ণনা কৰা হৈছে।

এই সভ্যতাৰ অৱশিষ্ট প্ৰথম উদ্ধাৰ হৈছিল বৰ্তমানৰ পাকিস্তানৰ অন্তৰ্গত হৰপ্পা নামৰ ঠাইত। সেইকাৰণে ইয়াক হৰপ্পা সভ্যতা বুলিও কোৱা হয়। ব্ৰিটিছসকলে ৰে'লপথ নিৰ্মাণৰ বাবে কৰা খনন কাৰ্যত পোন প্ৰথমে এই সভ্যতাৰ অৱশিষ্ট উদ্ধাৰ হৈছিল। তাৰ পাছত ১৯২১ চনত ৰাখালদাস বেনাৰ্জীৰ নেতৃত্বত চলা খনন কাৰ্যত মহেঞ্জোদাৰো নামৰ আন এখন নগৰৰ অৱশিষ্ট উদ্ধাৰ হৈছিল। ইয়াৰ পাছৰ খনন কাৰ্যত হৰপ্পা সভ্যতাৰ অৱশিষ্ট ভাৰতৰ উত্তৰ প্ৰদেশৰপৰা বৰ্তমানৰ আফগানিস্তান সীমান্তৰ বেলুচিস্তানলৈ আৰু জম্মু-কাশ্মীৰৰপৰা গুজৰাটলৈকে কেইবাঠাইতো পোৱা গৈছে। তাৰে কেইটামান উল্লেখযোগ্য স্থান হ'ল- ক'ট ডিজি, নৌচাৰো, কালিবাংগান, বানাৱালী, লোথাল, ধোলভিৰা, চোৰকোটাডা আৰু আলমগিৰপুৰ। চিত্ৰ ৮.৩ ৰ পৰা হৰপ্পা সভ্যতাৰ বিস্তৃতিৰ বিষয়ে জানিব পাৰিবা।



চিত্ৰ ৮.৩ ঃ হৰপ্পা সভ্যতাৰ অৱস্থিতি

### ৮.৩.১ ঘৰ-দুৱাৰ ঃ

সেই সময়ৰ নগৰবোৰক গাঁথনিৰ ফালৰপৰা দুৰ্গ আৰু নামনি চহৰ - এই দুই ভাগত ভগাব পাৰি। দুৰ্গ হ'ল চহৰৰ ওখ অংশ, য'ত ৰাজহুৱা গৃহ, যেনে, শস্যৰ ভঁৰাল, ৰাজহুৱা স্নানাগাৰ, সভাগৃহ আদি আছিল। এই অঞ্চলতেই শাসক শ্ৰেণীৰ লোকে বাস কৰিছিল। নামনি চহৰত আছিল সাধাৰণ প্ৰজাৰ বাসস্থান। এই ঘৰবোৰ ঘাইপথৰ দুয়োকাষে সজা হৈছিল। ঘাইপথতকৈ কিছু উচ্চতাত ঘৰবোৰ নিৰ্মাণ কৰা হৈছিল। তাত খট্‌খটিৰ ব্যৱস্থা আছিল। বেছিভাগ ঘৰেই দুমহলীয়া আছিল। প্ৰত্যেক ঘৰৰ লগত শৌচাগাৰ, চোতাল, ৰান্ধনিঘৰ আৰু একাধিক শোৱা কোঠালীৰ ব্যৱস্থা আছিল। ঘৰবোৰ ইটাৰে সজা হৈছিল। আচৰিত কথা যে প্ৰায় ৫০০০ বছৰৰ পাছতো এতিয়ালৈ উদ্ধাৰ হোৱা এই ইটাবোৰৰ বেছিভাগকেই অক্ষত অৱস্থাত পোৱা গৈছে।


উৎসঃ wikipedia.org

চিত্ৰ ৮.৪ ঃ ঘৰৰ ভগ্নাৱশেষ

### ৮.৩.২ ৰাস্তা-ঘাট ঃ

হৰপ্পা সভ্যতাৰ অন্তৰ্গত চহৰবোৰৰ ৰাস্তা-ঘাটবোৰ আছিল আহল-বহল আৰু সাধাৰণতে ইটো-সিটোৰ সমান্তৰাল। মূল ঘাইপথৰপৰা ওলাই অহা সৰু সৰু আলিবোৰ সমান ব্যৱধানত আন পথত লগ লাগিছিল। সমগ্ৰ চহৰখনৰ বাট-পথবোৰ আয়তাকাৰে বিভক্ত হৈ আছিল। কিছুমান আলিবাট পোৰা ইটাৰে সজাৰ প্ৰমাণো পোৱা গৈছে। ৰাস্তাৰ ভাঁজবোৰ কোণযুক্ত নহৈ ধেনুভিৰীয়াকৈ সঁজা হৈছিল যাতে জন্তুৰে টনা গাড়ী সহজে পাৰ হৈ যাব পাৰে। সেই অৱশিষ্টবোৰ দেখি ধাৰণা হয় যে বাট-পথবোৰ সু-পৰিকল্পিতভাৱে সাজি উলিওৱা হৈছিল আৰু তাৰ কাষে কাষে ঘৰবোৰ নিৰ্মাণ কৰা হৈছিল।




চিত্ৰ ৮.৫ ঃ ৰাস্তা-ঘাট

### ৮.৩.৩ জল-নিষ্কাষণ ব্যৱস্থা ঃ

হৰপ্পা সভ্যতাৰ চহৰবোৰৰ জল-নিষ্কাষণ, অৰ্থাৎ পানী যোৱাৰ ব্যৱস্থা সু-পৰিকল্পিত আছিল। প্ৰত্যেক ঘৰৰে ব্যৱহৃত পানী ওলাই গৈ নলাত পৰাৰ ব্যৱস্থা আছিল। আলিবাটৰ সমান্তৰালকৈ বা কাষে-কাষে পানী যোৱা নলা আছিল। এই নলাবোৰ ইটাৰ ঢাকনিৰে ঢাকি থোৱা আছিল। ইয়াৰপৰাই বুজিব পাৰি যে সেই সময়ৰ হৰপ্পা সভ্যতাৰ বাসিন্দাসকলে চাফ-চিকুণকৈ থকাত বিশেষ গুৰুত্ব দিছিল। চিত্ৰ ৮.৯ ত হৰপ্পাৰ নলা-নৰ্দমাৰ অৱশিষ্ট দেখুওৱা হৈছে।




চিত্ৰ ৮.৬ ঃ নলা-নৰ্দমা

### ৮.৩.৪ জীৱিকা ঃ

হৰপ্পা সভ্যতাৰ বিভিন্ন চহৰত উদ্ধাৰ হোৱা অৱশিষ্টবোৰৰপৰা আমি সেই সময়ৰ মানুহৰ জীৱন আৰু জীৱিকাৰ বিষয়ে জানিব পাৰোঁ। ভিন্-ভিন্ ঠাইৰপৰা উদ্ধাৰ হোৱা শস্যৰ বীজৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ কৃষিৰ কথা জানিব পাৰি। খনন কাৰ্যৰ ফলত উদ্ধাৰ হোৱা জন্তুৰ হাড়, হস্তশিল্পজাত সামগ্ৰীৰ অৱশিষ্ট আদিয়ে সেই সময়ৰ অধিবাসীসকলে জীৱিকাৰ বাবে পশুপালনৰ লগতে হস্তশিল্পতো যে গুৰুত্ব দিছিল তাৰ প্ৰমাণ দিয়ে। এই আটাইবোৰৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে কৃষি, পশুপালন আৰু হস্তশিল্পই হৰপ্পাবাসীৰ প্ৰধান জীৱিকা আছিল। তালিকা ৮.২ ত এই বৃত্তিবোৰৰ বিষয়ে উল্লেখ কৰা হৈছে।

**তালিকা ৮.২ ঃ হৰপ্পা সভ্যতাৰ অন্তৰ্গত বৃত্তি**

| বৃত্তিসমূহ | শস্য/ পশু/ নিৰ্মিত সামগ্ৰী |
|---|---|
| কৃষি | ঘেহুঁ, বাৰ্লি, সৰিয়হ, শাক-পাচলি, ফল-মূল আৰু কপাহ। |
| পশুপালন | হাতী, উট, ম'হ, গৰু, ভেড়া, ষাঁড়গৰু আদি। |
| হস্তশিল্প | পোৰা মাটিৰে নিৰ্মাণ কৰা সামগ্ৰী, সোণৰ আ-অলংকাৰ, তামৰ বাচন-বৰ্তন, ব্ৰঞ্জৰ সঁজুলি, বয়ন সামগ্ৰী, ইটা, কাঠৰ বস্তু, নাঁও, আদি। |

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) সিন্ধু সভ্যতাক আন কি কি নামেৰে জনা যায়?

(খ) হৰপ্পা সভ্যতাৰ উল্লেখযোগ্য যিকোনো দুটা স্থানৰ নাম লিখা।

(গ) হৰপ্পা সভ্যতাৰ নগৰৰ গাঁথনি কেনে আছিল?

২. চমুটোকা লিখাঃ হৰপ্পা সভ্যতাৰ সময়ৰ--

(ক) সৰস্বতী নদী (খ) ঘৰ-দুৱাৰ

(গ) ৰাস্তা-ঘাট (ঘ) জল-নিষ্কাষণ ব্যৱস্থা

৩. "হৰপ্পা সভ্যতাৰ সেই সময়ৰ বাসিন্দাসকলে চাফ-চিকুণকৈ থকাত বিশেষ গুৰুত্ব দিছিল।"-- ব্যাখ্যা কৰা।

### ৮.৩.৫ বাণিজ্য ঃ

হৰপ্পা সভ্যতাৰ লোকসকলে নিজৰ অঞ্চলৰ উপৰি সমসাময়িক আন সভ্যতাৰ লোকসকলৰ সৈতেও বাণিজ্যিক যোগাযোগ স্থাপন কৰিছিল। হৰপ্পা সভ্যতাৰ ছীল-মোহৰ, মাটিৰ পাত্ৰ আদিৰ অংশবিশেষ মেছ'পটেমিয়া আৰু পাৰস্যৰপৰাও উদ্ধাৰ কৰা হৈছে। সেইদৰে মেছ'পটেমিয়াৰ ছীল-মোহৰ হৰপ্পাত পোৱা গৈছে। এনেদৰে উদ্ধাৰ হোৱা সামগ্ৰীবোৰে আন-আন ঠাইৰ লগত থকা হৰপ্পাৰ বাণিজ্যিক সম্পৰ্কৰ সাক্ষ্য বহন কৰে। ধাৰণা কৰা হয় যে সেই সময়ত স্থলপথ আৰু জলপথ উভয়েদি বেহা-বেপাৰ চলিছিল। সম্ভৱতঃ সেই কালত বিনিময় প্ৰথাৰো প্ৰচলন আছিল।

**জানো আহাঃ**

কাষত হৰপ্পা সভ্যতাৰ অন্তৰ্গত লোথাল নামৰ নগৰখনৰ আনুমানিক চিত্ৰ দেখুওৱা হৈছে। লোথাল বৰ্তমানৰ গুজৰাট ৰাজ্যত অৱস্থিত। সমুদ্ৰৰ পাৰত অৱস্থিত এই নগৰখন এটা উল্লেখযোগ্য বন্দৰ আছিল বুলি ইতিহাসবিদসকলে ধাৰণা কৰে।

লোথালৰ দৰে বৰ্তমান বেলুচিস্তানৰ অন্তৰ্গত চুট্‌কাজেণ্ডৰ (Sutkagendor) আছিল বেবিলন আৰু হৰপ্পাৰ ব্যৱসায়িক আদান-প্ৰদানৰ কেন্দ্ৰ (Trade Centre)।



উৎসঃ wikipedia.org

লোথালৰ আনুমানিক চিত্ৰ

## অনুশীলনী - ৩

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) হৰপ্পা সভ্যতাৰ লোকসকল কি কি বৃত্তিৰ লগত জড়িত আছিল?

(খ) হৰপ্পা সভ্যতাৰ লোকসকলৰ কোন কোন অঞ্চলৰ লগত বাণিজ্যিক সম্পৰ্ক আছিল?

(গ) বৰ্হিজগতৰ লগত হৰপ্পাবাসীৰ বাণিজ্যিক সম্পৰ্কৰ কি কি প্ৰমাণ পোৱা যায়?

(ঘ) হৰপ্পা সভ্যতাৰ লোকসকলে কি কি শস্যৰ খেতি কৰিছিল?

(ঙ) হৰপ্পা সভ্যতাৰ সময়ছোৱাত কোনবোৰ হস্তশিল্পৰ প্ৰচলন আছিল?

(চ) কিহৰ ওপৰত ভিত্তি কৰি হৰপ্পা সভ্যতাৰ লগত মেছ'পটেমিয়া আৰু ৰোমান সভ্যতাৰ সম্পৰ্ক আছে বুলি ক'ব পাৰি?

২. চমুটোকা লিখাঃ

হৰপ্পাকালীন-- (ক) জীৱিকা (খ) বাণিজ্য

### ৮.৩.৬ ধৰ্মীয় বিশ্বাস ঃ

হৰপ্পাৰ লোকসকলৰ ধৰ্মীয় বিশ্বাসৰ বিষয়ে সঠিক তথ্য পোৱা নাযায়। তথাপিও ভিন্-ভিন্ ঠাইৰপৰা উদ্ধাৰ হোৱা একেধৰণৰ মাটিৰে নিৰ্মিত নাৰী মূৰ্তি এটাক ইতিহাসবিদসকলে ধৰ্মীয় বিশ্বাসৰ প্ৰতীক বুলি কয়। তদুপৰি ছীল-মোহৰবোৰত খোদিত বহি থকা অৱস্থাত পশুৰে বেষ্টিত পুৰুষৰ প্ৰতিচ্ছবিক ‘পশুপতি শিৱ’ বুলি অভিহিত কৰা দেখা যায়। হৰপ্পাৰ ছীল-মোহৰবোৰত এশিঙীয়া জন্তু এবিধৰ প্ৰতিচ্ছবি দেখা যায়, যাক ‘ইউনিকৰ্ণ’ (Unicorn) বুলি কোৱা হয়। ধাৰণা কৰা হয় যে এই জন্তুবিধ বাসিন্দাসকলৰ ধৰ্মীয় বিশ্বাসৰ লগত জড়িত।



উৎসঃ wikimedia.org

চিত্ৰ ৮.৭ ঃ মাটিৰে নিৰ্মিত নাৰী মূৰ্তি



উৎসঃ wikipedia.org

চিত্ৰ ৮.৮ ঃ ছীল-মোহৰত থকা ‘পশুপতি শিৱ’ বুলি ভৱা মূৰ্তি



উৎসঃ wikimedia.org/wiki

চিত্ৰ ৮.৯ ঃ ইউনিকৰ্ণ

### ৮.৩.৭ ছীল-মোহৰ ঃ

হৰপ্পা সভ্যতাৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ প্ৰায় সকলো স্থানৰপৰা উদ্ধাৰ হোৱা ছীল-মোহৰবোৰ। মাটি আৰু তামেৰে সজা মোহৰবোৰত বিভিন্ন জন্তু, যেনে, ষাঁড়গৰু, ভেড়া, বাঘ আৰু হাতীৰ চিত্ৰ খোদিত কৰা হৈছিল। এই মোহৰবোৰ বাণিজ্য, প্ৰশাসনিক কাৰ্য আদিত ব্যৱহাৰ কৰা হৈছিল। হৰপ্পা সভ্যতাৰ বিষয়ে জনাৰ বাবে ছীল-মোহৰবোৰ হৈছে উৎকৃষ্ট উৎস। এইবোৰত খোদিত ছবিসমূহৰপৰা আমি সেই সময়ৰ লিপি, সাজ-পোছাক, কলা-কৌশল আদিৰ বিষয়ে জানিব পাৰো।



উৎসঃ google.com

চিত্ৰ ৮.১০ ঃ হৰপ্পাৰ ছীল-মোহৰ

### ৮.৩.৮ ভাষা আৰু লিপি ঃ

হৰপ্পাবাসীয়ে কি ভাষা ব্যৱহাৰ কৰিছিল সেয়া জনা নাযায়। সেয়েহে বিভিন্ন উৎসৰপৰা উদ্ধাৰ হোৱা লিপিসমূহৰ পাঠোদ্ধাৰ এতিয়াও সম্ভৱ হৈ উঠা নাই। কিন্তু ভাষাবিদসকল নিশ্চিত হৈছে যে তেওঁলোকৰ লিপিৰ আখৰবোৰ চিত্ৰলিপি আছিল। অৰ্থাৎ, ছবিক আখৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল। এতিয়ালৈ প্ৰায় ৫০০ চিত্ৰলিপি উদ্ধাৰ হৈছে। বাক্যবোৰ সোঁফালৰপৰা বাওঁফাললৈ লিখা হৈছিল। এই লিপিবোৰ মোহৰ, তামৰ ফলি, ব্ৰঞ্জৰ ফলি, শিলৰ টুকুৰা, পোৰা মাটিৰ পাত্ৰৰ টুকুৰা আদিত পোৱা গৈছে।



উৎসঃ wikipedia.org

চিত্ৰ ৮.১১ ঃ হৰপ্পাৰ লিপি

## অনুশীলনী - ৪

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) 'ইউনিকৰ্ণ' কি?

(খ) ছীল-মোহৰবোৰত কি কি জন্তুৰ প্ৰতিচ্ছবি পোৱা গৈছে?

(গ) হৰপ্পাকালীন লিপি কি কি সামগ্ৰীত পোৱা গৈছে?

২. চমুটোকা লিখাঃ

হৰপ্পাৰ সময়ৰ--

(ক) ধৰ্মীয়বিশ্বাস (খ) ভাষা আৰু লিপি

### ৮.৩.৯ হৰপ্পা সভ্যতাৰ পতন ঃ

খ্ৰী. পূ. ১৫০০ মানৰপৰা হৰপ্পা সভ্যতাৰ পতন আৰম্ভ হোৱা বুলি ধাৰণা কৰা হয়। ইয়াৰ মূল কাৰণ এতিয়াও জনা হোৱা নাই যদিও এই ক্ষেত্ৰত নানা পণ্ডিতে নানা যুক্তি আগবঢ়াইছে। তাৰ ভিতৰৰ উল্লেখযোগ্য কাৰণ কেইটামান হ'ল--

(ক) ভূমিকম্প অথবা বানপানীৰ নিচিনা প্ৰাকৃতিক দুৰ্যোগ

(খ) জনসংখ্যা বৃদ্ধি আৰু সীমিত সম্পদে লাহে লাহে আৰ্থিকভাৱে জুৰুলা কৰা পৰিস্থিতি

(গ) সিন্ধু নদীয়ে গতি সলাই খেতিপথাৰ বিনষ্ট কৰা

(ঘ) প্ৰাকৃতিক কাৰণত হোৱা জলবায়ুৰ পৰিৱৰ্তনে সমগ্ৰ অঞ্চলটোৰ মাটিৰ গুণাগুণ নষ্ট কৰা

(ঙ) বহিৰাগত শক্তিৰ আক্ৰমণ

প্ৰাচীন সভ্যতাসমূহে আমাক সেই কালৰ প্ৰাকৃতিক পৰিৱেশ আৰু মানুহৰ মাজৰ সম্পৰ্কৰ আভাস দিয়ে। ইতিহাসৰ একোটা বিশেষ কালত একোখন বিশেষ ঠাইত মানুহ কেনেকৈ উন্নতিৰ শিখৰত উঠিছিল আৰু পৰৱৰ্তী কালত কেনেকৈ মানুহৰ পতন ঘটিছিল তাক জনাৰ সুযোগ দিয়ে। হৰপ্পাৰ দৰে প্ৰাচীন সভ্যতাসমূহত প্ৰচলিত নগৰ পৰিকল্পনা, হস্তশিল্পৰ বিকাশ, কৃষি ব্যৱস্থা আদিৰপৰা আজিও আমাৰ বহুতো শিকিবলগীয়া আছে।

**জানো আহা–**

**মেঘালয়ীয় যুগ**

প্ৰায় ৪,২০০ বছৰ পূৰ্বে পৃথিৱীৰ বুৰঞ্জীৰ মেঘালয়ীয় যুগ বুলি অভিহিত কৰা একেবাৰে শেহৰটো যুগ আৰম্ভ হৈছিল। এই যুগত পৃথিৱী নামৰ গ্ৰহটোত উল্লেখযোগ্য ধৰণৰ জলবায়ুৰ পৰিৱৰ্তন ঘটিছিল। ইয়াৰ ভিতৰত ভয়াবহ খৰাং অৱস্থা আছিল অন্যতম প্ৰধান পৰিঘটনা, যাৰ ফলত সিন্ধু উপত্যকা, মেছোপ'টেমিয়া, ইজিপ্তীয় আদি সভ্যতা বিশেষভাৱে ক্ষতিগ্ৰস্ত হৈছিল। এনে খৰাং অৱস্থাই বহুতো প্ৰাচীন সংস্কৃতিৰ সমাপ্তি ঘটাইছিল আৰু মানুহক নতুন জীৱন-প্ৰণালী গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছিল। মেঘালয়ীয় যুগটো প্ৰায় ১১,৭০০ বছৰ পূৰ্বে আৰম্ভ হোৱা হল'চিন যুগৰ এটা অংশ। বিজ্ঞানীসকলে গুহাৰ ভিতৰৰ প্ৰাচীন ষ্টেলেক্টাইট্ আৰু ষ্টেলেগ্‌মাইট্ অধ্যয়ন কৰি এই যুগৰ অস্তিত্ব নিৰ্ধাৰণ কৰিছিল। এনে অধ্যয়নেই প্ৰাচীন কালত ঘটা জলবায়ুৰ পৰিৱৰ্তনৰ সাক্ষ্য দিয়ে।

## অনুশীলনী - ৫

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) হৰপ্পা সভ্যতাৰ বেছিভাগ ঘৰ কেনেকুৱা আছিল?

(খ) হৰপ্পা সভ্যতাৰ লিপিৰ আখৰবোৰ কেনেকুৱা আছিল ?
(গ) হৰপ্পা সভ্যতাৰ মোহৰবোৰত কিহৰ চিত্ৰ খোদিত আছিল ?
(ঘ) ১৯২১ চনত কাৰ নেতৃত্বত মহেঞ্জোদাৰোত খনন কাৰ্য চলিছিল ?

**ধাৰণা চিত্ৰ (Concept Map) ঃ**




**শব্দাৰ্থ ঃ**

**ছীল-মোহৰঃ** মালিকীস্বত্বৰ প্ৰতীক, যিটো ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছিল।

**জল নিষ্কাষণঃ** পানী ওলাই যোৱাৰ ব্যৱস্থা।



**দলগত কাৰ্য ঃ**

পাঠটিত দিয়া চিত্ৰসমূহৰ আধাৰত মাটিৰে ছীল-মোহৰ, পাত্ৰ আদি সাজিবলৈ চেষ্টা কৰা। সেইবোৰ ৰ'দত শুকুৱাই ৰং কৰিবা। প্ৰয়োজন হ'লে শিক্ষকৰ সহায় ল'বা।

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

হৰপ্পা সভ্যতাৰ অন্তৰ্গত নগৰসমূহলৈ প্ৰয়োজনীয় খাদ্য-সামগ্ৰী ক'ৰপৰা আহিছিল ?



# পাঠ ৯
# প্ৰাচীন ভাৰতৰ ৰাজবংশ আৰু সমাজ

তোমালোকে বাৰু জানানে যে ভাৰতবৰ্ষৰ মানচিত্ৰখন সদায় একেদৰে নাছিল। ভিন্-ভিন্ সময়ত আমাৰ দেশৰ চাৰিসীমাৰ বঢ়া-টুটা হোৱাৰ উপৰি ৰাজ্যবোৰ বেলেগ বেলেগকৈ আছিল। প্ৰাচীন কালত আমাৰ দেশখন আজিৰ নিচিনাকৈ কেইবাখনো ৰাজ্য লগ হৈ এখন দেশ হিচাপে নাছিল। ঠাই ভেদে সৰু-সৰু ৰাজ্য কিছুমান আছিল আৰু সেইবোৰ স্থানীয় ৰজাসকলে শাসন কৰিছিল। এই অধ্যায়ত আমি প্ৰাচীন ভাৰতৰ কেইখনমান উল্লেখযোগ্য ৰাজ্য, তাত শাসন কৰা ৰাজবংশবোৰৰ লগতে তেওঁলোকৰ শাসনকালৰ বিষয়ে কিছু কথা আলোচনা কৰিম।

## ৯.১ উত্তৰ ভাৰতৰ প্ৰধান ৰাজবংশসমূহ ঃ

### ৯.১.১ মৌৰ্য বংশ ঃ

আমি ব্যৱহাৰ কৰা মুদ্ৰাবোৰত আৰু আমাৰ দেশৰ জাতীয় পতাকাত অশোক চক্ৰ নিশ্চয় দেখিছা। এইবোৰ চিহ্ন আচলতে মহান সম্ৰাট অশোকৰ শাসন কালত নিৰ্মাণ কৰা অশোকস্তম্ভৰ পৰা লোৱা হৈছে। চিত্ৰ ৯.১ ত অশোকস্তম্ভৰ এটা অংশ দেখুওৱা হৈছে। ইয়াত তোমালোকে তিনিটা সিংহ দেখিছা যদিও প্ৰকৃততে তাত চাৰিটা সিংহ আছে। সম্ৰাট অশোক মৌৰ্য বংশৰ সম্ৰাট আছিল। তেওঁক এই বংশৰ সৰ্বশ্ৰেষ্ঠ ৰজা বুলি গণ্য কৰা হয়।

উত্তৰ ভাৰতত ৰাজ্য স্থাপন কৰি শাসন কৰিবলৈ আৰম্ভ কৰা প্ৰথমটো শক্তিশালী ৰাজবংশ আছিল মৌৰ্য বংশ। এই বংশৰ প্ৰতিষ্ঠাতা আছিল চন্দ্ৰগুপ্ত মৌৰ্য। তেওঁৰ আগতে ভাৰতৰ ইতিহাসত কোনো সম্ৰাটৰ কথা পোৱা নাযায়। সেয়েহে চন্দ্ৰগুপ্ত মৌৰ্যক ভাৰতৰ প্ৰথমগৰাকী ঐতিহাসিক সম্ৰাট বুলি কোৱা হয়। মৌৰ্য সাম্ৰাজ্য প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সেই সময়ৰ চন্দ্ৰগুপ্ত মৌৰ্যৰ প্ৰধানমন্ত্ৰী কৌটিল্যৰ গুৰুত্বপূৰ্ণ ভূমিকা আছিল। প্ৰখ্যাত গ্ৰন্থ 'অৰ্থশাস্ত্ৰৰ' লেখক আছিল কৌটিল্য। তেওঁক চাণক্য নামেৰেও জনা যায়। প্ৰথমে ৰাজগৃহ পাছলৈ পাটলিপুত্ৰ (এতিয়াৰ পাটনা) আছিল এই সাম্ৰাজ্যৰ ৰাজধানী। বৰ্তমানৰ উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ, গুজৰাট, উৰিষ্যা, বাংলাদেশ, পাকিস্তানৰ কিছু অংশৰ লগতে আন কিছু অঞ্চলজুৰি মৌৰ্যসকলৰ শাসন চলিছিল।



উৎসঃ Wikimedia Commons

চিত্ৰ ৯.১ ঃ অশোক স্তম্ভ




চিত্ৰ ৯.২ ঃ মৌৰ্যসকলৰ সময়ৰ ভাৰত

**জানো আহা ঃ**

ভাৰতীয় ইতিহাসত মৌৰ্যসকলৰ মহামন্ত্ৰী কৌটিল্যক অৰ্থনীতিৰ এজন প্ৰবাদ পুৰুষ হিচাপে আখ্যা দিয়া হয়। তেওঁ শাসনকাৰ্যৰ বিভিন্ন দিশৰ বিষয়ে আগবঢ়োৱা নীতিসমূহ ‘অৰ্থশাস্ত্ৰ’ নামৰ পুথিত সন্নিৱিষ্ট কৰিছে। অৰ্থশাস্ত্ৰত মাটি বা ভূমি কৰ, জলসিঞ্চন কৰ, বনজ সম্পদসমূহৰ কৰ, কাৰখানাৰ উৎপাদিত সামগ্ৰীসমূহৰ কৰ আদি বিভিন্ন প্ৰকাৰৰ কৰৰ কথা উল্লেখ আছে। তদুপৰি কৌটিল্যই ৰাষ্ট্ৰ এখন হ’বলৈ কি কি উপাদানৰ প্ৰয়োজন, প্ৰজাৰ প্ৰতি ৰজাৰ কি কৰ্তব্য সেইবিষয়েও অৰ্থশাস্ত্ৰত লিখিছে। ৰজাৰ কৰ্তব্যৰ বিষয়ে অৰ্থশাস্ত্ৰত লিখা বিখ্যাত উক্তিটো হ’ল--

“প্ৰজাসুখে সুখং ৰাজঃ প্ৰজানাং চ্ হিতে হিতম্।
নাত্মাপ্ৰিয়ং হিতং ৰাজঃ প্ৰজানাং তু প্ৰিয়ং হিতম্।।”

“প্ৰজাৰ সুখত ৰজাৰ সুখ নিহিত হৈ আছে, আৰু তেওঁলোকৰ কল্যাণেই ৰজাৰ কল্যাণ। তেওঁ কেৱল নিজক সন্তুষ্ট কৰাখিনিকে ভাল বুলি নাভাবি প্ৰজাৰ সন্তুষ্টিক গুৰুত্ব দিয়া উচিত।”



চিত্ৰ ৯.৩ ঃ সম্ৰাট অশোক উৎসঃ Wikimedia Commons

সম্ৰাট বিন্দুসাৰৰ পিছৰপৰা অশোকে সিংহাসনত আৰোহণ কৰালৈ প্ৰায় ৫ বছৰ কাল এক সিংহাসনকেন্দ্ৰিক সংঘাত চলিছিল। বিন্দুসাৰে তেওঁৰ আন এজন পুত্ৰ সুশিমাই সিংহাসনত আৰোহণ কৰাটো বিচাৰিছিল যদিও তেওঁৰ মন্ত্ৰীসকলে অশোককহে সম্ৰাট হোৱাটো বিচাৰিছিল। সিংহাসনক লৈ চলি থকা এই অচলাৱস্থাৰ বাবে অশোকে বিন্দুসাৰৰ মৃত্যুৰ **৫** বছৰৰ পিছতহে **২৬৮** খ্ৰীষ্টপূৰ্বত সম্ৰাট হিচাপে স্বীকৃতি পাইছিল। অশোকৰ মৃত্যুৰ পাছত মৌৰ্য সম্ৰাটসকলে **১৮৭** খ্ৰীষ্টপূৰ্বলৈ ৰাজ্য শাসন কৰিছিল। এই বছৰতে শেষ মৌৰ্য সম্ৰাট বৃহদ্ৰথক হত্যা কৰি তেওঁৰ সেনাপতি পুষ্যমিত্ৰ শুংগই সিহাংসন দখল কৰি শুংগ বংশৰ শাসনৰ পাতনি মেলে।

**জানো আহাঃ**

সম্ৰাট অশোকে বৌদ্ধধৰ্ম গ্ৰহণ কৰাৰ পাছত, ৰাজকীয় খেল হিচাপে তেতিয়া জনপ্ৰিয় চিকাৰ বন্ধ কৰিছিল। তেওঁ জীৱ-জন্তুৰ সুৰক্ষাৰ কাৰণে বিষয়াও নিযুক্ত কৰিছিল। তেওঁৰ শিলালিপি আৰু স্তম্ভলিপিবোৰৰ পৰা গম পোৱা যায় যে ভাৰতত জৈৱ-বৈচিত্ৰৰ সুৰক্ষাৰ হকে সজাগতা সৃষ্টি কৰা প্ৰথম শাসক আছিল সম্ৰাট অশোক ।

**তালিকা ৯.১**

মৌৰ্য বংশৰ প্ৰখ্যাত ৰজাসকল আৰু তেওঁলোকৰ শাসনকাল

| সম্ৰাট | শাসন কাল |
|---|---|
| চন্দ্ৰগুপ্ত মৌৰ্য | আনুমানিক ৩২৪ খ্ৰীষ্টপূৰ্বৰপৰা ২৯৭ খ্ৰীষ্টপূৰ্বলৈ |
| বিন্দুসাৰ | ২৯৭ খ্ৰীষ্টপূৰ্বৰপৰা ২৭৩ খ্ৰীষ্টপূৰ্বলৈ |
| অশোক | ২৬৮ খ্ৰীষ্টপূৰ্বৰপৰা ২৩২ খ্ৰীষ্টপূৰ্বলৈ |

### ৯.১.২ শুংগ বংশ ঃ

এই বংশটোৱে প্ৰায় ১১২ বছৰ কাল শাসন কৰিছিল। পুষ্যমিত্ৰ শুংগই প্ৰতিষ্ঠা কৰা বাবে এই বংশটোক শুংগ বংশ বুলি জনা গৈছিল। খ্ৰীষ্টপূৰ্ব ৭৫ ত শুংগ বংশৰ পতন ঘটিছিল। এইখিনিতে মন কৰিবলগীয়া কথা যে সাধাৰণতে সেই সময়ৰ ৰজাসকল ক্ষত্ৰিয় বৰ্ণৰ লোক আছিল। কিন্তু পুষ্যমিত্ৰ শুংগ আছিল এজন ব্ৰাহ্মণ।

তেওঁ  যদিও মৌৰ্যসকলক আঁতৰাই শাসন কৰিছিল, শূংগসকলে  কেৱল মৌৰ্য সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত এটা সৰু অঞ্চলতহে নিজৰ শাসন চলাবলৈ সক্ষম হৈছিল। এই বংশৰ শেষৰ ৰজাজন আছিল দেৱভূতি বা দেৱভূমি।




চিত্ৰ ৯.৪ ঃ শূংগ বংশৰ সময়ৰ ভাৰত



উৎসঃ wikipedia.org

চিত্ৰ ৯.৫ ঃ পুষ্যমিত্ৰ শূংগৰ শিলত কটা মূৰ্ত্তি

### ৯.১.৩ কন্ব আৰু চেদী বংশ ঃ

শূংগসকলৰে এজন মন্ত্ৰী বসুদেৱে ষড়যন্ত্ৰ কৰি দেৱভূতিক সিংহাসনচ্যুত কৰি কণ্ব নামেৰে এটি নতুন বংশ স্থাপন কৰে। তেওঁলোকে ৭৫ খ্ৰীষ্টপূৰ্বৰপৰা ৩০ খ্ৰীষ্টপূৰ্বলৈ শাসন কৰিছিল। মগধত কণ্বসকলৰ পাছত মিত্ৰ বংশৰ লোকসকলে কিছুদিন শাসন কৰে। সেই একে সময়তে খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাৰ শেষৰফালে মহামেঘবাহন নামৰ এজন ৰজাই কলিংগ (বৰ্তমানৰ উৰিষ্যাত) অঞ্চলত চেদী বা চেত ৰাজবংশ প্ৰতিষ্ঠা কৰিছিল।



উৎসঃ wikipedia.org

চিত্ৰ ৯.৬ ঃ মিত্ৰবংশৰ ৰজা সকলৰ সময়ৰ মুদ্ৰা



উৎসঃ wikipedia.org

চিত্ৰ ৯.৭ ঃ চেদী বংশৰ সময়ত খোদিত উদয়গিৰি গুহা

### ৯.১.৪ গুপ্ত বংশ ঃ

উত্তৰ ভাৰতত শাসন কৰা আন এটা শক্তিশালী ৰাজবংশ আছিল গুপ্ত বংশ। বৰ্তমানৰ উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ আৰু আন কিছু অংশ সামৰি গুপ্ত সাম্ৰাজ্য বিস্তৃত হৈ আছিল। শ্ৰীগুপ্তক এই বংশৰ প্ৰথমগৰাকী সম্ৰাট বুলি ধৰা হয় যদিও তেওঁৰ বিষয়ে আমি বিশদ বিৱৰণ নাপাওঁ। গুপ্ত বংশৰ প্ৰথমগৰাকী শক্তিশালী ৰজা আছিল প্ৰথম চন্দ্ৰগুপ্ত। তেওঁৰ পাছৰজন সম্ৰাট আছিল সমুদ্ৰগুপ্ত।

| তালিকা ৯.২ | |
|---|---|
| প্ৰধান গুপ্ত ৰজাসকলৰ শাসনকাল | |
| **সম্ৰাট** | **শাসন কাল** |
| প্ৰথম চন্দ্ৰগুপ্ত | আনুমানিক ৩১৯-৩২০ খ্ৰীষ্টাব্দৰ পৰা ৩৩৫ খ্ৰীষ্টাব্দলৈ |
| সমুদ্ৰগুপ্ত | ৩৩৫ খ্ৰীষ্টাব্দৰপৰা ৩৮০ খ্ৰীষ্টাব্দলৈ |
| দ্বিতীয় চন্দ্ৰগুপ্ত | ৩৮০ খ্ৰীষ্টাব্দৰপৰা ৪১২ খ্ৰীষ্টাব্দলৈ |



উৎসঃ worldhistory.org

চিত্ৰ ৯.৮ ঃ সম্ৰাট সমুদ্ৰগুপ্তৰ সময়ৰ মুদ্ৰা

সমুদ্ৰগুপ্তক গুপ্তসকলৰ শ্ৰেষ্ঠ ৰজা বুলি কোৱা হয়। তেওঁৰ পাছত সম্ৰাট হয় দ্বিতীয় চন্দ্ৰগুপ্ত। ইয়াৰ পিছৰ সম্ৰাটসকলৰ অন্যতম আছিল প্ৰথম কুমাৰগুপ্ত আৰু স্কণ্ডগুপ্ত। স্কণ্ডগুপ্তৰ পিছৰেপৰা গুপ্ত সাম্ৰাজ্য লাহে লাহে দুৰ্বল হৈ আহে আৰু এসময়ত তেওঁলোকে শাসন কৰা অঞ্চলবোৰ বিভিন্ন সৰু সৰু ৰাজ্যত ভাগ হৈ পৰে। সেইবোৰত আন আন বংশ কিছুমানৰ শাসন আৰম্ভ হয়। ষষ্ঠ শতিকাৰ মাজভাগত গুপ্ত সাম্ৰাজ্যৰ সম্পূৰ্ণ পতন হয় বুলি অনুমান কৰা হয়।

### ৯.১.৫ প্ৰাচীন কালত উত্তৰ ভাৰতৰ শাসন আৰু সমাজ ব্যৱস্থা ঃ

প্ৰাচীন কালৰ ভাৰতৰ শাসনব্যৱস্থাৰ কথা আলোচনা কৰাৰ আগতে তোমালোকে নিজৰ অঞ্চলটো বা আমাৰ ৰাজ্যখন অথবা দেশখনৰ শাসন ব্যৱস্থাটো কেনেকৈ চলে শিক্ষকৰ লগত এবাৰ জুকিয়াই চোৱাচোন। জানিবা যে এই শাসন ব্যৱস্থা বিভিন্ন ধৰণে পৰিচালিত হয়।

মৌৰ্য ৰজাসকলে তেওঁলোকৰ সাম্ৰাজ্য শাসন কৰিবলৈ কেতবোৰ ব্যৱস্থা কৰি লৈছিল। সম্ৰাট আছিল প্ৰশাসনৰ মুৰব্বী। সম্ৰাটৰ অধীনত কেইবাগৰাকী মন্ত্ৰী আৰু বিষয়া আছিল। উচ্চ পদবীধাৰী বিষয়াসকলক অমাত্য বুলি জনা গৈছিল। অমাত্যসকলৰ মাজৰপৰাই আকৌ বেছি দক্ষসকলক মন্ত্ৰী হিচাপেও নিযুক্তি দিয়া হৈছিল। অশোকৰ শাসনকালত অৱশ্যে উচ্চ পদবীধাৰী বিষয়াসকলক মহামন্ত্ৰী নামেৰেহে জনা গৈছিল। শাসনৰ সুবিধাৰ বাবে বিভিন্ন বিভাগৰ সৃষ্টি কৰা হৈছিল। বিভাগৰ দায়িত্বত থকা বিষয়াসকলক অধ্যক্ষ বুলি কোৱা হৈছিল। এই বিষয়াসকলৰ উপৰি আন কেতবোৰ সৰু সৰু বিষয়া আছিল যাৰ সহায়ত প্ৰশাসন ব্যৱস্থাটো পৰিচালিত হৈছিল। বৰ্তমান ভাৰতবৰ্ষত যেনেকৈ ৰাজ্য বা প্ৰদেশৰ শাসন ব্যৱস্থা আছে ঠিক তেনেকৈ মৌৰ্য সাম্ৰাজ্যতো প্ৰাদেশিক প্ৰশাসনৰ ব্যৱস্থা আছিল। সাধাৰণতে ৰাজপৰিয়ালৰ কোনোবা সদস্যকে প্ৰাদেশিক প্ৰশাসনৰ দায়িত্ব দিয়া হৈছিল। তেওঁক সহায় কৰিবলৈ আন আন বিষয়াসকল আছিল।



উৎসঃ worldhistory.org

চিত্ৰ ৯.৯ ঃ গুপ্তসকলৰ সময়ত অঁকা যুদ্ধৰ চিত্ৰ

গুপ্ত শাসনব্যৱস্থাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়া সকল আছিল মহামাত্যসকল। তেওঁলোকক সম্ৰাটে নিয়োগ কৰিছিল। প্ৰশাসনৰ সুবিধাৰ বাবে যেনেকৈ আমাৰ দেশখনক বিভিন্ন ৰাজ্যত ভাগ কৰা হৈছে, ঠিক তেনেকৈ

গুপ্ত সাম্ৰাজ্যখনকো 'ভুক্তি' নামেৰে কেতবোৰ ভাগত ভাগ কৰা হৈছিল। এই ভুক্তিবোৰৰ দায়িত্ব একোজনকৈ বিষয়াক দিয়া হৈছিল। তেওঁক 'উপৰিকা' বুলি কোৱা হৈছিল । ভুক্তিসমূহক আকৌ বিভিন্ন বিষয়ত ভাগ কৰা হৈছিল। বৰ্তমানৰ জিলাসমূহৰ লগত ইয়াক তুলনা কৰিব পাৰি। এই জিলা বা বিষয়বোৰৰ দায়িত্বত থকা বিষয়াজনক বিষয়পতি বোলা হৈছিল। জিলাবোৰক আকৌ বিভিন্ন গাঁৱত ভাগ কৰা হৈছিল। অৱশ্যে গুপ্তসকলৰ অধীনত থকা সকলো অঞ্চলতে একেধৰণৰ ব্যৱস্থা চলা নাছিল।


চিত্ৰ ৯.১০ ঃ সাঁচী স্তূপত থকা গুপ্তযুগৰ ভাস্কৰ্য

মৌৰ্য সমাজব্যৱস্থা বৰ্ণ-জাতি ব্যৱস্থাৰ আলমত গঢ়ি উঠিছিল। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ আছিল প্ৰধান বৰ্ণ। আনহাতে জাতিৰ সংখ্যা আছিল বহুত। লোকসকলৰ প্ৰধান জীৱিকা আছিল কৃষি-কৰ্ম। অৱশ্যে কম পৰিমাণে হ'লেও তেওঁলোক কাপোৰ বোৱা, নাও নিৰ্মাণ কৰা, ব্যৱসায় কৰা আদি কামতো ব্যস্ত আছিল।

মৌৰ্যসকলৰ দৰে গুপ্তসকলৰ সময়তো ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ আছিল চাৰিটা প্ৰধান বৰ্ণ। সমাজত ব্ৰাহ্মণসকলৰ স্থান আন বৰ্ণতকৈ ওপৰত আছিল। গুপ্ত সম্ৰাটসকলে উচ্চ বৰ্ণৰ লোকসকলক মাটি-বাৰী দান হিচাপে দিছিল। ফলত মাটিৰ এটা মালিকশ্ৰেণীৰ সৃষ্টি হৈছিল। অস্পৃশ্যতাৰ দৰে কু-প্ৰথাৰ প্ৰচলন গুপ্তসকলৰ শাসনৰ সময়ছোৱাত বাঢ়ি আহিছিল। মহিলাসকলক অবদমিত কৰি ৰখাৰ প্ৰৱণতা এটাও উচ্চ বৰ্ণৰ লোকসকলৰ মাজত সেইকালত বৃদ্ধি পাইছিল। তাৰ বিপৰীতে, বৈশ্য বা শূদ্ৰ বৰ্ণৰ মহিলাসকলে কৃষিকাৰ্যৰ লগতে ঘৰুৱা কাম-কাজতো সমানে অংশগ্ৰহণ কৰিব পাৰিছিল। সেয়েহে সমাজত তেওঁলোক আগস্থান পাবলৈ সক্ষম হৈছিল।

## জানো আহা ঃ

প্ৰাচীন কালত ভাৰতলৈ অহা বিদেশী পৰ্যটকসকল

**মেগাস্থেনিছ্ ঃ** মেগাস্থেনিছ্ক গ্ৰীক ৰজা চেলুকাচ্ প্ৰথমে চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজসভালৈ দূত হিচাপে পঠাইছিল। তেওঁ মৌৰ্যসকলৰ ৰাজ্যত কটোৱা সময়ছোৱাতেই 'ইণ্ডিকা' নামৰ এখন গ্ৰন্থ লিখি উলিয়াইছিল, য'ত মৌৰ্যসকলৰ সময়ৰ সমাজ-সংস্কৃতি, অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ বিষয়ে বহুতো তথ্য সন্নিৱিষ্ট হৈ আছে।

**ফা-হিয়ান ঃ** ফা-হিয়ান এগৰাকী চীনা তীৰ্থযাত্ৰী আছিল। তেওঁ দ্বিতীয় চন্দ্ৰগুপ্তৰ দিনত ভাৰতলৈ আহিছিল। ফা-হিয়ানৰ টোকাত তেওঁ সেইসময়ৰ ভাৰতৰ বিষয়ে বহুখিনি তথ্য সন্নিৱিষ্ট কৰি থৈ গৈছে।

**হিউৱেন-চাং ঃ** হিউৱেন-চাং এগৰকী চীনা পৰিব্ৰাজক আছিল। তেওঁ প্ৰাচীন ভাৰতৰ ৰজা হৰ্ষবৰ্ধনৰ ৰাজত্বকালত ভাৰতলৈ আৰু কুমাৰ ভাস্কৰবৰ্মনৰ ৰাজত্বকালত তেঁওৰ আমন্ত্ৰণক্ৰমে কামৰূপলৈ আহিছিল। কামৰূপলৈ আহি হিউৱেন-চাঙে কামৰূপৰ বিষয়ে এটি সুদীৰ্ঘ বিৱৰণ লিখিছিল। এই বিৱৰণত তেওঁৰ 'চি-ইউ-কী' নামৰ গ্ৰন্থখনত সন্নিৱিষ্ট কৰা আছে।

## অনুশীলনী - ১

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা--

(ক) মৌৰ্য বংশৰ প্ৰতিষ্ঠাতা কোন আছিল?

(খ) অৰ্থশাস্ত্ৰ গ্ৰন্থখনৰ লেখক কোন?

(গ) বৰ্তমান ভাৰতৰ কোন অঞ্চলত মৌৰ্যসকলৰ ৰাজ্য অৱস্থিত আছিল?

(ঘ) মৌৰ্য ৰজাসকলৰ ভিতৰত কাক শ্ৰেষ্ঠ ৰজা বুলি জনা যায়?

(ঙ) শূংগ বংশৰ প্ৰতিষ্ঠাপক কোন?

(চ) পুষ্যমিত্ৰ শূংগ কোনটো বৰ্ণৰ লোক আছিল?

(ছ) গুপ্ত বংশৰ প্ৰতিষ্ঠাপক কোন?

(জ) মৌৰ্যসকলৰ সময়ত উচ্চ পদবীধাৰী বিষয়াসকলক কি বুলি জনা গৈছিল?

(ঝ) অশোকৰ শাসনকালত উচ্চ পদবীধাৰী বিষয়াসকলক কি বুলি কোৱা হৈছিল?

(ঞ) অধ্যক্ষ বোলা বিষয়াসকলৰ দায়িত্ব কি আছিল?

(ট) মৌৰ্যসকলৰ সময়ৰ প্ৰধান বৰ্ণকেইটা কি আছিল?

(ঠ) গুপ্তবংশৰ শ্ৰেষ্ঠ ৰজাজন কোন?

### ৯.২. দক্ষিণ ভাৰতৰ প্ৰধান ৰাজবংশ ঃ

মৌৰ্যসকলৰ সময়তে দক্ষিণ ভাৰতত কেইটামান ৰাজবংশই গা-কৰি উঠিছিল। তাৰ ভিতৰত প্ৰধান আছিল পাণ্ড্য, চোল আৰু চেৰাসকল। তিনিওটা ৰাজবংশই শাসন কৰা অঞ্চলবোৰ এটা আনটোৰ গাতে লাগি আছিল। বৰ্তমান তামিলনাডুৰ কিছু অংশজুৰি পাণ্ড্য বংশৰ শাসন চলিছিল। তেওঁলোকৰ ৰাজধানী আছিল মাডুৰাই। ৰোমানসকলৰ লগত তেওঁলোকৰ ব্যৱসায়িক সম্পৰ্ক আছিল। ৰোমান সম্ৰাট আগষ্টাছৰ ৰাজসভালৈ তেওঁলোকে কটকী পঠিয়াইছিল বুলিও জনা যায়। এওঁলোকৰ শাসনকালত ব্ৰাহ্মণসকলে বিভিন্ন ক্ষেত্ৰত আগস্থান লাভ কৰিছিল।




চিত্ৰ ৯.১১ ঃ সেইসময়ৰ দক্ষিণ ভাৰতৰ ৰাজ্যসমূহ

পাণ্ড্যসকলৰ ৰাজ্যৰ একেবাৰে কাষতে চোল নামৰ আন এটা ৰাজবংশই শাসন কৰিছিল। তেওঁলোকৰ শাসনৰ মূল কেন্দ্ৰ আছিল উৰাইয়ুৰ। চোলামণ্ডলম (বৰ্তমানৰ কৰ'মণ্ডল) আছিল এই বংশৰ প্ৰভাৱ থকা আন এক গুৰুত্বপূৰ্ণ অঞ্চল। তেওঁলোকৰ ৰাজধানী আছিল তামিলনাডুৰ কাবেৰীপট্টনম। এই অঞ্চলটো ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত আগবঢ়া আছিল। চোলসকলে কপাহী কাপোৰৰ ব্যৱসায় কৰি যথেষ্ট উপাৰ্জন কৰিছিল। আনটো গুৰুত্বপূৰ্ণ ৰাজবংশ চেৰাসকলে পাণ্ড্যসকলৰ পশ্চিম আৰু উত্তৰ দিশত শাসন কৰিছিল। চেৰাসকলৰ এই অঞ্চলক কেৰেলা

বুলিও জনা গৈছিল। বৰ্তমানৰ তামিলনাডু আৰু কেৰেলাৰ কিছু অংশ সামৰি এই বংশৰ শাসন চলিছিল।

ভাৰতবৰ্ষৰ দক্ষিণ অংশৰ কিছু অঞ্চলত এটা শক্তিশালী ৰাজবংশই শাসন কৰিবলৈ লৈছিল। এই বংশটোক সাতবাহন বংশ বুলি জনা যায়। তেওঁলোকক অন্ধ্ৰ বুলিও জনা গৈছিল। সাতবাহনসকলৰ শাসন কালৰ বিষয়ে ঠিৰাংকৈ ক'বপৰা নাযায়। তেওঁলোকে খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাৰ মাজভাগৰপৰা তৃতীয় খ্ৰীষ্টাব্দৰ মাজভাগলৈ শাসন কৰিছিল। ইয়াৰ উপৰি আন দুটা উল্লেখযোগ্য বংশ আছিল আধুনিক কৰ্ণাটকৰ বাদামীৰ চালুক্যসকল আৰু তামিলনাডুৰ কাঞ্চীপুৰমৰ পল্লৱসকল। প্ৰথম পুলকেশী নামৰ এগৰাকী ৰজাই বাদামীক ৰাজধানী হিচাপে লৈ চালুক্য বংশ প্ৰতিষ্ঠা কৰিছিল। চালুক্যসকলৰ আন দুটা শাখা আছিল ক্ৰমে লতা অঞ্চলত (এতিয়াৰ গুজৰাটত) আৰু ৰেংগীত (এতিয়াৰ অন্ধ্ৰপ্ৰদেশত)। দক্ষিণ ভাৰতৰ আন এটা বংশ আছিল পল্লৱ বংশ। এই বংশৰ প্ৰথমগৰাকী প্ৰখ্যাত ৰজা আছিল সিংহবিষ্ণু। অৱশ্যে তেওঁৰ আগতে আন কেইবাগৰাকীও ৰজাই শাসন কৰাৰ উল্লেখ পোৱা যায়। কাঞ্চীপুৰম আছিল পল্লৱ শাসকসকলৰ ৰাজধানী। এই পল্লৱসকলৰ শাসনকাল দক্ষিণ ভাৰতৰ স্থাপত্য আৰু শিল্পকলাৰ বিকাশৰ বাবে বিশেষভাৱে উল্লেখযোগ্য।

### ৯.২.১ প্ৰাচীন কালৰ দক্ষিণ ভাৰতৰ শাসন আৰু সমাজব্যৱস্থা ঃ

উত্তৰ ভাৰতৰ দৰে দক্ষিণ ভাৰতৰ ৰাজ্যবোৰকো কিছুমান প্ৰদেশত বিভক্ত কৰি শাসন চলোৱাৰ ব্যৱস্থা আছিল। প্ৰশাসনৰ সুবিধাৰ বাবে বিভিন্ন বিভাগৰো সৃষ্টি কৰা হৈছিল। প্ৰশাসনত মহিলাসকলৰ অংশগ্ৰহণো আছিল এটা বিশেষ দিশ। ব্ৰাহ্মণসকলে সমাজত এক উচ্চ আসন লাভ কৰিছিল। দক্ষিণ ভাৰতৰ শাসনব্যৱস্থাত মন্দিৰবোৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। মন্দিৰবোৰ কেৱল উপাসনাৰ স্থানেই নাছিল, মানুহৰ সাংস্কৃতিক আৰু সামাজিক জীৱনতো মন্দিৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।



উৎসঃ travelandleisureasia.com

**চিত্ৰ ৯.১২ ঃ** চোলাসকলে প্ৰতিষ্ঠা কৰা তাঞ্জোৰৰ বৃহদেশ্বৰ মন্দিৰ

প্ৰাচীন ভাৰতৰ অন্য অঞ্চলৰ দৰে দক্ষিণ ভাৰততো বেছিভাগ লোকেই গাঁৱত বাস কৰিছিল। কৃষি কৰ্ম আছিল তেওঁলোকৰ প্ৰধান বৃত্তি। গো-পালন, দুগ্ধ উৎপাদন, কাপোৰ বোৱা আদি আছিল তেওঁলোকৰ আনুষংগিক বৃত্তি।

**অনুশীলনী - ২**

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা--

(ক) মৌৰ্যবংশৰ সমসাময়িক দক্ষিণ ভাৰতৰ ৰাজবংশ তিনিটাৰ নাম লিখা।

(খ) পাণ্ড্যবংশৰ ৰাজধানী কি আছিল?

(গ) উৰাইয়ুৰ কোনখন ৰাজ্যৰ শাসনকেন্দ্ৰ আছিল?

(ঘ) চেৰাসকলৰ অঞ্চলটোক কি বুলি জনা গৈছিল?

(ঙ) কাক অন্ধ্ৰ বুলি জনা গৈছিল?

(চ) চালুক্য বংশৰ প্ৰতিষ্ঠাপক কোন?

(ছ) পল্লৱ বংশৰ প্ৰথম ৰজা কোন আছিল?

(জ) কাঞ্চীপুৰম কাৰ ৰাজধানী আছিল?

(ঝ) দক্ষিণ ভাৰতৰ লোকসকলৰ প্ৰধান বৃত্তি কি আছিল?

## ৯.৩ উত্তৰ-পূব ভাৰতৰ কামৰূপ ৰাজ্য ঃ

ছাত্ৰ-ছাত্ৰীসকল, মৌৰ্য, গুপ্ত আৰু আন ৰাজবংশবোৰৰ কথা পঢ়ি থাকোঁতে তোমালোকৰ নিশ্চয় জানিবলৈ মন গৈছে যে সেই সময়ত অসম আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলবোৰত কোনে শাসন চলাইছিল।

তোমালোকৰ বহুতে হয়তো কামাখ্যা মন্দিৰৰ লগত জড়িত কাহিনী এটা শুনিবলৈ পাইছা। কামাখ্যা দেৱীক সন্তুষ্ট কৰিবলৈ এগৰাকী প্ৰখ্যাত ৰজা নৰকাসুৰে একে ৰাতিৰ ভিতৰতে এটা খট্‌-খটি নিৰ্মাণ কৰিবলৈ চেষ্টা কৰিছিল। শিক্ষকক সুধি তোমালোকে কাহিনীটোৰ সবিশেষ জানিবলৈ চেষ্টা কৰিবা। এই কাহিনীটোত উল্লেখ থকা ৰজাজন আচলতে অসমত শাসন কৰা কিংবদন্তীয় ৰজা নৰক। লিখিত তথ্যসমূহৰ মতে ঐতিহাসিক অসমত ভৌম-নৰক নামৰ দানৱ বংশই ৰাজত্ব কৰিছিল। মহীৰঙ্গ দানৱ আছিল এই বংশৰ প্ৰথমজন কিংবদন্তীয় ৰজা।

বৰ্তমানৰ অসম আৰু ইয়াৰ সীমামূৰীয়া কিছু এলেকাক সামৰি অঞ্চলটোক প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ নামেৰেও জনা গৈছিল। প্ৰাচীন কামৰূপৰ পৰম্পৰাগত ৰজাসকলক কিংবদন্তী ৰজা বুলিও কোৱা হয়। কাৰণ তেওঁলোকৰ লগত বহুতো কিংবদন্তী, কাহিনী আদি জড়িত হৈ আছে। মহাভাৰতত উল্লেখ থকা কামৰূপৰ ৰজা ভগদত্তও এগৰাকী কিংবদন্তী ৰজা।

প্ৰাচীন কামৰূপত শাসন কৰা প্ৰথমটো ঐতিহাসিক বংশ আছিল বৰ্মন বংশ। এই বংশৰ প্ৰতিষ্ঠাতা আছিল পুষ্যবৰ্মন। পুষ্যবৰ্মনৰ পিছত ক্ৰমে সমুদ্ৰবৰ্মন, বলবৰ্মন, কল্যাণবৰ্মন, মহেন্দ্ৰবৰ্মন, ভূতিবৰ্মন, চন্দ্ৰমুখবৰ্মন, স্থিতবৰ্মন আৰু সুস্থিতবৰ্মন ৰজা হৈছিল। সুস্থিতবৰ্মনৰ পাছত শাসন কৰা বৰ্মন বংশৰ শেষৰজন ৰজা আছিল ভাস্কৰবৰ্মন। তেওঁক বৰ্মন বংশৰ শ্ৰেষ্ঠ ৰজা বুলি কোৱা হয়। তেওঁৰ আমন্ত্ৰণক্ৰমে চীনা পৰিব্ৰাজক হিউৱেনচাঙ অসমলৈ আহিছিল।

**তালিকা ৯.৩**

বৰ্মন বংশৰ প্ৰখ্যাত ৰজাসকল আৰু তেওঁলোকৰ শাসনকাল

| সম্ৰাট | শাসন কাল |
|---|---|
| পুষ্যবৰ্মন | আনুমানিক ৩৫০ খ্ৰীষ্টাব্দৰপৰা ৩৮০ খ্ৰীষ্টাব্দলৈ |
| ভাস্কৰবৰ্মন | আনুমানিক ৫৯৪ খ্ৰীষ্টাব্দৰপৰা ৬১০ খ্ৰীষ্টাব্দলৈ |

ভাস্কৰ বৰ্মনৰ শাসনকালত কামৰূপ এখন প্ৰভাৱশালী ৰাজ্যৰূপে বিকশিত হয়। শিক্ষা, সাহিত্য আদি বিষয়ত তেওঁৰ প্ৰবল ধাউতি আছিল আৰু এইবোৰৰ প্ৰসাৰৰ হকে তেওঁ কাম কৰিছিল। তেওঁ সিংহাসনত আৰোহণ কৰিয়েই ৫৯৪ খ্ৰীষ্টাব্দত এটা নতুন বছৰ গণনাৰ প্ৰচলন কৰিছিল। ইয়াকে ভাস্কৰাব্দ বুলি কোৱা হয়। তেওঁৰ শাসনকালত ৰাজ্যত শান্তি-শৃংখলা অটুট আছিল বুলি ধাৰণা কৰিব পাৰি। প্ৰশাসন ব্যৱস্থাও তেওঁ দক্ষতাৰে পৰিচালনা কৰিছিল। তেওঁক দুৰ্বলসকলৰ ৰক্ষাকৰ্তা বুলিও কোৱা হৈছিল। বৰ্মন বংশৰ শাসন ৬৫০ খ্ৰীষ্টাব্দলৈ চলিছিল। তাৰ পাছত ক্ৰমে শালস্তম্ভ বংশ আৰু পাল বংশৰ ৰজাসকলে কামৰূপ ৰাজ্য শাসন কৰিছিল।

### ৯.৩.১ কামৰূপ ৰাজ্যৰ শাসন আৰু সমাজ ব্যৱস্থা ঃ

প্ৰাচীন কামৰূপৰ শাসন ব্যৱস্থাত ৰজা আছিল প্ৰধান ক্ষমতাশালী লোক। গুপ্তসকলৰ দৰে ইয়াতো ৰাজ্যখন বিভিন্ন প্ৰশাসনিক গোটত বিভক্ত কৰা হৈছিল। তেনে গোটবোৰক 'বিষয়' বুলি জনা গৈছিল। পিছলৈ 'ভুক্তি' নামৰ এক অন্য ধৰণৰ গোটৰ কথা জনা যায়। স্থানীয় প্ৰশাসনৰ বাবে আন কেতবোৰ সৰু সৰু ভাগ আছিল। সামৰিক প্ৰশাসনৰ বাবে বিভিন্ন বিষয়া নিয়োগ কৰা হৈছিল আৰু ৰজাই এইক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।

সমাজ ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰাচীন কামৰূপত আদিতে জাতি-বৰ্ণহীন সমাজ এখন আছিল যদিও পাছলৈ ইয়াতো আৰ্য সমাজৰ বৰ্ণ ব্যৱস্থাই গা-কৰি উঠিছিল। এই ব্যৱস্থাত ব্ৰাহ্মণসকলে সমাজত সকলোতকৈ উচ্চ আসন লাভ কৰাৰ বিপৰীতে শূদ্ৰসকল আছিল সমাজৰ একেবাৰে তলৰ লোক। ইয়াৰ সমান্তৰালভাৱে বৰ্ণ ব্যৱস্থাৰদ্বাৰা প্ৰভাৱিত নোহোৱা জনজাতীয় সমাজ এখনো এই অঞ্চলত বৰ্তি আছিল। সেই সময়ত সমাজত মহিলাসকলে

গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল।

ভাৰতৰ বাকী ঠাইবোৰৰ দৰে এই অঞ্চলৰ লোকসকলৰো প্ৰধান জীৱিকা আছিল কৃষি। ইয়াৰ লগতে কাপোৰ বোৱা, কাঁহ-পিতল বা মাটিৰ পাত্ৰ তৈয়াৰ কৰা আদিও আছিল কিছুমান উল্লেখনীয় বৃত্তি।

**অনুশীলনী - ৩**

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা--

(ক) প্ৰাচীন কামৰূপৰ প্ৰথমটো ঐতিহাসিক বংশৰ নাম কি?

(খ) কোনজন কামৰূপৰ ৰজাই ভাস্কৰাব্দ নামৰ নতুন চনৰ প্ৰৱৰ্তন কৰিছিল?

(গ) বৰ্মন বংশৰ শ্ৰেষ্ঠ ৰজা কোন আছিল?

(ঘ) চীনা পৰিব্ৰাজক হিউৱেন চাং কামৰূপলৈ কেতিয়া আহিছিল?

(ঙ) বিষয় বুলিলে কি বুজা?

(চ) কামৰূপ ৰাজ্যৰ কেইটামান উল্লেখযোগ্য বৃত্তিৰ নাম লিখা।

## ৯.৪ প্ৰাচীন ভাৰতত সাহিত্য আৰু সাংস্কৃতিৰ বিকাশ ঃ

গুপ্ত শাসনকালত সাহিত্যৰ উল্লেখনীয় বিকাশ হৈছিল। কালিদাসে সংস্কৃত ভাষাত ৰচনা কৰা- ৰঘুবংশম, মালৱিকাগ্নিমিত্ৰম, অভিজ্ঞান-শকুন্তলম্, কুমাৰসম্ভৱম, মেঘদূতম্, ঋতুসংহাৰম আদি ইয়াৰ উৎকৃষ্ট উদাহৰণ। তেওঁৰ এই কাব্যসমূহক ভাৰতীয় সাহিত্যৰ অমূল্য সম্পদ বুলি গণ্য কৰা হয়। সেই যুগৰ আন প্ৰখ্যাত লেখকসকলৰ ভিতৰত আছিল হৰিসেন, অশ্বঘোষ আৰু ভাৰৱী। প্ৰখ্যাত এলাহাবাদ প্ৰশস্তিৰ লেখক আছিল হৰিসেন। বিশাখাদত্তৰ মুদ্ৰাৰাক্ষস আৰু শূদ্ৰকৰ মৃচ্ছকটিকম্ গুপ্তযুগত লিখা আন দুখন বিখ্যাত গ্ৰন্থ। ভাগৱত স্কন্ধ আৰু কেইবাখনো পুৰাণ, যেনে, শিৱ, বায়ু আৰু মৎস্য পুৰাণ গুপ্তযুগতে ৰচনা কৰা হৈছিল। সংস্কৃত ভাষাৰ প্ৰথমখন অভিধান অমৰকোষ গুপ্ত যুগতে ৰচিত হৈছিল। দ্বিতীয় চন্দ্ৰগুপ্তৰ সভাসদ অমৰসিংহই এই অভিধান প্ৰণয়ন কৰিছিল। সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত হোৱা এনেবোৰ বিকাশৰ বাবেই গুপ্তযুগক 'সোণালী যুগ' বুলি অভিহিত কৰা হয়।

সাহিত্যৰ ক্ষেত্ৰত দক্ষিণ ভাৰত যথেষ্ট আগবঢ়া আছিল। এই অঞ্চলত সংস্কৃত, তামিল, তেলেগু, কানাড়া, মালায়ালাম আদি ভাষাত বহু নাটক, পদ্য আদি সাহিত্য ৰচিত হৈছিল। বিজ্ঞান, চিকিৎসা আদি বিষয়তো বহু গ্ৰন্থ এইবোৰ ভাষাত ৰচিত হৈছিল।

প্ৰাচীন ভাৰতবৰ্ষৰ আন কেতবোৰ উল্লেখযোগ্য সাহিত্যকৃতি, মন্দিৰ আৰু আন আন প্ৰখ্যাত স্থাপত্য -ভাস্কৰ্যৰ তালিকা এখন তলত দিয়া হৈছে। এইবোৰৰ বিষয়ে তোমালোকে পৰৱৰ্তী সময়ত বিতংকৈ জানিব পাৰিবা।

**তালিকা ৯.৪**

**প্ৰাচীন ভাৰতৰ পালি ভাষাত লিখা সাহিত্যসমূহ**

| গ্ৰন্থ/ সাহিত্য | লেখক |
|---|---|
| বৌদ্ধ ধৰ্মৰ ধৰ্মগ্ৰন্থ ত্ৰিপিটক। সুত্ত, বিনয় আৰু অবিধম্মপিটক-- এই তিনিখনক একেলগে ত্ৰিপিটক বুলি কোৱা হয়। | বুদ্ধদেৱৰ বাণীসমূহ পৰৱৰ্তী সময়ত তেওঁৰ শিষ্যসকলে লিখি উলিয়াই এই তিনিখন পিটক সংকলিত কৰিছিল বুলি জনা যায়। |
| মিলিন্দপান্‌হো | নাগেশ্বৰ |
| দীপবংশ, মহাবংশ | বিভিন্ন বৌদ্ধ ধৰ্মগুৰুৱে বিভিন্ন সময়ত ৰচনা কৰিছিল। এই দুয়োখন অৱশ্যে শ্ৰীলংকাত ৰচিত হৈছিল। |

| তালিকা ৯.৫ | |
|---|---|
| প্ৰাচীন ভাৰতৰ প্ৰাকৃত ভাষাত লিখা সাহিত্যসমূহ | |
| গ্ৰন্থ/ সাহিত্য | লেখক |
| অংগ, উপাংগ, প্ৰাৰিকৰ্ণ, চেয়া সুত্ত আদি জৈন ধৰ্মীয় প্ৰাকৃত ভাষাত লিখা গ্ৰন্থ | জৈন ধৰ্মৰ প্ৰৱৰ্তক মহাবীৰৰ শিষ্যসকলে এই শ্ৰেণীৰ সাহিত্য সৃষ্টি কৰিছিল বুলি কোৱা হয়। |

| তালিকা ৯.৬ | |
|---|---|
| প্ৰাচীন ভাৰতৰ সংস্কৃত ভাষাৰ সাহিত্যসমূহ | |
| গ্ৰন্থ/ সাহিত্য | লেখক |
| বৈদিক সাহিত্যসমূহ<br>বেদ মূলতঃ চাৰিখন-- ঋকবেদ, সামবেদ, যজুৰবেদ আৰু অথৰ্ব বেদ। প্ৰতিখন বেদৰ আকৌ চাৰিটাকৈ ভাগ আছে, যেনে, সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। | বেদৰ কোনো নিৰ্দিষ্ট লেখক নাছিল। |
| মহাকাব্য দুখন-- ৰামায়ণ আৰু মহাভাৰত। | মহাভাৰত ব্যাসদেৱৰ ৰচনা বুলি কোৱা হয়। অৱশ্যে ইতিহাসবিদসকলে বিভিন্ন দিশ অধ্যয়ন কৰি মত পোষণ কৰিছে যে এয়া এজন লোকে লিখি উলিওৱা গ্ৰন্থ নহ'বও পাৰে।<br>ৰামায়ণৰ মূল অংশৰ লেখক আছিল বাল্মিকী। অৱশ্যে মহাভাৰতৰ দৰে ইয়াৰো কিছু অংশ পাছলৈ আন লোকৰ সংযোজন বুলি ধৰা হয়। |
| পুৰাণসমূহ<br>১৮ খন মহাপুৰাণৰ কথা জনা যায়। | পুৰাণসমূহৰো লেখকৰ বিষয়ে সবিশেষ জনা নাযায়। |
| বুদ্ধচৰিত | অশ্বঘোষ |
| পঞ্চৰাত্ৰ, স্বপ্ন-বাসবদত্তা আদি | ভাস |
| মুদ্ৰাৰাক্ষস | বিশাখাদত্ত |
| হৰ্ষচৰিত | বাণভট্ট |
| পৰিস্থিতপাৰ্বন | হেমচন্দ্ৰ |
| অৰ্থশাস্ত্ৰ | কৌটিল্য |
| মহাবীৰচৰিত | ভৱভূতি |

| তালিকা ৯.৭ | |
|---|---|
| কীৰ্তিচিহ্নসমূহৰ নাম | স্থান |
| খাজুৰাহো | মধ্যপ্ৰদেশ |
| কৈলাশ শিৱ মন্দিৰ | ইলোৰা |

| | |
|---|---|
| বৃহদেশ্বৰ মন্দিৰ | তামিলনাড়ু |
| সূৰ্য মন্দিৰ | উৰিষ্যা |
| বিৰূপাক্ষ মন্দিৰ | কৰ্ণাটক |
| মিনাক্ষী মন্দিৰ | তামিলনাড়ু |
| লিংগৰাজ মন্দিৰ | ওড়িছা |
| অজন্তা আৰু ইলোৰা গুহাসমূহ | মহাৰাষ্ট্ৰ |
| সাঁচিৰ বৌদ্ধ স্তুপসমূহ | মধ্যপ্ৰদেশ |
| সাৰনাথৰ স্তম্ভ | উত্তৰ প্ৰদেশ |

## অনুশীলনী - ৪

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা--

(ক) গুপ্তযুগক কিয় সোণালী যুগ বুলি কোৱা হৈছিল?

(খ) কালিদাসে লিখা তিনিখন নাটকৰ নাম লিখা।

(গ) বৰ্তমানৰ নাম প্ৰয়াগৰাজ প্ৰশস্তিৰ লেখক কোন আছিল?

(ঘ) দ্বিতীয় চন্দ্ৰগুপ্তৰ সভাসদ অমৰসিংহই ৰচনা কৰা অভিধানখনৰ নাম কি?

(ঙ) দক্ষিণ ভাৰতত কি কি ভাষাত নাটক, কবিতা আদি ৰচনা কৰা হৈছিল?

**ধাৰণা চিত্ৰ (Concept Map) ঃ**



**শব্দাৰ্থ ঃ**

**অমাত্য ঃ** মৌৰ্য শাসনব্যৱস্থাৰ উচ্চপদত নিযুক্ত বিষয়া

**ভুক্তি ঃ** গুপ্তসকলে শাসনৰ সুবিধাৰ্থে দেশখনক ভাগ কৰি লোৱা সৰু এটা খণ্ড

**অস্পৃশ্য ঃ** স্পৰ্শৰ যোগ্য নহয় বুলি ভবা ধাৰণা

**কিংবদন্তী ঃ** ইতিহাস আৰু কল্পনাৰ সংমিশ্ৰণত মুখে মুখে প্ৰচলিত

**পালি ঃ** ভাৰতৰ এক ধ্ৰুপদী ভাষা। বৌদ্ধ ধৰ্মৰ বেছিভাগ লিখনি এই ভাষাতেই লিখা

**প্ৰাকৃত ঃ** প্ৰাচীন ভাৰতৰ জনসাধাৰণৰ মাজত প্ৰচলিত ভাষা৷



**দলগত কাৰ্য ঃ**

ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সূত্ৰৰ সহায় লৈ লগতে শিক্ষকৰ সহায়ত লগত দিয়া ৰাজবংশ সমূহৰ ৰজাৰ নাম আৰু শাসনকালৰ তালিকা প্ৰস্তুত কৰিব-- চোল, চালুক্য, সাতবাহন, বৰ্মনবংশ

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

অশোক স্তম্ভ চাই উত্তৰ দিয়া--

(ক) অশোক চক্ৰই কি সূচায়?

(খ) অশোক চক্ৰৰ তলত খোদিত 'সত্যমেৱ জয়তে' বাক্যশাৰী ক'ত ক'ত দেখিবলৈ পোৱা?



## পাঠ ১০
# ভাৰতীয় সংস্কৃতিৰ ভেটি

V1Y7F5

ভাৰতীয় সংস্কৃতি কেইবাহাজাৰ বছৰ পুৰণি। আন আন সংস্কৃতিৰ দৰে ইয়াৰো বহুত উপাদান আছে। তাৰ ভিতৰত শিল্প, সাহিত্য, ধৰ্ম, বিজ্ঞান, চিকিৎসা, প্ৰশাসনিক ব্যৱস্থা, সংগীত, নৃত্য, সমৰ কলা আদি প্ৰধান। মানৱ জীৱন আৰু জগত সম্পৰ্কে একে ধৰণৰ ধাৰণা থকা চিন্তাশীল আৰু আধ্যাত্মিক সাধকৰ গোটো আমাৰ দেশখনত আছে। সেই গোটবোৰৰ উমৈহতীয়া ধাৰণাই একোটা মতবাদৰো উন্মেষ ঘটায়। এনে কিছুমান মতবাদ বা চিন্তাধাৰাৰ শিপা প্ৰাচীন হিন্দু সভ্যতাতে নিহিত হৈ থকা দেখা যায়। অৱশ্যে সময়ৰ গতিত দেশখনত নানা ধৰণৰ মতবাদৰ উত্থান আৰু প্ৰসাৰ ঘটিছে। এইবোৰে ভাৰতৰ সংস্কৃতিক এটা চহকী ৰূপ দিছে। এনে ধৰণৰ প্ৰাথমিক চিন্তাধাৰা আৰু তাৰ অন্তৰালৰ মূল কথাবোৰ ভালদৰে বুজিব পাৰিলে ভাৰতীয় সংস্কৃতি সম্বন্ধে জ্ঞান লাভ কৰাৰ ক্ষেত্ৰত বিশেষ সুবিধা হ'ব।

বেদ হৈছে সংস্কৃত ভাষাত ৰচিত ভাৰতৰ প্ৰাচীন আৰু পৱিত্ৰ গ্ৰন্থ। সংস্কৃত ভাষাত 'বেদ' মানে হ'ল 'জ্ঞান'। সেয়ে বেদক জ্ঞান আৰু প্ৰজ্ঞাৰ উৎস বুলি গণ্য কৰা হয়। খ্ৰীষ্টপূৰ্ব ১৫০০ ৰ পৰা ৫০০ ৰ ভিতৰত ঋগবেদ, সামবেদ, যজুৰ্বেদ আৰু অথৰ্ববেদ প্ৰণয়ন কৰা হৈছিল। বেদৰ ৰচনাৰ পূৰ্বে ইয়াৰ স্তোত্ৰ বা মন্ত্ৰবোৰ মুখে মুখে প্ৰচলিত আছিল। পৰৱৰ্তী কালতহে ঋষি-মুনিসকলে ইয়াক কাব্যিক ভাষাৰে লিখিত ৰূপ দিয়ে। বেদৰ ৰচনাৰ পাছতেই ব্ৰাহ্মণ্যক, আৰণ্যক আৰু উপনিষদসমূহ প্ৰণয়ন কৰা হৈছিল।

সম্প্ৰতি লুপ্ত  হোৱা সৰস্বতী নদীৰ পাৰত আৰ্যসকলে প্ৰথমে বাস কৰিবলৈ লৈছিল। এই অঞ্চলটোক সপ্তসিন্ধু নামেৰে জনা যায়। লাহে লাহে আৰ্যসকলৰ প্ৰতিপত্তি বাঢ়ি আহিছিল আৰু স্থানীয় লোকসকলক পৰাভূত কৰি তেওঁলোকে গংগা উপত্যকাত নিজৰ খোপনি পুতিবলৈ সমৰ্থ হৈছিল।

### ১০.১ বৈদিক যুগৰ সমাজ ঃ

বৈদিক যুগৰ সমাজ পিতৃপ্ৰধান আছিল। পিতৃ আছিল পৰিয়ালৰ মুৰব্বী। পৰিয়াল আছিল আটাইতকৈ সৰু গোট যাক 'কুল' বা 'গৃহ' বুলি জনা গৈছিল। গৃহ বা পৰিয়ালৰ মুৰব্বীজনক গৃহপতি বোলা হৈছিল। তদুপৰি আমি গ্ৰাম, বিশ আৰু জনৰ কথাও পাওঁ। 'গ্ৰাম' হ'ল কেইটামান 'কুল' বা পৰিয়ালৰ সমষ্টি। 'গ্ৰাম'ৰ মুৰব্বীজনক 'গ্ৰামণী' বোলা হৈছিল। কেইবাখনো 'গ্ৰাম' বা গাঁও লগ লাগি একোখন 'বিশ' গঠিত হৈছিল আৰু বিশৰ মুৰব্বীজনক 'বিশপতি' বোলা হৈছিল। আনহাতে কেইবাখনো বিশ লগ লাগি একোখন 'জন' গঠিত হৈছিল। 'জন' আছিল আটাইতকৈ ডাঙৰ ৰাজনৈতিক আৰু প্ৰশাসনীয় গোট যাৰ মুৰব্বীজনক 'ৰাজন' বোলা হৈছিল। সেনানী আৰু পুৰোহিতে ৰাজনক কাম-কাজত সহায় কৰিছিল। ইয়াৰ উপৰি ৰাজনক সহায় কৰিবলৈ সভা আৰু সমিতিও আছিল। যদিও এই সমাজখন পুৰুষপ্ৰধান আছিল, ধৰ্মীয় আৰু ৰাজনৈতিক কাম-কাজত মহিলাসকলেও সমানেই অংশ গ্ৰহণ কৰিছিল।  বৈদিক যুগৰ কেইগৰাকীমান উল্লেখযোগ্য নাৰী হ'ল— বিশ্বৱাৰা, লোপামুদ্ৰা, ঘোষ, অপলা আদি। তেওঁলোকে বেদ, স্তোত্ৰ ৰচনা কৰাৰ উপৰি সভা আৰু সমিতিতো অংশ গ্ৰহণ কৰিছিল।

### ১০.১.১ বৈদিক চিন্তাধাৰা

বৈদিক সংস্কৃতিয়ে ব্যক্তি আৰু গোষ্ঠীৰ উপকাৰৰ হকে 'যজ্ঞ' নামৰ আচাৰ-অনুষ্ঠানৰ ব্যৱস্থা কৰিছিল। অগ্নি দেৱতাৰ প্ৰাৰ্থনা আছিল দিনটোৰ প্ৰধান উপাসনা কৰ্ম। সময়ৰ গতিত দৈনন্দিন ৰীতি-নীতিৰ যথেষ্ট পৰিৱৰ্তন ঘটে। ন ন বিশ্বাস আৰু কৰ্মই সমাজক প্ৰভাৱিত কৰিবলৈ ধৰে।

উপনিষদে বৈদিক ধাৰণাৰ বিস্তাৰ সাধন কৰি  পুনৰ জন্ম আৰু কৰ্ম আদি নতুন ধাৰণাৰ প্ৰৱৰ্তন কৰিছিল। আনহাতে, বেদান্তত 'ব্ৰহ্ম' তত্ত্বক মানুহৰ জীৱন, প্ৰকৃতি আৰু বিশ্ব ব্ৰহ্মাণ্ডৰ মূল বুলি কোৱা হৈছে। ইয়াত 'ব্ৰহ্ম' এক ঐশ্বৰিক সত্তা। খ্ৰীষ্টপূৰ্ব প্ৰথম সহস্ৰাব্দৰ আৰম্ভণিতে বেদৰপৰা যোগাসনকে ধৰি বিভিন্ন চিন্তাধাৰাৰ উত্থান

ঘটিছিল। এইবোৰেই ‘হিন্দু ধৰ্ম’ ৰ ভেটি নিৰ্মাণ কৰিছিল।

বেদত উল্লেখ থকা মূল ধাৰণাকেইটা হ’ল--

- ধৰ্ম, অৰ্থাৎ সৎ পথত থাকি নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰা।
- কৰ্ম, অৰ্থাৎ সৎ বা ভাল কৰ্মৰ ফল সদায় ভাল আৰু অসৎ বা বেয়া কৰ্মৰ ফল সদায় বেয়া।
- মোক্ষ, অৰ্থাৎ আধ্যাত্মিক চিন্তা-চৰ্চাৰ জৰিয়তে জন্ম আৰু মৃত্যুৰ চক্ৰৰপৰা মুক্তি লাভ কৰা।

বেদ কেৱল ধৰ্মীয় গ্ৰন্থই নহয়; ই শিল্প, বিজ্ঞান, দৰ্শন আদি বিভিন্ন দিশ সাঙুৰি লৈছে। সেয়ে ভাৰতৰ সমাজ-সংস্কৃতিত বেদৰ গুৰুত্ব অপৰিসীম।

**অনুশীলনী - ১**

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) ‘বেদ’ মানে কি?

(খ) গ্ৰাম কি?

(গ) বৈদিক যুগৰ উল্লেখযোগ্য নাৰী কেইগৰাকীমানৰ নাম লিখা।

২) বৈদিক যুগৰ সমাজ ব্যৱস্থাৰ বিষয়ে এটি টোকা লিখা।

৩) বেদত উল্লেখ থকা মূল ধাৰণাকেইটা কি কি?

## ১০.২ প্ৰাচীন ভাৰতত প্ৰচলিত আন আন ধৰ্মীয় বিশ্বাস ঃ

প্ৰাচীন ভাৰতত হিন্দু ধৰ্মৰ প্ৰচলনৰ কথা আমি পুৰাণ, আন ধৰ্মীয় গ্ৰন্থ আৰু সেই সময়ৰ স্থাপত্য-ভাস্কৰ্যৰপৰা গম পাওঁ। পৌৰাণিক বিশ্বাস অনুসৰি তাৰ অনুগামী বা বিশ্বাসীসকলে বিভিন্ন ধৰণৰ ব্ৰত, তীৰ্থযাত্ৰা আদি সম্পাদন কৰিছিল। অৱশ্যে দেশখনৰ সকলো অংশতে যে একেধৰণৰ প্ৰথা চলি আহিছিল, তেনে নহয়। ইয়াৰ সমান্তৰালকৈ অঞ্চলবিশেষে স্থানীয় লোকবিশ্বাস, পূজা-অৰ্চনা আদিৰো প্ৰচলন আছিল। বিভিন্ন উৎসৰপৰা আমি জানিব পাৰোঁ যে প্ৰাচীন ভাৰতৰ চুকে-কোণে দেৱ-দেৱীৰ উপৰি হিন্দুধৰ্মৰ স্থানীয় বহুতো দেৱতাৰ উপাসনা চলিছিল যেনে, যক্ষ-যক্ষী, নাগ, গন্ধৰ্ব, বিদ্যাধৰ, অপ্সৰা আদি। ইয়াৰ সমানে প্ৰকৃতিৰ উপাসনাও প্ৰচলিত আছিল।

সময়ৰ গতিত তন্ত্ৰ-সাধনাৰো (Tantrism) উদ্ভৱ হয়। হিন্দু ধৰ্মত ভিন্-ভিন্ পন্থা, যেনে, বৈষ্ণৱ, শাক্ত, শৈৱ আদি পন্থাৰ প্ৰসাৰ ঘটে। শিৱ, বিষ্ণু আৰু দেৱীৰ ভিন্-ভিন্ ৰূপক মানুহে উপাসনা কৰিবলৈ লয়। তদুপৰি স্থানীয়ভাৱে ভিন্-ভিন্ দেৱ-দেৱীৰ উপাসনাৰ তথ্যও ইতিমধ্যে লাভ কৰা হৈছে।



চিত্ৰ ১০.১ ঃ গন্ধৰ্বৰ মূৰ্তি



চিত্ৰ ১০.২ ঃ নাগ মূৰ্তি

## ১০.৩ অন্যান্য মতবাদ আৰু জনজাতীয় বিশ্বাস ঃ

ভাৰতীয় সংস্কৃতিয়ে বিভিন্ন দিশত বৈচিত্ৰ্যক আঁকোৱালি লৈছে। ইয়াৰ চানেকি ভাৰতত প্ৰচলিত বিভিন্ন মতবাদ আৰু ধৰ্মীয় বিশ্বাস সমূহত ফুটি উঠিছে। বেদ ভিত্তিক ধৰ্মীয় বিশ্বাসৰ উপৰি আমাৰ দেশত জড়বাদ, জৈনমত, বুদ্ধমত আৰু বিভিন্ন জনজাতীয় বিশ্বাসৰ প্ৰচলন আছিল। চাৰ্বাক, মহাবীৰ আৰু গৌতম বুদ্ধই ক্ৰমে জড়বাদ, জৈনমত আৰু বুদ্ধমতৰ প্ৰচাৰ কৰিছিল।

### ১০.৩.১ জড়বাদ ঃ

জড়বাদৰ প্ৰচাৰক আছিল চাৰ্বাক। চাৰ্বাকৰ জড়বাদী দৰ্শনৰ আগতেও ভাৰতীয় দৰ্শনত জড়বাদৰ উল্লেখ থকা বুলি কোৱা হয়। কিন্তু তাৰ বিশেষ তথ্য লাভ কৰা নাযায়। এই মতবাদ নাস্তিক আৰু বেদ বিৰোধী। চাৰ্বাক তথা তেওঁৰ অনুগামীসকলে জড়বস্তুকে পৰমসত্তা বুলি স্বীকাৰ কৰে। সেয়েহে এই মতবাদক জড়বাদ বোলা হয়। সাধাৰণ মানুহৰ মাজত লোকপ্ৰিয় হোৱা কাৰণে ইয়াক লোকায়ত বুলিও জনা যায়। ধাৰণা কৰা হয় যে দাৰ্শনিক বৃহস্পতিয়ে প্ৰথম জড়বাদৰ ধাৰণা প্ৰকাশ কৰিছিল।

ভাৰতৰ আধ্যাত্মিকতাৰ মূল চিন্তাধাৰাৰপৰা চাৰ্বাকৰ জড়বাদ সম্পূৰ্ণ পৃথক। এই মতবাদে ভগৱান, আত্মা-পৰমাত্মা আদি বিশ্বাস নকৰে। জড়বাদৰ মতে মাটি, পানী, অগ্নি আৰু বায়ু হ'ল মূল। জড়বাদৰ মতে বিশ্ব-ব্ৰহ্মাণ্ড পৰিচালিত হ'বলৈ কোনো আধ্যাত্মিক সত্ত্বা বা শক্তি নাই। এই মতবাদ অনুসৰি বাস্তৱ জীৱনৰ উন্নতিৰ কাৰণে মানুহে পৰজনমৰ কথা ভাবি ধৰ্মীয় সাধনা কৰাতকৈ চাৰুশিল্পৰ চৰ্চা কৰা বেছি উপযোগী।

**অনুশীলনী - ২**

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) জড়বাদৰ প্ৰচাৰক কোন আছিল?

(খ) লোকায়ত বুলিলে কি বুজা?

(গ) কোনে প্ৰথম জড়বাদৰ ধাৰণা প্ৰকাশ কৰিছিল?

(ঘ) জড়বাদৰ মতে জগতৰ সকলো বস্তু কোনকেইটা উপাদানৰ সমষ্টি?

### ১০.৩.২ জৈন মতবাদ ঃ

মহাবীৰ আছিল জৈন মতবাদৰ প্ৰৱৰ্তক আৰু প্ৰচাৰক। জৈন ধৰ্মত মুঠ ২৪ (চৌবিশ) জন তীৰ্থংকৰ থকা বুলি বিশ্বাস কৰা হয়। মহাবীৰ আছিল শেষৰজন তীৰ্থংকৰ। প্ৰথম তীৰ্থংকৰজনৰ নাম আছিল ঋষভনাথ বা আদিনাথ।

মহাবীৰে লিচ্চভি সংঘৰাজ্যৰ ক্ষত্ৰিয় দলপতি এজনৰ ঘৰত জন্ম লাভ কৰিছিল। ৰাজকুমাৰ হিচাপে জন্ম লাভ কৰিলেও তেওঁ সংসাৰৰ মায়া-মোহৰ প্ৰতি আসক্ত নাছিল। সেয়েহে ৩০ বছৰ বয়সত তেওঁ ঘৰৰপৰা ওলাই গৈ সন্ন্যাসীৰ জীৱন-যাপন কৰিছিল। সুদীৰ্ঘ ১২ বছৰ কাল কঠোৰ তপস্যাত ব্ৰতী থকাৰ পাছত তেওঁ 'আত্মজ্ঞান' বা 'কৈৱল্য' লাভ কৰে। তেওঁ ইন্দ্ৰিয় জয় কৰিছিল বা কাম, ক্ৰোধ, লোভ, মোহ আদিৰপৰা নিজকে আঁতৰাই ৰাখিব পাৰিছিল বাবে তেওঁক 'জিন', 'জিতেন্দ্ৰীয়' আৰু 'মহাবীৰ' হিচাপে গণ্য কৰা হৈছিল। সুদীৰ্ঘ ৩০ বছৰ কাল কোশল, মগধ, মিথিলা, বিদেহ, অংগ আদি বিভিন্ন ঠাইত তেওঁ নিজৰ অনুগামীসকলৰ সৈতে জৈন মতবাদ প্ৰচাৰ কৰি ৭২ বছৰ বয়সত



উৎসঃ wikimedia.org

**চিত্ৰ ১০.৩ ঃ** বৰ্ধমান মহাবীৰ

ইহলীলা সম্বৰণ কৰে। তেওঁৰ মতবাদবোৰে অতি সোনকালে এটা ধৰ্মৰ ৰূপ পায় যাক জৈন ধৰ্ম বুলি অভিহিত কৰা হয়। ইয়াৰ অনুগামীসকলক জৈন বুলি কোৱা হয়।

মহাবীৰে সংসাৰৰ সকলো মায়া-মোহ ত্যাগ কৰি জীৱন-যাপন কৰাৰ উপদেশ দিছিল। অহিংসাই জৈন ধৰ্মৰ মূল নীতি। যাগ-যজ্ঞ, জাতিভেদ আৰু বলি-বিধান এই ধৰ্মত নিষিদ্ধ। সীমিত সম্পত্তি আৰু মিতব্যয়ী জীৱন-নিৰ্বাহত জৈন ধৰ্মই গুৰুত্ব দিয়ে। এই ধৰ্মই পুনৰ জন্ম আৰু কৰ্মফলত বিশ্বাস কৰে। সৎ কৰ্ম, সৎ জ্ঞান আৰু সৎ ব্যৱহাৰ --এই তিনিটা নীতি মানি চলিলে আত্মাই পুনৰ জন্মৰ কষ্টৰপৰা ৰেহাই পায় বুলি জৈনসকলে বিশ্বাস কৰে।

মহাবীৰৰ মতে মানুহৰ নিচিনাকৈ জীৱ-জন্তু, গছ-গছনি, শিল, বতাহ, জুই আদিৰো আত্মা আছে। সেয়েহে তেওঁ প্ৰকৃতিৰ যিকোনো বস্তুৰ কোনো ধৰণৰ ক্ষতি কৰাৰপৰা সকলোকে বিৰত থাকিবলৈ উপদেশ দিছিল। তেওঁ তেওঁৰ অনুগামীসকলক মুঠ পাঁচটা নীতি পালন কৰিবলৈ দিছিল। সেইকেইটা হ'ল--

| | |
|---|---|
| অহিংসা | ঃ কোনো জীৱিত বস্তুৰ অনিষ্ট সাধন নকৰা |
| সত্য | ঃ সদায় সঁচা কথা কোৱা |
| অস্তেয় | ঃ চুৰি নকৰা |
| ত্যাগ | ঃ সম্পত্তি নৰখা |
| ব্ৰহ্মচাৰ্য | ঃ ব্ৰহ্মচাৰী জীৱন-যাপন কৰা |



উৎসঃ wikimedia.org

**চিত্ৰ ১০.৪** ঃ জৈন ধৰ্মৰ গ্ৰন্থ (কল্পসূত্ৰ)



উৎসঃ lookandlearn.com

**চিত্ৰ ১০.৫** ঃ জৈন সাধু

মহাবীৰে জৈন ধৰ্ম প্ৰাকৃত ভাষাত প্ৰচাৰ কৰিছিল। সেই সময়ত সাধাৰণ প্ৰজায়ো প্ৰাকৃত কৈছিল কাৰণে তেওঁলোকে এই ভাষা সহজতে বুজি পাইছিল। ফলত অতি কম সময়ৰ ভিতৰতে এই ধৰ্মই প্ৰসাৰ লাভ কৰিছিল। প্ৰাচীন ভাৰতৰ বিখ্যাত ৰজা বিম্বিসাৰ আৰু অজাতশত্ৰুৰেও জৈন ধৰ্মত দীক্ষিত হৈছিল। মহাবীৰৰ মৃত্যুৰ পিছত তেওঁৰ অনুগামীসকল দিগম্বৰ আৰু শ্বেতাম্বৰ-- এই দুটা ভাগত বিভাজিত হৈছিল।

আধ্যাত্মিক দিশৰ উপৰি জৈন ধৰ্মই ভাৰতৰ সাহিত্য-সংস্কৃতিৰ দিশতো যথেষ্ট অৱদান আগবঢ়াইছিল। জৈনসকলে প্ৰাকৃত আৰু কান্নাড ভাষাৰ প্ৰসাৰত বিশেষভাৱে অৰিহণা যোগাইছিল। মহাবীৰৰ শিকনিসমূহ প্ৰাকৃত ভাষাত 'অংগ' নামেৰে সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি চিত্তোৰ, দিলৱাৰা, খাজুৰাহো, ৰনকপুৰ আদিত থকা জৈন মন্দিৰসমূহ স্থাপত্য-ভাস্কৰ্যৰ উৎকৃষ্ট নিদৰ্শন। মহীশূৰৰ ওচৰৰ শ্ৰৱণবেলগোলাত থকা মহাবীৰৰ গোমতেশ্বৰৰ বিশাল মূৰ্তি জৈনসকলৰ স্থাপত্যৰ এক উল্লেখযোগ্য চানেকী।



উৎসঃ wikimedia.org

চিত্ৰ ১০.৬ ঃ ৰনকপুৰৰ জৈন উপাসনা গৃহ

## অনুশীলনী - ৩

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) মহাবীৰ কোন আছিল?

(খ) জৈনধৰ্মত মুঠ কিমানগৰাকী তীৰ্থংকৰ আছে? প্ৰথমজন তীৰ্থংকৰ কোন আছিল?

(গ) জৈন ধৰ্মৰ নীতি পাঁচটা কি কি?

(ঘ) জৈন ধৰ্ম গ্ৰহণ কৰা প্ৰাচীন ভাৰতৰ দুগৰাকী ৰজাৰ নাম লিখা।

(ঙ) জৈন ধৰ্মৰ অনুগামীসকলক কি কি দুটা ভাগত ভাগ কৰিব পাৰি?

(চ) মহাবীৰৰ শিকনিসমূহ প্ৰাকৃত ভাষাত কি নামেৰে সন্নিৱিষ্ট কৰা হৈছে?

২) ভাৰতবৰ্ষৰ আধ্যাত্মিকতাৰ দিশত নতুন চিন্তাধাৰাৰ উন্মেষ ঘটাৰ কাৰণ কি আছিল?

৩) বৰ্ধমান মহাবীৰে সন্ন্যাসী জীৱন-যাপন কৰিবলৈ কিয় মতপোষণ কৰিছিল?

### ১০.৩.৩ বৌদ্ধ মতবাদ ঃ



উৎসঃ wikimedia.org

চিত্ৰ ১০.৭ ঃ বোধিদ্ৰুম বৃক্ষ

গৌতম বুদ্ধ আছিল বৌদ্ধ ধৰ্মৰ প্ৰৱৰ্তক। তেওঁ মহাবীৰৰ সমসাময়িক আছিল। বৰ্তমানৰ নেপালত অৱস্থিত কপিলাবস্তু নামৰ ৰাজ্যৰ ৰাজপৰিয়ালত গৌতম বুদ্ধৰ জন্ম হৈছিল। তেওঁৰ পিতৃপ্ৰদত্ত নাম আছিল সিদ্ধাৰ্থ। তেওঁ ৰাজকাৰেঙৰ লাহ-বিলাহৰ মাজত ডাঙৰ-দীঘল হৈছিল। এদিন নগৰ ভ্ৰমণলৈ যাওঁতে তেওঁ এজন বৃদ্ধ, এজন ৰুগীয়া লোক, এজন মৃত ব্যক্তি আৰু এজন সন্ন্যাসীক দেখা পাইছিল। তাৰ পাছৰ পৰাই তেওঁৰ সংসাৰৰ মায়া-মোহ অস্থায়ী বুলি অনুভৱ হৈছিল আৰু তেওঁ মানসিক অশান্তিত ভুগিছিল। মাত্ৰ ২৯ বছৰ বয়সত তেওঁ পুত্ৰ-পৰিয়াল এৰি মানুহৰ স্থায়ী সুখ-শান্তিৰ সন্ধানত ঘৰৰপৰা ওলাই গৈছিল। তেওঁ বোধগয়া নামৰ ঠাইত তপস্যাত বহিছিল। তপস্যাৰ অন্তত তেওঁ মায়া-মোহৰপৰা মুক্তি পায় আৰু ‘দিব্যজ্ঞান’ লাভ কৰিছিল। যিজোপা আঁহত গছৰ তলত তেওঁ দিব্যজ্ঞান লাভ কৰিছিল সেই গছজোপাক ‘বোধিদ্ৰুম’ বুলি জনা যায়।

অহিংসা নীতিত বিশ্বাসী বৌদ্ধ ধৰ্মৰ মূল হ'ল-- চাৰিটা মহৎ সত্য আৰু অষ্ট মাৰ্গ। বুদ্ধদেৱে তেওঁৰ প্ৰথম বাণী প্ৰচাৰ কৰিছিল সাৰনাথত। তেওঁ কৈছিল যে এটা ভাল জীৱন-যাপন কৰিবৰ বাবে বলি-বিধান বা যাগ-যজ্ঞৰ প্ৰয়োজন নাই। জাতিভেদ প্ৰথাৰো তেওঁ বিৰোধিতা কৰিছিল। সৎ পথত থাকি সহজ-সৰল জীৱন-যাপন কৰিলেহে মানুহে সুখ-শান্তি লাভ কৰিব পাৰে। তাৰ বাবে পালন কৰিবলগীয়া মহৎ সত্য চাৰিটা হ'ল-- (ক) পৃথিৱীখন দুখময়, (খ) মানুহৰ আশা-আকাংক্ষাৰপৰা দুখৰ উৎপত্তি হয়, (গ) আশা-আকাংক্ষা দমন কৰি ৰাখিলে মুক্তি সম্ভৱ হয় আৰু (ঘ) সেই মুক্তিৰ বাবে অষ্ট মাৰ্গ বা আঠটা পথ অনুসৰণ কৰাৰ প্ৰয়োজন আছে। অষ্ট মাৰ্গ হ'ল-- সৎ চিন্তা, সৎ সিদ্ধান্ত, সৎ বাক্য, সৎ আচৰণ, সৎ কৰ্ম, সৎ চেষ্টা, সৎ স্মৃতি আৰু সৎ ধ্যান।



**চিত্ৰ ১০.৮ ঃ** গৌতম বুদ্ধ

বুদ্ধদেৱে তেওঁৰ মতবাদসমূহ সাধাৰণ মানুহে বুজিব পৰাকৈ পালি ভাষাত প্ৰচাৰ কৰিছিল। তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ শিষ্যসকলে এই বাণীসমূহ পুথি আকাৰত প্ৰকাশ কৰিছিল। ইয়াক 'ত্ৰিপিটক' বুলি জনা যায়। পাছলৈ বৌদ্ধ ধৰ্ম হীনযান আৰু মহাযান এই দুটা ভাগত বিভক্ত হয়।

বুদ্ধদেৱে সাৰনাথত তেওঁৰ মতবাদসমূহ মাত্ৰ পাঁচজন লোকক শুনাইছিল। পাছলৈ তেওঁৰ অনুগামীৰ সংখ্যা বাঢ়ি যায় আৰু ভাৰতৰ বিভিন্ন ঠাইলৈ গৈ তেওঁৰ মতবাদসমূহ প্ৰচাৰ কৰিছিল। এই উদ্দেশ্যে তেওঁ বৌদ্ধ সংঘ আৰু বৌদ্ধ বিহাৰ প্ৰতিষ্ঠা কৰিছিল। নালন্দা, বিক্ৰমশীলা, তক্ষশীলা আদিৰ দৰে বৌদ্ধ বিহাৰবোৰ পাছলৈ গণশিক্ষাৰ কেন্দ্ৰ হিচাপে গঢ়ি উঠিছিল। অশোক, হৰ্ষবৰ্ধন, কণিষ্ক আদি ৰজাসকলে বৌদ্ধ ধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল। ভাৰতৰ উপৰি শ্ৰীলংকা, নেপাল, তিব্বত, চীন, জাপান আদি দেশলৈ বৌদ্ধ ধৰ্মই প্ৰসাৰ লাভ কৰিছিল।



উৎসঃ wikimedia.org

**চিত্ৰ ১০.৯ ঃ** টাৱাঙৰ বৌদ্ধ বিহাৰ

**জানো আহা ঃ**

খ্ৰী.পূ. ২ শতিকাত তক্ষশীলাত শাসন কৰা বেক্‌ট্ৰিয়াৰ ৰজা মিনেন্দাৰে বৌদ্ধ ভিক্ষু নাগসেনৰ ওচৰত বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল। মিনেন্দাৰে বৌদ্ধ ধৰ্ম সংক্ৰান্তীয় নানা প্ৰশ্ন নাগসেনৰ সন্মুখত উত্থাপন কৰিছিল। সেই প্ৰশ্ন আৰু তাৰ উত্তৰসমূহ মিনেন্দাৰে পুথি আকাৰে সংকলন কৰিছিল যাক 'মিলিন্দ-পাঁহা' বুলি জনা যায়।



উৎসঃ wikimedia.org

**চিত্ৰ ১০.১০ ঃ** সাৰনাথৰ স্তুপ

ভাৰতৰ সভ্যতা-সংস্কৃতিলৈ বৌদ্ধ ধৰ্মৰ অৱদান অসীম। পালি ভাষাত লিখা ত্ৰিপিটকৰ উপৰি বুদ্ধ দেৱৰ পূৰ্বজন্মৰ কাহিনীৰ আধাৰত ৰচিত জাতক কথা আজিও সমাদৃত। সাঁচী, বল্লভী, নালন্দা আদি স্তুপসমূহ বৌদ্ধ ধৰ্মৰে অৱদান। এই স্তুপসমূহ ভাৰতৰ ঐতিহ্যৰ এক গৌৰৱময় উপাদানৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ। গান্ধাৰ চিত্ৰশিল্প, অজন্তা-ইলোৰাৰ গুহাচিত্ৰসমূহ বৌদ্ধ কলাৰ উৎকৃষ্ট নিদৰ্শন। বৌদ্ধসকলে স্তুপৰ উপৰি চৈত (প্ৰাৰ্থনা গৃহ) আৰু বিহাৰ নিৰ্মাণ কৰি ভাৰতৰ স্থাপত্যৰ ক্ষেত্ৰখনলৈ বৰঙণি আগবঢ়াই থৈ গৈছে।

**অনুশীলনী - ৪**

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক কোন আছিল?

(খ) গৌতমবুদ্ধৰ পিতৃপ্ৰদত্ত নাম কি আছিল?

(গ) গৌতমবুদ্ধই কোন ঠাইত তপস্যাত বহিছিল?

(ঘ) 'বোধিদ্ৰুম' বুলি কোনজোপা গছক কোৱা হয়?

(ঙ) বৌদ্ধ মতবাদৰ মূল চাৰিটা মহৎ সত্য কি?

(চ) বৌদ্ধধৰ্মৰ মূল গ্ৰন্থখনৰ নাম কি?

(ছ) বৌদ্ধধৰ্মৰ গণশিক্ষাৰ কেন্দ্ৰ তিনিটা কি আছিল?

২) বৌদ্ধ ধৰ্মৰ মূল মতবাদকেইটা বৰ্ণনা কৰা।

৩) ভাৰতৰ সভ্যতা-সংস্কৃতিৰ প্ৰতি বৌদ্ধ ধৰ্মৰ অৱদানৰ বিষয়ে লিখা।

### ১০.৩.৪ জনজাতীয় বিশ্বাসসমূহ ঃ

ভাৰতীয় সংস্কৃতিৰ বৈচিত্ৰ্যৰ বিষয়ে আমি বিভিন্ন লিখিত তথ্য, শিলালিপি আৰু স্থাপত্য-ভাস্কৰ্যসমূহৰপৰা গম পাওঁ। এইবোৰৰ বাহিৰেও ভাৰতবৰ্ষৰ চুকে-কোনে অতীতৰেপৰা অলিখিত পৰম্পৰা কিছুমান প্ৰচলিত হৈ আহিছে। এইবোৰৰ বিষয়ে আমি সাধাৰণ মানুহৰ মুখে মুখে চলি অহা লোক-পৰম্পৰা (লোককথা, লোকাচাৰ) আদিৰপৰা জানিব পাৰো। বিভিন্ন সময়ত পৃথিৱীৰ ভিন্-ভিন্ অঞ্চলৰপৰা মানুহ আহি ভাৰতৰ স্থায়ী বাসিন্দা হোৱাৰ বহু আগৰ পৰাই কিছুমান জনজাতিয়ে ইয়াত বাস কৰি আহিছে। এই জনজাতিসমূহে বৈদিক সংস্কৃতিৰ সমসাময়িক কালত নিজৰ সুকীয়া পৰিচয় বৰ্তাই চলিছিল। তেনে বহু জনজাতীয় পৰম্পৰা মৌখিকভাৱে প্ৰজন্ম জুৰি চলি আহি আজিও বৰ্তি আছে, উদাহৰণস্বৰূপে, পৰম্পৰা অনুসৰি ওড়িশাৰ পুৰীত অৱস্থিত জগন্নাথ মন্দিৰ মূলতঃ জনজাতীয় দেৱতাৰ উপাসনা স্থল আছিল। ঠিক তেনেদৰে, আমাৰ অসমৰ কামাখ্যা দেৱীকো খাচী জনজাতীয় দেৱীৰ সৈতে ৰিজোৱা দেখা যায়। সমগ্ৰ ভাৰতবৰ্ষতে মাতৃ-দেৱীৰ পূজাৰ ক্ষেত্ৰত এনে উদাহৰণ পোৱা যায়। বহুতো জনগোষ্ঠীয়ে নিজৰ স্থানীয় দেৱ-দেৱীক ৰামায়ণ আৰু মহাভাৰতৰ বিভিন্ন চৰিত্ৰৰ সৈতে একাকাৰ কৰা দেখা যায়। সেয়েহে এই দুয়োখন মহাকাব্যৰ কেইবাটাও জনজাতীয় সংস্কৰণ বা ৰূপ আছে।




চিত্ৰ ১০.১১ ঃ পুৰীৰ জগন্নাথ মন্দিৰৰ বিগ্ৰহ

তামিলনাডুৰপৰা উত্তৰ-পূব ভাৰতলৈ এনে বহু উদাহৰণ দেখা যায়, যেনে, তামিলসকলে প্ৰাচীন কালৰপৰা তেওঁলোকৰ উপাস্য দেৱতা মুৰুগনক শিৱৰ সৰু পুত্ৰ আৰু পিল্লাইয়াৰক ডাঙৰ পুত্ৰ বুলি বিশ্বাস কৰে। ঠিক তেনেদৰে, অসমৰ বড়োসকলে উপাসনা কৰা 'বাথৌবোৰাই' ক প্ৰায়ে শিৱৰ লগত তুলনা কৰা হয়।

অতীতৰেপৰা ভিন্-ভিন্ জনজাতীয় আৰু বৈদিক পৰম্পৰাকে ধৰি বিভিন্ন ব্যৱস্থা স্বাভাৱিক আৰু চিৰস্থায়ী হৈ আহিছে। কাৰণ, দুয়োটা বিশ্বাস-ব্যৱস্থাৰ প্ৰাকৃতিক উপাদান যেনে, পাহাৰ, নদী, গছ, উদ্ভিদ, জীৱ-

জন্তু, শিল আদিৰ পৱিত্ৰতাৰ বিষয়ে একে ধৰণৰ বিশ্বাস আছে। প্ৰত্যেকেই প্ৰকৃতিৰ উপাদানসমূহৰ ভিতৰত কোনো চেতনা বা ঐশ্বৰিক উপস্থিতিৰ স্বীকৃতি দিয়ে। প্ৰায়ভাগ জনজাতিয়ে প্ৰকৃতিৰ উপাদানসমূহক দেৱতা ৰূপত পূজা কৰে, যেনে, মেঘালয়ৰ মাউফ্লাং অৰণ্যক তাৰ বাসিন্দাসকলে পৱিত্ৰ (Sacred) বুলি গণ্য কৰে। তেওঁলোকে এই অৰণ্যত কোনো ধৰণৰ আৱৰ্জনা নেপেলায় আৰু অৰণ্যৰপৰা একো বস্তু ছিঙি বা কাটি নানে।



চিত্ৰ ১০.১২ ঃ বাথৌ পূজা



চিত্ৰ ১০.১৩ ঃ মেঘালয়ৰ মাউফ্লাং পৱিত্ৰ অৰণ্য

উপাসনাৰ এই বৈচিত্ৰ্যৰ মাজতো হিন্দু ধৰ্মৰ দৰেই বহু জনজাতীয় গোটৰ সৰ্বশক্তিমান বা পৰম সত্ত্বাৰ ধাৰণা আছে। উদাহৰণস্বৰূপে অৰুণাচলৰ আদি আৰু অসমৰ মিচিং জনজাতিৰ লোকসকলে সূৰ্যৰ ৰূপ হিচাপে ড'নি আৰু চন্দ্ৰৰ ৰূপ হিচাপে প'ল' ক সংযুক্তভাৱে ড'নিপ'ল' ৰূপত পূজা কৰে। আনহতে গাৰোসকলে 'তাতাৰা ৰাবুগা' ক বিশ্বৰ সৃষ্টিকৰ্তা ৰূপত আৰু মুণ্ডা আৰু চাঁওতাল আদিবাসীসকলে সমগ্ৰ পৃথিৱীখনৰ সৃষ্টি-কৰ্তা হিচাপে চিংবংগাক পূজা কৰে।

ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰিপ্ৰেক্ষিতত এনে বহু উদাহৰণ পোৱা যায়। আমাৰ উত্তৰ-পূৰ্বাঞ্চলতো ভিন্-ভিন্ জনজাতিৰ একোজনকৈ পৰম উপাস্য দেৱতা আছে। আৰম্ভণিৰ পৰাই বৈদিক হিন্দু আৰু জনজাতীয় বিশ্বাস পদ্ধতিৰ মাজত পাৰস্পৰিক প্ৰভাৱ বিস্তাৰ হৈ আহিছে। জনজাতীয় বিশ্বাসে মূলতঃ প্ৰকৃতিক পৱিত্ৰ বুলি গণ্য কৰি ঈশ্বৰৰ স্থান দিয়ে।



চিত্ৰ ১০.১৪ ঃ ড'নিপ'ল' ৰ প্ৰতীক

## অনুশীলনী - ৫

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) জনজাতি বুলিলে কি বুজা?

(খ) জনজাতিবোৰৰ অতীতৰ বিষয়ে কোনবোৰ উৎসৰপৰা জানিব পাৰো?

(গ) ড'নিপ'ল' ৰ উপাসনা কোন জনগোষ্ঠীৰ লোকে কৰে?

(ঘ) জনজাতীয় বিশ্বাসে মূলতঃ কাক ঈশ্বৰৰ স্থান দিয়ে?

(ঙ) মুণ্ডা আৰু চাঁওতাল আদিবাসীসকলে কাক উপাসনা কৰে?

২) ভাৰতৰ জনজাতীয় বিশ্বাসসমূহৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।

**ধাৰণা চিত্ৰ (Concept Map) ঃ**




**শব্দাৰ্থ ঃ**

**তীৰ্থংকৰ ঃ** তীৰ্থংকৰ মানে হ'ল জৈনধৰ্ম প্ৰচাৰক/ প্ৰৱৰ্তক, যিগৰাকীয়ে ইন্দ্ৰিয় জয় কৰিব পাৰিছিল।

**দিগম্বৰ ঃ** যিসকল জৈন ধৰ্মৰ লোকে মোক্ষ প্ৰাপ্তিৰ কাৰণে বস্ত্ৰ পৰিত্যাগ কৰে, তেওঁলোককে দিগম্বৰ বুলি কোৱা হয়।

**শ্বেতাম্বৰ ঃ** যিসকল জৈন ধৰ্মাৱলম্বী লোকে অকল বগাবস্ত্ৰ পৰিধান কৰে, সেইসকলক শ্বেতাম্বৰ বুলি জনা যায়।

**হীনযান ঃ** হীনযান হৈছে বৌদ্ধধৰ্মৰ আটাইতকৈ পুৰণি সম্প্ৰদায়। এওঁলোকে বুদ্ধৰ বাণীবোৰকহে বিশ্বাস কৰে।

**মহাযান ঃ** মহাযান হৈছে সেইসকল লোক যিসকলে বুদ্ধক ভগৱান হিচাপে উপাসনা কৰে।



**দলগত কাৰ্য ঃ**

'জাতক কথা' ৰ যিকোনো সাধু পঢ়ি তাৰপৰা কি শিকিলা তাক সমূহীয়াভাৱে শ্ৰেণীত আলোচনা কৰিবা।

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

(ক) জৈন ধৰ্ম ব্যৱসায়ীসকলৰ মাজত কিয় অধিক জনপ্ৰিয় হৈছিল ভাবি উলিওৱা।

(খ) জৈন ধৰ্ম আৰু বৌদ্ধ ধৰ্মই প্ৰদান কৰা নীতিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। ইয়াৰে কোনকেইটা তুমি তোমাৰ জীৱনত পালন কৰাটো উচিত বুলি ভাবা?



# পাঠ ১১
# বৈচিত্র্যৰ মাজত ঐক্য ঃ ভাৰত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ জীৱন

C8L8N7

আমি সকলোৱে নানা তৰহৰ, বিভিন্ন ৰঙৰ, বিভিন্ন ঋতুত ফুলা ফুল দেখিছো। নানা ৰঙী ফুলৰ গছবোৰ যদি একে ঠাইতে ৰোপন নকৰি বিভিন্ন ঠাইত ৰোৱা হয়, তেতিয়া ই কেতিয়াও এখন ফুলনি হৈ নপৰে। ফুলনিখনৰ ফুলৰ বিভিন্নতাই ইয়াৰ সৌন্দৰ্য। থিক তেনেদৰে সমাজ বা দেশ এখনতো বিভিন্ন জাতি, ধৰ্ম, বৰ্ণ, ভাষা, আদিৰ লোকে বাস কৰে। ইয়াৰে প্ৰত্যেকৰে নিজা ধৰ্ম বিশ্বাস, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ আদি আছে। মানুহৰ মাজত থকা এই ভিন্নতাবোৰকে আমি বৈচিত্ৰ্য বুলি ক'ব পাৰো।

ফুলনিখনত ফুলগছবোৰ একত্ৰ হৈ থকাৰ দৰে সমাজতো যেতিয়া ভিন্-ভিন্ ধৰণৰ মানুহে নিজৰ মাজত থকা পাৰ্থক্যবোৰক প্ৰাধান্য নিদি একেলগ হৈ থাকে তাকেই ঐক্য বা বৈচিত্ৰ্যৰ মাজত ঐক্য বুলি কব পাৰি। ঐক্যই এটাই আনটোৰ অস্তিত্ব বিনষ্ট নকৰাকৈ নিজৰ পৰিচয় বজাই ৰাখি একেলগে থকাটো বুজায়।

আমি সকলো ভাৰতীয় নাগৰিকে একেলগে এটা নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ মাজত ঐক্যবদ্ধভাৱে বসবাস কৰি আহিছো। আকৌ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলটো হৈছে বৈচিত্ৰ্যতাৰ ক্ষেত্ৰত 'ক্ষুদ্ৰ ভাৰত' (Mini India) সদৃশ। তথাপিও ইয়াত ঐক্য বিৰাজ কৰিছে। আমি এই পাঠটিত ভাৰত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ পটভূমিত এই ধৰণৰ বৈচিত্ৰ্যৰ মাজত থকা ঐক্য সম্পৰ্কে আলোচনা কৰিম।



চিত্ৰ ১১.১ ঃ ফুলনি

## ১১.১ ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্য ঃ

ভাৰতীয় সমাজ ব্যৱস্থাৰ মূল চিনাকিয়েই হৈছে ইয়াৰ বৈচিত্ৰ্যৰ মাজত ঐক্য। বৈচিত্ৰ্যৰ এই ধাৰণাটো যদিও অতি সুন্দৰ, বুজিবলৈ ই কিছু জটিল। সেয়েহে, ভাৰতৰ সমাজ ব্যৱস্থাৰ বিভিন্ন দিশৰ মাজেৰে আমি ইয়াক বুজিবলৈ চেষ্টা কৰিম।

**জানো আহা ঃ**

ভাৰতবৰ্ষলৈ সময়ে সময়ে অহা কেইবাগৰাকীও বিদেশী পৰিব্ৰাজক, যেনে, মেগাস্থেনিছ, ফা-হিয়েন, হিউৱেনচাং, আল বেৰুণী, মাৰ্ক'প'লো, ইবন বটুটা আদিয়ে সেইসময়ৰ ভাৰতীয় সমাজৰ বিভিন্ন বৈচিত্ৰ্যৰ খতিয়ান লিখি থৈ গৈছে।

## ১১.২ বৈচিত্ৰ্যৰ কাৰক ঃ

### ১১.২.১. ভৌগোলিক ভিন্নতা ঃ

ভাৰতৰ ভৌগোলিক ভিন্নতা চকুত লগা। উত্তৰে সুউচ্চ হিমালয় পৰ্বতমালা আকৌ দক্ষিণে সুবিশাল মহাসাগৰ, পূবত পৃথিৱীৰ সকলোতকৈ বেছি বৰষুণ হোৱা ঠাই আৰু পশ্চিমত বিশাল মৰুভূমি। পৰ্বত, উপকূলীয় অঞ্চল, সমতলভূমি, বৰষুণ, মৰুভূমিৰে ভাৰতৰ ভৌগোলিক পৰিৱেশ অতি বৈচিত্ৰ্যপূৰ্ণ। এনে ভিন্ন ভৌগোলিক পৰিৱেশৰ প্ৰভাৱত সেই ঠাইবোৰত বসবাস কৰা মানুহবোৰৰ খাদ্যাভ্যাস, সাজ-পাৰ আদিও স্বাভাৱিকতে

বৈচিত্ৰ্যপূৰ্ণ হয়।

তলৰ চিত্ৰসমূহলৈ মনকৰা। ইয়াত ভাৰতৰ হিমালয় পৰ্বতত অৱস্থিত লাডাখ, দক্ষিণ ভাৰতৰ তামিলনাডু, উত্তৰ-পূৰ্বাঞ্চলৰ মেঘালয় আৰু পশ্চিমৰ থৰ মৰুভূমি অঞ্চলত বাস কৰা লোকসকলৰ জীৱন-যাপন প্ৰণালীৰ এক চমু আভাস দাঙি ধৰা হৈছে।

**চিত্ৰ ১১.২ ঃ পৰম্পৰাগত গৃহশৈলী**



উৎসঃ wikimedia.org

তামিলনাডু



উৎসঃ Flickr.com

থৰ মৰুভূমি অঞ্চল




লাডাখ



মেঘালয়

উৎসঃ wikimedia.org

**চিত্ৰ ১১.৩ ঃ পৰম্পৰাগত নৃত্য**




থৰ মৰুভূমি অঞ্চলৰ কালবেলীয়া নৃত্য




লাডাখৰ চাম নৃত্য




তামিলনাডুৰ ময়ীলাট্টম নৃত্য




মেঘালয়ৰ নংক্ৰেম নৃত্য

## চিত্ৰ ১১.৪ ঃ পৰম্পৰাগত সাজপাৰ



উৎসঃ wikimedia.org

গোঞ্চা আৰু চুল্‌মা পৰিহিত লাডাখী পুৰুষ-মহিলা



উৎসঃ wikimedia.org

জৈনচেম পৰিহিত খাচী মহিলা



উৎসঃ Flickr.com

ঘাগ্ৰা পৰিহিত এগৰাকী গুজৰাটী মহিলা



উৎসঃ AI generated image

শাৰী পিন্ধা এগৰাকী তামিল মহিলা

## চিত্ৰ ১১.৫ ঃ পৰম্পৰাগত খাদ্য



উৎসঃ wikimedia.org

থৰ মৰুভূমিৰ জনপ্ৰিয় খাদ্য দাল-বাতি চুৰমা



উৎসঃ AI generated image

মেঘালয়ৰ জাদ’হ



উৎসঃ AI generated image

লাডাখৰ জনপ্ৰিয় খাদ্য থুক্‌পা



উৎসঃ wikimedia.org

দক্ষিণ ভাৰতীয় খাদ্য প্ৰকৰণ

### ১১.২.২ গোষ্ঠীগত ভিন্নতা ঃ

ভাৰতত ককেছীয়, মংগোলীয়, অষ্ট্ৰীয়, নেগ্ৰিট' আদি কেইবাটাও জনগোষ্ঠীয় মূলৰ লোকে বসবাস কৰে। তেওঁলোকৰ প্ৰত্যেকৰে চকুৰ আকৃতি, মূৰৰ আকাৰ, চুলিৰ ধৰণ, নাকৰ গঢ়, গাৰ বৰণকে ধৰি দেহৰ গঠন ভিন্ন হোৱা দেখা যায়। উদাহৰণস্বৰূপে, দক্ষিণ ভাৰত, উত্তৰ ভাৰত আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইত বসবাস কৰা লোকসকলৰ গাৰ বৰণ বা শাৰীৰিক অৱয়ব সম্পূৰ্ণ একে নহয়।

**জানো আহা ঃ**

আধুনিক মানুহৰ বৈজ্ঞানিক নাম হৈছে হ'ম' ছেপিয়েনচ্। বিভিন্ন সময়ত পৰিৱেশ, জলবায়ু বা থকা ঠাইৰ পৰিৱৰ্তনৰ ফলত মানুহৰ শাৰীৰিক অৱয়ব আৰু গাৰ বৰণৰ পৰিৱৰ্তন হৈছে। তদুপৰি বৈবাহিক সম্পৰ্কৰ ফলত হোৱা সংমিশ্ৰণেও গোষ্ঠীগত ভিন্নতা আনিছে। বিভিন্ন পণ্ডিতে ভিন্-ভিন্ কাৰকৰ ওপৰত ভিত্তি কৰি মানুহৰ গোষ্ঠীগত বিভাজন কৰিছে যদিও মূল গোষ্ঠী চাৰিটা বুলি ধৰা হয়-- ককেছীয়, মংগোলীয়, অষ্ট্ৰিক আৰু নেগ্ৰিট'। কিন্তু, প্ৰকৃততে মানুহৰ বিভিন্ন পৰিস্থিতিত বিভিন্ন গোষ্ঠীগত সংমিশ্ৰণ ঘটিছে, যাৰ ফলত প্ৰকৃত গোষ্ঠী বিচাৰি উলিওৱা কঠিন হৈ পৰে। সেয়েহে, গোষ্ঠীগত বিভাজনবোৰৰ কোনোটোৱে সম্পূৰ্ণ গ্ৰহণযোগ্য নহয়।

### ১১.২.৩ ধৰ্মীয় ভিন্নতা ঃ

হিন্দু, বৌদ্ধ, জৈন, শিখ আদি ধৰ্মৰ জন্মস্থান হ'ল ভাৰত। অতীতৰপৰা ভিন্-ভিন্ মতবাদ আৰু ধৰ্মীয় বিশ্বাস প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত ভাৰতৰ উদাৰতাৰ প্ৰমাণ পোৱা যায়। বৰ্তমান সময়তো এই চাৰিটা ধৰ্মৰ উপৰি ইছলাম, খ্ৰীষ্টান, ইহুদি আদি ধৰ্মাৱলম্বী লোকে আমাৰ দেশত শান্তিপূৰ্ণভাৱে বসবাস কৰি আছে।



**চিত্ৰ ১১.৬ ঃ** ভিন্ ভিন্ ধৰ্মৰ প্ৰতীক

ভাৰতৰ সংখ্যালঘূসকলৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ সংবিধানত বিভিন্ন নীতি নিৰ্ধাৰণ কৰা আছে। প্ৰাচীন কালৰে পৰা মূল ধৰ্মবোৰৰ উপৰিও আমাৰ দেশত বিভিন্ন মতবাদৰ উত্থান ঘটিছে। এই মতবাদসমূহৰ গুৰি ধৰোঁতা সংস্কাৰকসকল আৰু অনুগামীসকলকো সমমৰ্যদা প্ৰদান কৰা হয়। এনেদৰে নিজৰ ইচ্ছা অনুসৰি আনৰ হানি নোহোৱাকৈ সকলোৱে নিজৰ নিজৰ ধৰ্মীয় আস্থা বজাই ৰাখিব পৰাটোৱেই ভাৰতীয় সমাজক ধৰ্মনিৰপেক্ষতাৰ উৎকৃষ্ট উদাহৰণ হিচাপে দাঙি ধৰিছে।

### ১১.২.৪ ভাষিক ভিন্নতা ঃ

২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি আমাৰ দেশত সংবিধান স্বীকৃত ২২ টা ভাষাকে ধৰি মুঠ ১২১ টা ভাষা আছে। তদুপৰি এই ভাষাবোৰৰ কেতবোৰৰ মান্যৰূপ আৰু কথিত ৰূপৰ মাজতো পাৰ্থক্য আছে।

ওপৰত উল্লেখ কৰা বৈচিত্ৰ্যবোৰৰ উপৰি আমাৰ ভাৰতত খাদ্যাভ্যাস, ৰন্ধন প্ৰণালী, সাজ-পাৰ, উৎসৱ-পাৰ্বণ, পৰম্পৰা, গৃহনিৰ্মাণ শৈলী, জাতি, বৰ্ণ আদিৰ ভিত্তিতো চকুত লগা ধৰণৰ ভিন্নতা দেখা যায়।

**অনুশীলনী - ১**

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) বৈচিত্ৰ্য মানে কি?

(খ) ঐক্য মানে কি?

(গ) বৈচিত্ৰ্যৰ মাজত ঐক্য বুলিলে কি বুজা?

২. ভাৰতৰ বৈচিত্ৰ্যৰ অন্তৰালৰ কাৰকসমূহ উল্লেখ কৰা।

৩. ভাৰতৰ ভৌগোলিক ভিন্নতাৰ উদাহৰণ দিয়া।

## ১১.৩ ঐক্যৰ কাৰক ঃ

ভাৰতৰ ভৌগোলিক, সামাজিক আৰু সাংস্কৃতিক বৈচিত্ৰ্যৰ মাজৰ ঐক্যও বাৰেৰহনীয়া। ভাৰতৰ ভৌগোলিক ভিন্নতাৰ সত্ত্বেও মৌচুমী বতাহৰ প্ৰভাৱত বছৰৰ প্ৰায় সকলো ঠাইতে একেই ঋতুতে বৰষুণ হয়। কৃষিৰ বাবে এই জলবায়ু সুবিধাজনক। সেয়েহে দেশখনৰ বেছিভাগ লোকৰে প্ৰধান জীৱিকা কৃষি। কৃষি ব্যৱস্থা বৰষুণৰ ওপৰত নিৰ্ভৰশীল হোৱা হেতুকে অঞ্চলভেদে ভিন্নতা থাকিলেও খেতি কৰা পদ্ধতিৰ মিল দেখা যায়।

ধৰ্মীয় উৎসৱসমূহৰ বাহিৰে ভাৰতৰ বেছিভাগ উৎসৱ-পাৰ্বণ কৃষিভিত্তিক হয়। সেইবাবে এনে লোক-উৎসৱসমূহ পালন কৰাৰ উদ্দেশ্য আৰু তাৎপৰ্যৰ মিল থকা দেখা যায়। উদাহৰণস্বৰূপে মকৰ সংক্ৰান্তিৰ সময়ত ভাৰতৰ প্ৰায় সকলো অঞ্চলতে খেতি চপোৱা হয় আৰু শীতৰো আগমন হয়। ইয়াৰ লগত সংগতি ৰাখি অসমত মাঘ বিহু, তামিলনাডুত পোংগল, গুজৰাটত উত্তৰায়ণ আৰু পঞ্জাৱত লোহৰী পালন কৰা হয়। এই উৎসৱসমূহ উদ্‌যাপন কৰা পদ্ধতি, পৰিৱেশন কৰা খাদ্যৰ ধৰণ আদিৰ যথেষ্ট মিল থকা দেখা যায়। এনেবোৰ সাদৃশ্যই বিভিন্ন প্ৰান্তৰ লোকক একগোট হোৱাত অৰিহণা যোগায়।

ভাৰতীয় সংবিধান অনুসৰি আমি হৈছো ভাৰতীয় নাগৰিক। সমগ্ৰ দেশৰ নাগৰিকে প্ৰতিবছৰে ২৬ জানুৱাৰীত গণতন্ত্ৰ দিৱস আৰু ১৫ আগষ্টত স্বাধীনতা দিৱস পালন কৰে। ভাৰতত যদিও ভিন্-ভিন্ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আছে, তথাপি জনসাধাৰণ একেখন কেন্দ্ৰীয় চৰকাৰৰদ্বাৰ শাসিত আৰু একেটা ন্যায় ব্যৱস্থাৰদ্বাৰা পৰিচালিত হয়। এনেবোৰ সাদৃশ্যই বিভিন্ন প্ৰান্তৰ লোকক একগোট হোৱাত অৰিহণা যোগায়।

এই আটাইবোৰ বৈচিত্ৰ্যৰ মাজৰ ঐক্যৰ উপৰি আমাৰ দেশত আৰু কিছুমান ব্যৱস্থা আছে যিবোৰে সমগ্ৰ দেশখনকে একতাৰ ডোলেৰে বান্ধি ৰাখিছে। উদাহৰণস্বৰূপে, যোগাযোগ আৰু যাতায়াতৰ ক্ষেত্ৰত ইণ্টাৰনেট সেৱা, ডাক আৰু ৰেলসেৱাই সমগ্ৰ দেশকে ইমূৰৰপৰা সিমূৰলৈ সংযুক্ত কৰিছে। সংস্কৃত মহাকাব্য ৰামায়ণ, মহাভাৰতৰ লগতে উপনিষদ, জাতক, পঞ্চতন্ত্ৰৰ লগত জড়িত বিভিন্ন কথা-কাহিনী ভাৰতৰ বিভিন্ন অঞ্চলত নীতিশিক্ষামূলক সাধু কথা হিচাপে স্থানীয় ভাষাত প্ৰচলিত হৈ আছে।




চিত্ৰ ১১.৭ ঃ লোহৰী





চিত্ৰ ১১.৮ ঃ মাঘ বিহু





চিত্ৰ ১১.৯ ঃ পোংগল

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) ভাৰতক কিয় ধৰ্মনিৰপেক্ষ দেশ বুলি কোৱা হয়?

(খ) মকৰ সংক্ৰান্তিৰ সময়ত পালন কৰা দুটা উৎসৱৰ নাম উল্লেখ কৰা।

(গ) তুমি বাস কৰা অঞ্চলটোত কি কি ভাষা কোৱা মানুহ আছে।

২. উৎসৱ-পাৰ্বণৰ ক্ষেত্ৰত ভাৰতত কেনেধৰণৰ সাদৃশ্য দেখা যায়?

**জানো আহা ঃ**

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল- সকলো ভাৰতীয় সাহিত্যই এক, মাত্ৰ তাৰ ভাষাহে বেলেগ বেলেগ।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল বৈচিত্ৰ্যময় আৰু অনন্য। এই অঞ্চলটো আঠখন ৰাজ্যৰে গঠিত, যাক সু-উচ্চ হিমালয় পৰ্বতমালা আৰু পাঁচখন বিদেশী ৰাষ্ট্ৰৰ সীমাৰেখাই আগুৰি আছে। এই অঞ্চলটোক সৰু-বৰ অনেক নদ-নদী আৰু মৌচুমীৰ প্ৰভাৱত হোৱা বৰষুণৰ পানীয়ে অহৰহ ধুৱাই জীপাল কৰি ৰাখে। এই অঞ্চল উৰ্বৰ উপত্যকা আৰু সমভূমিৰে ধন্য। ইয়াৰ বিস্তৃত পাহাৰীয়া অঞ্চল প্ৰকৃতিৰ ৰম্যভূমি; যি অনেক মূল্যবান উদ্ভিদ আৰু জীৱ-জন্তুৰো আৱাসভূমি। এই অঞ্চলত বসবাস কৰা প্ৰতিটো জনগোষ্ঠীৰে নিজস্ব শাৰীৰিক বৈশিষ্ট্য, বিশ্বাস, ভাষা, খাদ্য, গীত আৰু নৃত্য আছে। অঞ্চলটোৰ উৰ্বৰ কৃষিভূমিত নানা তৰহৰ শস্য উৎপাদন হয়। লগতে উদ্যান শস্যৰ ক্ষেত্ৰতো এই অঞ্চল আগবঢ়া। মূল্যবান খনিজ পদাৰ্থৰে চহকী উত্তৰ-পূৰ্বাঞ্চলক ইয়াৰ গৌৰৱময় শিল্পকৰ্ম, চাহ আৰু বস্ত্ৰশিল্পৰ বাবে সমগ্ৰ বিশ্বই সন্মানৰ দৃষ্টিৰে চায়।

ওপৰৰ আলোচনাৰপৰা আমি এইখিনিয়ে ক'ব পাৰো যে ভাৰতৰ সংস্কৃতি হৈছে বৈচিত্ৰ্যৰ মাজৰ ঐক্যৰ এটা সুন্দৰ উদাহৰণ। আমি সকলোৱে মনত ৰখা উচিত যে, প্ৰকৃত ভাৰতমাতাৰ সন্তানে এই বৈচিত্ৰ্যক উপলব্ধি কৰে আৰু ভাৰতীয় সংস্কৃতিয়ে এই বৈচিত্ৰ্যৰ মাজত সোমাই থকা একতাক আগুৱাই নিবলৈ জনসাধাৰণক উদ্বুদ্ধ কৰে।

**ধাৰণা চিত্ৰ (Concept Map) ঃ**






**দলগত কাৰ্য ঃ**

ভাৰতৰ বিভিন্ন ঠাইত চাউল আৰু দাইলেৰে কি কি প্ৰকৰণ প্ৰস্তুত কৰা হয় তাৰে এখন তালিকা প্ৰস্তুত কৰা। (প্ৰয়োজনত শিক্ষকৰ সহায় ল'ব)

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

ভাৰতত বৈচিত্ৰ্যৰ মাজত ঐক্য কেনেকৈ স্থাপিত হৈছে উদাহৰণেৰে সৈতে চমুকৈ আলোচনা কৰা।



# পাঠ ১২
# সমাজ ঃ পৰিয়াল, প্ৰতিবেশী আৰু ৰাইজ

E1U9E9

## ১২.১ পৰিয়াল ঃ

কাষৰ ছবিত এয়া অংগদ, তাৰ বন্ধু মংগল আৰু দেউতাক। তাৰ মাক আৰু ভনীয়েক কুঁহি গাঁৱত থকা ককাক-আইতাকৰ ঘৰলৈ গৈছে। মাক নাথাকিলে দেউতাকে ঘৰৰ কাম-কাজ কৰি তাক স্কুললৈ পঠিয়ায় আৰু নিজেও কৰ্মস্থানলৈ যায়। অংগদেও দেউতাকক ঘৰুৱা কাম-কাজত সহায় কৰে। তাৰ মোমায়েকহঁতৰ পৰিয়ালটো যৌথ পৰিয়াল যদিও বিশেষ কামৰ বাবে মোমায়েকহঁত ল'ৰা-ছোৱালীৰে সৈতে গুৱাহাটীলৈ যাবলগীয়াত পৰে। সেয়েহে বয়সীয়াল ককাক-আইতাকৰ যতন ল'বলৈ মাক গাঁৱৰ ঘৰলৈ গৈছে।



**চিত্ৰ ১২.১** অংগদৰ পৰিয়াল



**চিত্ৰ ১২.২** অংগদৰ ককাক-আইতাকৰ পৰিয়াল

যোৱা বছৰ অসুখত ভুগি অংগদৰ দেউতাক তিনিদিন চিকিৎসালয়ত থাকিবলগীয়া হৈছিল। তেতিয়া সিহঁতৰ মোমায়েক আৰু খুৰাকহঁতে আহি পাল পাতি চহৰৰ চিকিৎসালয়ত দেউতাকৰ লগত আছিল।

সিহঁতৰ ঘৰৰ কাষতে পেহীয়েক ৰীতা আৰু তেওঁৰ জীয়েক মনীমা থাকিবলৈ লৈছে। অকালতে পেহাক ঢুকোৱাৰ পাছত পেহীয়েকৰ একক পৰিয়ালটিৰ আলৈ-আথানি নহওক বুলিয়েই দেউতাকে তেওঁলোকক নিজৰ ঘৰৰ ওচৰলৈ লৈ আহিল। মনীমা অহাৰে পৰা ইহঁতৰ খুব স্ফূৰ্তি। একেলগে খেলে, একেলগে বিদ্যালয়লৈ যায়, ইটোৱে সিটোক পঢ়া-শুনাত সহায় কৰে। ওচৰ-পাজৰৰ লোকসকলৰ লগতো অংগদহঁতৰ পৰিয়াল মিলি-জুলি থাকে।

অংগদহঁতৰ পৰিয়ালৰ উদাহৰণৰ পৰা তোমালোকে জানিব পাৰিলা যে পৰিয়াল এটাত সদস্যসকলে কেনেদৰে শাৰীৰিক, মানসিক আৰু আৱেগিকভাৱে ইজনে সিজনক সহায়-সহযোগ কৰে, কিদৰে জন্মৰ পৰা আদৰ-যত্ন কৰি সন্তানক প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰে, সামাজিক প্ৰাণী হিচাপে গঢ় দিয়াত পৰিয়ালে কিদৰে সহায় কৰে আৰু জ্যেষ্ঠজনৰ বেমাৰ-আজাৰত কনিষ্ঠসকলে কিদৰে যতন লয়। ভাতৃ-ভগ্নীসকলেও নিজৰ মাজত কোনো ধৰণৰ ভেদাভেদ নাৰাখি মৰম-চেনেহেৰে জীৱন-নিৰ্বাহ কৰে। মনকৰিবলগীয়া কথা যে অংগদহঁতৰ পৰিয়ালৰ প্ৰত্যেকেই ঘৰুৱা কাম-কাজত সহায়-সহযোগ কৰে বাবে ঘৰখনো নিয়াৰিকৈ চলি গৈছে। সৰুৰে পৰা মাক-দেউতাকে দুয়োৰে মাজত কোনো লিংগ বিভেদ নাৰাখি ঘৰুৱা কাম-কাজ কৰিবলৈ শিকাইছে।

এই সৰু সৰু কথাবোৰেই ভৱিষ্যতে এজন সুস্থ সামাজিক ব্যক্তি হিচাপে পৰিচিত হ'বলৈ প্ৰয়োজনীয় গুণ যেনে, সমাজৰ নীতি-নিয়ম পালন, আনৰ প্ৰতি সন্মান প্ৰদৰ্শন, সহনশীলতা, সহযোগিতা আদি আয়ত্ত কৰাত সহায় কৰে। পৰিয়াল হ'ল সমাজৰ প্ৰাথমিক গোট। সমাজৰ পৰিৱৰ্তনৰ লগে লগে পৰিয়ালৰ ধাৰণা আৰু গঠন

প্ৰণালীৰো পৰিৱৰ্তন ঘটে। তোমালোকে নিজৰ পৰিয়ালতে দেখিছা নিশ্চয় কিদৰে আগৰ সমাজখন কৃষিভিত্তিক আছিল কাৰণে সকলোৱে একে ঠাইতে যৌথ পৰিয়াল হিচাপে আছিল। পাছলৈ পৰিয়ালৰ সদস্যৰ সংখ্যা বাঢ়ি আহে। সেই কাৰণে জীৱিকাৰ বাবে আন ঠাইলৈ গৈ মানুহে বসবাস কৰিবলগীয়া হয়। ইয়াৰ ফলতেই একক পৰিয়ালৰ সংখ্যা বাঢ়িবলৈ ধৰে। এনেদৰে একেলগে বাস নকৰিলেও নিজৰ মাজত আত্মীয়তা থকা পৰিয়ালক সম্প্ৰসাৰিত পৰিয়াল বুলি কোৱা হয়। পৰিয়ালৰ গাঁথনিৰ মূল ভেটি হ'ল এজনৰ আনজনৰ প্ৰতি থকা নিস্বাৰ্থ মৰম, আদৰ, যত্ন আৰু সন্মান। পৰিয়াল এটাত তিনি প্ৰকাৰে সদস্য যোগ হ'ব পাৰে- জন্মসূত্ৰে, বিবাহ সূত্ৰে আৰু দত্তকসূত্ৰে।



**চিত্ৰ ১২.৩** কাতি বিহু

তোমালোকে হয়তো মন কৰিছা যে, আমি পালন কৰা উৎসৱ-পাৰ্বণ, ৰীতি-নীতি, কাম-কাজ আদিৰ যোগেদি পৰিয়ালৰ এটা প্ৰজন্মই আনটো প্ৰজন্মলৈ সামাজিক আদৰ্শ, মূল্যবোধ, জীৱন-প্ৰণালী আদি প্ৰবাহিত কৰে। এনেদৰেই আমাৰ পৰিয়ালসমূহে কৰ্মই ধৰ্ম, ত্যাগ, সেৱা, দান আদি আদৰ্শসমূহ অতীজৰে পৰা গ্ৰহণ কৰি আহিছে। এনেবোৰ কাৰণতেই ভাৰতীয় পৰম্পৰাত পৰিয়ালৰ ভূমিকাক অতি উচ্চ স্থান দিয়া হৈছে। ইয়াত গোটেই বিশ্বকে এটা পৰিয়াল হিচাপে বিবেচনা কৰা হয়। উপনিষদ আৰু হিতোপদেশত এনে ধাৰণাকেই 'বসুধৈৱ কুটুম্বকম্' বুলি কোৱা আছে।

## অনুশীলনী - ১

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা--

(ক) পৰিয়াল বুলিলে কি বুজা?

(খ) পৰিয়াল এটাত সদস্য কি কি প্ৰকাৰে যোগ হয়?

(গ) পৰিয়াল এটা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সদস্যসকলে কি কৰিব লাগে?

(ঘ) ভাৰতীয় পৰম্পৰাত পৰিয়াল সম্বন্ধে কি কোৱা হৈছে?

২. পৰিয়ালৰ পৰা আমি কি কি পাওঁ?

## ১২.২ প্ৰতিৰেশী ঃ



**চিত্ৰ ১২.৪** প্ৰতিৰেশী

গীতাৰ ঘৰ নাহৰণি গাঁৱত। তাইৰ গাঁৱৰ প্ৰত্যেকে ইজনে-সিজনক ভালদৰে চিনি পায় আৰু বিপদে-আপদে সহায়-সহযোগ কৰে। গীতাৰ বায়েকৰ বিয়া। বিয়াৰ খবৰ পাই চুবুৰীৰ প্ৰত্যেকে গীতাহঁতৰ ঘৰলৈ আহি বিভিন্ন কামত সহায় কৰি দিছে। কোনোৱে পিঠাগুৰি খুন্দিছে, কোনোৱে পিঠা-পনা তৈয়াৰ কৰিছে, কোনোৱে ৰভাৰ কাম কৰিছে আৰু আন কোনোৱে খৰি ফালিছে। মুঠতে গাঁওখনৰ প্ৰতিটো পৰিয়ালে গীতাহঁতৰ পৰিয়ালটোক সহায় কৰিবলৈ আগবাঢ়ি আহিছে। এই উদাহৰণটোৰপৰা আমি বুজিব পাৰিলো যে প্ৰয়োজন হ'লে ওচৰ চুবুৰীয়াই বিভিন্ন ধৰণে সহায়-সহযোগ কৰে।

নিজৰ পৰিয়ালৰ পিছতেই মানুহে প্ৰতিৰেশীসকলৰ ওপৰত নিৰ্ভৰ কৰে। আমাৰ ওচৰে-পাজৰে বসবাস কৰা পৰিয়ালসমূহকে আমি প্ৰতিৰেশী বুলি কওঁ। জাতি-ধৰ্ম নিৰ্বিশেষে প্ৰতিৰেশীসকল বিয়া-বাৰু, উৎসৱ, অনুষ্ঠান আদি চুবুৰীৰ কাম-কাজত একগোট হয়। কাৰোবাৰ কাৰণে আকৌ সম্প্ৰসাৰিত পৰিয়ালটোৱেই প্ৰতিৰেশীৰ দৰে হয় আৰু অন্য কাৰোবাৰ কাৰণে একেবাৰে অচিনাকি, বেলেগ ভাষা-ভাষী লোকো প্ৰতিৰেশী হ'ব পাৰে।

সমাজ এখন পৰিচালিত হবলৈ প্ৰতিৰেশীসকলৰ মাজত সুস্থ সম্পৰ্ক থকা আৱশ্যক। পৰিয়ালৰ পিছত প্ৰতিৰেশীসকলেই দ্বিতীয় সামাজিক গোটৰ সৃষ্টি কৰে। কোনো গাঁও বা একোটা অঞ্চলৰ সমূহীয়া সম্পত্তি, যেনে, ৰাস্তা-ঘাট, পুখুৰী, ৰাজহুৱা উপাসনা গৃহ, শিক্ষানুষ্ঠান আদি কেৱল এটা পৰিয়ালৰে নহয়, সেই ঠাইত থকা সমাজৰ প্ৰতিগৰাকী সদস্যৰ উমৈহতীয় সম্পদ। তেনে ক্ষেত্ৰত সমূহীয়া সিদ্ধান্ত লোৱা বা পৰিচালনা কৰা আদি কামত সকলোৱে সহযোগিতা থকাটো দৰকাৰ। প্ৰতিৰেশীসকলৰ মাজত থকা সমতা, একতা, উদাৰতা আৰু সহযোগিতাৰ মনোভাৱে সমাজখন সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰে।




**চিত্ৰ ১২.৫** একেলগে মাছধৰা

## ১২.৩ ৰাইজ ঃ

অসমৰ সামাজিক জীৱনত ৰাইজৰ প্ৰভাৱ অপৰিসীম। ৰাইজ বুলি ক'লে আমাৰ প্ৰতিৱেশীসকল, গাঁৱৰ বাসিন্দাসকল বা দুই-তিনিখন গাঁৱৰ লোকসকলক একেলগেও বুজাব পাৰি। ইয়াৰ কোনো ধৰা-বন্ধা সংখ্যা নাই। একেখন সমাজত বসবাস কৰা সকলোৱেই ৰাইজৰ অংশ। তোমালোকে প্ৰায়েই 'ৰাজহুৱা' শব্দটো শুনিবলৈ পোৱা। ৰাইজৰ পৰাই এই শব্দটো আহিছে। অসমৰ সমাজ জীৱনত 'ৰাইজ' এক গুৰুত্বপূৰ্ণ উপাদান। চৰকাৰ বা আইন-ব্যৱস্থাৰ আৰম্ভণিৰ আগৰেপৰা ৰাইজে অসমৰ সমাজৰ ৰীতি-নীতিৰ অভিভাৱক হিচাপে দায়িত্ব লৈ আহিছে। এখন গাঁৱৰ উমৈহতীয়া সম্পদৰ ৰক্ষণাবেক্ষণ, উৎসৱ-পাৰ্বণ উদ্‌যাপন, আপদ-বিপদ আৰু সুখৰ সময়ত গাঁৱৰ মানুহক ৰাইজে সহযোগিতা আগবঢ়োৱাৰ পৰম্পৰা অতীতৰেপৰা চলি আহিছে। আমাৰ পৰম্পৰাগত উৎসৱসমূহত আমি ৰাইজে একেলগে কাম কৰাৰ বহু উদাহৰণ পাওঁ, যেনে, ভোগালী বিহুৰ উৰুকাত ভেলাঘৰ সাজি ৰাজহুৱা ভোজভাত খোৱা, জোনবিল মেলাৰ সময়ত একেলগে মাছ ধৰা, নামঘৰৰ ভাওনা, সকলো ধৰ্মীয় অনুষ্ঠান একলগ হৈ পালন কৰা, ঘৰে-ঘৰে গৈ হুঁচৰি গোৱা আদি। এতিয়াও বহু ঠাইত আৰক্ষী প্ৰশাসনৰ কাষ চপাৰ আগতে গাঁৱৰ মানুহে কোনো সমস্যাৰ সামাধান বিচাৰি ৰাইজৰ ওচৰত 'বিচাৰ' দিয়ে। ৰাইজেও নিৰপেক্ষভাৱে সকলোৰে উপস্থিতিত দুয়োপক্ষৰ মতামত শুনি ৰায়দান কৰে আৰু সেই ৰায় সকলোৱে মানিও লয়। ইয়াৰ পৰাই বুজিব পাৰি যে অসমীয়া জনজীৱনত ৰাইজৰ প্ৰতি মানুহৰ কিমান আস্থা আছে।



**চিত্ৰ ১২.৬** ভাওনা

অসমৰ ইতিহাসতো ব্ৰিটিছৰ বিৰুদ্ধে কৰা আন্দোলনত 'ৰাইজ' হিচাপে আগভাগ লোৱাৰ প্ৰমাণ আমি ৰাইজমেলৰ পৰাই পাওঁ। সমাজ এখনত ৰাইজৰ গুৰুত্ব কিমান সেয়া আমি প্ৰায়ে শুনি থকা প্ৰবাদ এটাৰপৰা জানিব পাৰো- 'ৰাইজেই ৰজা'। অৱশ্যে জীৱনশৈলীৰ পাৰ্থক্যৰ বাবে চহৰাঞ্চলত ইয়াৰ প্ৰভাৱ সীমিত।

বহু সময়ত ৰাইজৰ মাজৰ কিছুলোকে কোনো বিশেষ উদ্দেশ্যত একগোট হোৱা দেখা যায়। উমৈহতীয়াভাৱে যিকোনো সামাজিক উদ্দেশ্যে একগোট হোৱা লোকৰ সমষ্টিক সামূহিক গোট বোলা হয়। এনেধৰণৰ গোট সমাজৰে এটা অংশ। চহৰৰ আৱাসিক অঞ্চলবোৰ ভালদৰে পৰিচালনাৰ কাৰণে গঠন হোৱা আৱাসিক কল্যাণ সমিতিবোৰ তেনে সামূহিক গোটৰ উদাহৰণ।

তোমালোকে পাঠটোত সমাজৰ বিভিন্ন উপাদান, যেনে, পৰিয়াল, প্ৰতিৱেশী, ৰাইজ আদিৰ বিষয়ে পঢ়িলা। ইয়াৰপৰা সমাজ সম্পৰ্কে নিশ্চয় এক থুলমূল আভাস পালা। সহজ অৰ্থত সমাজ বুলিলে একেলগে বাস

কৰা মানুহৰ গোটক বুজাব পাৰি, য'ত এজনে আনজনক সহায়-সহযোগিতা আগবঢ়ায়।

সমাজ এখন ৰাজনৈতিক কৰ্তৃত্ব আৰু সাংস্কৃতিক নীতি-নিয়মৰদ্বাৰা পৰিচালিত হয়। ব্যক্তি এজন সমাজৰ অংশ হ'বলৈ এই নীতিবোৰ পালন কৰিব লাগে। ইয়াৰ ভিতৰত প্ৰধান হৈছে, একেটা ভৌগোলিক অঞ্চলৰ বাসিন্দা হোৱা আৰু সমাজৰ বাকী সদস্যসকলৰ লগত যোগাযোগ ৰখা। এক উমৈহতীয়া সংস্কৃতি আৰু সদস্যসকলৰ মাজত থকা যোগাযোগেই হ'ল সমাজ এখনৰ চালিকা শক্তি।

আমাৰ আচৰণ, চিন্তা আৰু জীৱন-শৈলী যথেষ্ট পৰিমাণে সমাজৰদ্বাৰা প্ৰভাৱিত হয়। লগতে ই অৰ্থনীতি আৰু ৰাজনীতিকে ধৰি জীৱনৰ বহু ক্ষেত্ৰত মানুহক সংগঠিত কৰে আৰু সহযোগিতা আগবঢ়ায়। আমাৰ নিজৰ পৰিচয় গঢ় দিয়া আৰু আনৰ লগত আত্মীয়তা গঢ় দিয়াত সমাজৰ ভূমিকা অপৰিসীম।

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--
   (ক) প্ৰতিৱেশী মানে কি?
   (খ) ৰাইজ বুলিলে কি বুজা?
   (গ) ৰাইজে সহযোগিতাৰে পালন কৰা যিকোনো দুটা উৎসৱ উল্লেখ কৰা।
   (ঘ) সামূহিক গোটৰ এটা উদাহৰণ দিয়া।
২. সমাজ এখন সুচাৰুৰূপে চলাত প্ৰতিৱেশীৰ ভূমিকা সম্বন্ধে চমুকৈ লিখা।
৩. অসমৰ জনজীৱনত ৰাইজৰ ভূমিকা বৰ্ণনা কৰা।

**ধাৰণা চিত্ৰ (Concept Map) ঃ**






**দলগত কাৰ্য ঃ**
তোমালোকৰ গাঁৱত থকা ৰাজহুৱা সম্পত্তিৰ এখন তালিকা প্ৰস্তুত কৰা।

**ভাবি উলিওৱা ঃ**
জীৱ-জন্তুৰ পৰিয়াল থাকেনে?



# পাঠ ১৩
# ভাৰতৰ শাসন ব্যৱস্থাৰ গঠন

L9Q8V6

মানুহে দীৰ্ঘকাল ধৰি সামূহিক গোট (Community) হিচাপে বসবাস কৰি আহিছে। জনসংখ্যা বৃদ্ধি পাই অহাৰ লগে লগে বহু মানুহে একেলগে বসবাস কৰাৰ ফলত মতবিৰোধ আৰু বিসংগতিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। সমাজত সদ্ভাৱনা বৰ্তাই ৰাখিবলৈ সেয়েহে কিছুমান নিয়ম-কানুনৰ প্ৰয়োজন হয়।

আমাৰ ঘৰখনত, আমি পঢ়া বিদ্যালয়খনত, আমি ৰাস্তাত খোজ কাঢ়োতে বা চাইকেল চলাওতে বা গাড়ী চলাওতে আৰু লগতে আমি জীৱিকা-নিৰ্বাহৰ বাবে কৰা কামবোৰতো কিছুমান নীতি-নিয়ম মানি চলিবলগীয়া হয়। পিছে, এই নীতি-নিয়মবোৰ যদি আমি মানি নচলো তেতিয়া কি হ'ব পাৰে? এই নীতি-নিয়মবোৰ কোনে, কেনেকৈ আৰু কিয় প্ৰস্তুত কৰে বাৰু? এনেক্ষেত্ৰত সমাজখন অকামিলা হৈ পৰাৰ সম্ভাৱনা থাকে নেকি? আমি এই পাঠটিত এনেধৰণৰ কথাবোৰেই আলোচনা কৰিম।

মূলতঃ সিদ্ধান্ত গ্ৰহণ কৰা, সামাজিক জীৱনক বিভিন্ন নীতি-নিয়মেৰে পৰিচালিত কৰা আৰু নীতি-নিয়মবোৰ মানি চলাটো নিশ্চিত কৰাৰ প্ৰক্ৰিয়াটোকে শাসন ব্যৱস্থা (Governance) বুলিব পাৰি। যি ব্যৱস্থাই সেই নীতি-নিয়মবোৰ গঢ় দিয়ে আৰু সেইবোৰ মানি চলিবলৈ বাধ্য কৰে সেয়াই হৈছে চৰকাৰ (Government)। ইয়াৰে কিছুমান অতি গুৰুত্বপূৰ্ণ নীতি-নিয়মক আইন (Law) বুলি বিবেচনা কৰা হয়।

এবাৰ প্ৰস্তুত কৰা কোনো নীতি-নিয়মেই চিৰস্থায়ী বা সকলোৰে কাৰণে নহয়। সময় আৰু ঠাই ভেদে নিয়মবোৰ সলনি হয়। আমি আমাৰ ঘৰত বা বিদ্যালয়ত মানি চলা নীতি-নিয়মবোৰ পৰিৱেশ-পৰিস্থিতি আৰু সময় সাপেক্ষে সলনি কৰিবলগীয়া হ'লে মা-দেউতা বা বিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ কৰোঁ। তেনেকৈ সমাজৰ নীতি-নিয়ম বা আইন-কানুনো নাগৰিকে সলনি কৰিব বিচাৰিব পাৰে। আমি এই ধাৰণাবোৰো কিছু পৰিমাণে এইটো অধ্যায়ত আৰু পিছলৈ ওপৰৰ শ্ৰেণীত আলোচনা কৰিম।

### ১৩.১ আমাৰ দেশৰ প্ৰশাসনৰ তিনিটা স্তৰ ঃ

আমাৰ দেশৰ প্ৰশাসন ব্যৱস্থাৰ ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু স্থানীয় তিনিটা ভাগ বা স্তৰ আছে। প্ৰতিটো ভাগেই সংবিধান অনুসৰি নিজৰ পৰিসৰৰ ভিতৰত সকলো কাৰ্য সম্পাদন কৰে। সেয়াই হৈছে ক্ষমতাৰ বিভাজন (Division of power)। এটা উদাহৰণেৰে কথাখিনি ভালকৈ বুজি লওঁ আহা। আমাৰ দেশত ২০১৪ চনৰ ২ অক্টোবৰত আৰম্ভ হোৱা স্বচ্ছ ভাৰত অভিযান কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰি প্ৰয়োজনীয় অনুদান আগবঢ়ায়, ৰাজ্যিক চৰকাৰে এই অভিযান বলৱৎ কৰে আৰু স্থানীয় পৰ্যায়ত গাঁও অঞ্চলত গাঁও পঞ্চায়ত আৰু চহৰ অঞ্চলত পৌৰনিগম/ পৌৰসভাই অভিযান ৰূপায়িত কৰে। আমাৰ দেশত প্ৰশাসনৰ পিৰামিড আকৃতিৰ স্তৰ তিনিটা চিত্ৰ ১৩.১ ত দেখুওৱা হৈছে।




চিত্ৰ ১৩.১ ঃ প্ৰশাসনৰ স্তৰ

## অনুশীলনী - ১

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) ঘৰ বা বিদ্যালয়ত একো নীতি-নিয়ম নাথাকিলে কি হ'ব?

(খ) শাসন ব্যৱস্থানো কি?

(গ) চৰকাৰনো কি?

২. তুমি বাস কৰা অঞ্চলটোত কি স্থানীয় প্ৰশাসন আছে আৰু তেওঁলোকে কি কি কাম কৰে?

### ১৩.১.১ চৰকাৰৰ প্ৰধান অংগ তিনিটা ঃ

তোমালোক সকলোৰে জানা যে শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ৰ জৰিয়তে ভাৰতবৰ্ষৰ সকলো শিশুৰে ৬ ৰ পৰা ১৪ বছৰ বয়সলৈ যিকোনো চৰকাৰী বিদ্যালয়ত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা লাভ কৰিব পাৰে। কিন্তু, কোনো ব্যক্তিয়ে যদি সেই বয়সৰ শিশুক বিদ্যালয়লৈ নপঠিয়াই উপাৰ্জনৰ উদ্দেশ্যে ব্যৱহাৰ কৰে, অৰ্থাৎ ৰেষ্টোৰা বা কাৰোবাৰ ঘৰত কাম কৰিবলৈ পঠিয়ায় তেতিয়া তেওঁলোক আইনৰ দৃষ্টিত দণ্ডনীয় হ'ব। এই উদাহৰণটোৰ জৰিয়তে আমি চৰকাৰৰ অংগ তিনিটাই কেনেকৈ একেলগে কাম কৰে তাকে বুজিবলৈ যত্ন কৰিম।

**বিধানপালিকা ঃ** বিধানপালিকাই সদায় নতুন আইন প্ৰণয়ন কৰে। কেতিয়াবা ই পুৰণি আইনৰ ধাৰা সংশোধন কৰে আৰু নতুন কিবা সংযোজনো কৰে। এই কামখিনি সাধাৰণতে জনসাধাৰণৰদ্বাৰা নিৰ্বাচিত প্ৰতিনিধিসকলে কৰে। ওপৰৰ উদাহৰণটোত উল্লেখ কৰা শিক্ষাৰ অধিকাৰ আইনখন ভাৰতৰ লোকসভা আৰু ৰাজ্যসভাত উত্থাপিত হৈছিল। ভাৰতৰ বিধানপালিকা দুখন সদনেৰে গঠিত। কেন্দ্ৰত লোকসভা নিম্নসদন আৰু ৰাজ্যসভা উচ্চ সদন। আকৌ ৰাজ্যত বিধানসভা নিম্নসদন আৰু বিধান পৰিষদ উচ্চ সদন। উচ্চ সদনৰ সদস্যসকল সদায় পৰোক্ষ গণতন্ত্ৰৰ ভিত্তিত নিৰ্বাচিত বা মনোনীত। ই স্থায়ী সদন। নিম্ন সদনৰ সদস্যসকল প্ৰত্যক্ষ গণতন্ত্ৰৰ ভিত্তিত জনসাধাৰণৰদ্বাৰা নিৰ্বাচিত আৰু ই অস্থায়ী সদন। সংবিধানমতে ভাৰতৰ ৰাজ্যসভাৰ সৰ্বাধিক সদস্যৰ সংখ্য ২৫০ গৰাকী আৰু লোকসভাৰ সৰ্বাধিক সদস্যৰ সংখ্যা ৫৫০ গৰাকী। অন্ধ্ৰ প্ৰদেশ, বিহাৰ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, তেলেংগানা আৰু উত্তৰ প্ৰদেশত ৰাজ্যিক উচ্চসদন বিধান-পৰিষদ আছে।



উৎসঃ wikimedia.org

**চিত্ৰ ১৩.২ ঃ সংসদ ভৱন**

**কাৰ্যপালিকা ঃ** বিধানপালিকাই প্ৰস্তুত কৰা আইনসমূহ কাৰ্যপালিকাই কাৰ্যকৰী কৰে। ৰাষ্ট্ৰপ্ৰধান আৰু চৰকাৰ প্ৰধানসকলে সেই আইনসমূহ বলৱৎ কৰে। ওপৰৰ উদাহৰণটোত উল্লেখ কৰা আইনখন ভাৰতৰ ৰাষ্ট্ৰপতিয়ে

স্বাক্ষৰ কৰি সমগ্ৰ দেশতে বলৱৎ কৰিছে। ভাৰতত নামমাত্ৰ আৰু প্ৰকৃত- এই দুই প্ৰকাৰৰ কাৰ্যপালিকা আছে। নামমাত্ৰ কাৰ্যপালিকা (Nominal/De-jure Executive) হৈছে ৰাষ্ট্ৰপ্ৰধান, কিন্তু, ৰাষ্ট্ৰ শাসনৰ ক্ষমতাহীন, যেনে, ভাৰতৰ ৰাষ্ট্ৰপতি আৰু ভাৰতৰ ৰাজ্যপালসকল। প্ৰকৃত কাৰ্যপালিকা (Real/De facto Executive) হৈছে চৰকাৰ প্ৰধান আৰু ৰাষ্ট্ৰৰ শাসনকৰ্তা, যেনে, ভাৰতৰ প্ৰধানমন্ত্ৰী নেতৃত্বাধীন মন্ত্ৰী পৰিষদ আৰু ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী নেতৃত্বাধীন মন্ত্ৰী পৰিষদ।



উৎসঃ wikimedia.org

**চিত্ৰ ১৩.৩ ঃ** কাৰ্যপালিকা

**ন্যায়পালিকা ঃ** ন্যায়পালিকাই আইনৰ ভিত্তি আৰু তাক সঠিকভাৱে কাৰ্যকৰী কৰা হৈছেনে নাই বিচাৰ কৰে। কোনো ব্যক্তিয়ে সেই আইন ভংগ কৰিলে প্ৰয়োজন সাপেক্ষে আদালতৰদ্বাৰা তেওঁক দোষী সাব্যস্ত কৰে। কেতিয়াবা বিধানপালিকা আৰু কাৰ্যপালিকাৰদ্বাৰা প্ৰণয়ন আৰু কাৰ্যকৰী কৰা আইনৰ যুক্তিযুক্ততা আৰু ন্যায্যতাও ন্যায়পালিকাই বিচাৰ কৰে। ওপৰৰ উদাহৰণৰ প্ৰসংগত উল্লেখ্য যে কোনো ব্যক্তিয়ে যদি ৬ ৰ পৰা ১৪ বছৰ বয়সৰ শিশুক বিদ্যালয়লৈ নপঠিয়াই অন্য কামত নিয়োজিত কৰে, তেতিয়াহ'লে সেই ব্যক্তিগৰাকী আইনৰ দৃষ্টিত দণ্ডনীয় হ'ব। ভাৰতবৰ্ষত তিনিধৰণৰ ন্যায়পালিকা আছে-- জিলা পৰ্যায়ত জিলা আদালত, ৰাজ্যিক পৰ্যায়ত উচ্চ ন্যায়ালয় আৰু কেন্দ্ৰীয় পৰ্যায়ত উচ্চতম ন্যায়ালয়।



**চিত্ৰ ১৩.৪ ঃ** উচ্চতম ন্যায়ালয়

যিকোনো এটা সুস্থ প্ৰশাসনৰ বাবে চৰকাৰৰ তিনিটা অংগই এটাৰপৰা আনটো পৃথক হৈ সংগতি ৰাখি একেলগে কাম কৰাটো প্ৰয়োজন, যাক আমি ক্ষমতাৰ পৃথকীকৰণ (Separation of power) বুলি জানো। এই ব্যৱস্থাটোৰে চৰকাৰৰ অংগ তিনিটাৰ মাজত ক্ষমতাৰ নিয়ন্ত্ৰণ আৰু ভাৰসাম্য (Checks and Balances) ৰক্ষা

কৰে। চৰকাৰৰ অংগ তিনিটাৰ কোনোবাটোৱে যদি প্ৰয়োজনতকৈ অধিক বা সংবিধান বহিৰ্ভূত কাৰ্য কৰে, অন্য দুটা অংগই তাক বিচাৰ কৰি সন্তুলিত কৰে।

**জানোঁ আহা ঃ**

**ক্ষমতাৰ পৃথিকীকৰণ ঃ**

ভাৰত চৰকাৰৰ কাৰ্যপালিকা, বিধানপালিকা আৰু ন্যায়পলিকা এই তিনিওটা অংগৰে ক্ষমতা আৰু কাৰ্যাৱলী সংবিধানে পৃথক পৃথক কৰি দিছে। বিধান পালিকাই যদি আইন প্ৰণয়ন কৰে, সেই আইন কেৱল কাৰ্যপালিকাইহে কাৰ্যকৰী কৰিব পাৰে। সেই আইন কাৰ্যকৰী হোৱাৰ পিছত কিবা সমস্যা হ'লে, তাৰ আইনগত সমাধান কেৱল ন্যায়পালিকাইহে দিব পাৰে। ক্ষমতাৰ পৃথকীকৰণত প্ৰতিটো অংগৰে ক্ষমতা বেলেগ বেলেগ যদিও প্ৰকৃতাৰ্থত তেওঁলোকে নিজৰ নিজৰ কাৰ্যাৱলীকহে বিভক্ত কৰে।

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) এখন চৰকাৰৰ প্ৰধান অংগকেইটা কি কি?

(খ) চৰকাৰ এখনৰ তিনিওটা অংগই কেনেধৰণে কাৰ্য সম্পাদন কৰে?

(গ) কেন্দ্ৰীয় আৰু ৰাজ্যিক স্তৰত চৰকাৰ এখনৰ তিনিওটা অংগৰ গঠন কেনেধৰণৰ হয়?

(ঘ) ক্ষমতাৰ পৃথকীকৰণ বুলিলে কি বুজা?

(ঙ) ক্ষমতাৰ নিয়ন্ত্ৰণ আৰু ভাৰসাম্য মানে কি?

## ১৩.২ গণতন্ত্ৰ ঃ

তোমালোকে জানা যে, তোমালোকৰ বিদ্যালয়খনত এগৰাকী প্ৰধান শিক্ষকৰ সৈতে কেইবাগৰাকীও শিক্ষক আৰু কৰ্মচাৰী আছে। তোমালোকৰ শ্ৰেণীতো এগৰাকী বা দুগৰাকী শ্ৰেণী প্ৰতিনিধি থাকে। ধৰি লোৱা হ'ল, তোমালোকৰ গোটেই শ্ৰেণীটোৱে কোনো এদিন জিৰণিৰ সময়ত আলোচনা কৰিলা যে তোমালোকে একগোট হৈ ওচৰৰে এখন ঠাইলৈ সমাজ বিজ্ঞান বিষয়ক ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে যাবা। কিন্তু, তোমালোকৰ মাজৰ কেইগৰাকীমানে এখন ঠাইলৈ আৰু আন কেইগৰাকীমানে অন্য এখন ঠাইলৈ যোৱাৰ প্ৰস্তাৱ দিলে। এনেক্ষেত্ৰত তোমালোকে কেনেকুৱা ব্যৱস্থা হাতত ল'বা ? প্ৰথমতে তোমালোকে শ্ৰেণী প্ৰতিনিধিৰদ্বাৰা তোমালোকৰ সমাজ বিজ্ঞানৰ শিক্ষক গৰাকীক কথাখিনি জনাবা। কাৰণ গোটেই শ্ৰেণীটোৰ শিক্ষাৰ্থীসকলে একেলগে কথা ক'লে কোনেও একো নুশুনিব আৰু নুবুজিব। তাৰ পিছত তোমালোকে বাছনি কৰা ঠাই দুখনৰ মাজত কোনখন ঠাইলৈ সকলো যাবা, সেইটো ঠিক কৰিবলৈ দুয়োখন ঠাইৰ মাজত কোনে কোনখনলৈ যাব বিছাৰিছে, তাক গণনা কৰি উলিয়াবা। যিখন ঠাইলৈ যাব বিচৰা শিক্ষাৰ্থীৰ সংখ্যা বেছি হ'ব, সেইখন ঠাইলৈ যোৱাটো নিশ্চিত কৰিব। তাৰ পিছত, শ্ৰেণী প্ৰতিনিধিৰে সৈতে সেই শিক্ষক গৰাকী প্ৰধান শিক্ষকৰ ওচৰলৈ যাব। প্ৰধান শিক্ষকে সকলো দিশ চালি-জাৰি চাই নিৰ্দিষ্ট এটা দিনত যি ঠাইডোখৰলৈ যাবলৈ তোমালোকক অনুমতি দিব, তেতিয়াহে তালৈকে যাব পাৰিবা। আচলতে এই গোটেই প্ৰক্ৰিয়াটোৱেই হৈছে গণতান্ত্ৰিক ব্যৱস্থা বা গণতন্ত্ৰৰ উদাহৰণ।

গণতন্ত্ৰ (Democracy) শব্দটো গ্ৰীক্ 'Demos', অৰ্থাৎ 'জনসাধাৰণ' আৰু 'Kratos', অৰ্থাৎ শাসন বা ক্ষমতা- এই দুটা শব্দৰপৰা উদ্ভৱ হৈছে। সেয়েহে গণতন্ত্ৰ মানে জনসাধাৰণৰ শাসন বা ক্ষমতা।

বৰ্তমানৰ শাসন ব্যৱস্থাত গণতন্ত্ৰৰ প্ৰাধান্য বেছি। ভাৰতৰ দৰে পৃথিৱীৰ বেছিভাগ দেশতেই আছে গণতান্ত্ৰিক চৰকাৰ। কিন্তু, আধুনিক কালত জনসংখ্যা বৃদ্ধিৰ লগে লগে জনসাধাৰণে নিজেই নিজক শাসন কৰিব নোৱাৰি কিছুমান প্ৰতিনিধিৰ জৰিয়তে চৰকাৰ চলায়। ইয়াক আমি প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ (Representative

Democracy) বুলি কওঁ। পাঠটোৰ আগৰফালে আমাৰ দেশৰ প্ৰশাসনৰ স্তৰ তিনিটাৰ কথা আলোচনা কৰোতে তোমালোকে কথাখিনি পাইছা।



চিত্ৰ ১৩.৫ ঃ ছাত্ৰ-ছাত্ৰীসকলৰ সিদ্ধান্ত গ্ৰহণ



চিত্ৰ ১৩.৬ ঃ শিক্ষয়িত্ৰীৰ পৰামৰ্শ গ্ৰহণ

**জানো আহা ঃ**

মহামানৱ মহাত্মা গান্ধীয়ে সুস্থ প্ৰশাসন বা 'ৰাম ৰাজ্য' ৰ সপোন দেখিছিল, এনে ৰাজ্যৰ শাসন ব্যৱস্থা কেনে হ'ব তেওঁ তাৰ এটা সুন্দৰ ধাৰণা দাঙি ধৰিছিল। এনেধৰণৰ ৰাজ্যৰ চৰকাৰে একেবাৰে স্থানীয় বা তৃণমূল পৰ্যায়ত জনসাধাৰণক সকলো দিশৰপৰা সবল আৰু সচেতন কৰিব পাৰে। জাতি, বৰ্ণ, লিংগ, ভাষা, ধৰ্ম নিৰ্বিশেষে সকলোকে সমান সুবিধা আৰু সুযোগ দিয়াৰ ব্যৱস্থা এনে চৰকাৰে কৰিব পাৰে। এই চৰকাৰৰ প্ৰশাসন ব্যৱস্থা কেন্দ্ৰতে সীমাৱদ্ধ নাথাকি ৰাজ্যিক আৰু স্থানীয় পৰ্যায়ৰ লগতে জনসাধাৰণৰ হাতলৈ প্ৰসাৰিত হ'ব পাৰে। সকলোৰে সম অধিকাৰ আৰু দায়িত্ব এনে চৰকাৰৰ প্ৰধান বৈশিষ্ট্য। জনসাধাৰণে সদায় চৰকাৰী ব্যৱস্থাতে অংশগ্ৰহণ কৰিব পাৰে। তদুপৰি জনসাধাৰণে নিজেই নিজক গণতান্ত্ৰিক পদ্ধতিৰে শাসন কৰে অৰ্থাৎ স্ব-শাসন কৰে। জনসাধাৰণে স্থানীয় প্ৰশাসনত প্ৰত্যক্ষভাৱে সহযোগ কৰাকে তৃণমূল গণতন্ত্ৰ (Grassroots Democracy) বুলি কোৱা হয়। প্ৰকৃততে, এই গণতন্ত্ৰত জনসাধাৰণৰ নিজস্ব মতামতৰ স্থান থাকে।

গোটেই শ্ৰেণীটোৰ তোমালোক শিক্ষাৰ্থীসকল হৈছা দেশখনৰ জনসাধাৰণৰ লেখীয়া। তোমালোকৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ কথাটো শ্ৰেণী প্ৰতিনিধিৰ জৰিয়তে সমাজ বিজ্ঞানৰ শিক্ষক গৰাকীক জনাইছা আৰু তেখেতে ঠাইখন নিশ্চিত কৰি প্ৰধান শিক্ষকক জনাই তোমালোকক যাবলৈ এটা দিন ঠিক কৰি দিছে। ইয়াত জিৰণিৰ সময়ত শ্ৰেণীটোৰ শিক্ষাৰ্থীসকলে ক্ষেত্ৰভিত্তিক অধ্যয়নৰ উদ্দেশ্যে যোৱাৰ কথাটো আলোচনা কৰাটো হৈছে- তৃণমূল গণতন্ত্ৰ সদৃশ। আকৌ, শ্ৰেণী প্ৰতিনিধিকেইজন হৈছে স্থানীয় প্ৰশাসনৰ নিচিনা, সমাজ বিজ্ঞান শিক্ষকগৰাকী হৈছে ৰাজ্যিক প্ৰশাসনৰ নিচিনা আৰু প্ৰধান শিক্ষকগৰাকী হৈছে কেন্দ্ৰীয় প্ৰশাসনৰ নিচিনা। মুঠতে গোটেই শ্ৰেণীটোৰ শিক্ষাৰ্থীসকলৰ মতামত শ্ৰেণী প্ৰতিনিধি আৰু সমাজ বিজ্ঞান শিক্ষকগৰাকীৰ মাধ্যমেৰে প্ৰধান শিক্ষকলৈ যোৱা ব্যৱস্থাটোৱে হৈছে- প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰ লেখীয়া। ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে প্ৰস্তাৱিত দুখন ঠাইৰ মাজৰপৰা এখন ঠাই যি উপায়েৰে সমাজ বিজ্ঞানৰ শিক্ষক গৰাকীয়ে বাছি উলিয়ালে- সেয়া প্ৰত্যক্ষ গণতন্ত্ৰভিত্তিক নিৰ্বাচনৰ ভোটৰ লেখীয়া।

আমাৰ ভাৰততো ৰাজ্যিক আৰু কেন্দ্ৰীয় দুই ধৰণৰ প্ৰশাসন আছে। আমাৰ ১৮ বছৰৰ ওপৰৰ সকলো ব্যক্তিয়ে ৰাজ্যৰ বিধায়কসকলক (MLAs- Members of Legislative Assembly) আৰু কেন্দ্ৰৰ সাংসদসকলক (MPs- Members of Parliament) ভোটৰদ্বাৰা প্ৰত্যক্ষ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত কৰে। তেওঁলোকে সদনত বিভিন্ন ধৰণৰ আইন, সমস্যা আৰু সমাধানৰ বাবে যুক্তি-তৰ্ক কৰে। ৰাজ্যত বিধায়কসকলৰ মাজৰপৰা সংখ্যাগৰিষ্ঠ দলটোৰ নেতা গৰাকীক মুখ্যমন্ত্ৰী হিচাপে ৰাজ্যপালে নিযুক্তি দিয়ে আৰু মুখ্যমন্ত্ৰীৰ বিবেচনা অনুসৰি মন্ত্ৰীসকলকো নিযুক্ত কৰে। ঠিক একেদৰে, ৰাষ্ট্ৰপতিয়ে সাংসদসকলৰ মাজৰপৰা সংখ্যাগৰিষ্ঠ দলটোৰ নেতা গৰাকীক প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দি প্ৰধানমন্ত্ৰীৰ বিবেচনামৰ্মে মন্ত্ৰীসকলকো নিযুক্ত কৰে। আমাৰ দেশৰ ৰাষ্ট্ৰপতি গৰাকীক আকৌ বিধায়ক আৰু সাংসদসকলে নিৰ্বাচিত কৰে। ৰাষ্ট্ৰপতি গৰাকীয়ে ৰাজ্যৰ ৰাজ্যপালসকলক নিযুক্তি দিয়ে। গতিকে, প্ৰশাসনৰ এই ব্যৱস্থাটোৱেই হৈছে পৰোক্ষ গণতন্ত্ৰ, য'ত জনসাধাৰণৰদ্বাৰা নিৰ্বাচিত প্ৰতিনিধিসকলে আকৌ অন্য প্ৰতিনিধিসকলক নিৰ্বাচিত কৰে।

**জানো আহা ঃ**

ভাৰতৰ প্ৰশাসন ব্যৱস্থাৰ অন্যতম মূল ভেটি হ'ল কৌটিল্যৰ অৰ্থশাস্ত্ৰ। কৌটিল্যই অৰ্থশাস্ত্ৰক মানুহে বসবাস কৰা পৃথিৱীৰ অধিগ্ৰহণ আৰু সংৰক্ষণ সম্পৰ্কীয় চৰ্চা কৰা বিজ্ঞান বুলি কৈছিল। অৰ্থশাস্ত্ৰৰ পুৰণি নাম 'দণ্ডনীতি' আছিল। বিশ্বৰ সুৰক্ষাৰ বাবে 'দণ্ড' (বাধা-নিষেধ) ঈশ্বৰে সাজিছিল। কৌটিল্যৰ অৰ্থশাস্ত্ৰখন ১৫ খন কিতাপৰ সমষ্টি। তাৰ ভিতৰত ১৫০ টা অংশ আৰু ১৮০ টা অধ্যায় আছে। ইয়াৰে প্ৰথম ৫ খন কিতাপ আভ্যন্তৰীণ প্ৰশাসন সম্পৰ্কীয়, তাৰ পিছৰ ৮ খন বৈদেশিক সম্পৰ্কৰ লগত জড়িত আৰু ১৪ আৰু ১৫ সংখ্যক কিতাপ দুখনত প্ৰশাসনে গোপনীয়তা বজাই ৰাখি কেনেকৈ কাৰ্য পৰিকল্পনা কৰিব তাৰ বৰ্ণনা আছে। শাসকৰ বিনয় তথা নিয়মানুৱৰ্তিতাৰ জ্ঞানকে ধৰি ৰাষ্ট্ৰৰ অৰ্থনৈতিক নীতি, প্ৰতিৰক্ষা কৌশল, ৰাজনৈতিক নীতি আদি ৰাষ্ট্ৰ পৰিচালনাৰ সকলোবোৰ প্ৰশাসনিক দিশকেই এই গ্ৰন্থখনে সামৰি লৈছে।

## অনুশীলনী - ৩

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) গণতন্ত্ৰ শব্দটো কোন ভাষাৰপৰা আহিছে?

(খ) গণতন্ত্ৰৰ শব্দগত অৰ্থ কি?

(গ) ভাৰতৰ বাহিৰেও আৰু গণতান্ত্ৰিক শাসন ব্যৱস্থা থকা দুখনমান দেশৰ নাম লিখা আৰু সেই দেশবোৰৰ ৰাজধানীৰ নাম উল্লেখ কৰা। প্ৰতিখন দেশৰে ভৌগোলিক অৱস্থিতি মানচিত্ৰ বা গোলকত বিচাৰি উলিওৱা।

(ঘ) প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ কি ?

(ঙ) প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰ কি ?

(চ) তৃণমূল গণতন্ত্ৰ কি ?

**ধাৰণা চিত্ৰ (Concept Map) ঃ**






**দলগত কাৰ্য ঃ**

ভাৰত চৰকাৰ, উচ্চতম ন্যায়ালয়ৰ মূলমন্ত্ৰ (Motto) কি বিচাৰি উলিওৱা। এনেকুৱা ধৰণৰ চৰকাৰী অনুষ্ঠানবোৰৰ আৰু কিবা মূলমন্ত্ৰ আছে নেকি শ্ৰেণীত আলোচনা কৰা। তোমালোকৰ বিদ্যালয়ৰ কিবা মূলমন্ত্ৰ আছে নেকি ?

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

'মিছাইল মানৱ' ডঃ এ.পি.জে. আব্দুল কালামে আমাৰ দেশৰ ৰাষ্ট্ৰপতিৰ পদটো নামমাত্ৰ কাৰ্যপালিকা হৈও কেনেকৈ মহিমামণ্ডিত কৰিছিল আলোচনা কৰা।



# পাঠ ১৪
# স্থানীয় স্বায়ত্তশাসন ব্যৱস্থা



চিত্ৰ ১৪.১ ঃ পথৰ মেৰামতি



চিত্ৰ ১৪.২ ঃ নগৰৰ চাফাই অভিযান

চিত্ৰ ১৪.১ লৈ মন কৰা। কি দেখিছা বাৰু? ইয়াত কেইজনমান মানুহে পথ এটা মেৰামতি কৰি আছে। এতিয়া চিত্ৰ ১৪.২ লৈ চোৱা। কেতিয়াবা চহৰলৈ যাওঁতে এনেদৰে নলা-নৰ্দমাবোৰ পৰিস্কাৰ কৰি থকা মন কৰিছানে? এনেবোৰ কাম বাৰু কোনে পৰিচালনা কৰে ?

শাসন বা পৰিচালনাৰ সুবিধাৰ্থে আমাৰ দেশৰ প্ৰশাসন ব্যৱস্থাক বিভিন্ন স্তৰ বা পৰ্যায়ত ভাগ কৰা হৈছে। এই স্তৰসমূহৰ বিষয়ে তোমালোকে আগৰ পাঠত পঢ়ি আহিছা।

## ১৪.১ স্থানীয় স্বায়ত্তশাসন কি?

প্ৰতিখন ঠাইৰে অঞ্চলভিত্তিক কিছুমান নিজা নিজা সমস্যা থাকে। এইবোৰ স্থানীয়ভাৱে সমাধান কৰিবৰ বাবে যি বিশেষ ধৰণৰ শাসন ব্যৱস্থা থাকে, তাকে স্থানীয় স্বায়ত্তশাসন (Local Self Government) ব্যৱস্থা বুলি কোৱা হয়। তদুপৰি ভাৰতৰ সকলো অঞ্চলৰ প্ৰতিজন লোকেই যে চৰকাৰৰ অংশ, তাকো এই ব্যৱস্থাৰ জৰিয়তে নিশ্চিত কৰিব পাৰি।

আমাৰ দেশত গাঁও আৰু নগৰৰ বাবে সুকীয়া স্বায়ত্তশাসন ব্যৱস্থা আছে। তলত দিয়া ধাৰণা চিত্ৰ খনলৈ মন কৰা--



## স্থানীয় স্বায়ত্তশাসন কিয় প্ৰয়োজন ?

- স্থানীয় সমস্যাৰ বিষয়ে স্থানীয়লোকেহে ভালদৰে জানে। গতিকে তেওঁলোকেহে এইবোৰৰ সঠিক সমাধান কৰিব পাৰিব
- কেন্দ্ৰীয় চৰকাৰৰ কামৰ বোজা লাঘৱ কৰিবলৈ
- জনসাধাৰণৰ প্ৰশাসনীয় জ্ঞান আৰু কৌশল বৃদ্ধি কৰিবলৈ
- চৰকাৰ আৰু প্ৰশাসনত জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ

**অনুশীলনী - ১**

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) ভাৰতৰ শাসন ব্যৱস্থাক কেইটা স্তৰত ভগাব পাৰি ?

(খ) স্থানীয় স্বায়ত্তশাসন মানে কি ?

(গ) স্থানীয় স্বায়ত্তশাসনৰ প্ৰয়োজনীয়তা কি উল্লেখ কৰা।

## ১৪.২ গাঁও অঞ্চলৰ স্থানীয় স্বায়ত্তশাসন ঃ

### ১৪.২.১ গাঁও পঞ্চায়ত ঃ

গাঁৱৰ স্থানীয় সমস্যাসমূহ সমাধানৰ বাবে থকা প্ৰাথমিক প্ৰশাসনিক অনুষ্ঠানটোৱেই হ'ল গাঁও পঞ্চায়ত। পঞ্চায়তক গাঁৱৰ মানুহৰ 'স্থানীয় চৰকাৰ' (Local Government) বুলি অভিহিত কৰা হয়। এনেকুৱা সৰু চৰকাৰে গাঁওখন আৰু গাঁৱৰ ৰাইজৰ সকলো ধৰণৰ সমস্যা সমাধান কৰাৰ চেষ্টা কৰে।

পুৰণি কালত ভাৰতত গাঁওবাসীৰ সমস্যাসমূহ আলোচনাৰ মাধ্যমেৰে সমাধান কৰিবলৈ পাঁচজন জ্যেষ্ঠ আৰু জ্ঞানী ব্যক্তিক নিৰ্বাচন কৰা হৈছিল। এই ব্যৱস্থাটো ব্ৰিটিছসকলে লুপ্ত কৰে। এই পাঁচ বা পঞ্চ শব্দৰপৰাই 'পঞ্চায়ত' শব্দটো আহিছে বুলি ধাৰণা কৰা হয়।



**চিত্ৰ ১৪.৩ ঃ** পঞ্চায়তৰ সভাপতিৰ সৈতে দহটা এলেকাৰ নিৰ্বাচিত সদস্যসকল

সাধাৰণতে ৬,০০০-১০,০০০ জনসংখ্যা থকা এখন বা তাতকৈ বেছি গাঁৱক সামৰি এখন গাঁও পঞ্চায়ত গঠন কৰা হয়। গাঁও পঞ্চায়ত এলেকাক দহটা ভাগত ভগোৱা হয়। প্ৰতিটো পঞ্চায়ত সমষ্টিৰপৰা এজনকৈ নিৰ্বাচিত সদস্য আৰু পঞ্চায়তৰ সভাপতিক লৈ এখন গাঁও পঞ্চায়ত গঠন কৰা হয়। পাছত নিৰ্বাচিত সদস্যসকলৰ মাজৰপৰা এজন উপ-সভাপতি মনোনীত কৰি লোৱা হয়। প্ৰতিখন গাঁও পঞ্চায়তত চৰকাৰৰদ্বাৰা নিযুক্ত এজন সচিব আৰু অন্যান্য কৰ্মচাৰী থাকে। প্ৰতিখন গাঁও পঞ্চায়তৰ একোটা কাৰ্যালয় থাকে। সচিবজনে সভাপতি আৰু সদস্যসকলৰ সহযোগত পঞ্চায়তৰ দৈনন্দিন কাৰ্য পৰিচালনা কৰে।

### গঠন প্ৰণালী ঃ

- পঞ্চায়ত এলেকাটোৰ ১৮ বছৰৰ ঊৰ্দ্ধৰ লোকসকলে ভোটযোগে সভাপতি আৰু পঞ্চায়তৰ সদস্যসকলক নিৰ্বাচিত কৰে।
- গাঁও পঞ্চায়তৰ কাৰ্যকাল ৫ বছৰ।
- গাঁও পঞ্চায়তত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু মহিলাৰ বাবে এক-তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা আছে।

**গাঁও সভা—** গাঁও পঞ্চায়ত এলেকাৰ ভিতৰৰ ভোটাধিকাৰ থকা লোকসকলে মিলি গাঁও সভা গঠন কৰে। গাঁও সভাৰ বৈঠকত পঞ্চায়তৰ সভাপতিজনে সভাপতিত্ব কৰে। এই সভাত পঞ্চায়তৰ মুঠ ভোটাৰৰ শতকৰা ১০ ভাগ বা অতি কমেও ১০০ জন ভোটাৰ উপস্থিত থাকিব লাগে। গাঁওসভা বছৰত কমেও চাৰিবাৰ অনুষ্ঠিত হ'ব লাগে। গাঁও সভাৰ বৈঠকত গাঁও পঞ্চায়তৰ অন্তৰ্গত এলেকাৰ সমস্যাবোৰ আলোচনা কৰা হয় আৰু ইয়াৰ সমাধানৰ পথ নিৰ্ধাৰণ কৰা হয়। অৰ্থাৎ, গাঁও সভাই গাঁও পঞ্চায়তক ইয়াৰ কাম-কাজ সম্পাদনত প্ৰয়োজনীয় সহায় আৰু পৰামৰ্শ আগবঢ়ায়।

**জানো আহা ঃ**

- ১৯৫৯ চনৰ ২ অক্টোবৰ তাৰিখে ৰাজস্থানৰ নাগোৰ জিলাৰ বাগদৰী গাঁৱত ভাৰতৰ প্ৰথমখন গাঁও পঞ্চায়ত স্থাপিত হৈছিল।
- ভাৰতীয় সংবিধানৰ ৭৩ নং সংশোধনীৰ জৰিয়তে ভাৰতৰ সকলো ৰাজ্যত ১৯৯৩ চনৰ ২৪ এপ্ৰিলৰপৰা পঞ্চায়তীৰাজ ব্যৱস্থা কাৰ্যকৰী হয়। সংবিধানৰ একাদশ অধ্যায়ত পঞ্চায়ত ব্যৱস্থাৰ বিষয়ে উল্লেখ আছে।
- অসমত ১৯৯৪ চনৰ অসম চৰকাৰৰ পঞ্চায়তীৰাজ আইন অনুসৰি গাঁও অঞ্চলত তিনি তৰপীয়া স্বায়ত্তশাসন ব্যৱস্থা গঢ়ি তোলা হৈছে।
- জাতিৰ পিতা মহাত্মা গান্ধীয়েও গাঁও অঞ্চলত পঞ্চায়ত শাসনৰ পোষকতা কৰি 'গ্ৰাম স্বৰাজ'ৰ ধাৰণা আগবঢ়াইছিল।
- মহাত্মা গান্ধীয়ে পঞ্চায়তক গ্ৰাম স্বৰাজ ব্যৱস্থাৰ 'মধ্যমণি' বুলি অভিহিত কৰিছিল।

### ১৪.২.২ আঞ্চলিক পঞ্চায়ত ঃ

আমাৰ দেশত শাসন সম্পৰ্কীয় কাম-কাজৰ সুবিধাৰ কাৰণে প্ৰত্যেকখন জিলাকে কেইবাটাও খণ্ডত ভাগ কৰা হয়। ইয়াৰ প্ৰতিটো খণ্ডকে উন্নয়ন খণ্ড বোলে। প্ৰতিটো উন্নয়ন খণ্ডতে একোখন আঞ্চলিক পঞ্চায়ত গঠন কৰা হয়। এখন আঞ্চলিক পঞ্চায়তৰ অধীনত কেইবাখনো গাঁও পঞ্চায়ত থাকে। খণ্ড উন্নয়ন বিষয়া আৰু অন্যান্য বিষয়া-কৰ্মচাৰীয়ে আঞ্চলিক পঞ্চায়তৰ কাম-কাজ ৰূপায়ণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

প্ৰতিখন গাঁও পঞ্চায়তৰপৰা এজনকৈ সদস্য আঞ্চলিক পঞ্চায়তলৈ নিৰ্বাচিত কৰা হয়। তদুপৰি গাঁও পঞ্চায়তৰ সভাপতি গৰাকী, স্থানীয় বিধায়ক আৰু সেই অঞ্চলৰ লোকসভাৰ সাংসদজনো আঞ্চলিক পঞ্চায়তৰ সদস্য হয়। আঞ্চলিক পঞ্চায়তৰো কাৰ্যকাল ৫ বছৰ।

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) 'স্থানীয় চৰকাৰ' বুলি কাক অভিহিত কৰা হয়?

(খ) গাঁও পঞ্চায়ত এলেকাক কেইটা ভাগত ভগোৱা হয়?

(গ) গাঁও পঞ্চায়তৰ দুটা কাৰ্য উল্লেখ কৰা।

(ঘ) গাঁও সভাৰ বিষয়ে চমুকৈ লিখা।

(ঙ) আঞ্চলিক পঞ্চায়তখন কেনেদৰে গঠন কৰা হয়?

(চ) ভাৰতৰ কোন ৰাজ্যৰ কোনখন জিলাত পোন প্ৰথমবাৰৰ বাবে গাঁও পঞ্চায়ত গঠন কৰা হৈছিল?

### ১৪.২.৩ জিলা পৰিষদ ঃ

পঞ্চায়তীৰাজ ব্যৱস্থাৰ আটাইতকৈ উচ্চস্তৰত থকা অনুষ্ঠানটো হৈছে জিলা পৰিষদ। অসমৰ কেইখনমান জিলাক বাদ দি মুঠ **২৬** খন জিলাতে এখনকৈ জিলা পৰিষদ আছে।

জনসংখ্যাৰ ভিত্তিত একোখন জিলা পৰিষদৰ সমষ্টিসমূহ গঠন কৰা হয় । প্ৰতিটো সমষ্টিৰপৰা ভোটাৰসকলে এজনকৈ সদস্য নিৰ্বাচিত কৰি পঠিয়ায়। প্ৰতি ৪০,০০০ লোকৰ মাজৰপৰা এজন প্ৰতিনিধি জিলা পৰিষদলৈ নিৰ্বাচিত কৰা হয়। এই সদস্যসকলে লগলাগি পৰিষদখনৰ সভাপতিজনক নিৰ্বাচিত কৰে। তদুপৰি আঞ্চলিক পঞ্চায়তৰ সভাপতিসকল আৰু জিলাখনত থকা সাংসদ আৰু বিধায়কসকলো জিলা পৰিষদৰ সদস্য হয়। জিলা পৰিষদৰো কাৰ্যকাল ৫ বছৰ।



চিত্ৰ ১৪.৪ ঃ বনুৱাৰ গৃহ নিৰ্মাণ কাৰ্য

বাট-পথ নিৰ্মাণৰ উপৰি গাঁৱৰ স্থানীয় স্বায়ত্তশাসনৰ তিনিওটা অংগই আন বহুতো কাম সম্পাদন কৰে। **চিত্ৰ ১৪.৫** ত দেখাৰ দৰে আৰ্থিকভাৱে পিছপৰা লোকৰ গৃহ নিৰ্মাণো কৰে। এই ব্যৱস্থাই কৰা কাম-কাজৰ তালিকা এনেধৰণৰ-

### কাম-কাজৰ তালিকা–

১. বাৰ্ষিক বাজেট প্ৰস্তুত
২. বৃত্তিমূলক প্ৰশিক্ষণ প্ৰদান
৩. বাট-পথত বিজুলিবাতিৰ ব্যৱস্থা
৪. গ্ৰাম্য জীৱিকা নিশ্চিতকৰণ আঁচনি ৰূপায়ণ
৫. ৰাজহ সংগ্ৰহৰ বাবে কৰ আৰু জৰিমনা আৰোপ
৬. গ্ৰাম্য পুথিভঁৰাল, বিনোদন কেন্দ্ৰ, খেলপথাৰ আদি নিৰ্মাণ
৭. আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থী আৰু ব্যক্তিক সাহাৰ্য্য প্ৰদান
৮. ৰাজহুৱা শ্মশান, কবৰস্থান আদি নিৰ্মাণ
৯. পোহনীয়া জীৱ-জন্তুৰ বাবে খোৰাৰ (ফাটেক) ব্যৱস্থা
১০. গাঁৱৰ লোকসকলৰ স্বাস্থ্য, খোৱাপানী আৰু অনাময় ব্যৱস্থা

| | |
|---|---|
| ১১. | কৃষকৰ উন্নতিৰ বাবে বিনামূলীয়া সাৰ, বীজ, কীটনাশক ঔষধ আদি যোগান |
| ১২. | সামাজিক কাম-কাজৰ বাবে স্বেচ্ছাসেৱী গোট আৰু আত্মসহায়ক গোট গঠন |
| ১৩. | প্ৰাকৃতিক দুৰ্যোগ, যেনে, বানপানী, ভূমিকম্প, ধুমুহা আদিত ক্ষতিগ্ৰস্ত লোকক সহায |

তোমালোকৰ মনলৈ হয়তো প্ৰশ্ন আহিছে যে ইমানবোৰ কাম সম্পাদন কৰিবলৈ টকা-পইছা কোনে যোগান ধৰে। গাঁও অঞ্চলৰ স্থানীয় স্বায়ত্তশাসনৰ আয়ৰ উৎস হ'ল--

১. হাট, বজাৰৰ পৰা অহা কৰ, ৰাজহ, জৰিমনা আদি
২. কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰপৰা লাভ কৰা অনুদান
৩. স্থানীয় সাংসদ আৰু বিধায়কে আগবঢ়োৱা অনুদান ইত্যাদি

মুঠতে গাঁৱৰ লোকসকলৰ সমস্যা এই তিনিওটা অংগই পৰ্যায়ক্ৰমে সমাধানৰ প্ৰয়াস কৰে। এনেকুৱা স্থানীয় চৰকাৰৰ সন্মুখত ৰাইজে সহজে নিজৰ সমস্যাৰ কথা দাঙি ধৰিব পাৰে আৰু সমাধানৰ ক্ষেত্ৰতো সহযোগ কৰিব পাৰে।

## ১৪.৩ নগৰ অঞ্চলৰ স্থানীয় স্বায়ত্তশাসন ঃ

**জানো আহা ঃ**

ভাৰতৰ পৰিসংখ্যা বিভাগৰ তথ্য অনুসৰি নগৰ এখনৰ নিম্নতম জনসংখ্যা হ'ব লাগিব ৫০০০ আৰু জনসংখ্যাৰ ঘনত্ব হ'ব লাগিব প্ৰতি বৰ্গ কিলোমিটাৰত কমেও ৪০০ জন। জনসংখ্যাৰ ৭৫% লোক কৃষিৰ বাহিৰে অন্য কৰ্মত নিযুক্ত থাকিব লাগিব।

গাঁও অঞ্চলৰ দৰে নগৰ অঞ্চলৰ সমস্যা সমাধানৰ বাবেও স্থানীয় শাসন ব্যৱস্থা আছে। এই ব্যৱস্থাবোৰে নগৰবাসীৰ স্থানীয় সমস্যাসমূহ সমাধান কৰি তেওঁলোকৰ জীৱন-যাপন সুচল কৰাৰ চেষ্টা কৰে।

**নগৰ অঞ্চলত স্বায়ত্ত শাসন ব্যৱস্থাৰ গঠন প্ৰণালী –**

১৪.৩.১ মহানগৰ পৰ্যায়ত -- পৌৰ নিগম (উদাহৰণ-গুৱাহাটী পৌৰ নিগম)
১৪.৩.২ মধ্যমীয়া নগৰ -- পৌৰসভা (উদাহৰণ-যোৰহাট পৌৰসভা)
১৪.৩.৩ চহৰ বা সৰু নগৰ -- নগৰ সমিতি (উদাহৰণ-সৰুপথাৰ নগৰ সমিতি)

বৰ্তমান অসম চৰকাৰে নগৰসমূহত পূৰ্বৰেপৰা কাৰ্যকৰী হৈ থকা নগৰ সমিতিসমূহক পৌৰসভা হিচাপে নামকৰণ কৰিবলৈ লৈছে।

**গঠন প্ৰণালীঃ**

সাধাৰণতে পৌৰ নিগম, পৌৰসভা আদি স্থানীয় লোকৰ প্ৰত্যক্ষ ভোটৰদ্বাৰা গঠন হয়। নগৰসমূহক জনসংখ্যা অনুপাতে কিছুমান ৱাৰ্ড (ward)ত ভাগ কৰা হয় । এনে ৱাৰ্ডৰ নিৰ্বাচিত সদস্যসকলৰ ক্ষেত্ৰতো মহিলা, অনুসূচিত জাতি-জনজাতিৰ লোকৰ বাবে আসন সংৰক্ষিত থাকে । ৱাৰ্ডটোৰ অন্তৰ্গত এলেকাটোৰ ভোটাৰসকলে ভোট যোগে সদস্যসকলক নিৰ্বাচিত কৰে। নগৰ সমিতিৰ মুৰব্বীজনক সভাপতি, পৌৰসভাৰ মুৰব্বীজনক পৌৰপতি আৰু পৌৰ নিগমৰ মুৰব্বীজনক মেয়ৰ বুলি কোৱা হয়।

নগৰ অঞ্চলৰ স্থানীয় শাসন ব্যৱস্থাৰ গঠন প্ৰণালী এনেধৰণৰ–

| | অনুষ্ঠান | সদস্যৰ সংখ্যা | মুৰব্বী | সদস্যৰ পদবী | কাৰ্যকাল |
|---|---|---|---|---|---|
| | নগৰ সমিতি | ৭-২০ জন | সভাপতি | ৱাৰ্ড কমিছনাৰ | ৫ বছৰ |
| | পৌৰসভা | ১০-৩০ জন | পৌৰপতি | কমিছনাৰ | ৫ বছৰ |
| | পৌৰ নিগম | সৰ্বাধিক ৬০ জন | মেয়ৰ | কাউন্সিলৰ | ৫ বছৰ |

চিত্ৰ ১৪.৫ লৈ চোৱা। এনেদৰে নগৰাঞ্চলত পৌৰ নিগমে পানী যোগান ধৰা দেখিছা ছাগে? এইদৰে নগৰ এখনৰ উন্নয়নৰ বাবে নগৰ সমিতি, পৌৰসভা আৰু পৌৰ নিগমে বহুতো জনহিতকৰ কাম-কাজ সমাপন কৰে। তাৰে কিছুমান কাৰ্য হৈছে ঃ



চিত্ৰ ১৪.৫ ঃ পৌৰ নিগমৰ বিনামূলীয়া পানী যোগান

- হাট-বজাৰ নিৰ্মাণ আৰু ৰক্ষণাবেক্ষণ
- বৃত্তিমূলক (Vocational) প্ৰশিক্ষণৰ ব্যৱস্থা
- বিশুদ্ধ খোৱাপানী আৰু স্বাস্থ্যসেৱা নিশ্চিতকৰণ
- ৰাজহুৱা পুথিভঁৰাল, কলা-সংস্কৃতি কেন্দ্ৰ আদি স্থাপন
- শ্মশান, কবৰস্থান আদিৰ নিৰ্মাণ
- উদ্যান, খেলপথাৰ, আমোদ-প্ৰমোদ গৃহ নিৰ্মাণ
- অনাথ শিশুসকলৰ আশ্ৰয়গৃহ স্থাপন আৰু ৰক্ষণাবেক্ষণ
- গাড়ী-মটৰ, ৰিক্সা, অটোৰিক্সা আদি ৰখা ঠাইৰ ব্যৱস্থা
- ৰাস্তা-ঘাটৰ নামকৰণ, পথত বিজুলিবাতিৰ ব্যৱস্থা
- প্ৰাকৃতিক দুৰ্যোগৰ সময়ত প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱা
- নগৰৰ নলা-নৰ্দমা, ৰাস্তা-ঘাট, প্ৰস্ৰাৱঘৰ,শৌচাগাৰ আদি নিৰ্মাণ
- দৰিদ্ৰ লোকক স্বাৱলম্বী হোৱাৰ বাবে আৰ্থিক সহযোগিতা আগবঢ়োৱা আৰু আত্মসহায়ক গোট গঠন কৰা

নগৰ স্বায়ত্তশাসনৰ অংগসমূহৰ আয়ৰ উৎস হ'ল--

- সম্পত্তি বা তেনে উৎসৰপৰা সংগৃহীত ৰাজহ বা কৰ আদি
- ৰাজ্য চৰকাৰৰ অনুদান আৰু স্থানীয় বিধায়ক তথা সাংসদে আগবঢ়োৱা অনুদান

## অনুশীলনী - ৩

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) অসমত মুঠ কেইখন জিলা পৰিষদ আছে?

(খ) গাঁও অঞ্চলৰ স্থানীয় স্বায়ত্তশাসনৰ আয়ৰ উৎসসমূহ কি কি?

(গ) জিলা পৰিষদ এখনৰ কাৰ্যকাল কিমান বছৰ?

(ঘ) নগৰ অঞ্চলত কি কি স্বায়ত্তশাসন ব্যৱস্থা দেখা যায়?

(ঙ) ৱাৰ্ড বুলিলে কি বুজা?

২. কোনো এটা অঞ্চল নগৰ হিচাপে পৰিগণিত হ'বলৈ কি কি বৈশিষ্ট্য থকাটো দৰকাৰ?

৩. নগৰ অঞ্চলৰ স্থানীয় শাসন ব্যৱস্থাৰ স্তৰকেইটাৰ গঠন প্ৰণালী বৰ্ণনা কৰা।

৪. নগৰ অঞ্চলৰ স্থানীয় স্বায়ত্তশাসন ব্যৱস্থাৰ কাম-কাজ উল্লেখ কৰা।

## ১৪.৪ স্বায়ত্তশাসিত জিলা পৰিষদ ঃ

অসমৰ পাহাৰ-ভৈয়াম আদি অঞ্চলসমূহত নানা জাতি-জনজাতিৰ লোকে বসবাস কৰে। প্ৰত্যেক জাতি-জনজাতিৰ নিজা নিজা ভাষা, কৃষ্টি, সংস্কৃতি,ৰীতি-নীতি আৰু পৰম্পৰা আছে। এইবোৰৰ ৰক্ষণাবেক্ষণ আৰু উন্নতিৰ কাৰণে আমাৰ দেশৰ সংবিধানে কিছুমান বিশেষ সুবিধা প্ৰদান কৰিছে। আমাৰ সংবিধানৰ ষষ্ঠ অনুসূচীৰ অনুচ্ছেদ ২৪৪(২) আৰু ২৭৫ (১) ত এই বিষয়ে উল্লেখ আছে।

অসমৰ পাহাৰীয়া জিলা তিনিখনত গাঁও পঞ্চায়তৰ ব্যৱস্থা নাই। তাৰ সলনি কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাক সাঙুৰি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু ডিমা হাচাও জিলাত ডিমাহাচাও স্বায়ত্তশাসিত পৰিষদ গঠন কৰা হৈছে।

২০০৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল, অৰ্থাৎ BTC গঠন কৰা হৈছিল। BTC ৰ অধীনত থকা বড়ো জনজাতি অধ্যুষিত চাৰিখন জিলা- কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰিক বড়োলেণ্ড টেৰিট'ৰিয়েল এৰিয়াজ ডিষ্ট্ৰিকট্‌চ, অৰ্থাৎ BTAD বুলি জনা গৈছিল। অৱশ্যে ২০২০ চনত BTAD ক বড়োলেণ্ড ক্ষেত্ৰীয় অঞ্চল, অৰ্থাৎ BTR (বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিয়ন) হিচাপে ঘোষণা কৰা হয়।




**চিত্ৰ ১৪.৬ ঃ অসমৰ মানচিত্ৰ**

এই তিনিখন পৰিষদৰ উপৰি অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰা জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবেও মুঠ ৬ খন স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হৈছে -

১. ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদ
২. মিচিং স্বায়ত্তশাসিত পৰিষদ
৩. তিৱা স্বায়ত্তশাসিত পৰিষদ
৪. দেউৰী স্বায়ত্তশাসিত পৰিষদ
৫. ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদ
৬. সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ।

এইকেইখনৰ উপৰি অসমৰ পিছপৰা সম্প্ৰদায়সমূহৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবেও অসম চৰকাৰে প্ৰায় ৩৩ খন উন্নয়ন পৰিষদ গঠন কৰিছে ।

**অনুশীলনী - ৪**

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা--

১. ভাৰতৰ সংবিধানৰ কোনটো অনুসূচীৰ কিমান নম্বৰ অনুচ্ছেদৰ আধাৰত স্বায়ত্তশাসিত জিলা পৰিষদ গঠন কৰা হৈছে?
২. BTR ৰ সম্পূৰ্ণ ৰূপটো কি ?
৩. অসমত মুঠ কিমানখন স্বায়ত্তশাসিত পৰিষদ আছে?
৪. অসমৰ কোনকেইখন জিলাত পঞ্চায়ত ব্যৱস্থা নাই ?

**ধাৰণা চিত্ৰ (Concept Map) ঃ**






**শব্দাৰ্থ ঃ**

**MGNREGA—** Mahatma Gandhi National Rural Employment Gurantee Act (2005).

**ৱাৰ্ড—** স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাৰ অন্তৰ্গত গাঁও আৰু নগৰৰ আটাইতকৈ সৰু বা প্ৰাথমিক গোট (সমষ্টি)।

**আয়ুক্ত** - পৌৰ নিগমত ৰাজ্য চৰকাৰে নিযুক্তি দিয়া মুখ্য প্ৰশাসনিক উচ্চ পদস্থ বিষয়া।



**দলগত কাৰ্য ঃ**

(ক) তোমাৰ পঞ্চায়তখনৰ নাম, পঞ্চায়ত সদস্যজনৰ নাম আৰু সভাপতিজনৰ নাম জানি লৈ বহীত লিখা নাইবা তুমি বাস কৰা অঞ্চলৰ নগৰখনৰ নাম লিখা, নগৰখন পৌৰসভা নে পৌৰ নিগমৰ অধীন লিখিবা। তাৰ পৌৰপতি বা মেয়ৰৰ নাম সংগ্ৰহ কৰিবা ।

(খ) তুমি যদি কোনো গাঁও পঞ্চায়ত এলেকাত বাস কৰা তেনেহ'লে তোমাৰ গাঁও পঞ্চায়তে সম্পাদন কৰা বা কৰি থকা কাৰ্যবোৰৰ এখন তালিকা প্ৰস্তুত কৰা নাইবা তোমাৰ অঞ্চলৰ নগৰ সমিতি, পৌৰসভা বা পৌৰ নিগমে সম্পাদন কৰা বা কৰি থকা কাৰ্যৰ এখন তালিকা প্ৰস্তুত কৰা।

(গ) তুমি বাস কৰা ঠাইখনৰ আশে-পাশে স্বায়ত্ত শাসিত পৰিষদ বা উন্নয়ন পৰিষদ আছেনে? তথ্য সংগ্ৰহ কৰা।

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

পঞ্চায়তে ইয়াৰ কাৰ্যাৱলী ৰূপায়ণৰ ক্ষেত্ৰত কেনেকুৱা ধৰণৰ সমস্যাৰ সন্মুখীন হয়?



M4I2W6

# পাঠ ১৫
# অৰ্থনীতি, ইয়াৰ খণ্ডসমূহ আৰু বিনিময়ৰ মাধ্যম



**চিত্ৰ ১৫.১ ঃ** কৃষি কাৰ্য



**চিত্ৰ ১৫.২ ঃ** দৈনিক বজাৰ



**চিত্ৰ ১৫.৩ ঃ** মাছ ধৰা কাৰ্য



**চিত্ৰ ১৫.৪ ঃ** তাঁতশালত পুৰুষ আৰু মহিলাই বোৱা-কটা কৰা কাৰ্য

**তৰাজান গাঁও**

ওপৰৰ ছবি কেইখনত তৰাজান গাঁৰৰ কেইটামান দৃশ্য দেখুওৱা হৈছে। বেলিৰ ঘৰ এই তৰাজান গাঁৱতে। তাই ষষ্ঠ শ্ৰেণীত পঢ়ে। আজৰি পৰত বেলিয়ে মাক-দেউতাকক খেতিপথাৰত সহায় কৰে। কৃষি কাৰ্য বেলিৰ পৰিয়ালটোৰ প্ৰধান কাম। শস্য উৎপাদনৰ লগতে ৰাহি হোৱা শস্যখিনি বেলিৰ পৰিয়ালে ওচৰতে থকা বজাৰত বিক্ৰী কৰে। খেতিৰ বাহিৰেও বেলিহঁতে গৰু আৰু ছাগলী পোহে। গৰুৰ গাখীৰেৰে তেওঁলোকে নিজৰ প্ৰয়োজন পূৰোৱাৰ লগতে অতিৰিক্ত গাখীৰখিনি ওচৰৰ গাঁৱত বিক্ৰী কৰে।

তৰাজান গাঁৱৰ কাষেৰে এখন নৈ বৈ গৈছে। গাঁওখনৰ কিছুমান লোকে নৈত মাছ ধৰে আৰু সেই মাছ বজাৰত বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰে। তৰাজান গাঁৱত এটা সৰু কুটীৰ শিল্পৰ উদ্যোগো আছে। বেলিৰ মাকৰ

লগতে গাঁৱৰে কেইবাজনো পুৰুষ-মহিলাই সেই উদ্যোগৰ তাঁতশালত গামোচা, চাদৰ-মেখেলা আদি প্ৰস্তুত কৰি বিক্ৰী কৰে।

বেলিৰ খুৰাকহঁতে মিলি গাওঁখনত এটা পুথিভঁৰাল স্থাপন কৰিছে। বেলিয়েও মাজে-সময়ে তাইৰ সমনীয়াবোৰৰ লগত গৈ তাত কিতাপ পঢ়ে। পুথিভঁৰালৰ কাষতে এটা সাংস্কৃতিক সংঘও আছে। প্ৰতি দেওবাৰে তাত গাঁৱৰ ল'ৰা-ছোৱালীবোৰক গীত-মাত, নৃত্য, কবিতা আদি শিকোৱা হয়। কলেজত পঢ়া ল'ৰা-ছোৱালীবোৰে তাত বিহু আৰু ভাওনাৰ আখৰা কৰে। এই আটাইবোৰ কাম কোনো আৰ্থিক লাভালাভ নোহোৱাকৈ কৰা হয়।


চিত্ৰ ১৫.৫ ঃ পুথিভঁৰাল


চিত্ৰ ১৫.৬ ঃ সাংস্কৃতিক সংঘ

তৰাজান গাঁৱৰ উদাহৰণটোৰ পৰা আমি জানিব পাৰিলো যে, ইয়াৰ বাসিন্দাসকলে অৰ্থ উপাৰ্জন কৰিবলৈ খেতি, পশুপালন, মাছ ধৰা, ব্যৱসায় আদি কৰে। মানুহক জীৱন-নিৰ্বাহ কৰিবলৈ অৰ্থৰ প্ৰয়োজন। অৰ্থ উপাৰ্জন কৰিবলৈ প্ৰত্যেকেই সুবিধা অনুসৰি একো একোটা কাম বিচাৰি লয়। এজন শ্ৰমিকে তেওঁৰ শ্ৰমৰ বিনিময়ত, খেতিয়কে খেতিৰ উৎপাদন বিক্ৰী কৰি, কৰ্মচাৰীয়ে নিয়মিতভাৱে কৰ্মস্থানলৈ গৈ, গায়কে গীত গাই অৰ্থ-উপাৰ্জন কৰাৰ নিচিনাকৈ এনেকুৱা বহু কাম আছে যিবোৰ কৰি মানুহে জীৱন-নিৰ্বাহ কৰে। এইদৰে জীৱন-নিৰ্বাহৰ বাবে কৰা কাম-কাজক অৰ্থনৈতিক কাৰ্যকলাপ বোলে।

উপাৰ্জনৰ উপৰি মানুহে ৰুচিৰ বাবে লগতে নতুন কথা শিকিবলৈও কিছুমান কাম কৰে। কেতিয়াবা কোনো ধৰণৰ টকা-পইচাৰ কথা নাভাবি মৰম, স্নেহ, কৃতজ্ঞতা আদি প্ৰকাশ বা দায়িত্ব পালনৰ অৰ্থেও বহু কাম কৰা হয়। এনেবোৰ কাৰ্যক অনা-অৰ্থনৈতিক কাৰ্যকলাপ বোলা হয়। পিতৃ-মাতৃয়ে লোৱা সন্তানৰ যতন, গৃহিণীয়ে পৰিয়ালৰ লোকৰ বাবে খাদ্য প্ৰস্তুত কৰা, সমনীয়াৰ লগত খেলা বিভিন্ন খেল আদি অনা-অৰ্থনৈতিক কাৰ্যকলাপৰ উদাহৰণ। বেলিহঁতৰ গাঁৱৰ এনে কি কি অনা-অৰ্থনৈতিক কাম-কাজ দেখিছা বাৰু?

এখন দেশৰ উপাৰ্জন ব্যক্তিগত আৰু সামূহিক উৎসৰ ওপৰত নিৰ্ভৰ কৰে। এই আটাইবিলাক উৎসক প্ৰধানকৈ তিনিটা- (ক) প্ৰাথমিক খণ্ড বা কৃষি খণ্ড, (খ) দ্বিতীয় খণ্ড বা গৌণ খণ্ড আৰু (গ) তৃতীয় খণ্ড বা সেৱা খণ্ডত ভগাই লোৱা হয়। এইবোৰ হ'ল একো একোটা অৰ্থনৈতিক খণ্ড। এই তিনিওটা খণ্ডৰ সন্মিলিত ক্ৰিয়াৰ যোগেদিহে এখন দেশৰ অৰ্থনৈতিক উন্নয়ন আৰু কল্যাণ সাধন হয়। এই খণ্ডকেইটা পাৰস্পৰিকভাৱে নিৰ্ভৰশীল।



চিত্ৰ ১৫.৭ ঃ মাকে সন্তানক পঢ়ুৱাইছে



চিত্ৰ ১৫.৮ ঃ ঘৰৰ শাকনিবাৰীত কাম কৰিছে

**অনুশীলনী - ১**

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) তৰাজান গাঁৱৰ লোকসকলে কিদৰে জীৱন-নিৰ্বাহ কৰে ?

(খ) তোমাৰ গাঁও অথবা চহৰত সৰ্বাধিক প্ৰচলিত অৰ্থনৈতিক কামৰ উদাহৰণ দিয়া।

(গ) তুমি আৰু তোমাৰ পৰিয়ালৰ লোক জড়িত থকা অন্ততঃ তিনিটা অৰ্থনৈতিক কাৰ্য লিখা।

২. অৰ্থনৈতিক কাৰ্য আৰু অনা-অৰ্থনৈতিক কাৰ্যৰ মাজত থকা পাৰ্থক্য কি? প্ৰত্যেকটো কাৰ্য উদাহৰণসহ ব্যাখ্যা কৰা।

৩. তোমালোকৰ নিজৰ এলেকাত প্ৰচলিত অনা-অৰ্থনৈতিক কাৰ্যৰ এটা উদাহৰণ দিয়া। সেই কাৰ্যটোক কিয় অনা-অৰ্থনৈতিক কাৰ্য হিচাপে বিবেচনা কৰা হৈছে? সমাজৰ কল্যাণৰ হকে সেই কাৰ্যই কি অৰিহণা যোগাব লিখা।

## ১৫.১ অৰ্থনীতিৰ খণ্ডসমূহ - অতীতৰপৰা বৰ্তমানলৈ ঃ

### ১৫.১.১ প্ৰাথমিক খণ্ড ঃ

আমাৰ দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা কিছুমান বস্তু প্ৰত্যক্ষভাৱে প্ৰকৃতিৰপৰা পোৱা যায় যেনে, ধান, মাহ আদি শস্য, গছ-গছনি, ফলমূল আদি। কিছুমান বস্তু জীৱ-জন্তুৰপৰা পোৱা যায়, যেনে, মাছ, মাংস, গাখীৰ আদি। কয়লা, খনিজ তেল আদিৰ দৰে অন্য বহুতো প্ৰয়োজনীয় বস্তু ভূ-গৰ্ভৰপৰা আহৰণ কৰা হয়। এই সম্পদসমূহ প্ৰকৃতিৰপৰা প্ৰত্যক্ষভাৱে উপলব্ধ হোৱাৰ বাবেই প্ৰাথমিক খণ্ডৰ অন্তৰ্ভুক্ত। প্ৰকৃতিৰপৰা পোৱা বস্তুবোৰক অৰ্থনীতিত প্ৰাথমিক সম্পদ বুলি কোৱা হয়। কাৰণ প্ৰায়বিলাক বস্তুৰ উৎপাদনৰ ভিত্তি বা উৎস হৈছে প্ৰকৃতি। আদিতে দৈনন্দিন জীৱনত ব্যৱহৃত খাদ্য বস্তু আৰু প্ৰয়োজনীয় সামগ্ৰীসমূহ প্ৰকৃতিৰ পৰা আহৰণ কৰাৰ ক্ষেত্ৰত কিছু সীমাবদ্ধতা আছিল। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰৰ লগে লগে এইবোৰ আহৰণ কৰাৰ বিভিন্ন উপায় উদ্ভাৱন হ'ল আৰু নতুন নতুন সামগ্ৰীৰ প্ৰচলন হ'বলৈ ধৰিলে, যেনে, কৃষিজাত সামগ্ৰী, দুগ্ধজাত দ্ৰব্য, মৎস্য উৎপাদন, বনজ সম্পদ ইত্যাদি।

## প্ৰাথমিক খণ্ডৰ অন্তৰ্গত কিছু কাম-কাজ



চিত্ৰ ১৫.৯ ঃ পথাৰত হাল বোৱা



উৎসঃ wikimedia.org

চিত্ৰ ১৫.১০ ঃ মীনপালন



চিত্ৰ ১৫.১১ ঃ কৃষিকাৰ্য



চিত্ৰ ১৫.১২ ঃ পশুপালন

### ১৫.১.২ দ্বিতীয় খণ্ড ঃ

প্ৰকৃতিৰপৰা আহৰণ কৰা কেঁচামালসমূহ ব্যৱহাৰ কৰি মানুহে বিভিন্ন সা-সামগ্ৰী প্ৰস্তুত কৰি বিক্ৰী কৰিবলৈ ধৰিলে। এইদৰে ব্যৱসায়-বাণিজ্যৰ আৰম্ভণি আৰু প্ৰসাৰৰ লগে লগে মানুহৰ সম্পদ আৰু সা-সামগ্ৰী আহৰণৰ ইচ্ছা আৰু আকাংক্ষাও বৃদ্ধি পাবলৈ ধৰিলে। উদ্যোগৰ প্ৰতিষ্ঠা বা উদ্যোগৰ নিৰ্মাণে পৃথিৱীখনক এটা নতুন ৰূপ দিলে।

এহাতে মানুহৰ ক্ৰমবৰ্দ্ধমান অভাৱ আৰু আনহাতে প্ৰযুক্তিৰ উন্নতিয়ে উদ্যোগ খণ্ডক বিস্তৃতি প্ৰদান কৰিলে। কিছুমান নতুন উদ্যোগ আৰু কাৰখানা স্থাপিত হ'ল যাৰ যোগেদি বৃহৎ পৰিমাণৰ সা-সামগ্ৰী উৎপাদন কৰাৰ সুবিধা হ'ল। উদাহৰণস্বৰূপে, চাহ গছৰ পাতৰপৰা প্ৰস্তুত কৰা চাহপাত, বনৰপৰা সংগ্ৰহ কৰা কাঠৰ আচবাব, বাঁহ গছক কাগজলৈ ৰূপান্তৰ কৰা, কপাহৰপৰা প্ৰস্তুত কৰা বস্ত্ৰ আদি। উদ্যোগ খণ্ডৰ আৰম্ভণি আৰু বিকাশৰ লগে লগে বহুতো সা-সামগ্ৰী শীঘ্ৰে আৰু সুচাৰুৰূপে অতি কম সময়তে প্ৰস্তুত কৰা সম্ভৱ হৈ উঠিল। কিন্তু উদ্যোগ খণ্ড বহু পৰিমাণে প্ৰাথমিক খণ্ডৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে ইয়াক অৰ্থনীতিৰ দ্বিতীয় খণ্ড বা গৌণ খণ্ড বুলি কোৱা হয়।



উৎসঃ wikimedia.org

চিত্ৰ ১৫.১৩ ঃ কাৰখানাত কৰ্মৰত শ্ৰমিকসকল



. উৎসঃ wikimedia.org

চিত্ৰ ১৫.১৪ ঃ গাড়ী নিৰ্মাণ উদ্যোগ



চিত্ৰ ১৫.১৫ ঃ আচবাব প্ৰস্তুতকৰণ

### ১৫.১.৩ তৃতীয় খণ্ড ঃ

উদ্যোগ খণ্ডৰ বিকাশৰ লগে লগে যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰো বহুল প্ৰসাৰ হ'ল। ৰে'লৰ প্ৰচলন, টেলিফোনৰ আৱিষ্কাৰে বিভিন্ন ঠাইৰ মানুহৰ মাজত যোগাযোগ স্থাপনৰ সুবিধা কৰি দিলে। উদ্যোগ-কাৰখানাৰ সৃষ্টি আৰু যাতায়াত ব্যৱস্থাৰ উন্নতিয়ে বহুতো মানুহক নগৰমুখী কৰিলে। কাম কৰাৰ নতুন সুযোগ আৰু জীৱন ধাৰণৰ উন্নত পদ্ধতিয়ে তেওঁলোকক উৎসাহিত কৰিলে। নগৰীয়া সভ্যতা এনেদৰেই গঢ়ি উঠিল। নগৰৰ বিকাশে বহু নতুন বৃত্তিৰ সৃষ্টি কৰিলে।



চিত্ৰ ১৫.১৬ ঃ শিক্ষা প্ৰদান



চিত্ৰ ১৫.১৭ ঃ চিকিৎসা প্ৰদান

তৃতীয় খণ্ড বা সেৱা খণ্ডৰ অংশ হিচাপে সৰ্বাধিক প্ৰসাৰ লাভ কৰা দিশটো হৈছে যাতায়াত আৰু যোগাযোগ। বাতৰি-কাকত, ৰেডিঅ' আৰু টেলিফোনৰ আৱিষ্কাৰৰ পৰা যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত আধুনিকীকৰণৰ সূচনা হ'ল। পাছলৈ কৃত্ৰিম উপগ্ৰহ, মোবাইল ফোন, টেলিভিছন, কম্পিউটাৰ, ইণ্টাৰনেট আদিয়ে পৃথিৱীখনক এখন গাওঁ সদৃশ অৱস্থালৈ ৰূপান্তৰিত কৰিলে। যাতায়াতৰ ক্ষেত্ৰতো উৰাজাহাজ, বিদ্যুৎচালিত ৰে'ল, মেট্ৰ' ৰে'ল, জাহাজ আদিয়ে বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ সামগ্ৰী অনা-নিয়া কৰাতো অতি উজু কৰি তুলিছে।

সেৱাখণ্ডই নিতৌ মানুহৰ বাবে বহুতো কৰ্ম সংস্থাপন সৃষ্টি কৰে। অৰ্থনীতিৰ খণ্ডসমূহৰ ভিতৰত সেৱাখণ্ড সৰ্বাধিক সম্প্ৰসাৰণশীল।



**চিত্ৰ ১৫.১৮ ঃ** অনলাইন মাধ্যমেৰে সামগ্ৰী ক্ৰয়

অৰ্থনীতিৰ তিনিওটা খণ্ড - প্ৰাথমিক, গৌণ আৰু সেৱা খণ্ড- এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। প্ৰকৃতিৰ পৰা আহৰণ কৰা কেঁচা সামগ্ৰীসমূহ চূড়ান্ত বা অন্তিম দ্ৰব্যলৈ ৰূপান্তৰ কৰি সেইবোৰ ব্যৱহাৰৰ উপযোগী কৰি তোলাত অৰ্থনীতিৰ তিনিওটা খণ্ডৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

প্ৰাথমিক বা কৃষি খণ্ডত উৎপাদন হোৱা দ্ৰব্যবোৰ উদ্যোগ খণ্ডত কেঁচামাল (Raw materials) হিচাপে ব্যৱহাৰ কৰা হয়। উদ্যোগ খণ্ডই এই কেঁচামালবোৰ চূড়ান্ত দ্ৰব্যলৈ ৰূপান্তৰ কৰে। সেৱাখণ্ডৰ অন্তৰ্গত যোগাযোগ আৰু যাতায়াত ব্যৱস্থাই এই দ্ৰব্যবোৰ বজাৰলৈ প্ৰেৰণ কৰি বিক্ৰী কৰাত সহায় কৰে।

এটা উদাহৰণৰ সহায়ত প্ৰাথমিক, গৌণ আৰু সেৱাখণ্ডৰ পাৰস্পৰিক নিৰ্ভৰশীলতা বুজিব পৰা যায়। অসমৰ অধিকাংশ কৃষিভূমিত ধান খেতি কৰা হয়। কৃষিভূমিত উৎপাদিত ধানসমূহ ধান বনা কলত চাউললৈ ৰূপান্তৰ কৰা হয়। চাউলৰপৰা বিভিন্ন প্ৰকাৰৰ পৰম্পৰাগত খাদ্য সামগ্ৰী, যেনে, পিঠা-পনা, লাড়ু, সান্দহ, ইত্যাদি প্ৰস্তুত কৰা হয়। এই খাদ্য সামগ্ৰীসমূহ ব্যৱসায়ীসকলে স্থানীয়, আঞ্চলিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বজাৰত বিক্ৰী কৰে। যাতায়াতৰ বিভিন্ন মাধ্যম, যেনে, পথ পৰিবহণ, ৰেল পৰিবহণ আদি ব্যৱহাৰ কৰি বজাৰৰ বিপনীসমূহত বিক্ৰীৰ ব্যৱস্থা কৰা হয়। ইণ্টাৰনেট সেৱাৰ সহায়ত অনলাইন বজাৰৰ মাধ্যমেৰেও এই পিঠা-পনাসমূহ গ্ৰাহকে ক্ৰয় কৰিব পাৰে।

ওপৰৰ উদাহৰণটোত কৃষিভূমিত উৎপাদন কৰা ধান প্ৰাথমিক খণ্ডৰ অন্তৰ্গত। কলত ধান বানি পোৱা চাউলৰপৰা উৎপাদন কৰা পিঠাগুড়ি, পিঠা-পনা, লাড়ু ইত্যাদি গৌণ খণ্ডৰ অন্তৰ্ভুক্ত। এই খাদ্য সামগ্ৰীবোৰ পৰিবহণ আৰু যোগাযোগ সেৱা ব্যৱহাৰ কৰি বজাৰৰ বিপনীসমূহত বিক্ৰী কৰা কাৰ্য সেৱা খণ্ডই সামৰি লয়। ঠিক একেদৰে এই পিঠা-পনাসমূহ কিনা-বেচা কৰিবলৈ ব্যৱহাৰ হোৱা ইণ্টাৰনেট সেৱা তৃতীয় বা সেৱা খণ্ডৰ অন্তৰ্গত।



চিত্ৰ ১৫.১৯ ঃ কম্পিউটাৰ



চিত্ৰ ১৫.২০ ঃ ৰে'লসেৱা

## ১৫.২ সামগ্ৰীৰ আদান-প্ৰদানৰ পদ্ধতি ঃ

### ১৫.২.১ বিনিময় প্ৰথা ঃ

মানুহে যেতিয়া নিজৰ প্ৰয়োজনতকৈ অধিক উৎপাদন কৰিবলৈ ল'লে, তেতিয়া কামৰ বিভাজনৰ কথাটোও আহি পৰিল। কোনোৱে খেতি-বাতি কৰিবলৈ ল'লে আৰু আন কোনোৱে তাৰ সহায় হোৱাকৈ সা-সজুঁলি, পাত্ৰ আদি তৈয়াৰ কৰা বা অন্য হাতৰ কাম কৰিবলৈ ল'লে। তেতিয়া মানুহৰ মাজত এক বিশেষ পদ্ধতিৰে দ্ৰব্য আৰু সেৱাৰ আদান-প্ৰদান (Exchange) আৰম্ভ হ'ল। এই পদ্ধতিকে বিনিময় প্ৰথা (Barter system) বুলি কোৱা হয়। বিনিময় প্ৰথাত প্ৰত্যক্ষভাৱে এজনে আনজনৰ লগত দ্ৰব্য আৰু সেৱাৰ আদান-প্ৰদান কৰিব পৰা হ'ল।



আলোকচিত্ৰ ঃ মানৱ জ্যোতি কলিতা, ছয়গাঁও

চিত্ৰ ১৫.২১ ঃ জোনবিল মেলাত পৰম্পৰাগত বিনিময় প্ৰথাৰ মাধ্যমত কৰা আদান-প্ৰদানৰ ছবি দেখুওৱা হৈছে।

বিনিময় প্ৰথাত আজিৰ দৰে টকা-পইচা ব্যৱহাৰ কৰি দ্ৰব্য বা সেৱাৰ ক্ৰয়-বিক্ৰয় কৰা হোৱা নাছিল। ধৰা হ'ল যে সেইসময়ত কৃষিকাৰ্য কৰা লোক এজনক শস্য ৰাখিবলৈ পাত্ৰৰ প্ৰয়োজন। আনহাতে পাত্ৰ প্ৰস্তুত কৰা কুমাৰজনক খাদ্যৰ বাবে চাউলৰ প্ৰয়োজন। তেনে ক্ষেত্ৰত কৃষকে ধান বা চাউলৰ বিনিময়ত কুমাৰৰপৰা পাত্ৰ সংগ্ৰহ কৰিব। এয়াই বিনিময়। বিনিময় ব্যৱস্থাই মানুহক ওচৰ চপাই অনাৰ লগতে ইজনে-সিজনৰপৰা শিকাৰ সুবিধা দিছিল। বিনিময় আছিল এক দলীয় কাৰ্য আৰু ইয়াৰ জৰিয়তে জ্ঞান আৰু কৌশলৰ ভাগ-বতৰা সম্ভৱ হৈ উঠিছিল।

### ১৫.২.২ মুদ্ৰাৰ ভূমিকা ঃ

সময়ৰ গতিত আদান-প্ৰদান বা বিনিময়ৰ বাবে মানুহে নতুন বিনিময়ৰ মাধ্যম আৱিষ্কাৰ কৰিলে। প্ৰথম অৱস্থাত মানুহে এটা বিশেষ দ্ৰব্য, যেনে, জন্তুৰ ছাল, শস্য, নিমখ, কড়ি আদি ব্যৱহাৰ কৰি আন দ্ৰব্য সংগ্ৰহ কৰিবলৈ ল'লে। ইয়াক দ্ৰব্য মুদ্ৰা (Commodity money) বুলি কোৱা হয়। অঞ্চলভেদে এই বিশেষ দ্ৰব্য যিটোৰ বিনিময়ত আন দ্ৰব্য লাভ কৰা যায়, সেয়া বেলেগ-বেলেগ আছিল। ধৰাহ'ল এটা অঞ্চলত জন্তুৰ ছালৰ বিনিময়ত আন দ্ৰব্য পোৱা যায় আৰু এজন ব্যক্তিক চাউলৰ প্ৰয়োজন হ'ল। তেনেক্ষেত্ৰত ব্যক্তিজনে জন্তুৰ ছালৰ বিনিময়ত চাউল বেচা লোকৰ পৰা চাউল লাভ কৰিব।

সময়ৰ অগ্ৰগতিত দ্ৰব্য মুদ্ৰাৰ অসুবিধাৰ বাবে ধাতু মুদ্ৰাৰ (Coin) সৃষ্টি হ'ল। মুদ্ৰাৰ আবিষ্কাৰৰ লগে লগে মুদ্ৰা বিনিময়ৰ মাধ্যম হিচাপে স্বীকৃত হ'ল। মুদ্ৰাৰ জৰিয়তে মানুহে

**জানো আহা-**



. উৎসঃ wikimedia.org

জিয়াওজি পৃথিৱীৰ আটাইতকৈ পুৰণি কাগজী মুদ্ৰা



উৎসঃ wikimedia.org

**চিত্ৰ ১৫.২২ ঃ** পুৰণি কালত ব্যৱহৃত ধাতুৰ মুদ্ৰা




উৎসঃ wikimedia.org

**চিত্ৰ ১৫.২৩ ঃ ১৯৮২** ত প্ৰস্তুত হোৱা ৫০ পইচাৰ ধাতুৰ মুদ্ৰা




উৎসঃ wikimedia.org

**চিত্ৰ ১৫.২৪ ঃ** কাগজী মুদ্ৰা

বয়-বস্তু, সা-সামগ্ৰী সহজে কিনিব পৰা হ'ল যদিও, প্ৰথম অৱস্থাত বিনিময় প্ৰথা সম্পূৰ্ণভাৱে নোহোৱা হৈ যোৱা নাছিল। সামগ্ৰী বিনিময়ৰ ক্ষেত্ৰত উদ্ভৱ হোৱা ভাগ-বতৰা আৰু সামগ্ৰী নষ্ট হোৱাৰ দৰে সমস্যা মুদ্ৰাৰ ক্ষেত্ৰত নাছিল। কিন্তু ধাতু মুদ্ৰাবোৰ এঠাইৰপৰা আন ঠাইলৈ কঢ়িয়াবলৈ অসুবিধা। এই অসুবিধাবোৰ দূৰ কৰিবলৈ কাগজী মুদ্ৰাৰ (Paper Currency) উদ্ভাৱন হ'ল। সময়ত ধাতুৰ মুদ্ৰা আৰু

কাগজী মুদ্ৰা বিনিময়ৰ উৎকৃষ্ট মাধ্যম হিচাপে পৰিগণিত হ'ল। বৰ্তমান আমাৰ জীৱনত মুদ্ৰাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বেচা-কিনা আদি সকলো কাম-কাজ মুদ্ৰাৰ জৰিয়তে সহজে কৰিব পৰা হ'ল। সমগ্ৰ পৃথিৱীৰ মানুহৰ মাজত মুদ্ৰাই এখন সাঁকোৰ দৰে সংযোগ স্থাপন কৰিলে।

বিভিন্ন ঠাইৰ অৰ্থনৈতিক অৱস্থা ভেদে মুদ্ৰাত ব্যৱহৃত ধাতুৰ পাৰ্থক্য দেখা গৈছিল। সোণ, ৰূপ, তাম, ব্ৰঞ্জ আদি ধাতুৰে অতীতত মুদ্ৰা প্ৰস্তুত কৰাৰ প্ৰমাণ পোৱা গৈছে। মুদ্ৰাৰ ক্ৰমবিকাশৰ লগে-লগে ব্যৱসায়-বাণিজ্যৰো প্ৰসাৰ হ'ল। ইতিমধ্যে মানুহে সাগৰীয় পথ কিছুমান আৱিষ্কাৰ কৰিলে। সেই সাগৰীয় পথবোৰে পৃথিৱীৰ বিভিন্ন সমাজ আৰু সংস্কৃতিৰ মাজত সংযোগ স্থাপন কৰিলে। সেই সময়ৰ শাসকসকলে ব্যৱসায়-বাণিজ্যৰ গুৰুত্ব ভালদৰে উপলব্ধি কৰিছিল। সেইকাৰণে তেওঁলোকে ব্যৱসায়ৰ প্ৰসাৰৰ বাবে সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াইছিল আৰু শাসকসকলৰ সমৰ্থনে ব্যৱসায়ীসকলক উৎসাহিত কৰিছিল।

## অনুশীলনী - ২

১. তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া--

(ক) অৰ্থনীতিৰ মূল খণ্ড কেইটা কি কি?

(খ) প্ৰাথমিক খণ্ডক কি খণ্ড বুলি কোৱা হয়?

(গ) অৰ্থনীতিৰ তৃতীয় খণ্ডটো কি?

(ঘ) বিনিময় প্ৰথা বা বিনিময় অৰ্থনীতি কি?

(ঙ) বৰ্তমানৰ বিনিময়ৰ মাধ্যম কি?

২. মুদ্ৰাৰ আৱিষ্কাৰে কেনেকৈ দ্ৰব্য সামগ্ৰীৰ সাল-সলনিৰ পৰিৱৰ্তন আনিলে ব্যাখ্যা কৰা।

৩. প্ৰাথমিক, গৌণ আৰু সেৱা খণ্ডৰ পাৰস্পৰিক নিৰ্ভৰশীলতা এটা উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা।

**ধাৰণা চিত্ৰ (Concept Map) ঃ**



**শব্দাৰ্থ ঃ**

| | |
|---|---|
| **যোগান** | ঃ গ্ৰাহকসকলৰ বাবে উপলব্ধ এক নিৰ্দিষ্ট দ্ৰব্য বা সেৱাৰ মুঠ পৰিমাণ |
| **বিনিময়** | ঃ দ্ৰব্য আৰু সেৱাৰ আদান-প্ৰদান |
| **উপযোগিতা** | ঃ কোনো এটা বস্তুৰ অভাৱ পূৰ্ণ কৰিব পৰা বা সন্তুষ্টি প্ৰদান কৰিব পৰা ক্ষমতা |
| **ভোগ বা উপভোগ** | ঃ বস্তু এটাৰ উপযোগিতা ব্যৱহাৰ কৰা |
| **কৌশল** | ঃ কোনো কাম কৰাৰ সামৰ্থ আৰু সেই কামটো কেনেকৈ অনুশীলন কৰা হ'ব তাক নিৰ্দেশ কৰা |



**দলগত কাৰ্য ঃ**

**(ক)** ছাত্ৰ-ছাত্ৰীসকলে পেলনীয়া সামগ্ৰীৰে বিভিন্ন ধৰণৰ বস্তু প্ৰস্তুত কৰিব আৰু শ্ৰেণীত এখন বজাৰৰ আৰ্হিৰে ক্ৰেতা আৰু বিক্ৰেতাৰ দলত ভাগ হৈ প্ৰস্তুত কৰা বস্তুসমূহ আদান-প্ৰদানৰ মাধ্যমেৰে বিনিময় প্ৰথাৰ ধাৰণা লাভ কৰিব।

**(খ)** এটা পৰিয়ালত অৰ্থনৈতিক আৰু অনাঅৰ্থনৈতিক কাৰ্যকলাপৰ লগত জড়িত লোকসকলৰ চৰিত্ৰ ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণীত দলগত ভাৱে ৰূপায়ণ কৰিব। (প্ৰয়োজনত শিক্ষকৰ সহায় ল'ব)

**ভাবি উলিওৱা ঃ (প্ৰয়োজনত জ্যেষ্ঠজন বা শিক্ষকৰ সহায় ল'বা)**

**(ক)** কৃষিখণ্ডৰ লগত জড়িত সমস্যাসমূহ কি কি?

**(খ)** নগৰ আৰু গাঁও অঞ্চলৰ লোকৰ অৰ্থনৈতিক কাৰ্যসমূহ বাৰু কিয় ভিন্-ভিন্ হয়?



A2S6W9

পাঠ ১

# আমাৰ পৃথিৱী

১. বাকচৰ ভিতৰত থকা সংখ্যা/ শব্দবোৰ উপযুক্ত স্থানত বহুওৱা--

| | | | | |
|---|---|---|---|---|
| নিজ মেৰুদণ্ডক কেন্দ্ৰ কৰি ঘূৰা কাৰ্য | ৯০° | মেৰুদণ্ড | ইয়াত জীৱ আছে | সূৰ্যৰ চাৰিওফালে ঘূৰে |

(ক) পৃথিৱীৰ এনে কি বিশেষত্ব আছে যিটো আন গ্ৰহত নাই?

(খ) উত্তৰ মেৰু আৰু দক্ষিণ মেৰুত অক্ষৰেখাৰ মান কিমান?

(গ) পৃথিৱী আৰু অন্যান্য গ্ৰহবোৰে কি কৰে?

(ঘ) আৱৰ্তন মানে কি?

(ঙ) উত্তৰ-মেৰুৰপৰা দক্ষিণ-মেৰুলৈ পৃথিৱীৰ সোঁমাজেদি কল্পনা কৰা ৰেখাডালক কি বুলি কোৱা হয়?

২. তলত দিয়া আভাস অনুসৰি শব্দ-শৃংখলটো পূৰ কৰা--




**থিয়কৈ**

(ক) পৃথিৱীৰ কেন্দ্ৰৰে পাৰ হৈ যোৱা ৰেখা (৪)

(গ) সৌৰজগতৰ এটা গ্ৰহ (৪)

(ঙ) ২৩°৩০´ উত্তৰ অক্ষাংশ (৫)

(ছ) উপগ্ৰহবোৰে নিজ নিজ গ্ৰহক প্ৰদক্ষিণ কৰা পথ (৪)

**পথালিকৈ**

(খ) ৬৬°৩০´ উত্তৰ অক্ষাংশ (৫)

(ঘ) পৃথিৱীয়ে নিজ মেৰুদণ্ডত ঘূৰি কৰা গতি (৩)

(চ) ২৩°৩০´ দক্ষিণ অক্ষাংশ (৫)

৩. ‘আমাৰ পৃথিৱী’ পাঠটোৰ ২ নং পৃষ্ঠাত থকা চিত্ৰ ১.২ চাই তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰা--

(ক) সূৰ্যৰ আটাইতকৈ ওচৰত থকা আৰু আটাইতকৈ দূৰত থকা গ্ৰহ দুটা কি কি?

(খ) ছবিখনত কোনটো গ্ৰহ আটাইতকৈ ডাঙৰ দেখিছা?

(গ) সূৰ্যৰ পৰা দূৰত্ব হিচাপত আমাৰ পৃথিৱীৰ স্থান কিমান ?

(ঘ) কোনটো গ্ৰহক আঙুঠিয়ে আগুৰি আছে?

(ঙ) কোনটো গ্ৰহ দেখিবলৈ ৰঙা?

৪. তলত দিয়া পৃথিৱীৰ মানচিত্ৰখনৰ লগতে অন্য মানচিত্ৰ চাই নিম্নোক্ত প্ৰশ্নকেইটাৰ উত্তৰ দিয়া--



(ক) কোন কোন মহাদেশৰ মাজেৰে বিষুৱৰেখা পাৰ হৈ গৈছে?

(খ) ভাৰত কিমান ডিগ্ৰী অক্ষাংশ আৰু দ্ৰাঘিমাংশৰ মাজত অৱস্থিত?

(গ) মুখ্য দ্ৰাঘিমাৰেখা পাৰ হৈ যোৱা দেশ এখনৰ নাম লিখা।

৫. তলৰ তালিকাখনলৈ মন কৰা। ইয়াত চাৰিটা স্থানৰ অক্ষাংশ আৰু দ্ৰাঘিমাংশৰ মান দিয়া আছে। স্থানসমূহৰ অক্ষাংশ, দ্ৰাঘিমাংশ আৰু দিশলৈ লক্ষ্য কৰি তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া।

| স্থান | অক্ষাংশ | দ্ৰাঘিমাংশ |
|---|---|---|
| ক | ৬৫° উত্তৰ | ১০০° পশ্চিম |
| খ | ১৫° উত্তৰ | ১৩০° পশ্চিম |
| গ | ৬০° দক্ষিণ | ৩০° পূব |
| ঘ | ২০° দক্ষিণ | ৯০° পূব |

১. কোনটো স্থান মুখ্য দ্ৰাঘিমাৰেখাৰ আটাইতকৈ ওচৰত অৱস্থিত?

২. কোনটো স্থান বিষুৱৰেখাৰ আটাইতকৈ ওচৰত আছে?

৩. সুমেৰুৰ ওচৰত অৱস্থিত স্থান কোনটো?

৪. কুমেৰুৰ ওচৰত অৱস্থিত স্থান কোনটো?

৫. মকৰ ক্ৰান্তিৰ ওচৰত থকা স্থান কোনটো?

৬. তলৰ খালী ঠাইত গোলক এটা আঁকি নিম্নোক্ত স্থান আৰু ৰেখাসমূহ চিহ্নিত কৰা--

(ক) মেৰুদণ্ড (খ) উত্তৰ-মেৰু (গ) দক্ষিণ মেৰু (ঘ) বিষুৱৰেখা (ঙ) মুখ্য দ্ৰাঘিমাৰেখা

F7V3I3

পাঠ ২

# সময় মণ্ডল আৰু মানচিত্ৰ

১. খালী ঠাই পূৰ কৰা--

(ক) আন্তৰ্জাতিক তাৰিখ ৰেখাৰ মান হৈছে ________________ ।

(খ) মুখ্য দ্ৰাঘিমাৰেখাৰ পৰা ________________ গ'লে সময় পিছুৱাই যাব।

(গ) ভাৰতৰ পূব সীমাৰ পৰা পশ্চিম সীমালৈ সময়ৰ ব্যৱধান হৈছে _________ ঘণ্টা __________ মিনিট।

২. তলৰ উক্তিবোৰ শুদ্ধ নে অশুদ্ধ কাষত দিয়া খালী বাকচত লিখা--

(ক) পৃথিৱীয়ে পূবৰ পৰা পশ্চিমলৈ গতি কৰে। ☐

(খ) মুখ্য দ্ৰাঘিমাৰেখাৰ মান হৈছে ০° । ☐

(গ) গ্ৰীনউইচতকৈ আগতে দুপৰীয়া হোৱা ঠাই এখন পূব দ্ৰাঘিমাংশত অৱস্থিত। ☐

(ঘ) দ্ৰাঘিমাংশ অনুসৰি কোনো এখন ঠাইৰ সময়কেই সেই ঠাইখনৰ স্থানীয় সময় বোলে। ☐

(ঙ) মুখ্য দ্ৰাঘিমাৰেখা আৰু আন্তৰ্জাতিক তাৰিখৰেখাৰ মাজত সময়ৰ ব্যৱধান হৈছে এক দিন। ☐

৩. তোমালোকে দলগতভাৱে অসমৰ ভূ-প্ৰাকৃতিক বিভাগ, ৰাজনৈতিক বিভাগ, বাট-পথ আদিৰ মানচিত্ৰ ভূচিত্ৰাৱলীত চাই তাত কি কি দেখুওৱা হৈছে তলৰ তালিকাখনত লিখা।

| প্ৰাকৃতিক | ৰাজনৈতিক | যাতায়াত |
|---|---|---|
| | | |

৪. তলত মানুহ এজনৰ চাৰিওফালে কিছুমান চিত্ৰ দিয়া হৈছে।



এতিয়া, তোমালোকে চিত্ৰসমূহলৈ চাই তলৰ তালিকাখনৰ খালী ঠাইবোৰ পূৰোৱা ঃ
(উদাহৰণস্বৰূপে, ১ নং টো কৰি দেখুওৱা হ’ল।)

| ক্ৰমিক নং | দিশ (মানুহজনৰ পৰা) | কি কি আছে লিখা |
|---|---|---|
| ১ | উত্তৰ | গছ |
| ২ | দক্ষিণ | |
| ৩ | পূব | |
| ৪ | পশ্চিম | |

| | | |
|---|---|---|
| ৫ | উত্তৰ-পূব | |
| ৬ | দক্ষিণ-পূব | |
| ৭ | দক্ষিণ-পশ্চিম | |
| ৮ | উত্তৰ-পশ্চিম | |

৫. তোমাৰ বিদ্যালয় চৌহদৰ এখন নক্সা আঁকি তাত তলত দিয়াবোৰ দেখুওৱা--

(ক) বিদ্যালয়খনৰ চাৰিওটা দিশ

(খ) বিদ্যালয়খনৰ প্ৰৱেশদ্বাৰ

(গ) প্ৰধান শিক্ষক বা অধ্যক্ষৰ কাৰ্যালয়, শ্ৰেণীকোঠা, পুথিভঁৰাল, শিক্ষকৰ জিৰণি কোঠা আদি

(ঘ) বাগিচা আৰু খেলপথাৰ

৬. তোমাৰ জিলাখনৰ এখন মানচিত্ৰ আঁকি তলত দিয়াবোৰ বহুওৱা। ভূচিত্ৰাৱলীৰ সহায় ল'বা।

(ক) জিলাখনৰ চাৰিসীমা

(খ) জিলাখনত থকা প্ৰাকৃতিক অৱয়ৱ বা উপাদান, যেনে- নদী, বিল, পাহাৰ আদি

(গ) জিলাৰ সদৰঠাই

(ঘ) ৰাষ্ট্ৰীয় ঘাইপথ

৭. তলৰ ছবিখনত এখন সামুদ্ৰিক জাহাজ আৰু এখন উৰাজাহাজৰ যাত্ৰাপথ দেখুওৱা হৈছে। সামুদ্ৰিক জাহাজখনে ব্ৰাজিললৈ আৰু উৰাজাহাজখনে ইউৰোপলৈ একেদিনাই একে সময়তে, অৰ্থাৎ ২০২৫ চনৰ ৬ জানুৱাৰীৰ আবেলি ৩ বজাত ভাৰতৰ পৰা যাত্ৰা আৰম্ভ কৰিলে। ভাৰতৰ পৰা জলপথেৰে ব্ৰাজিল পাবলৈ ১২০ ঘণ্টা আৰু ভাৰতৰ পৰা আকাশীপথেৰে ইউৰোপ পাবলৈ ৩০ ঘণ্টা সময় লাগে। সময় মণ্ডলৰ হিচাপ অনুসৰি দুয়োখনে কোন দিনা, কিমান সময়ত গৈ নিজৰ গন্তব্য স্থানত উপস্থিত হ'ব?



R2W4X5

# পাঠ ৩

## ভূ-অৱয়ৱ আৰু মানুহ

**১. তোমালোকে বাস কৰা অঞ্চলটো নিৰীক্ষণ কৰি নিম্নলিখিত প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰবোৰৰ কাষৰ '○' চিনটো পূৰ কৰা--**

(ক) তোমালোকৰ অঞ্চলটোৰ ভূ-প্ৰকৃতি কেনেকুৱা?

■ সমতল ○ ■ ঢৌৰ নিচিনা ○ ■ওখ-চাপৰ ○

(খ) তোমালোকৰ ঘৰৰ ওচৰত থকা পথাৰৰ মাটিৰ ঢাল কেনেকুৱা?

■ ঢাল নায়েই ○ ■ অলপ এঢলীয়া ○ ■ থিয় ○

(গ) তোমালোকৰ ওচৰে-পাজৰে পাহাৰ বা পৰ্বত আছেনে?

■ আছে ○ ■ নাই ○

(ঘ) তোমালোকৰ ওচৰে-পাজৰে নদী আছেনে?

■ আছে ○ ■ নাই ○

(ঙ) তোমালোকৰ অঞ্চলটোত ডাঙৰ অৰণ্য বা হাবি আছে নেকি?

■ আছে ○ ■ নাই ○

(চ) তোমালোকৰ অঞ্চলটোক কেনেকুৱা যেন লাগে?

■ পাহাৰীয়া অঞ্চল ○ ■ মালভূমি অঞ্চল ○ ■ সমভূমি অঞ্চল ○

**২. 'ভূ-অৱয়ৱ আৰু মানুহ' পাঠটোৰ পৰা পোৱা তথ্য আৰু ধাৰণাৰ ভিত্তিত তলৰ তালিকাখনৰ শুদ্ধ উত্তৰবোৰৰ কাষৰ '○' চিনটো পূৰ কৰা--**

| মানুহৰ কাৰ্যকলাপ | পাৰ্বত্য অঞ্চল | মালভূমি অঞ্চল | সমভূমি অঞ্চল |
|---|---|---|---|
| জীৱিকা | ■ কৃষি ○<br>■ পশুপালন ○<br>■ উদ্যোগ ○<br>■ ব্যৱসায় ○<br>■ পৰ্যটন ○ | ■ কৃষি ○<br>■ পশুপালন ○<br>■ খনিজ উত্তোলন ○<br>■ ব্যৱসায় ○<br>■ উদ্যোগ ○ | ■ কৃষি ○<br>■ পশুপালন ○<br>■ উদ্যোগ ○<br>■ ব্যৱসায় ○<br>■ পৰ্যটন ○ |
| যাতায়াত আৰু যোগাযোগ ব্যৱস্থা | ■ অতি উন্নত ○<br>■ উন্নত ○<br>■ অনুন্নত ○ | ■ অতি উন্নত ○<br>■ উন্নত ○<br>■ অনুন্নত ○ | ■ অতি উন্নত ○<br>■ উন্নত ○<br>■ অনুন্নত ○ |
| জনবসতিৰ ঘনত্ব | ■ ঘন ○<br>■ পাতল ○<br>■ মধ্যমীয়া ○ | ■ ঘন ○<br>■ পাতল ○<br>■ মধ্যমীয়া ○ | ■ ঘন ○<br>■ পাতল ○<br>■ মধ্যমীয়া ○ |
| মানুহৰ জীৱনযাত্ৰা | ■ কষ্টকৰ ○<br>■ সহজ ○ | ■ কষ্টকৰ ○<br>■ সহজ ○ | ■ কষ্টকৰ ○<br>■ সহজ ○ |

৩. পাঠটোত দিয়া তথ্যৰ ভিত্তিত তালিকাখন পূৰ কৰা।

| প্ৰকাৰ | পৰ্বত | মালভূমি | সমভূমি |
|---|---|---|---|
| উচ্চতা | | | |
| বৈশিষ্ট্য | | | |
| সৰ্বোচ্চ/সৰ্ববৃহৎ | | | |
| নাম/উদাহৰণ | | | |

৪. 'ভূ-অৱয়ব আৰু মানুহ' পাঠটোৰ ওপৰত ভিত্তি কৰি তলৰ শব্দ-শৃংখলটো প্ৰস্তুত কৰা হৈছে। থিয়কৈ আৰু পথালিকৈ দিয়া আভাসৰ মতে শব্দ-শৃংখলটো পূৰ কৰা।




পথালিকৈ

(ক) এখন মহাদেশৰ নাম (৪)
(গ) পৃথিৱীৰ আটাইতকৈ গভীৰ হ্ৰদ (৩)
(ঙ) ব্ৰহ্মপুত্ৰৰ এখন উপনৈ (৩)
(চ) এখন মহাসাগৰৰ নাম (৩)

থিয়কৈ

(খ) দুলানি উচ্চভূমিৰ মাজত নদী বা হিমবাহে সৃষ্টি কৰা দীঘলীয়া নিম্নভূমি (৪)
(ঘ) ভাৰতৰ এটা উল্লেখযোগ্য হ্ৰদ (৪)

৫. তলত পৃথিৱীৰ পাঁচখন মহাসাগৰৰ নাম দিয়া আছে। আকাৰ অনুযায়ী মহাসাগৰসমূহক ডাঙৰৰ পৰা সৰুলৈকে সজাই তলৰ খালী বাকচবোৰত লিখা।

ভাৰত মহাসাগৰ, উত্তৰ মহাসাগৰ, আটলান্টিক মহাসাগৰ, দক্ষিণ মহাসাগৰ, প্ৰশান্ত মহাসাগৰ

| | | | | |
|---|---|---|---|---|
| | | | | |

৬. 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা--

| 'ক' | 'খ' |
|---|---|
| কাস্পিয়ান সাগৰ | পৰিভ্ৰমী চৰাইৰ আৱাসস্থল |
| আৰ্দ্ৰভূমি | পৰ্যটন স্থল |
| ডেৰাডুন | বৃহত্তম হ্ৰদ |
| তিব্বত | জলপ্ৰপাত |
| হুন্দ্ৰু | উচ্চতম মালভূমি |

৭. তলৰ অৱয়বসমূহ চিনাক্ত কৰি নামবোৰ তলৰ খালী বাকচবোৰত লিখা।






পাঠ ৪

## দেশ-মহাদেশৰ কথা ঃ জাপান

J1T4Q2

১. মাটিকালিৰ ভিত্তিত সৰুৰ পৰা ডাঙৰলৈ একাদিক্ৰমে মহাদেশবোৰৰ নাম লিখোঁ আহা--

| | |
|---|---|
| | |
| | |
| | |
| | |

২. তলত দিয়া মানচিত্ৰখনত মহাদেশসমূহ চিনাক্ত কৰি নামবোৰ লিখা--



৩. তলৰ বিন্দুসমূহ সংযোগ কৰি জাপানৰ মানচিত্ৰখন সম্পূৰ্ণ কৰা--




৪. জাপান সম্পৰ্কে তলত দিয়া শুদ্ধ উক্তিবোৰৰ কাষৰ 'O' চিনটো পূৰ কৰা--

(ক) জাপান এখন কৃষি প্ৰধান দেশ। O

(খ) জাপান সম্পূৰ্ণভাৱে দ্বীপ দেশ। O

(গ) জাপানত বৰষুণ একেবাৰে নহয়। O

(ঘ) জাপানত অৰণ্য দেখা নাযায়। O

(ঙ) জাপান ভূমিকম্পপ্ৰৱণ দেশ। O

৫. তলত দিয়া খালী ঠাইত জাপানৰ প্ৰধান বৈশিষ্ট্যবোৰ লিখা।



পাঠ ৫

# ভাৰত ঃ পৰিচয় আৰু ভৌগোলিক বৈশিষ্ট্য

L4L7K5

১. তলত দিয়া ভাৰতৰ মানচিত্ৰখনত নিম্নোক্ত ঠাইবোৰ চিহ্নিত কৰা আৰু যথাস্থানত সাংকেতিক চিহ্ন প্ৰয়োগ কৰিবা।

(ক) ভাৰতৰ চাৰিসীমাত থকা ৰাষ্ট্ৰবোৰ
(খ) হিমালয় পৰ্বত
(গ) তিনিখন মুখ্য নদী
(ঘ) পশ্চিম দিশত অৱস্থিত দুটা বন্দৰ
(ঙ) মৰুভূমি অঞ্চলৰ এখন নগৰ
(চ) লাক্ষাদ্বীপ আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জ




ভাৰত
(ৰাজনৈতিক)
মাপনী অনুসৰি নহয়
উঃ
পঃ
পূঃ
দঃ
আফগানিস্তান
লাডাখ
জম্মু-কাশ্মীৰ
চীন
হিমাচল প্ৰদেশ
পাকিস্তান
পঞ্জাব
উত্তৰাখণ্ড
হাৰিয়ানা
দিল্লী
নেপাল
ভূটান
অৰুণাচল প্ৰদেশ
চিকিম
উত্তৰ প্ৰদেশ
ৰাজস্থান
অসম
নাগালেণ্ড
বিহাৰ
মেঘালয়
মণিপুৰ
বাংলাদেশ
ত্ৰিপুৰা
মিজোৰাম
গুজৰাট
মধ্যপ্ৰদেশ
ঝাৰখণ্ড
পশ্চিমবংগ
ছত্তিশগড়
ওড়িশা
ম্যানমাৰ
(ব্ৰহ্মদেশ)
মহাৰাষ্ট্ৰ
তেলেংগানা
গোৱা
কৰ্ণাটক
বংগোপসাগৰ
আৰব সাগৰ
অন্ধ্ৰপ্ৰদেশ
আন্দামান
নিকোবৰ দ্বীপপুঞ্জ
তামিলনাডু
লাক্ষাদ্বীপ
কেৰালা
শ্ৰীলংকা
ভাৰত মহাসাগৰ

২. সিপিঠিৰ মানচিত্ৰখনলৈ চাই ভাৰতৰ কোনকেইখন ৰাজ্যৰ সীমা বিদেশী ৰাষ্ট্ৰৰ সৈতে যুক্ত হৈ আছে লিখা--

| ৰাজ্যৰ নাম | বিদেশী ৰাষ্ট্ৰ |
|---|---|
| | |

৩. 'ভাৰত ঃ পৰিচয় আৰু ভৌগোলিক বৈশিষ্ট্য' পাঠটোত থকা চিত্ৰৰ সহায়ত উত্তৰ কৰা।

(ক) উত্তৰৰ পাৰ্বত্য অঞ্চলৰ তিনিখন পৰ্বত-পাহাৰৰ নাম লিখা।

______________________________

(খ) দাক্ষিণাত্য মালভূমি অঞ্চলত অৱস্থিত তিনিখন পাহাৰ-পৰ্বতৰ নাম লিখা।

______________________________

(গ) উত্তৰ ভাৰতৰ সমভূমি অঞ্চলৰ তিনিখন নদীৰ নাম লিখা।

______________________________

(ঘ) উপকূলীয় অঞ্চলত অৱস্থিত দুখন বিখ্যাত চহৰৰ নাম লিখা।

______________________________

(ঙ) দ্বীপ অঞ্চলৰ দুখন ঠাইৰ নাম লিখা।

______________________________

৪. 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা--

| 'ক' | 'খ' |
|---|---|
| কৃষিকাৰ্য | মৰুভূমি অঞ্চল |
| কপাহ খেতি | দ্বীপ অঞ্চল |
| মাছ ধৰা কাৰ্য | সমভূমি অঞ্চল |
| অৱসৰ বিনোদন | পাৰ্বত্য অঞ্চল |
| জলবিদ্যুৎ প্ৰকল্প | দাক্ষিণাত্য মালভূমি অঞ্চল |
| জাৰোৱা জনজাতি | উপকূলীয় অঞ্চল |

৫. তলত খেলি-মেলিকৈ দিয়া শব্দবোৰ সজাই লিখিলে প্ৰতিটো শব্দই ব্ৰহ্মপুত্ৰৰ একো একোখন উপনৈৰ নাম সূচাব। শব্দবোৰ সজাই উপনৈৰ নামবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

নাহমা, ৰিনশিধ, দিয়াগলাপা, ণকোষসো, ংবদি, ণৰসোৰিশি, কাৰিদ, লংক,
হিংদি, লীপিক, ঝগাইক্, হিংদিঢ়ীবু

৬. তোমালোকৰ নিজ-নিজ অঞ্চলত পোৱা বনজ সম্পদ আৰু খনিজ সম্পদ কেইবিধমানৰ তালিকা প্ৰস্তুত কৰা।

| বনজ সম্পদ | খনিজ সম্পদ |
|---|---|
| | |

৭. তলত দিয়া মানচিত্ৰখনৰ পৰা ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ আৰু দক্ষিণপাৰৰ উপনৈসমূহ চিনাক্ত কৰি কোৱা--




৮. তলত উল্লেখ কৰা জাতি-জনজাতিৰ লোকসকলে অসমৰ কোন কোন অঞ্চলত বেছিকৈ বাস কৰে উল্লেখ কৰা-- (ছাত্ৰ-ছাত্ৰীসকল দুজনীয়া গোটত ভাগ হৈ শিক্ষকৰ তত্ত্বাৱধানত তালিকাখন পূৰ কৰিব)

মৰাণ, বড়ো, বঙালী, কাৰ্বি, আহোম, কছাৰী, তিৱা, ডিমাছা, মিচিং, ৰাভা, মাৰ, নেপালী, মটক, কোঁচ, মণিপুৰী, কুকি, খাচী, ৰাজবংশী, চুতীয়া

| ব্ৰহ্মপুত্ৰ উপত্যকা | বৰাক উপত্যকা | পাহাৰীয়া অঞ্চল |
|---|---|---|
| | | |

৯. তলৰ মানচিত্ৰখনত অসমৰ প্ৰধান ভূ-প্ৰাকৃতিক বিভাগ তিনিটা দেখুওৱা হৈছে। এই ভূ-প্ৰাকৃতিক বিভাগ তিনিটাৰ অন্তৰ্গত জিলাসমূহৰ নামৰে মানচিত্ৰখন পূৰোৱা। (শিক্ষকৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলে দলগতভাৱে কৰিব)



১০. তলত ভাৰতৰ ৰৈখিক মানচিত্ৰ এখন দিয়া হৈছে, তাত তোমাৰ ৰাজ্যখন দেখুওৱা। তোমাৰ ৰাজ্যখন কোনটো ভৌগোলিক অঞ্চলৰ অন্তৰ্গত তলত উল্লেখ কৰা।




---

M8Y3Q6

## পাঠ ৬

# ইতিহাস লিখনত সময় গণনা, উৎস আৰু ভাৰতবৰ্ষ

**১. সময় গণনাৰ ভিত্তিত ‘ক’ অংশৰ লগত ‘খ’ অংশ মিলোৱা।**

| ‘ক’ | ‘খ’ |
|---|---|
| বিক্ৰম সংবৎ | হজৰত মহম্মদে মক্কাৰ পৰা মদিনালৈ যাত্ৰা কৰাৰ পৰা |
| হিজৰী | ৰজা ভাস্কৰবৰ্মনে ৰাজপাটত আৰোহণ কৰাৰ পৰা |
| ভাস্কৰাব্দ | শংকৰদেৱৰ জন্মৰ পৰা |
| শংকৰাব্দ | ৰজা বিক্ৰমাদিত্যই শক ৰজাক পৰাস্ত কৰাৰ পৰা |

**২. তলত কিছুমান চিত্ৰ দিয়া আছে। ইয়াৰ প্ৰতিটো চিত্ৰ সময় অনুসৰি খ্ৰীষ্টপূৰ্ব নে খ্ৰীষ্টাব্দৰ অন্তৰ্গত তাক চিনাক্ত কৰি তলৰ তালিকাখন পূৰ কৰা।**



(ক) কম্পিউটাৰৰ আৱিষ্কাৰ



(খ) হৰপ্পা সভ্যতা



(গ) ভাৰতৰ স্বাধীনতা আন্দোলন



(ঘ) আদিম মানুহে শিল ঘঁহি জুই জ্বলোৱা চিত্ৰ



(ঙ) শ্ৰীমন্ত শংকৰদেৱ



(চ) অশোক স্তম্ভ

| | | | |
|---|---|---|---|
| খ্ৰীষ্টপূৰ্ব | | | |
| খ্ৰীষ্টাব্দ | | | |

৩. তলৰ তালিকাখনত মহাত্মা গান্ধীৰ জন্মদিনটোক (২ অক্টোবৰ, ১৮৬৯) মাহ, বছৰ, দশক আদি হিচাপে দেখুওৱা হৈছে। একেধৰণে তোমাৰ নিজৰ জন্মদিনৰ ভিত্তিত তালিকাখনৰ খালী ঠাইবোৰ পূৰ কৰা।

| | দিন | মাহ | বছৰ | দশক | শতিকা | সহস্ৰাব্দ |
|---|---|---|---|---|---|---|
| মহাত্মা গান্ধীৰ জন্মদিন | ২ | অক্টোবৰ | ১৮৬৯ | ষষ্ঠ | ঊনৈশ | দ্বিতীয় |
| তোমাৰ জন্মদিন | | | | | | |

৪. তলত ইতিহাসৰ কেইটামান উল্লেখযোগ্য ঘটনা আৰু সেইবোৰ সংঘটিত হোৱা বছৰ উল্লেখ কৰা হৈছে। এডাল সময়ৰেখা আঁকি ঘটনাসমূহ ক্ৰম অনুসাৰে দেখুওৱা।

(ক) প্ৰথম অলিম্পিক খেলৰ আৰম্ভণি (খ্ৰীষ্টপূৰ্ব ৭৭৬)
(খ) ভাৰতত ষোল্লখন মহাজনপদৰ উত্থান (খ্ৰীষ্টপূৰ্ব ৬০০)
(গ) আলেকজেণ্ডাৰৰ মৃত্যু (খ্ৰীষ্টপূৰ্ব ৩২৩)
(ঘ) ভাস্ক’-ডা-গামাৰ ভাৰত আগমন (খ্ৰীষ্টাব্দ ১৪৯৮)
(ঙ) চুকাফাৰ অসম আগমন (খ্ৰীষ্টাব্দ ১২২৮)

৫. তলত দিয়া তালিকা অনুসৰি তোমাৰ পৰিয়াল বা প্ৰতিবেশীসকলৰ মাজৰ পৰা যিকোনো পাঁচজন ব্যক্তিৰ বিষয়ে তথ্য সংগ্ৰহ কৰা আৰু তথ্যসমূহৰ উৎসও উল্লেখ কৰিবা। ব্যক্তিকেইগৰাকীৰ এজন বয়সত বিশ বছৰৰ তলৰ, দুজন বয়সত পঞ্চাছ বছৰৰ তলৰ আৰু অন্য দুজন বয়সত পঞ্চাশৰ অধিক হোৱাটো বাঞ্চনীয়।

| ব্যক্তি | বয়স | জন্ম তাৰিখ | উৎস | জন্ম স্থান | উৎস | শিক্ষাগত অৰ্হতা | উৎস | কৰ্মস্থলী | উৎস |
|---|---|---|---|---|---|---|---|---|---|
| প্ৰথম | | | | | | | | | |
| দ্বিতীয় | | | | | | | | | |
| তৃতীয় | | | | | | | | | |
| চতুৰ্থ | | | | | | | | | |
| পঞ্চম | | | | | | | | | |

৬. তলত তিনিধৰণৰ উৎসৰ চিত্ৰ দিয়া হৈছে। চিত্ৰকেইখন ভালদৰে চাই তাৰপৰা সেই সময়ৰ কি কি তথ্য লাভ কৰিব পাৰি খালী ঠাইত লিখা। চিত্ৰকেইখন উৎসৰ কোনটো ভাগৰ অন্তৰ্গত?



https://boudewijnhuijgens.getarchive.net/amp/media/assamese-women-in-costume-sorting-tea-by-bourne-and-shepherd-bb7055

ভাগ-

তথ্য-



https://commons.wikimedia.org/wiki/File:Procession_of_King_Ashoka_on_his_charriot_Sanchi_Stupa_1_Southern_Gateway.jpg

ভাগ-

তথ্য-



https://www.google.com/url?sa=i&url=https%3A%2F%2Fen.wikipedia.org%2Fwiki%2FTextile_manufacturing&psig=AOvVaw3l4aVu7zthA3JIOiBjcSgi&ust=1725355378081000&source=images&cd=vfe&opi=89978449&ved=0CBQQjRxqFwoTCPji_-f3o4gDFQAAAAAdAAAAABAT

ভাগ-

তথ্য-

## ৭. বিদেশীসকলে বিভিন্ন সময়ত ভাৰতক কি কি নামেৰে নামকৰণ কৰিছিল তাৰ এখন তালিকা প্ৰস্তুত কৰা।

| বিদেশী গোট | তেওঁলোকে দিয়া নাম |
|---|---|
| | |

পাঠ ৭

# মানুহৰ জীৱন-প্ৰণালীৰ বিকাশ

B9H1H4

তলত দিয়া প্ৰশ্নসমূহৰ (১নং ৰ পৰা ৫নং লৈ) শুদ্ধ উত্তৰটোৰ কাষত থকা '○' চিনটো পূৰ কৰা--

১. আদিম মানুহে এঠাইৰ পৰা আন এঠাইলৈ ঘূৰি ফুৰাৰ কাৰণটো কি আছিল?

(ক) খেলা-ধূলা ○
(খ) খাদ্য সংগ্ৰহ ○
(গ) যুদ্ধ ○
(ঘ) বেপাৰ-বাণিজ্য ○

২. আদিম মানুহে প্ৰথম অৱস্থাত কিয় হিংস্ৰ প্ৰাণীবোৰ চিকাৰ কৰা নাছিল?

(ক) হিংস্ৰ প্ৰাণীবোৰৰ উৎপত্তি হোৱা নাছিল ○
(খ) হিংস্ৰ প্ৰাণীবোৰক চিকাৰ কৰিবলৈ কোনো সঁজুলি নাছিল ○
(গ) হিংস্ৰ প্ৰাণীবোৰ বৰ শক্তিশালী আছিল ○
(ঘ) হিংস্ৰ প্ৰাণীবোৰে গছত বাস কৰিছিল ○

৩. আদিম মানুহে প্ৰথম অৱস্থাত স্থায়ীভাৱে বসতি স্থাপন নকৰাৰ কাৰণটো কি?

(ক) তেওঁলোক এলেহুৱা আছিল ○
(খ) পকীঘৰ নিৰ্মাণ কৰিবলৈ জনা নাছিল ○
(গ) খাদ্যৰ সন্ধানত ঘূৰি ফুৰিবলগীয়া হৈছিল ○
(ঘ) আদিম মানুহৰ টকা-পইচা নাছিল ○

৪. তলৰ কোনটো আদিম মানুহৰ বাসস্থান আছিল?

(ক) গছৰ তল ○
(খ) জুপুৰী ঘৰ ○
(গ) শিলৰ গুহা ○
(ঘ) পকীঘৰ ○

৫. আদিম মানুহে গাঁও পাতিবলৈ জলাশয়ৰ ওচৰৰ অঞ্চলবোৰ কিয় বাছি লৈছিল?

(ক) খেতিত পানী যোগানৰ সুবিধাৰ বাবে ○
(খ) মানুহৰ দৈনন্দিন ব্যৱহাৰৰ বাবে প্ৰয়োজনীয় পানী সহজতে লাভ কৰিছিল ○
(গ) পোহনীয়া জীৱ -জন্তুৰ খোৱাপানীৰ অভাৱ সহজে পূৰ হৈছিল ○
(ঘ) ওপৰৰ আটাইকেইটা ○

৬. জুইৰ আৱিষ্কাৰে আদিম মানুহক কিদৰে সহায় কৰিছিল লিখা।

(ক) ----------------------------------------------------------------------------------------

(খ) ----------------------------------------------------------------------------------------

(গ) ----------------------------------------------------------------------------------------

(ঘ) ----------------------------------------------------------------------------------------

৭. তলৰ চিত্ৰত দিয়া সঁজুলিসমূহ সময়ানুক্ৰমে সজোৱা--



(ক)



(খ)



(গ)



(ঘ)

প্ৰাচীন কালৰ পৰা ☐ ☐ ☐ ☐ আধুনিক কাললৈ

৮. আদিম মানুহে ঘৰ সাজিবলৈ কোনবোৰ সামগ্ৰী ব্যৱহাৰ কৰিছিল? কাষৰ বাকচটোত লিখা।

(ক) গছৰ পাত
(খ) বাঁহ
(গ) জন্তুৰ ছাল
(ঘ) পোৰা ইটা
(ঙ) চিমেণ্ট
(চ) লো
(ছ) টাইলচ্
(জ) খেৰ

৯. 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা।

| (ক) | (খ) |
|---|---|
| জুই | মাটিৰ পাত্ৰ তৈয়াৰ কৰাত সহায় হৈছিল |
| গুহা | মানুহে ঘৰচীয়া কৰা প্ৰথম জন্তু |
| শিল | আন্দামান নিকোবৰ দ্বীপপুঞ্জত বসবাস কৰা এটা জনগোষ্ঠী |
| কুকুৰ | শীতকালত উত্তাপ দিয়াত সহায় হৈছিল |
| জাৰোৱা | আদিম মানুহৰ বাসস্থান |
| চকা | বিভিন্ন সঁজুলি তৈয়াৰ কৰা হৈছিল |

**১০. তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ শব্দ-জালিকাখনৰপৰা বিচাৰি উলিয়াই খালী ঠাইবোৰত লিখা।**

| | | | | | |
|---|---|---|---|---|---|
| ঘ | ক | চি | লু | জু | ই |
| ঝু | ম | ট | প | পু | ঃ |
| লি | ম | ক | শু | লী | কৃ |
| কা | হা | ভ | পা | লু | ল |
| ত | ড় | পী | ল | য়ো | জী |
| য | ঙ | গ | ন | গি | পু |
| প | ছ | খো | ৰো | ং | ঢ় |
| ঘ | ম | লী | চ | য | ট |

উদাহৰণস্বৰূপে,

(ক) আদিম মানুহে আহাৰ সিজাবলৈ কি ব্যৱহাৰ কৰিছিল? জুই ---------------------------------

(খ) আদিম মানুহে চিকাৰ কৰিবলৈ কি ব্যৱহাৰ কৰিছিল? -------------------------

(গ) আদিম মানুহে বসবাস কৰিবলৈ গুহাৰ উপৰি আন কি ঠাই বাছি লৈছিল? -------------------------

(ঘ) আদিম মানুহে কৃষিৰ উপৰি আন কি কৰ্মৰ সৈতে জড়িত আছিল? ----------------------------

(ঙ) পাহাৰীয়া অঞ্চলত হাবি কাটি কৰা কৃষি পদ্ধতিটোৰ নাম কি? --------------------------

**১১. তলত দিয়া সংখ্যাবোৰ একাদিক্ৰমে সংযোগ কৰা। তাৰ পাছত অংকিত হোৱা চিত্ৰ দুটাৰ নাম লিখা।**





(ক) ____________________ (খ) ____________________

**১২.** চকাৰ চিত্ৰটোত ৰং বুলোৱা আৰু ইয়াৰ চাৰিটা ব্যৱহাৰৰ বিষয়ে আলোচনা কৰি তলৰ খালী ঠাইখিনিত লিখা।



(ক) ------------------------------------------------------------------------------------------

(খ) ------------------------------------------------------------------------------------------

(গ) ------------------------------------------------------------------------------------------

(ঘ) ------------------------------------------------------------------------------------------

## পাঠ ৮

# ভাৰতীয় সভ্যতাৰ আৰম্ভণি

১. "প্ৰাচীন সভ্যতাসমূহ নদীৰ পাৰত গঢ় লৈ উঠিছিল। "তোমালোকে ইয়াৰ কাৰণ কি বুলি ভাবা? (শিক্ষকে ছাত্ৰ-ছাত্ৰীক গোটত বিভক্ত কৰি এই বিষয়ে আলোচনা কৰি লিখিবলৈ দিব।)

---

---

---

---

২. "আজিৰ পৰা প্ৰায় ৪৭০০ বছৰ পূৰ্বে সিন্ধু নৈৰ পাৰত এক নগৰীয় সভ্যতাই গা কৰি উঠিছিল।" বাক্যশাৰীত উল্লেখ কৰা বছৰৰ এই ধাৰণাটোক আমি কিমান খ্ৰীষ্টপূৰ্ব বুলি লিখিব পাৰো এডাল সময়ৰেখা অংকন কৰি তাত নিৰ্দেশ কৰা।

৩. তলৰ মানচিত্ৰখনত হৰপ্পা সভ্যতাৰ স্থান চিনাক্ত কৰি শুদ্ধ উত্তৰটোৰ কাষত দিয়া '◯' চিনটো পূৰ কৰা।




- (ক) ◯
- (খ) ◯
- (গ) ◯
- (ঘ) ◯

৪. তলৰ চিত্ৰবোৰ চিনাক্ত কৰি বাকচত দিয়া নামবোৰ চিত্ৰৰ তলে তলে লিখা--

ইউনিকৰ্ণ, ঘৰৰ ভগ্নাৱশেষ, হৰপ্পা লিপি, পশুপতি শিৰ, নলা-নৰ্দমা



https://en.wikipedia.org/wiki/File:Mohenjodaro_ruins.jpg



https://en.m.wikipedia.org/wiki/File:A_drain_at_Lothal.jpg



https://commons.wikimedia.org/wiki/File:Intaglio_seal_(H97-3433-7617-01)_Indus_Fish_symbol_.png



https://en.m.wikipedia.org/wiki/File:Yogi._Mold_of_Seal,_Indus_valley_civilization.jpg



https://en.wikipedia.org/wiki/File:Longest_Indus_script_inscription_(colour).jpg

৫. হৰপ্পা সভ্যতাৰ খনন কাৰ্যত বিভিন্ন পুৰাতাত্বিক অৱশেষ আৱিষ্কাৰ হৈছে। হৰপ্পা সভ্যতাৰ সময়ৰ এই অৱশেষৰ পৰা আমি কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰো। প্ৰথমটো বাকচত এনে কিছু অৱশেষৰ বিষয়ে উল্লেখ আছে। তোমালোকে এইবোৰ দ্বিতীয় বাকচত দিয়া সিদ্ধান্তসমূহৰ লগত মিলোৱা।

- ৰাজহুৱা ভঁৰাল
- পকী ৰাস্তাঘাট আৰু তাৰ লগত সংযোজিত জল-নিষ্কাসন ব্যৱস্থা
- ৰঙীন কলহ, শিলৰ মূৰ্তি, ব্ৰঞ্জৰ মূৰ্তি
- ছীল-মোহৰৰ লিপি
- দূৰ্গ আৰু দেৱাল

(ক) নগৰ পৰিকল্পনা আৰু নিৰ্মাণ ......................................

(খ) নগৰবোৰক প্ৰাকৃতিক দুৰ্যোগ, যেনে, বানপানী আৰু বহিঃআক্ৰমণৰ পৰা সুৰক্ষা দিবলৈ চেষ্টা কৰিছিল ................................

(গ) তেওঁলোকে নিজৰ বয়বস্তুবোৰ চিনাক্ত কৰিবলৈ চিন দিব পাৰিছিল। ...................

(ঘ) তাৰ শিল্পীসকলৰ কৰ্মৰাজি নিখুঁত আছিল ............................

(ঙ) কৃষিৰ উৎপাদনত ৰাহি আৰু জমা .........................................

৬. তলৰ বাকচত কিছুমান নদীৰ নাম দিয়া আছে। তোমালোকে তলত দিয়া সভ্যতাসমূহ কোন কোন নদীৰ পাৰত গঢ় লৈ উঠিছিল, বাকচৰ পৰা বিচাৰি খালী ঠাইত লিখা।

ব্ৰহ্মপুত্ৰ, গংগা, টেমছ, নীল, হোৱাংহো, সিন্ধু, সোৱণশিৰি, টাইগ্ৰিছ, গোদাৱৰী, আমাজন

(ক) হৰপ্পা সভ্যতা ------------------------------------

(খ) মিছৰীয় সভ্যতা ------------------------------------

(গ) চীনা সভ্যতা ------------------------------------

(ঘ) মেছ'পটেমিয়া সভ্যতা ----------------------------------

৭. তলৰ ভাৰতৰ মানচিত্ৰখনত হৰপ্পা সভ্যতাৰ উল্লেখযোগ্য নগৰকেইখনৰ নাম উপযুক্ত স্থানত বহুওৱা।



৮. হৰপ্পা সভ্যতাৰ খনন কাৰ্যত কিছুমান মাটিৰ বাচনৰ অৱশেষ পোৱা গৈছে। তলৰ চিত্ৰটোত কলহৰ কাষত থকা টুকুৰাবোৰ সঠিক ঠাইত বহুৱাই চিত্ৰটো সম্পূৰ্ণ কৰা--



৯. তলৰ বাক্যবোৰত থকা শুদ্ধ শব্দটোত ( ✓ ) চিন দিয়া--

(ক) হৰপ্পা সভ্যতাৰ সাধাৰণ প্ৰজাই দুৰ্গ /নামনি চহৰত বাস কৰিছিল।

(খ) হৰপ্পা সভ্যতাৰ বাট-পথবোৰ আয়তাকাৰ /ত্ৰিভূজাকাৰ আছিল।

(গ) হৰপ্পা সভ্যতাৰ নগৰৰ নলাবোৰ ইটাৰে নিৰ্মিত ঢাকনিৰে ঢকা /উন্মুক্ত আছিল।

(ঘ) মেছ'পটেমিয় /চীনা সভ্যতাৰ লগত হৰপ্পা সভ্যতাৰ বাণিজ্যিক সম্পৰ্ক থকাৰ প্ৰমাণ পোৱা যায়।

(ঙ) হৰপ্পা সভ্যতাৰ ছীল- মোহৰত খোদিত পুৰুষৰ প্ৰতিচ্ছবিক পশুপতি শিৱ /বিষ্ণু বুলি অভিহিত কৰা দেখা যায়।

F3F2P3

## পাঠ ৯

# প্ৰাচীন ভাৰতৰ ৰাজবংশ আৰু সমাজ

১. শুদ্ধ শব্দত '✓' চিন দিয়া।

(ক) উত্তৰ ভাৰতত ৰাজ্য স্থাপন কৰিবলৈ আৰম্ভ কৰা ৰাজবংশটো আছিল মৌৰ্য /গুপ্ত বংশ।

(খ) সম্ৰাট অশোক জৈন /বৌদ্ধ ধৰ্মৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

(গ) শুংগ বংশ প্ৰতিষ্ঠা কৰা পুষ্যমিত্ৰ শুংগ এজন ক্ষত্ৰিয় /ব্ৰাহ্মণ আছিল।

(ঘ) ভাৰতবৰ্ষৰ দক্ষিণ অংশত শাসন কৰা বংশটো আছিল সাতবাহন বংশ, তেওঁলোকক তামিল /অন্ধ্ৰ বুলিও জনা যায়।

(ঙ) ভাৰত ভ্ৰমণলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙে সমুদ্ৰ বৰ্মনৰ /ভাস্কৰ বৰ্মনৰ আমন্ত্ৰণক্ৰমে অসমলৈ আহিছিল।

২. 'ক' অংশত লেখকৰ নাম আৰু 'খ' অংশত তেওঁলোকে লিখা গ্ৰন্থবোৰৰ নাম আছে, দুয়োটা অংশ মিলোৱা।

| 'ক' | 'খ' |
|---|---|
| কৌটিল্য | ব্যাসদেৱ |
| কালিদাস | মুদ্ৰাৰাক্ষস |
| বিশাখাদত্ত | অভিজ্ঞানম্-শকুন্তলম্ |
| বাণভট্ট | অৰ্থশাস্ত্ৰ |
| মহাভাৰত | হৰ্ষচৰিত |

৩. তলত প্ৰাচীন ভাৰতৰ কেইজনমান শাসকৰ নাম দিয়া আছে। তোমালোকে নামসমূহ তলত দিয়া সময়ৰেখাডালত সময়ানুক্ৰমিকভাৱে লিখা--

**ভাস্কৰবৰ্মন, চন্দ্ৰগুপ্ত মৌৰ্য, সমুদ্ৰগুপ্ত, অশোক**



৪. প্ৰাচীন অসমৰ সমাজ ব্যৱস্থা আৰু বৰ্তমান অসমৰ সমাজ ব্যৱস্থাক তুলনা কৰি কি সাদৃশ্য আৰু বৈসাদৃশ্য দেখিছা লিখা?

| সাদৃশ্য | বৈসাদৃশ্য |
|---|---|
| | |

৫. তলৰ বাকচটোত কেইখনমান প্ৰাচীন ভাৰতৰ নগৰ, ৰাজ্য আৰু ৰাজধানীৰ নাম দিয়া আছে। ভাৰতৰ মানচিত্ৰখনৰ উপযুক্ত স্থানত সেইবোৰ চিহ্নিত কৰা।

| পাটলিপুত্ৰ, কলিংগ, মাদুৰাই, প্ৰাগ্‌জ্যোতিষপুৰ |
| --- |



I2K9V2

## পাঠ ১০

# ভাৰতীয় সংস্কৃতিৰ ভেটি

১. তলত বৈদিক যুগৰ সমাজ ব্যৱস্থাৰ গোটসমূহ লিখিবৰ বাবে এখন ফ্ল'চাৰ্ট অঁকা হৈছে। ইয়াত বৈদিক সমাজৰ আটাইতকৈ সৰু গোট আৰু তাৰ মুৰব্বীৰ নাম উদাহৰণ হিচাপে উল্লেখ কৰা আছে। পাঠটোৰ ভিত্তিত ক্ৰম অনুসাৰে খালী বাকচকেইটা পূৰ কৰা।




২. তলত দিয়া প্ৰশ্ন দুটাৰ শুদ্ধ উত্তৰটোৰ কাষত থকা ' ○ ' চিনটো পূৰোৱা।

(ক) বৰ্ধমান মহাবীৰে সন্ন্যাসী জীৱন-যাপন কৰিবলৈ কিয় মতপোষণ কৰিছিল?

- আত্মাৰ অমৰত্বৰ কাৰণে ○
- আত্মাৰ পৱিত্ৰতাক ৰক্ষা কৰিবলৈ ○
- দান ল'বলৈ ○
- তীৰ্থযাত্ৰা কৰিবলৈ ○

(খ) জড়বাদক এক নাস্তিক মতবাদ বুলি কিয় কোৱা হৈছে বুলি তুমি ভাবা?

- শক্তিক উপাসনা কৰা কাৰণে ○
- জড়বস্তুকে পৰমসত্ত্বা বুলি স্বীকাৰ কৰা কাৰণে ○
- পুনৰজন্মত বিশ্বাস ৰখা কাৰণে ○
- অনেক বিশ্বাসত আস্থা ৰখা কাৰণে ○

৩. শুদ্ধ-অশুদ্ধ বিচাৰ কৰা।

(ক) জৈন ধৰ্মৰ প্ৰথম তীৰ্থংকৰজনৰ নাম মহাবীৰ/ঋষভনাথ আছিল। ☐

(খ) বৰ্ধমান মহাবীৰক জ্ঞান লাভ কৰা পাছত জিন/জয় বুলি সম্বোধন কৰা হৈছিল। ☐

(গ) বুদ্ধদেৱে তেওঁৰ মতবাদসমূহ সাধাৰণ মানুহে বুজিব পৰাকৈ পালি/প্ৰাকৃত ভাষাত প্ৰচাৰ কৰিছিল। ☐

(ঘ) চন্দ্ৰগুপ্তই/অশোকে বৌদ্ধ ধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল। ☐

৪. 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা-

| 'ক' | 'খ' |
|---|---|
| মহাবীৰ | কনফুছিয়াছ |
| চৈত | জড়বাদ |
| চীন দেশ | প্ৰাৰ্থনা গৃহ |
| বুদ্ধ | চৌবিশ সংখ্যক তীৰ্থংকৰ |
| চাৰ্বাক | বোধিদ্ৰুম |

৫. তলত দিয়া তথ্যৰ ভিত্তিত শব্দ-জালিকাখনৰপৰা নিৰ্দিষ্ট শব্দবোৰ চিনাক্ত কৰা।

| | | | | | | |
|---|---|---|---|---|---|---|
| ল | ৰ | কে | ৰ | ম | দি | ল |
| লি | গি | মা | তু | সি | দ্ধা | ৰ্থ |
| চ্চ | থ | ঢ় | ক | খি | লি | বু |
| বী | বি | দ্যা | ধ | ৰ | ৱ | ধ |
| ড় | ফ | ট | ত | ঘ | ম | প্ৰা |
| উ | এ | ও | ই | দ | ৱ | কৃ |
| ঠ | ন | ন | লো | কা | য় | ত |

(ক) ভাৰতৰ এজন স্থানীয় দেৱতাৰ নাম

(খ) মহাবীৰৰ জন্ম হোৱা গণৰাজ্যখনৰ নাম

(গ) জৈন ধৰ্মত ব্যৱহাৰ হোৱা ভাষা

(ঘ) বুদ্ধৰ পিতৃ প্ৰদত্ত নাম

(ঙ) জড়বাদৰ আন এটা নাম

৬. তলত দিয়া বাক্যবোৰৰ শুদ্ধটোৰ কাষত থকা '○' চিনটো পূৰ কৰা।

(ক) পাৰস্য দেশৰ প্ৰাচীন ধৰ্ম হল হিব্ৰু। ○

(খ) ১২ বছৰ কাল তপস্যা কৰি মহাবীৰে কৈৱল্য লাভ কৰিছিল। ○

(গ) বুদ্ধদেৱে বলি বিধানত বেছি গুৰুত্ব দিছিল। ○

(ঘ) বুদ্ধ ধৰ্ম পিছলৈ হীনযান আৰু মহাযান এই দুটা ভাগত বিভক্ত হৈছিল। ○

(ঙ) দাৰ্শনিক বৃহস্পতিয়ে প্ৰথম জড়বাদৰ ধাৰণা প্ৰকাশ কৰিছিল। ○

৭. অসমত বাস কৰা জনজাতিসমূহৰ উপাস্য দেৱতাৰ নামৰ এখন তালিকা প্ৰস্তুত কৰা।

| জনজাতি | উপাস্য দেৱতা |
| --- | --- |
| | |

X1Z7F1

পাঠ ১১ (ভাগ ১)

# বৈচিত্ৰ্যৰ মাজত ঐক্য

১. তুমি বাস কৰা জিলাখনত কি কি ভাষা কোৱা মানুহ আছে, সেই অনুসৰি বাকচকেইটা পূৰ কৰা।

২. ভাৰতৰ বিভিন্ন ৰাজ্যৰ প্ৰধান আহাৰ আৰু সেয়া প্ৰস্তুত কৰিবলৈ ব্যৱহাৰ কৰা শস্যৰ নামেৰে তলৰ তালিকাখন পূৰ কৰা।

| ৰাজ্যৰ নাম | প্ৰধান আহাৰ | ব্যৱহৃত শস্য |
|---|---|---|
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |

৩. ভাৰতৰ বিভিন্ন ঠাইত উৎসৱ-পাৰ্বণৰ সময়ত মানুহে পৰিধান কৰা সাজপাৰৰ চিত্ৰৰে সৈতে নাম সংগ্ৰহ কৰি এখন স্ক্ৰেপবুক বা ফটো এলবাম প্ৰস্তুত কৰা।

৪. ভাৰতৰ বিভিন্ন ঠাইৰ গৃহশৈলীৰ চিত্ৰ সংগ্ৰহ কৰি এখন স্ক্ৰেপবুক প্ৰস্তুত কৰা।

৫. ২৬ জানুৱাৰী আৰু ১৫ আগষ্টক বাদ দি আৰু কি কি দিৱস আমি সমগ্ৰ ভাৰতত একে তাৰিখতে পালন কৰোঁ তলত দেখুওৱা ধৰণে তাৰ এখন তালিকা প্ৰস্তুত কৰা।
উদাহৰণস্বৰূপে, ৫ জুনৰ কথা উল্লেখ কৰা হ'ল।

| তাৰিখ | দিৱসৰ নাম |
|---|---|
| ৫ জুন | বিশ্ব পৰিৱেশ দিৱস |
| | |
| | |
| | |
| | |

৬. ভাৰতৰ কোন কোন ৰাজ্যত মৌচুমী ঋতুত হোৱা বৰষুণৰ প্ৰভাৱত ধান খেতি হয়?

(ক) ____________________ (ঙ) ____________________

(খ) ____________________ (চ) ____________________

(গ) ____________________ (ছ) ____________________

(ঘ) ____________________ (জ) ____________________

৭. ভাৰতীয় ১০০ টকীয়া, ২০০ টকীয়া, ৫০০ টকীয়া নোটত থকা ভাষা কেইটাৰ নাম লিখা।

(ক) ________________ (চ) ________________ (ট) ________________

(খ) ________________ (ছ) ________________ (ঠ) ________________

(গ) ________________ (জ) ________________ (ড) ________________

(ঘ) ________________ (ঝ) ________________ (ঢ) ________________

(ঙ) ________________ (ঞ) ________________ (ণ) ________________

৮. তোমালোকৰ সহপাঠীসকলে বছৰটোৰ ভিতৰত কি কি ধৰ্মীয় উৎসৱ পালন কৰে, তাৰ এখন তালিকা প্ৰস্তুত কৰা।

(ক) ______________________________ (চ) ______________________________

(খ) ______________________________ (ছ) ______________________________

(গ) ______________________________ (জ) ______________________________

(ঘ) ______________________________ (ঝ) ______________________________

(ঙ) ______________________________ (ঞ ) ______________________________

# পাঠ ১১ (ভাগ ২)

## ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ জীৱন

X1Z7F1

১. উত্তৰ-পূৰ্বাঞ্চলক আগুৰি থকা ৫ খন বিদেশী ৰাষ্ট্ৰৰ নাম তলত দিয়া হৈছে। এই ৰাষ্ট্ৰবোৰৰ নামৰ বিপৰীতে থকা নিৰ্দিষ্ট সংখ্যাবোৰেৰে মানচিত্ৰখনত থকা খালী বৃত্তবোৰ পূৰ কৰা আৰু উত্তৰ-পূৰ্বাঞ্চল অংশত ৰং বুলোৱা।

(ক) ভুটান (খ) ম্যানমাৰ, (গ) চীন, (ঘ) নেপাল, (ঙ) বাংলাদেশ



২. (ক) তলত উল্লেখ কৰা উত্তৰ -পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্য আৰু তাৰ ৰাজধানীসমূহৰ নাম সিপিঠিত দিয়া উত্তৰ-পূৰ্বাঞ্চলৰ মানচিত্ৰখনৰ দীঘলীয়া খালী বাকচবোৰত ভৰোৱা।

| | |
|---|---|
| অৰুণাচল প্ৰদেশ | আগৰতলা |
| অসম | আইজল |
| মণিপুৰ | দিছপুৰ |
| মেঘালয় | গেংটক |
| মিজোৰাম | ইম্ফল |
| নাগালেণ্ড | ইটানগৰ |
| ত্ৰিপুৰা | কহিমা |
| ছিকিম | শ্বিলং |

(খ) সিপিঠিত উত্তৰ-পূৰ্বাঞ্চলৰ মানচিত্ৰ এখন দিয়া আছে আৰু মানচিত্ৰখনত ১ৰ পৰা ১৮লৈ সংখ্যাসমূহ বহুওৱা হৈছে। এই সংখ্যাবোৰে উত্তৰ-পূৰ্বাঞ্চলৰ কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য নিৰ্দেশ কৰিছে। এতিয়া তলৰ তালিকাখনত ১ৰ পৰা ১৮ লৈ সংখ্যাবোৰৰ বিপৰীতে উল্লেখ কৰা পৰ্বতমালা, পাহাৰ-পৰ্বত আৰু নদ-নদীৰ নামবোৰ মানচিত্ৰখনত থকা সংখ্যাবোৰৰ কাষত লিখা।

**(i) পৰ্বতমালা**

(১) হিমালয় পৰ্বতমালা

(২) কাঞ্চনজংঘা শৃংগ

**(ii) উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ**

(৩) পাটকাই পাহাৰ

(৪) ত্ৰিপুৰা পাহাৰ

(৫) জয়ন্তীয়া পাহাৰ

(৬) খাচী পাহাৰ

(৭) মিচিমি পাহাৰ

(৮) মিজো পাহাৰ

(৯) গাৰো পাহাৰ

**(iii) নদ-নদী**

(১০) দিবাং

(১১) লোহিত

(১২) কপিলী

(১৩) কামেং

(১৪) দৈয়াং

(১৫) ব্ৰহ্মপুত্ৰ

(১৬) বৰাক

(১৭) মানাহ

(১৮) তিস্তা

(গ) তলৰ তালিকাখনত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত অৱস্থিত ৰাষ্ট্ৰীয় উদ্যান, নদী, দ্বীপ আৰু উপত্যকাবোৰৰ নাম উল্লেখ কৰা হৈছে। এতিয়া সিপিঠিৰ মানচিত্ৰখনত থকা সৰু বৰ্গাকৃতিৰ খালী বাকচবোৰত ৰাষ্ট্ৰীয় উদ্যান, নদী, দ্বীপ আৰু উপত্যকাবোৰৰ বিপৰীতে নিৰ্দেশ কৰা সংখ্যাবোৰ বহুওৱা।

**(iv) ৰাষ্ট্ৰীয় উদ্যান আৰু নদীদ্বীপ**

(১৯) নক্ৰেক (মেঘালয়)

(২০) মানাহ (অসম)

(২১) বালপাকৰাম (মেঘালয়)

(২২) কাজিৰঙা (অসম)

(২৩) কাঞ্চনজংঘা (ছিকিম)

(২৪) কেইবুল লামজাও (মণিপুৰ)

(২৫) ফুংপুই (মিজোৰাম)

(২৬) ৰাজবাৰী (ত্ৰিপুৰা)

(২৭) নাম্‌ডফা (অৰুণাচল প্ৰদেশ)

(২৮) টাংকি (নাগালেণ্ড)

(২৯) মাজুলী (অসম)

**(v) উপত্যকা**

(৩০) ট্লাৱাং (মিজোৰাম)

(৩১) বৰাক (অসম)

(৩২) দিহিং (অসম)

(৩৩) জিৰ' (অৰুণাচল প্ৰদেশ)

(৩৪) জুকুও (নাগালেণ্ড)

(৩৫) ব্ৰহ্মপুত্ৰ (অসম)

(৩৬) ইম্ফল (মণিপুৰ)

(৩৭) ইয়ামথাং (ছিকিম)

(৩৮) চোহৰা (মেঘালয়)

(৩৯) ৰাইমা (ত্ৰিপুৰা)

(৪০) লোহিত (অৰুণাচল প্ৰদেশ)

## ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানচিত্ৰ



৩.



ওপৰৰ চিত্ৰৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত বস্ত্ৰত দেখুওৱা খালী বাকচবোৰত তলত দিয়া ৰাজ্যসমূহৰ যথোপযুক্ত নামেৰে পূৰ কৰা-

| | | |
|---|---|---|
| (ক) অসম | (খ) ছিকিম | (গ) মেঘালয় |
| (ঘ) নাগালেণ্ড | (ঙ) মণিপুৰ | (চ) অৰুণাচল প্ৰদেশ |
| (ছ) ত্ৰিপুৰা | (জ) মিজোৰাম | |

৪. অমিলটো বাছি উলিওৱা।

(ক) উত্তৰ-পূৰ্বাঞ্চলত পালন কৰা কেইটামান উৎসৱ হৈছে-- বিহু, ল'চাৰ, মাউৎসু মুং, চাপচাৰ কুট, নংক্ৰেম, পোংগল।

(খ) উত্তৰ-পূৰ্বাঞ্চলত উৎপাদিত কেইবিধমান সামগ্ৰী হৈছে--
ঠাংকা, শৰাই, বাটিক, নুংবি মৃৎ শিল্প, কৌনা ঘাহেঁৰে উৎপাদিত সামগ্ৰী, এৰী সূতা।

(গ) উত্তৰ-পূৰ্বাঞ্চলত উৎপাদিত এবিধ বাঁহ-বেতৰ সামগ্ৰী হৈছে--
মেঘাম খক, জাপি, মূঢ়া, চালনি, পৰচেলিন, শীতল পাটি।

(ঘ) উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত এটা আঞ্চলিক ভাষা হৈছে--
খাচী, আন্দামানিজ, লেপচা, মিচিং, আংগামি, আদি।

(ঙ) উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত এটা লোকনৃত্য--
হোজাগিৰী, ৰাসলীলা, জাগই, ভাংৰা, বাগৰুম্বা, চেৰাউ, চেংচাং।

৫. সিপিঠিৰ চিত্ৰখনৰ পাতল ছাই বৰণীয়া আচবোৰ গাঢ় কৰি বিন্দুবোৰ সংযোগ কৰা আৰু তলত দিয়া ঠাইসমূহ তাত চিনাক্ত কৰা।

| | |
|---|---|
| (ক) কামাখ্যা মন্দিৰ (অসম) | (ঙ) কহিমা যুদ্ধৰ স্মৃতিসৌধ (নাগালেণ্ড) |
| (খ) ৰুণ্টেক বৌদ্ধবিহাৰ (ছিকিম) | (চ) প্ৰাক্-ঐতিহাসিক শিলৰ সাঁকো (মেঘালয়) |
| (গ) থামবেং গাঁও (অৰুণাচল) | (ছ) শিলৰ ভাস্কৰ্য (ত্ৰিপুৰা) |
| (ঘ) কাংলা ফোৰ্ট (মণিপুৰ) | (জ) প্ৰাক্-ঐতিহাসিক শিলাস্তম্ভ (মিজোৰাম) |



অধ্যায় ১২

## সমাজ ঃ পৰিয়াল, প্ৰতিবেশী আৰু ৰাইজ

P4J2W2

১. তলৰ বংশবৃক্ষ (Family Tree) জোপাৰ ডালত তোমাৰ নিজৰ লগতে তোমাৰ সম্পৰ্কীয় ব্যক্তিসকলৰ নামবোৰ লিখা।



(ক) বংশবৃক্ষৰ ভিত্তিত তালিকাখন পূৰ কৰা--

| বিষয় | সম্পৰ্কীয় ব্যক্তি | | | | | |
|---|---|---|---|---|---|---|
| | আজো-ককা | আজো-আইতা | ককা | আইতা | দেউতা | মা |
| জন্ম চন | | | | | | |
| জন্মস্থান | | | | | | |
| শিক্ষা | | | | | | |
| বৃত্তি বা জীৱিকা | | | | | | |

(খ) বংশবৃক্ষত উল্লেখ কৰা তোমালোকৰ পৰিয়ালৰ যিকোনো এজন সদস্যৰ জীৱনৰ ভিত্তিত সময়ৰেখা (Timeline) অংকন কৰা। উক্ত সময়ৰেখাত তলত দিয়া ঘটনাৱলী সন্নিৱিষ্ট কৰিবা।

(অ) জন্ম চন
(আ) প্ৰথম বিদ্যালয়লৈ যোৱা চন
(ই) কলেজীয়া শিক্ষা সমাপ্ত কৰা চন
(ঈ) কৰ্মজীৱন আৰম্ভ কৰা চন
(উ) বিবাহৰ চন
(ঊ) প্ৰথম সন্তানৰ জন্ম চন
(ঋ) আন উল্লেখযোগ্য ঘটনাৰ চন (ঘটনাটো উল্লেখ কৰিবা)
(এ) চলিত বৰ্ষ

২. কল, আপেল, গাখীৰ, ম'মো, পিজা, পানীপুৰী বা ফুস্কা, পিঠা, সান্দহ, চাওমিন, পইতাঁ ভাত, তামোল, চক্লেট্, তন্দুৰী মাংস, চিংৰা, গজা, চিৰা, পিঠাগুৰি।

(ক) তোমাৰ ককা-আইতাই ওপৰৰ খাদ্যৰ তালিকাখনৰ কোনবোৰ খাদ্যৰ লগত পৰিচিত নাছিল, সুধি লিখা-

(খ) তোমাৰ ককাদেউতাৰাই কেনে ধৰণৰ ঘৰ সাজিছিল?

| |
|---|
| |

(গ) এতিয়া কেনে ধৰণৰ ঘৰ অধিক দেখিবলৈ পোৱা?

| |
|---|
| |

৩. সময়ৰ লগত তোমালোকৰ পৰিয়ালত ব্যৱহাৰ কৰা কাপোৰ-কানিৰ ক্ষেত্ৰত কি কি পৰিৱৰ্তন হৈছে বুজোঁ আহা। তলত দিয়া বিষয়বস্তুৰ ভিত্তিত তালিকাখন পূৰ কৰা।

| প্ৰজন্ম | শীতকালত ব্যৱহাৰ কৰা কাপোৰ | বিদ্যালয়লৈ যাবলৈ পিন্ধা কাপোৰ | উৎসৱ-পাৰ্বণ, বিবাহ আদিত পিন্ধা কাপোৰ | কাপোৰ প্ৰস্তুত কৰা সামগ্ৰী | কাপোৰ কিনা দোকান/বজাৰ |
|---|---|---|---|---|---|
| ককা-আইতা | | | | | |
| মা-দেউতা | | | | | |
| তুমি | | | | | |

৪. খাদ্য প্ৰস্তুতকৰণৰ ক্ষেত্ৰত কি কি পৰিৱৰ্তন হৈছে তলৰ তালিকাখন যুগুত কৰি বুজিবলৈ চেষ্টা কৰা। (শিক্ষকৰ তত্ত্বাৱধানত দলগতভাৱে ছাত্ৰ-ছাত্ৰীসকলে প্ৰশ্নটোৰ উত্তৰ কৰিব)

| উপাদান | অতীত কালত | বৰ্তমান কালত |
|---|---|---|
| ইন্ধন | | |
| বাচন-বৰ্তন | | |
| খাদ্য প্ৰস্তুতকৰণৰ কৌশল | | |

৫. তলত দিয়া ধৰণে, তোমাৰ পৰিয়ালৰ আটাইকেইজন সদস্যৰ (সৰ্বাধিক পাঁচজন) জন্মস্থান, শিক্ষাগ্ৰহণৰ স্থান আৰু বৰ্তমানৰ বাসস্থানৰ তালিকা প্ৰস্তুত কৰা।

| সদস্যৰ নাম | | | | | |
|---|---|---|---|---|---|
| জন্ম স্থান | | | | | |
| শিক্ষাগ্ৰহণৰ স্থান (একাধিক হ'ব পাৰে) | | | | | |
| কৰ্মস্থান | | | | | |
| বৰ্তমানৰ বাসস্থান | | | | | |

৬. তলত দিয়া উৎসৱ আৰু দিৱস বিষয়ক চিত্ৰবোৰ চিনাক্ত কৰি নামবোৰ একাদিক্ৰমে লিখা। এইবোৰ কেতিয়া আৰু কি প্ৰসংগ পালন কৰা হয় তাক দলগতভাৱে আলোচনা কৰা।

(ক)


(উৎস ঃ www.flickr.com/photos/publicresourceorg/16368748781)

___________________

(খ)


(উৎস ঃ www.flickr.com/photos/meaindia/34641012444)

___________________

(গ)


(উৎস ঃ via Wikimedia Commons)

___________________

(ঘ)


(উৎস ঃ via Wikimedia Commons)

___________________

G1V9E5

# পাঠ ১৩

## ভাৰতৰ শাসন ব্যৱস্থাৰ গঠন

১. আমাৰ দেশৰ প্ৰশাসনৰ স্তৰ তিনিটাৰে তলৰ বাকচকেইটা পূৰ কৰা-




২. 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা-

| 'ক' | 'খ' |
|---|---|
| (a) ৰাজ্যসভা | (i) ৰাজ্যিক নিম্নসদন |
| (b) লোকসভা | (ii) ৰাজ্যিক উচ্চসদন |
| (c) বিধান পৰিষদ | (iii) কেন্দ্ৰীয় নিম্নসদন |
| (d) বিধান সভা | (vi) কেন্দ্ৰীয় উচ্চসদন |

৩. তলৰ খালী বাকচকেইটা পূৰ কৰা-




৪. তলৰ সংক্ষিপ্ত ৰূপকেইটাৰ সম্পূৰ্ণ ৰূপ লিখা।

(ক) MLA : ______________________________

(খ) MP : ______________________________

৫. ভাৰতৰ প্ৰত্যেক ৰাজ্যৰে বিধানসভাৰ সদস্যৰ সংখ্যা কিমানকৈ আছে তলত দিয়া ধৰণে তাৰ এখন তালিকা প্ৰস্তুত কৰা।

| ৰাজ্যৰ নাম | বিধান সভাৰ সদস্যৰ সংখ্যা |
|---|---|
| | |

৬. ভাৰতৰ বিধান পৰিষদ থকা ৰাজ্যকেইখনৰ উচ্চ সদনৰ সদস্যৰ সংখ্যাৰ এখন তালিকা প্ৰস্তুত কৰা।

| বিধান পৰিষদ থকা ৰাজ্যৰ নাম | উচ্চ সদনৰ সদস্য সংখ্যা |
|---|---|
| | |

৭. ভাৰতৰ বাহিৰেও গণতান্ত্রিক শাসন ব্যৱস্থা থকা অন্য ১০ খন দেশৰ নাম, সেই দেশবোৰৰ ৰাজধানীৰ নাম লিখা। তাৰ পাছত প্ৰতিখন দেশৰে ভৌগোলিক অৱস্থিতি মানচিত্ৰ বা গোলকত চিনাক্ত কৰা।

| দেশৰ নাম | ৰাজধানীৰ নাম |
|---|---|
| | |

V1A6Y4

পাঠ ১৪

# স্থানীয় স্বায়ত্তশাসন ব্যৱস্থা

১. তলৰ প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰটো বাছি কাষৰ '○' চিনটো পূৰ কৰা।

(ক) পঞ্চায়তৰ সভাপতিজনক কোনে নিৰ্বাচিত কৰে?

- পঞ্চায়তৰ সদস্যসকলে ○
- স্থানীয় বিধায়কগৰাকীয়ে ○
- গাঁৱৰ ৰাইজে ○
- গাঁৱৰ ভোটদাতাসকলে ○

(খ) তলৰ কোনটো কাৰণত তুমি পঞ্চায়তৰ সভাপতিৰ কাষলৈ যাবা?

- তোমালোকৰ খীৰতী গাইজনী হেৰালে ○
- দৰিদ্ৰ সীমাৰেখাৰ তলৰ (BPL) মানুহৰ উন্নয়ন বিচাৰি ○
- তোমাৰ বিদ্যালয়লৈ যোৱা পথটো মেৰামতিৰ বাবে ○
- অসমৰ বাহিৰৰ পৰ্যটনস্থলী চাবলৈ যোৱাৰ কাৰণে ধন বিচাৰি ○

(গ) তলৰ কোনটো গাঁও পঞ্চায়তৰ দৰকাৰী অংগ?

- সভাপতি ○
- চুবুৰী ○
- মহিলা সদস্য ○
- কমেও দুখন গাওঁ ○

(ঘ) গাঁও সভাত তলত উল্লেখ কৰা কোনবোৰ কথা আলোচিত হয়?

- গাঁৱৰ উন্নয়নৰ কথা ○
- নিজৰ নিজৰ সমস্যাৰ কথা ○
- ভাষাৰ উন্নতিৰ কথা ○
- খেল-ধেমালি অনুষ্ঠিত কৰাৰ কথা ○

(ঙ) আঞ্চলিক পঞ্চায়ত এখন কাৰদ্বাৰা গঠিত হয়?

- গাঁও পঞ্চায়ত এলেকাৰপৰা নিৰ্বাচিত হৈ অহা সদস্যসকলৰদ্বাৰা ○
- মেয়ৰসকলৰদ্বাৰা ○
- পঞ্চায়তৰ সভাপতি, নিৰ্বাচিত হৈ অহা সদস্যসকল আৰু স্থানীয় বিধায়ক আৰু সাংসদসকলৰদ্বাৰা ○
- অঞ্চলটোৰ সকলো বিষয়া আৰু কৃষকৰদ্বাৰা ○

২. অসমৰ পাহাৰীয়া অঞ্চলৰ স্থানীয় স্বায়ত্তশাসিত পৰিষদ দুখনৰ নাম তলৰ বাকচ দুটাত লিখা।

| | |
|---|---|
| | |

৩. তলৰ নগৰবোৰৰ কোনখন পৌৰসভা আৰু কোনখন পৌৰ নিগম লিখা--

ডিব্ৰুগড় ----------------------------

গুৱাহাটী -----------------------------

যোৰহাট ----------------------------

দিল্লী ---------------------------------

কলিকতা ----------------------------

গোলাঘাট ---------------------------

নলবাৰী -----------------------------

গোৱালপাৰা ------------------------

বঙাইগাঁও ---------------------------

৪. তলত দিয়া অসমৰ মানচিত্ৰখনত বি টি আৰ (BTR) অঞ্চলটো চিহ্নিত কৰা।



৫. ‘ক’ অংশৰ লগত ‘খ’ অংশ মিলোৱা--

| ‘ক’ | ‘খ’ |
|---|---|
| সভাপতি | স্বায়ত্তশাসিত জিলা পৰিষদ |
| পৌৰ নিগম | গাওঁ পঞ্চায়ত |
| বি টি আৰ (BTR) | পৌৰ নিগমৰ মুৰব্বী |
| মেয়ৰ | ডাঙৰ নগৰৰ স্বায়ত্ত শাসন |

৬. তলৰ শব্দ জালিকাখনৰপৰা স্থানীয় স্বায়ত্তশাসনৰ লগত জড়িত অনুষ্ঠান, পদবী, গোট আদি বুজোৱা শব্দবোৰ বাছি উলিয়াই লিখা।

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| অ | বি | ণ | মি | ন | গাঁ | ৰে | পে | চা | টি |
| কা | উ | ঞ্চি | ল | ৰ | ও | দে | ৰৌ | প | ঙ |
| ত | তে | কা | এ | চি | স | ভা | প | তি | আ |
| চে | মা | ণ | চু | ন | ভা | ও | ভা | ধ | মু |
| নৈ | প | ঞ্চা | য় | ত | কে | মৈ | লৈ | পৈ | খ্য |
| দৈ | উ | কা | শ | ক্ষ | ৰ | স | গ | গৈ | কা |
| ব্ৰা | ঋ | নে | চা | পৌ | ৰ | প | তি | ঋ | র্য |
| র্ড | তু | মে | য় | ৰ | কু | নু | জে | বৈ | বা |
| ৰে | কা | লে | পৈ | স | দৈ | থূ | জা | সা | হী |
| ৰা | সা | জা | জৈ | ভা | বৈ | ল | ম | ল | ক |

(ক) গাওঁসভা (খ)

(গ) (ঘ)

(ঙ) (চ)

(ছ) (জ)

(ঝ) (ঞ)

৭. গছডালৰ খালী থকা পাতবোৰত উপযুক্ত শব্দ বহুওৱা।




৮. পদবীৰ নাম লিখোঁ আহা (শিক্ষকৰ সহায়ত উত্তৰ কৰিবা।)

| | | |
|---|---|---|
| উদাহৰণস্বৰূপেঃ- | পঞ্চায়ত ------------------------→ | সভাপতি |
| | আঞ্চলিক পঞ্চায়ত ------------→ | |
| | জিলা পৰিষদ -----------------→ | |
| | নগৰ সমিতি ------------------→ | |
| | পৌৰ সভা --------------------→ | |
| | পৌৰ নিগম -------------------→ | |
| | স্বায়ত্তশাসিত জিলা পৰিষদ → | |

# অৰ্থনীতি, ইয়াৰ খণ্ডসমূহ আৰু বিনিময়ৰ মাধ্যম

N9R8V2

১. তলত দিয়া উক্তিবোৰৰ শুদ্ধ - অশুদ্ধ নিৰ্ণয় কৰা।

(ক) খনিজ সম্পদ, যেনে- ধাতুৰ আকৰ, কয়লা, খনিজ তেল আদি প্ৰাথমিক খণ্ডৰ অন্তৰ্গত। ☐

(খ) পানী যোগান, বিদ্যুৎ যোগান আৰু নিৰ্মাণ কাৰ্য সেৱা খণ্ডৰ অন্তৰ্গত। ☐

(গ) খাদ্য সামগ্ৰীসমূহ ট্ৰাকেৰে বজাৰলৈ কঢ়িয়াই অনা গৌণ খণ্ডৰ অন্তৰ্গত। ☐

(ঘ) স্মাৰ্ট ম'বাইল ফোনৰ জৰিয়তে ই-মেইল বাৰ্তা প্ৰেৰণ কৰা কাৰ্য সেৱাখণ্ডৰ অন্তৰ্গত। ☐

২. তৰাজান গাঁৱত কি কি অৰ্থনৈতিক কাৰ্যকলাপ দেখিবলৈ পাইছা তলৰ বাকচত লিখা।

| | | | |
|---|---|---|---|
| | | | |
| ক | খ | গ | ঘ |

৩. তোমাৰ মা-দেউতাৰা কেনেধৰণৰ অৰ্থনৈতিক কাৰ্যকলাপৰ সৈতে জড়িত তলত উল্লেখ কৰা।

________________________________________

________________________________________

________________________________________

৪. তলৰ তালিকাত দিয়া বয়স অনুযায়ী তোমালোকৰ প্ৰতিৱেশীসকল কেনেধৰণৰ জীৱিকাৰ লগত জড়িত তাক তালিকাখনত উল্লেখ কৰা। (দলগত আলোচনাৰ মাধ্যমত কৰিবা)

| পুৰুষ | | | মহিলা | | |
|---|---|---|---|---|---|
| ২০-২৯ বছৰ | ৩০-৩৯ বছৰ | ৪০ বছৰ উৰ্দ্ধৰ | ২০-২৯ বছৰ | ৩০-৩৯ বছৰ | ৪০ বছৰ উৰ্দ্ধৰ |
| | | | | | |

৫. তলৰ বৃত্তিসমূহ চিনাক্ত কৰি প্ৰাথমিক, গৌণ আৰু সেৱা এই তিনিটা খণ্ডত ভাগ কৰা আৰু তলৰ তালিকাখন পূৰ কৰা।

(ক)



(খ)



(গ)



(ঘ)



(ঙ)



(চ)



(ছ)



| প্ৰাথমিক খণ্ড | গৌণ খণ্ড | সেৱা খণ্ড |
|---|---|---|
| | | |

৬. তোমাৰ পৰিয়ালৰ লোকসকল কি কি অনা-অৰ্থনৈতিক কাৰ্যৰ লগত জড়িত উল্লেখ কৰা।

______________________________________________

______________________________________________

______________________________________________

______________________________________________

______________________________________________

৭. তলৰ ধাতৰ আৰু কাগজী মুদ্ৰাসমূহ মূল্যৰ ভিত্তিত একাদিক্ৰমে সজোৱা।

(ক)




(খ)




(গ)




(ঘ)




| | | | |
|---|---|---|---|
| | | | |

৮. ইণ্টাৰনেট সেৱা অৰ্থনীতিৰ কোনটো খণ্ডৰ লগত জড়িত? তুমি ইণ্টাৰনেট সেৱা কি কি কাৰ্যত ব্যৱহাৰ কৰিছা লিখা।